# প্ৰেৰণা

## অসমীয়া বিভাগৰ পত্ৰিকা

প্ৰথম সংখ্যা ঃ ২০১৮

নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়

সম্পাদক

ড° নীৰা দাস


চেমিনাৰ
দিনাংক - ২৮.০৪.২০১৮
স্নাতক দ্বিতীয় বৰ্ষৰ চতুৰ্থ ষাণ্মাসিক
অসমীয়া বিভাগ





Dr. NIRA DAS
Asstt. Professor & Head
Deptt. of Assamese
Narangi Anchalik Mahavidyalaya
Narangi, Ghy-781171

NARANGI ANCHALIK MAHAVIDYALAYA LIBRARY GUWAHATI-71

# প্ৰেৰণা

নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়

অসমীয়া বিভাগৰ পত্ৰিকা

প্ৰথম সংখ্যা ঃ ২০১৮

নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয় গ্ৰন্থাগাৰলৈ
ড° নীৰা দাস
২৭/৩/২০১৯
মুৰব্বী অধ্যাপক
অসমীয়া বিভাগ
গুৱাহাটী-১৭১

সম্পাদক

ড° নীৰা দাস

*অসমীয়া বিভাগৰ পত্রিকা "প্রেৰণা"ৰ প্রথম বছৰ, প্রথম সংখ্যা, ২০১৮; সম্পাদক - ড° নীৰা দাস, মুৰব্বী আৰু সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়, নাৰেঙ্গী, গুৱাহাটী-৭৮১১৭১; নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়ৰ "অসমীয়া সাহিত্য চ'ৰা"ৰ দ্বাৰা প্রকাশিত।*

**প্রথম প্রকাশ ঃ**
অক্টোবৰ, ২০১৮

**সম্পাদনা সমিতি ঃ**

**উপদেষ্টা ঃ**
ৰীতা দত্ত হাজৰিকা
*ভাৰপ্ৰাপ্ত অধ্যক্ষ*

**সম্পাদক ঃ**
ড° নীৰা দাস
*মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ*

**সদস্য ঃ**
ড° সৰোজ কাকতি
*সহকাৰী অধ্যাপক*

ইৰাণী ঠাকুৰীয়া
*সহকাৰী অধ্যাপক*

মিনু দাস
*সহকাৰী অধ্যাপক*

যোজনাগন্ধা পাঠক
*সহকাৰী অধ্যাপক*

ড° পৰিনীতা শইকীয়া বৰা
*সহকাৰী অধ্যাপক*

**মূল্য ঃ ৫০.০০ টকা মাত্র**

**মুদ্রক ঃ নৰ্থ ইষ্ট প্ৰিন্টিং প্ৰেছ, গুৱাহাটী-৭৮১০০১**

# অধ্যক্ষৰ কলম



অসমীয়া বিভাগৰ চতুৰ্থ যান্মাসিকৰ ছাত্ৰ-ছাত্ৰীৰ ক্ষুদ্ৰ গৱেষণা পত্ৰসমূহৰ উৎকৃষ্টখিনি গ্ৰন্থ আকাৰে প্ৰকাশ কৰি স্থায়িত্ব প্ৰদান কৰাৰ প্ৰচেষ্টা এটা প্ৰশংসনীয় কাম। এই গ্ৰন্থখনে অসমীয়া বিভাগৰ ভৱিষ্যত ছাত্ৰ-ছাত্ৰীক পথ দেখুৱাব পাৰিব কিদৰে ক্ষুদ্ৰ গৱেষণা পত্ৰ লিখা হয়। এই অভিজ্ঞতাই ভৱিষ্যতে গৱেষণাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীক আকৃষ্ট কৰিব। এই ধাৰা অৱধাৰিত হৈ ৰওক, সেই শুভ কামনাৰে—

ৰীতা দত্ত হাজৰিকা
ভাৰপ্ৰাপ্ত অধ্যক্ষ
নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়
২৭-১০-২০১৮



# সম্পাদকীয়

আজিৰ আধুনিক যুগৰ বৌদ্ধিক উত্তৰণে মানৱ জীৱনৰ গতি সলনি কৰিছে। বৰ্তমান একবিংশ শতিকাৰ সাহিত্যৰ জগতখনলৈ বহুত পৰিবৰ্তন আহিল। শিক্ষাৰ জগতখন পূৰ্বৰ দৰে শ্ৰৱণ-কথনক লৈ ব্যস্ত নহৈ ভাষা-সাহিত্য-সংস্কৃতিৰ দিশত নিত্য নতুন ধ্যান ধাৰণাই স্থান লাভ কৰিছে। আজিৰ সাহিত্যই কৰ্মৰ সন্ধান দিবলৈও উঠি-পৰি লাগিছে। আমাৰ ভাষা-সাহিত্য-সংস্কৃতিৰ ন ন দিশৰ পৰ্য্যালোচনা কৰাৰ বাবে বৰ্তমানে সময় আহি পৰিছে। এই ন ন দিশসমূহ আমাৰ ভাষা-সাহিত্য-সংস্কৃতিৰ ছাত্ৰ-ছাত্ৰীসকলে ব্যৱহাৰিক জীৱনত সংস্পৃক্ত কৰি সমৃদ্ধ কৰিব পাৰিব লাগিব। সেই কথা অহৰ্নিশে চিন্তা-চৰ্চা কৰা উচিত।

আমাৰ নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ, 'অসমীয়া সাহিত্য চ'ৰা'ৰ তৰফৰ পৰা পোন প্ৰথম বাৰ 'প্ৰেৰণা' নামেৰে এখন পত্ৰিকা প্ৰকাশ কৰিবলৈ পাই আমি অতিশয় সুখী হৈছো। আমাৰ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰী ৰীতা দত্ত হাজৰিকা বাইদেউৰ সহায় সহযোগ আৰু অনুপ্ৰেৰণাৰ লগতে আৰ্থিক দিশত সহায়ৰ হাত আগবঢ়োৱাত এই বিভাগীয় পত্ৰিকাখনে আত্মপ্ৰকাশ লাভ কৰিবলৈ সক্ষম হৈছে।

২০১৩ চনৰ পৰা ২০১৭ চনলৈ যিসকল ছাত্ৰ-ছাত্ৰীৰ লিখনীৰে এই পত্ৰিকাই জন্ম লাভ কৰিলে, তেওঁলোকৰ ওচৰত মই চিৰ কৃতজ্ঞ। অনাগত বৰ্ষত 'প্ৰেৰণা'ই সাহিত্যিক সমৃদ্ধি লাভ কৰিব আৰু বিভাগীয় ছাত্ৰ-ছাত্ৰীৰ উন্নত মানদণ্ডৰ লিখনিৰে পৰিপুষ্টি লাভ কৰিবলৈ সক্ষম হোৱাৰ কামনা কৰিলোঁ।


**ড° নীৰা দাস**

*সম্পাদক*

অসমীয়া বিভাগীয় মুৰব্বী

নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়

# সূচীপত্ৰ


- আউনীআটী সত্ৰ ঃ এক অধ্যয়ন
  — জুৰি নাথ /৬
- কামাখ্যা মন্দিৰৰ ঐতিহ্য আৰু গুৰুত্ব
  — কল্পনা চৰকাৰ /১০
- বাইহাটা চাৰিআলিৰ দেৱালয়সমূহ ঃ এক অধ্যয়ন
  — সঞ্জীৱ বড়ো /১৬
- বৰপেটা কীৰ্তন ঘৰ ঃ এক অধ্যয়ন
  — সুমিত্ৰা ৰাভা /২৩
- কাৰবিসকলৰ খাদ্যসম্ভাৰ ঃ এক অধ্যয়ন
  — অৰ্চনা তুমুং /৩২
- বঙালী সমাজৰ উৎসৱ অনুষ্ঠান
  — দেৱযানী বিশ্বাস /৩৭
- কাৰবি জনগোষ্ঠীৰ সাজ-পাৰ আৰু আ-অলংকাৰ ঃ এটি অধ্যয়ন
  — বুদ্ধিমায়া দেৱী /৫২
- টাই-আহোমসকলৰ বিবাহ, সাজ-পাৰ আৰু আ-অলংকাৰ ঃ এক অধ্যয়ন
  — লুকী হাতী বৰুৱা /৫৭
- পানীখাইতিৰ ৰাজাবাৰী অঞ্চলৰ উৎসৱ-পাৰ্বণ
  — চম্পা দাস /৬৪
- তেজপুৰৰ নিকামুল সত্ৰ ঃ এক অধ্যয়ন
  — দীপিকা কোচ /৮১
- পাঁচোৰজীয়া অঞ্চলৰ তিৱা লোকগীত
  — প্ৰৱীন লালুং /৮৫
- তিৱা জনগোষ্ঠীৰ জোনবিল মেলা
  — অঞ্জুমণি হালৈ /১০৫

# আউনীআটী সত্ৰ ঃ এক অধ্যয়ন

জুৰী নাথ
*চতুৰ্থ ষান্মাসিক*
*২০১৩ বৰ্ষ*

মাজুলীৰ এখন প্ৰধান সত্ৰ হ'ল আউনীআটী সত্ৰ। আউনীআটী সত্ৰ অসমৰ চাৰিখন প্ৰধান সত্ৰৰ অন্যতম। এই সত্ৰ আহোম ৰজা জয়ধ্বজসিংহৰ দিনত কুৰুৱাবাহীৰ নিৰঞ্জন পাঠকে প্ৰতিষ্ঠা কৰে। স্বৰ্গদেউ জয়ধ্বজ সিংহই গালপোৰা ঘাটত যজ্ঞ কৰোতে গোবিন্দ ঠাকুৰৰ মূৰ্তিৰে সৈতে কুৰুৱাবাহী সত্ৰৰ নিৰঞ্জন পাঠকক নিয়াই তেওঁতে শৰণ লয় আৰু মাটি-বৃত্তি, দেউৰী, যোগনীয়া দি এই সত্ৰ পাতি দিয়ে। যি ঠাইত এই সত্ৰখন স্থাপন কৰা হৈছিল, সেই ঠাইডোখৰত আউনী পাণ থকা গছ এজোপা আছিল। আটী মানে ওখ ঠাই। এনে এডোখৰ ওখ ঠাইত আউনী পাণ থকা গছ এজোপা থকা কাৰণে ঠাইডোখৰৰ নাম আউনীআটী হৈছিল। পিছত এই সত্ৰৰ এটি শাখা উত্তৰ গুৱাহাটীত স্থাপন কৰা হয়।

**আউনীআটী সত্ৰৰ ধৰ্মীয় দিশ ঃ**

**নৈমিত্তিক পূজা ঃ** নিত্য পূজা যোগীসকলে পৰমআত্মাক লাভ কৰে সহস্ৰাৰ পদ্মৰ মণিকৰ্ণিকাত, যাক কোৱা হয় মণিকুট। শ্ৰী শ্ৰীগোবিন্দ মহাপ্ৰভুৱেই আউনীআটী সত্ৰৰ মণিকূটত থাকি সত্ৰৰ সকলো কৰ্ম্ম নিয়ন্ত্ৰণ কৰি আহিছে। আউনীআটীৰ সকলো কাম গোবিন্দৰ নামত হয়। সকলো কৰ্ম্মৰ শেষ সমৰ্পণো হয় শ্ৰী শ্ৰীগোবিন্দত। মণিকূটত মহাপ্ৰভু গোবিন্দৰ আৰু তেওঁৰ দুয়োকাষে আন চাৰিটা মূৰ্ত্তিৰ স্নান, পূজা ভোগ নিবেদন, আৰতি অৰ্চন বন্দনাদিৰ কাম সদায় নিৰৱচ্ছিন্নভাৱে সম্পন্ন হয়। বৰদেউৰীয়ে নিজে গোবিন্দ মহাপ্ৰভুক স্নান কৰায় আৰু পূজা ভাগও কৰে। বাকী কেইটা মূৰ্ত্তিৰ পূজা অৰ্চনা পালি পূজাৰীয়ে কৰে।

গোবিন্দ মহাপ্ৰভুৰ মূল পূজাভাগ শেষ নোহোৱালৈকে মণিকূটৰ দুৱাৰ বন্ধ

থাকে। পূজাৰ অন্তত দুৱাৰ মুকলি কৰাৰ লগে লগে বৰাগী নাথ, কীৰ্তন কৰা ভকত বৈষ্ণৱ সকলে গোবিন্দৰ নিৰ্মালি গ্ৰহণ কৰি সত্ৰাধিকাৰক পূজাঘৰত দৰ্শন কৰেগৈ। এই দৰ্শন দিয়া ব্যৱস্থাটোৰ আন এক তাৎপৰ্য্য আছে সেইয়া সত্ৰত যে সততে বৈষ্ণৱসকল বিদ্যামান এই অভিজ্ঞান সত্ৰাধিকাৰক দি থকা।

গোবিন্দ মহাপ্ৰভুৰ নিত্য পূজাৰ উপৰিও বছৰি কেইটামান পৰ্বত বিশেষ পূজা হয়। জন্মাষ্টমী, তিনিবৰ একাদশীত (শয়ন, উঠায়ন, পাৰ্শ্বপৰিৱৰ্তন) আৰু নৱান্নত ভোজোৎসৰ্গ আৰু কাতি বিহুত ভোজোৎসৰ্গ কৰি দীপোৎসৰ্গ কৰে। আকৌ বহাগ বিহুৰ বিশেষ পূজাত ভোগ, পিঠা, লাৰু আদি নৈবেদ্যও দিয়া হয়। পূৰ্বৰ অধিকাৰীসকলৰ তিথি মহোৎসৱৰ উপৰিও ধৰ্ম প্ৰৱৰ্ত্তক মহাপুৰুষসকলৰ তিথিও আউনীআটী সত্ৰত পালন কৰা হয়। নিতৌ চৈধ্য প্ৰসংগ, মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ তিথি, বহাগ বিহু সাতদিনীয়াকৈ, কাতি বিহু, মাঘ বিহু আদি অনুষ্ঠান এই সত্ৰত নিয়মীয়াকৈ অনুষ্ঠিত হয়। কাতিৰ দোমাহীত ২১ যোৰা আকাশবন্তী জ্বলোৱা হয়। সত্ৰাধিকাৰ সমচিতে সকলোৱে সমদলেৰে আকাশবন্তী প্ৰদক্ষিণ কৰি উৎসৱ পালন কৰে। নবেম্বৰত অনুষ্ঠিত হোৱা পাল নামত অজস্ৰ লোকৰ সমাগম হয়। সত্ৰত পালনাম আৰু ৰাসোৎসৱ যথোচিত সমাৰোহেৰে পালন কৰা হয়।

**সংক্ষেপে উত্তৰ গুৱাহাটীৰ শ্ৰী শ্ৰীআউনীআটী শাখা সত্ৰ**

অসমত প্ৰতিষ্ঠিত হোৱা চাৰিখন ৰজা সত্ৰ আউনীআটী, কুৰুৱাবাহী, দক্ষিণপাট আৰু গড়মূৰ। এই কেইখনৰ ভিতৰত উত্তৰ গুৱাহাটীস্থ শ্ৰী শ্ৰীআউনীআটী শাখা সত্ৰ অন্যতম। এই সত্ৰ প্ৰতিষ্ঠা হৈছিল ১৫৫৭ শকত। মূল সত্ৰৰ অধীনত ১৪ খন শাখা সত্ৰ অসমৰ বিভিন্ন জিলাত অৱস্থিত। তাৰ ভিতৰত কামৰূপ জিলাৰ উত্তৰ গুৱাহাটীৰ প্ৰসিদ্ধ অশ্বক্লান্ত দেৱালয় পাহাৰৰ উত্তৰত, পাদদেশ লৌহিত্যৰ তীৰভূমি খণ্ডতেই এই শাখা সত্ৰখনি অৱস্থিত। "১৮৩৭ শকত আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰী শ্ৰীকমলচন্দ্ৰ দেৱগোস্বামী প্ৰভু ঈশ্বৰে অশ্বক্লান্ত দেৱালয়ৰ পৰা ৬০ বিঘা মাটি লীজ চুক্তিত লৈ এই সত্ৰ প্ৰতিষ্ঠা কৰিছিল। ইয়াৰ আগতে এই সত্ৰখনি গুৱাহাটী মহানগৰৰ আমনি নামে ঠাইত (বৰ্তমান ভৰলু ফটাশিল নতুন টাউন) আছিল" (বৰ্ণিল সংস্কৃতি, পৃঃ ২৫৯, ভৱেন্দ্ৰনাথ শইকীয়া)। এই সত্ৰৰ মূল বিগ্ৰহ হ'ল 'গোপীনাথ মহাপ্ৰভু'। গোপীনাথ মহাপ্ৰভু ইয়ালৈ অহাৰ লগে লগে এই স্থান নদন-বদন হৈ পৰিল।

তাৰ পাছতেই ভাগৱত ভাস্কৰ শ্ৰী শ্ৰীহেমচন্দ্ৰদেৱ আউনীআটী সত্ৰাধিকাৰ গোসাই ঈশ্বৰে ১৮৭৯ শকৰ আঘোণ মাহৰ পৰা ১৮৮০ শকৰ শাওণ মাহলৈ ১০ মাহ দিন একাধাৰে সমগ্ৰ ভাৰতবৰ্ষ ভ্ৰমণ কৰিছিল। এই ভ্ৰমণৰ বিশাল অভিজ্ঞতা হৃদয়ত লৈ এইজনা মহান গুৰুৱে উত্তৰ গুৱাহাটীস্থিত শ্ৰীশ্ৰীআউনীআটী শাখা সত্ৰখনি আধুনিক ৰূপত শিল, ইটা আদিৰে পকীকৰণ ব্যৱস্থাৰে নিৰ্মাণ কৰাইছিল। মুঠতে যি দুজনা গুৰুৰ কৃপাত এই উত্তৰ গুৱাহাটী শ্ৰীশ্ৰীআউনীআটী শাখা সত্ৰখনি জীৱন্ত হৈ পুণ্যভূমিত পৰিণত হৈছে, আজি সেই স্থানেই বৰ্ণিল সাংস্কৃতিক সমাৰোহৰ ভূমি 'কমলদেৱ ক্ষেত্ৰ'।

বাৰ্ষিক বিভিন্ন পৰ্বৰ ভিতৰত এই ক্ষেত্ৰত অনুষ্ঠিত হোৱা পাল নাম এক বিশেষ উল্লেখযোগ্য অনুষ্ঠান। আউনীআটী পাল নাম, দক্ষিণপাটৰ ৰাস— এই দুটা উৎসৱৰ কথা অসমত সৰু ল'ৰা এটিয়েও জানে। পালনাম আউনীআটীৰ বছৰেকীয়া উৎসৱ। কাতিৰ ২৭ তাৰিখৰ পৰা ২৯ তাৰিখলৈ ৩ দিন ধৰি বিশেষ উলহ মালহেৰে এই পৰ্ব মনা হয়। অৱশ্যে মূল সত্ৰত ২৫ কাতিৰ পৰা ২৯ কাতিলৈ এই উৎসৱ ৫ দিন ধৰি মনা হয়। উৎসৱৰ কেইদিন হেজাৰ হেজাৰ লোকৰ সমাগম হয়।

পাল নামৰ অৰ্থ হ'ল পালে পালে গোৱা নাম। চাৰিওহাটীয়ে পাল মতে পৃথকে এই কেইদিন দিনৌ নাম গায়। নিত্য প্ৰসঙ্গ বিলাকৰ কোনো ব্যতিক্ৰম নঘটাকৈ দিনৰ ১০ মান বজাৰ পৰা আবেলি ৫ মান বজালৈকে প্ৰত্যেক হাটীৰ ভকতে নিজৰ সময় অনুক্ৰমে নামঘৰত বহি নাম ধৰে। এক হাটীৰ প্ৰসঙ্গ শেষ হ'লে আন হাটীৰ ভকত বহেহি। সেই অনুক্ৰমে দিনটোত চাৰিওহাটীয়ে একোবাৰকৈ গায়। বহুতো নিয়ম নীতিৰে সৈতে অবিচ্ছেদ্যভাৱে দিনে ৰাতিয়ে একাকাৰ কৰি পালে পালে এই কেইদিন নাম ধৰে। সৰ্বশেষত অধিকাৰ আৰু ডেকা অধিকাৰে সাষ্টাঙ্গে দণ্ডৱতে পৰি নামলৈ সেৱা কৰে, আশীৰ্বদীয়াই সুদীৰ্ঘ আশীৰ্বাদ বৰ্ষণ কৰে। এই আশীৰ্বাদ আউনীআটী সত্ৰৰ এটা বিশেষ আশীৰ্বাদ বুলি ক'ব পাৰি। ইয়াত গোটেই ভাৰতৰ বৈষ্ণৱ সম্প্ৰদায়ী বিলাকৰ সন্তশিৰোমণিসকলৰো নাম লোৱা হয়। আশীৰ্বাদৰ ভিতৰত নদী, পৰ্বত, সমুদ্ৰ, বৃক্ষ, পশু, পক্ষী, যক্ষ, ৰক্ষ, কিন্নৰ, ঋষি, মুণি, জল, স্থল আকাশনিৱাসী সকলোৰে সন্তোষ্টিৰ অৰ্থে একোষাৰকৈ কোৱা হয়। এইদৰে আশীৰ্বাদৰ ছলেৰে ভক্তসকলৰ চৰম প্ৰাপ্য 'সবাতে বিষ্ণুবুদ্ধি'ৰ উপদেশ দিয়া হয়।

এই শাখা সত্ৰখনি প্ৰতিষ্ঠাৰ দিন ধৰি 'গোপীনাথ মহাপ্ৰভু' বিগ্ৰহৰ সেৱা পূজাত বৰপূজাৰী তথা ৰাজমেধীৰূপে কাৰ্যনিৰ্বাহ কৰিছিল ক্ৰমে, ঁ নন্দীনাথ শৰ্মা, ঁ ভদ্ৰেশ্বৰ শৰ্মা আৰু দুৰ্লভচন্দ্ৰ শৰ্মাই। বৰ্তমান শ্ৰীভবেন্দ্ৰনাথ শৰ্মা এই কাৰ্যত নিয়োজিত হৈ আছে।

এই শাখা সত্ৰখনিৰ চাৰিসীমাত আছে—

পূৱত — প্ৰৱাহমান ব্ৰহ্মপুত্ৰ

পশ্চিমে — শংকৰদেৱ শিশু নিকেতন

উত্তৰে — দীৰ্ঘেশ্বৰী তথা দৌলগোবিন্দ মন্দিৰ

দক্ষিণে — অশ্বক্লান্ত দেৱালয়।

এয়ে আছিল উত্তৰ গুৱাহাটী শ্ৰী শ্ৰীআউনীআটী শাখা সত্ৰৰ এক চমু আভাস।

অসমৰ সমাজ সংস্কৃতিত এই সত্ৰই উল্লেখনীয় ভূমিকা পালন কৰি আহিছে। এই সত্ৰৰ আচাৰ ৰীতি-নীতি বৰ্তমানেও পৰম্পৰাগত ভাৱে প্ৰচলিত। ভবিষ্যতলৈও ই প্ৰচলিত হৈ থাকিব।

♦♦♦

# কামাখ্যা মন্দিৰৰ ঐতিহ্য আৰু গুৰুত্ব

কল্পনা চৰকাৰ
*চতুৰ্থ ষাণ্মাসিক*
*২০১৩ বৰ্ষ*

অসম তথা সমগ্ৰ ভাৰতৰ শক্তি সাধনাৰ এক বিশেষ কেন্দ্ৰস্থল কামাখ্যা ধাম। গুৱাহাটী চহৰৰ পশ্চিম ফালে পুৰাণ প্ৰসিদ্ধ নীলাচল পৰ্বতত অৱস্থিত। কামাখ্যা মন্দিৰ হিন্দুসকলৰ পবিত্ৰ তীৰ্থস্থান। এই মন্দিৰৰ ইতিহাস অতি প্ৰাচীন। কামাখ্যা মন্দিৰৰ ইতিহাস সম্বন্ধে বহুতো মনোমোহা লগতে ভয় আৰু ভক্তিৰ ভাৱ জাগৰিত কৰা কাহিনী শুনিবলৈ পোৱা যায়।

সৃষ্টিৰ আৰাম্ভনিতে আদ্যাশক্তি মহামায়াই ব্ৰহ্মা, বিষ্ণু, শিৱক সৃষ্টি কৰি জগতৰ সৃষ্টি, স্থিতি আৰু লয়ৰ ভাৰ অৰ্পণ কৰে। ব্ৰহ্মা, বিষ্ণু সেই কাৰ্যত লিপ্ত হৈ থাকোতে শিৱই ঘোৰ তপস্যাত মগ্ন হৈ থাকে। শিৱ অবিহনে জগতৰ ভাৰসাম্য ৰক্ষা কৰা সম্ভৱ নহয়। সেই কাৰণে ব্ৰহ্মাই তেওঁৰ মানস পুত্ৰ দক্ষ ৰজাক জগতমাতা মহামায়াক প্ৰাৰ্থনা কৰিবলৈ উপদেশ দিয়ে যাতে মা আদিশক্তি দক্ষৰ কন্যাৰূপে জন্মগ্ৰহণ কৰি শিৱৰ পত্নীৰূপে বিৰাজমান হয়। সেই মতে প্ৰজাপতি দক্ষই জগত মাতাক বহুবছৰ কঠোৰ তপস্যা কৰি সন্তুষ্ট কৰিলে। তেওঁৰ জীয়ৰী ৰূপে জন্মগ্ৰহণ কৰি শিৱৰ পত্নী হ'ব বুলি কথা দিয়ে। কিন্তু চৰ্ত ৰাখে যে যেতিয়াই তেওঁৰ প্ৰতি অনাদৰ হ'ব তেতিয়া তেওঁ দেহ ত্যাগ কৰিব। এই প্ৰতিজ্ঞা অনুসৰি দেৱী আদিশক্তি মহামায়াই দক্ষ ৰজাৰ পত্নী বীৰিণীৰ গৰ্ভত জন্মগ্ৰহণ কৰে। তেওঁ সতী নামে প্ৰখ্যাত হয়। পিছত পূজা অৰ্চনাৰে মহাদেৱক সন্তুষ্ট কৰে। সময়ত দক্ষ ৰজাই শিৱৰ লগত সতীৰ বিয়া পাতি দিয়ে। তাৰ পিছত তেওঁলোকে কৈলাশ শিখৰত অৱস্থান কৰে। সেই সময়ত কৈলাশবাসী শিৱৰ পৰা বিচৰা মতে সন্মান নোপোৱাত দক্ষৰাজে অপমানিত বোধ কৰে। সেয়ে শিৱক হেয় প্ৰতিপন্ন কৰাবৰ বাবেই দক্ষৰাজে শিৱহীন এক বৃহৎ যজ্ঞৰ আয়োজন কৰে। শিৱ

পাৰ্বতীৰ বাহিৰে দেৱ-দেৱীৰ লগতে ত্ৰিভূবনৰ সকলো প্ৰানীকে নিমন্ত্ৰণ কৰে। যথা সময়ত যজ্ঞ আৰাম্ভ হ'ল। নাৰদৰ মুখে যজ্ঞৰ সবিশেষ জানিব পাৰি সতীয়ে বিনা নিমন্ত্ৰনেৰেই পিতৃয়ে আয়োজন কৰা যজ্ঞলৈ যাবলৈ স্বামীৰ পৰা অনুমতি বিচাৰিলে। শিৱই বিনা নিমন্ত্ৰিত সেই যজ্ঞলৈ সতীক যাবলৈ অনুমতি নিদিয়াত সতীয়ে ব্যাকুল ভাৱে ঘনে ঘনে কাতৰ প্ৰৰ্থনা কৰিও স্বামীৰ পৰা অনুমতি নোপোৱাত ক্ৰোধত অধীৰ হৈ পৰে। দেৱীৰ খঙাল তৃতীয় নয়নৰ পৰা অগ্নি বৰষিবলৈ ধৰি স্বয়ং শ্যামা মূৰ্তিলৈ ৰূপান্তৰিত হোৱাত শিৱ স্তম্ভিত হৈ অস্থিৰ ভাৱে তাৰ পৰা পলায়ন কৰিবলৈ চেষ্টা কৰে। শিৱই যি দিশেৰে আতৰি যাব খোজে সেই দিশে দেৱীয়ে এক এক মহাবিদ্যাৰ ৰূপ লৈ শিৱক আগভেটি ধৰিলে। পূৱ দিশে দেৱীয়ে মহাকালী ৰূপত আগভেটি ধৰাত শিৱই পশ্চিম দিশে পলায়ন কৰিব খুজিলে। দেৱীয়ে ছিন্নমস্তা ৰূপত পশ্চিম দিশো অৱৰুদ্ধ কৰিলে। একেদৰে দেৱীয়ে উত্তৰ দিশত ভূৱনেশ্বৰী, দক্ষিন দিশত বগলামুখী, ঈষান কোণত ভৈৰৱী, অগ্নি কোণত ধূমাৱতী, নৈঋত কোণত কমলা, বায়ু কোণত মাতংগী, উদ্ধ দিশত তাৰা, অধঃ দিশত ষোড়শী ৰূপ লৈ শিৱৰ দশোদিশ আগচি ধৰিলে। এয়েই দেৱীৰ দশমহাবিদ্যা। দেৱীৰ এই ৰূপত শিৱ ভীতিগ্ৰস্থ হৈ সতীক দক্ষৰ যজ্ঞলৈ যাবলৈ আনুমতি দিলে। সতীয়ে নিজৰ পাৰিষদ গণৰ লগত দক্ষৰজাৰ যজ্ঞস্থলীত উপস্থিত হ'ল। অনিমন্ত্ৰিত সতী যজ্ঞত উপস্থিত হোৱা দেখি দক্ষ ৰজাই ক্ৰোধত শিৱনিন্দা কৰিব ধৰিলে। অসংখ্য দেৱ ঋষি সমৱেত যজ্ঞস্থানত অবিৰাম পতিনিন্দা শুনিবলৈ পাই সতীদেৱীয়ে শোকে, লাজে অভিভূত হৈ পৰিল। এই পতিনিন্দাৰ অগ্নি নিৰ্বাপিত কৰিবলৈ সেই যজ্ঞস্থানতেই যোগ অৱলম্বন কৰি সতীয়ে প্ৰাণ ত্যাগ কৰে। সতীৰ আকস্মিক প্ৰাণ বিসৰ্জনৰ সংবাদ পাই শিৱ মহা ক্ৰোধিত হৈ পৰে। তেওঁ বীৰভদ্ৰ আৰু অনুচৰ গণক লৈ যজ্ঞস্থলীত উপস্থিত হৈ ৰুদ্ৰমূৰ্তি ধাৰণ কৰি দক্ষ প্ৰজাপতিৰ মুণ্ড ছেদ কৰিবলৈ অনুচৰ গণক নিৰ্দেশ দিয়ে। সেইমতে দক্ষৰজাৰ মুণ্ড ছেদ কৰাত যজ্ঞস্থলত হাহাকাৰ লাগিল। পিছত মহাৰাণী বীৰিণীৰ স্তুতিত ছাগমুণ্ড লগাই দক্ষ ৰজাৰ প্ৰাণদান দিলে। তাৰপিছত শিৱই সতীৰ দেহটো কান্ধত তুলি লৈ উন্মত্তৰ দৰে ত্ৰিভুৱন ভ্ৰমন কৰিবলৈ ধৰিলে। শিৱৰ তাণ্ডৱত যেন প্ৰলয় মিলিল। ব্ৰহ্মা, বিষ্ণু আদি দেৱতাসকল বিমোৰত পৰিল। ব্ৰহ্মাই বিষ্ণুক কলে যে সতীৰ দেহটো কান্ধত থকাৰ কাৰণে জহি খহি যোৱা নাই। শিৱৰ মোহ ভঙ্গ কৰিবলৈ সতীৰ দেহটো বিষ্ণুৰ চক্ৰৰ দ্বাৰা খণ্ড খণ্ড কৰি পেলালে শিৱৰ জ্ঞান ঘূৰি আহিব আৰু তেওঁ শিৱলোকত অৱতৰণ কৰিব।

সেইমতে জগতৰ মংগলৰ কাৰণে বিষ্ণুৱে সতীৰ দেহটো সুদৰ্শন চক্ৰৰে একান্নটা খণ্ডত কাটি পেলাই দিলে। চিৰ পৱিত্ৰ ভাৰতবৰ্ষৰ যিবিলাক ঠাইত সতীদেহৰ ছিন্ন অংগবিলাক পতিত হৈছিল সেইবোৰ ঠাইত একোখন শক্তি মহাপীঠ ৰূপে প্ৰতিষ্ঠিত হ'ল। তাৰ লগে লগে শিৱই সতীৰ স্নেহবশে বিভোৰ হৈ স্বয়ং লিংগ ৰূপ ধাৰণ কৰি সেই পীঠবোৰত অৱস্থিত হ'ল। কামৰূপত পৰিল দেৱীৰ মহাযোনি, সেয়ে কামৰূপ শক্তিৰূপীনি মহামায়া মহাপীঠ, তীৰ্থ চূড়ামণি কামাখ্যা। কামৰূপ হ'ল দেৱীক্ষেত্ৰ। এই ঠাইৰ নিচিনা দেৱীক্ষেত্ৰ অইন ঠাইত নাই। দেৱী অন্য ঠাইত বিৰলা। কামৰূপত কিন্তু দেৱী ঘৰে ঘৰে বিৰাজমান।

কামাখ্যা মন্দিৰৰ উৎপত্তি সম্বন্ধে আন এটা মনোমোহা কাহিনী আছে। প্ৰাচীন অসমৰ অসুৰ ৰজা নৰকাসুৰ যি অতিশয় পৰাক্ৰমী আৰু ক্ষমতাশালী আছিল, তেওঁ জাগ্ৰত দেৱী কামাখ্যা মন্দিৰ প্ৰতিষ্ঠা কৰি পূজা কৰিছিল। কালক্ৰমত শোণিতপুৰৰ ৰজা শিৱভক্ত মহাপ্ৰতাপী বাণাসুৰৰ লগত নৰকাসুৰৰ মিত্ৰতা স্থাপন হয়। মহাপ্ৰতাপী শিৱভক্ত বাণ ৰজাৰ সংস্পৰ্শলৈ আহি নৰকৰ লাহে লাহে কামাখ্যা দেৱীৰ প্ৰতি ভক্তি ভাৱ কমি আহিল। তেওঁ মদমত্ত, উদভ্ৰান্ত হৈ ভক্তি এৰি ভোগ বিলাসত মত্ত হৈ পৰিল। দেৱী কামাখ্যাৰ ৰূপত মোহ গৈ নৰকে দেৱীলৈ বিবাহ প্ৰস্তাৱ আগবঢ়াবলৈকো কুণ্ঠাবোধ নকৰিলে। কথা বিষম দেখি দেৱীয়ে নৰকাসুৰক এক ৰাতিৰ ভিতৰতে পাহাৰৰ নামনিৰ পৰা মন্দিৰলৈকে উঠা পথ, ওপৰত মন্দিৰ নিৰ্মাণ কৰিবলৈ আৰু কাষতে এটা পুখুৰী খান্দিব পাৰিলেহে বিবাহত সন্মতি দিব বুলি জনায়। দুৰ্বাৰ ক্ষমতাশালী আৰু সাহসী নৰকে কামত লাগি যায়। নৰকাসুৰে কামাখ্যাত একে ৰাতিৰ ভিতৰতে বিশ্বকৰ্মাৰ দ্বাৰা কামাখ্যা মন্দিৰ আৰু তিনিখন শিলৰ খটখটী নিৰ্মাণ প্ৰায় শেষ কৰি পেলাবলৈ ধৰে। ইয়াকে দেখি দেৱীয়ে মায়া কুকুৰাৰ দ্বাৰা ৰাতিপুৱাৰ আগতেই ডাক দিয়াই ৰাতিপুৱাৰ সংকেত দি নৰকৰ অভিলাষ ব্যৰ্থ কৰে। কুকুৰাটোৰ ডাক শুনি পৰাজিত হৈ খঙত নৰকাসুৰে খেদি গৈ কুকুৰাটো কাটি পেলায়। এই মন্দিৰৰ পথটো আজিও "কুকুৰা কটা" পথ বুলি জনা যায়।

নৰকাসুৰৰ পিছত কামৰূপত অনেক উত্থান পতন হ'ল। সময়ত বিভিন্ন বিপ্লৱত এই দেৱী মন্দিৰ বহু পৰিমাণে ক্ষতিগ্ৰস্থ হ'ল। গভীৰ অৰণ্যৰে মহাপীঠৰ স্থান পৰিপূৰ্ণ হৈ পৰিল। সেই সময়ত কোচবিহাৰৰ অধিপতি মহাৰাজ বিশ্বসিংহ আৰু শিৱসিংহই আহোম ৰজাৰ লগত যুদ্ধত প্ৰবৃত্ত হৈ নৈশ অভিযান কৰোতে

সৈন্য দলৰ পৰা বিছিন্ন হৈ পৰে। পথভ্ৰষ্ট হৈ অনাই-বনাই ফুৰোতে ভাতৃ যুগলে নৰকাসুৰৰ নিৰ্মিত শিলৰ খটখটী বগাই নীলাচল পৰ্বতৰ ওপৰত উপনীত হয়। নিবিড় অন্ধকাৰ ৰাতি দুয়ো ভাতৃ পিয়াহত আতুৰ হৈ পানী বিচাৰি ফুৰোতে এটি পীঠস্তূপত এগৰাকী বৃদ্ধাই পূজা অৰ্পণ কৰা দেখিবলৈ পালে আৰু দুয়ো ৰাজভ্ৰাতাই সেই পীঠ জাগ্ৰত পীঠ বুলি বৃদ্ধাৰ পৰা জানিব পাৰিলে। বৃদ্ধা গৰাকীয়ে দুয়োকে ভাগৰুৱা দেখি দয়া পৰবশ হৈ সন্মুখৰ নিজৰাৰ সোৱাদ ভৰা পানী খাবলৈ দিলে আৰু গছৰ গুৰিত বিশ্ৰাম ল'বলৈ দিহা দিলে। নিজ সৈন্য দলৰ লগত অবিলম্বে মিলিত হবৰ বাবে দুয়ো ৰাজভ্ৰাতাই পীঠস্থিত দেৱীক কাতৰ প্ৰাৰ্থনা জনালে আৰু অভিষ্ট সিদ্ধি হ'লে সোণৰ মন্দিৰ গঢ়াই পূজা অৰ্চনাৰ ব্যৱস্থা কৰি দিব বুলি অংগীকাৰ কৰিলে। কৰুণাময়ীৰ কৃপাত খন্তেক পিছতে হেৰুৱা সৈন্যদল আহি তেওঁলোকৰ ওচৰত উপস্থিত হ'ল। সেয়ে তেওঁলোকৰ মনত দেৱীৰ প্ৰতি ভক্তিভাৱ আহিল আৰু দৃঢ় বিশ্বাস উপজিল। সেইমতে ৰজাই মন্দিৰ নিৰ্মাণৰ কাম আৰাম্ভ কৰিলে। কিন্তু পূৰ্ব প্ৰতিজ্ঞা অনুসৰি সোণৰ মন্দিৰ নগঢ়াত, বাবে বাৰে খহি পৰিল। সংকট কালত উদ্ধাৰৰ অৰ্থে ৰজাই দেৱীক পুনৰ প্ৰাৰ্থনা জনালে। স্বপ্নত ৰক্তবস্ত্ৰ পৰিহিতা হৈ দেৱীয়ে ৰজাক দেখা দি পূৰ্ব প্ৰতিজ্ঞা স্মৰণ কৰালে আৰু প্ৰতি ইটাৰ মাজত মাত্ৰ এৰতি সোণ দি মন্দিৰ নিৰ্মাণ কৰিবলৈ আদেশ দিলে। স্বপ্নত পোৱা আদেশ মতে কাৰ্য কৰাত মন্দিৰ নিৰ্মাণ সম্পূৰ্ণ হ'ল। লগে লগে দেৱীৰ মাহাত্ম্য সৰ্বত্ৰতে প্ৰচাৰিত হ'ল।

**কামাখ্যা মন্দিৰৰ ধৰ্মীয় পটভূমি**

অতি প্ৰাচীন কালৰে পৰাই কামৰূপত শক্তি সাধনা চলি আহিছে। নীলাচল পাহাৰত অবস্থিত কামাখ্যা এখন শক্তিপীঠ হিচাপে মানি অহা হৈছে। আদিতে তেওঁ জনজাতীয় দেৱী আছিল। পাছত শাক্ত আৰু বৌদ্ধ ধৰ্মৰ প্ৰভাৱত তেওঁ বৰ্ণ হিন্দুসকলৰো দেৱী হিচাপে প্ৰসিদ্ধ হৈছিল। খাছীয়া লোকসকলে কামাখ্যাক "বুঢ়ী গোঁসানীৰ থান" আৰু বড়ো সকলৰ মতে কামাখ্যা হৈছে "খাম মাইখা দেৱীৰ থান।" কামাখ্যা মন্দিৰত বলি বিধান সহকাৰে তান্ত্ৰিক পদ্ধতিৰ পূজা পাৰ্বণ চলি আহিছে। এই তীৰ্থলৈ আহি দেৱীৰ দৰ্শন পূজা, সধৱা পূজা, পাঠ, হোম আদি অনুষ্ঠান কৰাৰ উপৰিও কুমাৰী পূজা, কুমাৰী ভোজন, ব্ৰাহ্মন ভোজন আদি দশমহাবিদ্যাৰ দৰ্শন পূজা আদি অনুষ্ঠিত কৰাৰ নিয়ম প্ৰচলিত। তাৰোপৰি আন অনুষ্ঠান উপলক্ষেও বহুসংখ্যক ছাগলী, পাৰ, ম'হ বলি দিয়া হয়। কামাখ্যা

মন্দিৰৰ ওচৰে-পাজৰে বিভিন্ন ৰূপৰ যেনে— ভুৱনেশ্বৰী, কালী, তাৰা, ভৈৰবী, *ছিন্নমস্তা*, বগলা, ধূমাৱতী আদি সাতটা মন্দিৰ আছে। কামাখ্যা দৰ্শন, স্পৰ্শ আৰু চৰণামৃত পানৰ ফলত মোক্ষ লাভ হোৱাৰ উপৰিও দেৱঋণ, পিতৃঋণ, মাতৃঋণৰ পৰাও মুক্তি পোৱা যায় বুলি বিশ্বাস প্ৰচলিত। কামাখ্যা দেৱীক যি কামনা কৰি জপ, পূজা কৰা হয়। সেই সকলৰ মনৰ অভীষ্ট বাসনা তেওঁ সিদ্ধ কৰে।

মূল কামাখ্যাত কোনো দেৱী মূৰ্তি নাই। যোনিৰ প্ৰতীক হিচাপে গুহাৰ ভিতৰত পানী নিজৰি থকা শিলৰ পূজা কৰা হয়। মনোকামনা পূৰণৰ অৰ্থে ইয়াত ম'হ, ছাগলী, পাৰ আদি বলি দিয়া প্ৰথা প্ৰচলিত। মাতৃ অংগ বুলি ইয়াৰ অৰ্দ্ধভাগ সোণৰ টোপৰৰ ওপৰত কাপোৰ আৰু পুস্প মালাৰে আবৃত আৰু সুশোভিত কৰি ৰখা হয়। দৰ্শন, স্পৰ্শ, আৰু জপ পূজাদিৰ কাৰনে একাংশ উন্মুক্ত ৰখা হয়। মাতৃ অংগ নিপতিত হৈ ইয়াত অৱস্থিত থকাত, এই মহাতীৰ্থ 'শক্তি পীঠস্থান' নামেৰে বিখ্যাত হোৱাৰ উপৰিও সকলো তীৰ্থৰ ভিতৰত প্ৰধান্য লাভ কৰিছে। শক্তিপীঠ মা কামাখ্যা ঘাইকৈ শক্তিপূজাৰ ওপৰত প্ৰতিষ্ঠিত এখন প্ৰসিদ্ধ তীৰ্থস্থান।

**কামাখ্যা মন্দিৰত অনুষ্ঠিত উৎসৱ অনুষ্ঠান**

**অম্বুবাচী ঃ** ঠাই বিশেষে 'অম্বুবাচী'ক 'আমতি' বুলিও কোৱা হয়। প্ৰতিবছৰে ৬ বা ৭ আহাৰৰ পৰা ১০ বা ১১ আহাৰলৈ অম্বুবাচী যোগ থাকে। এই সময়ছোৱাত দেৱীৰ মন্দিৰ বন্ধ থাকে। সেই সময়ত দেৱী দৰ্শন নহয়। চতুৰ্থ দিনত মন্দিৰ খোলা হয়। দেৱীৰ স্নান, পূজা আদি সমাধা হ'লে যাত্ৰী সকলক দেৱী দৰ্শন কৰিবলৈ দিয়া হয়। অম্বুবাচী মেলা কেইদিন কামাখ্যা মন্দিৰ লোকে লোকাৰণ্য হৈ পৰে। পাণ্ডাই দেৱীক তেজৰঙা বস্ত্ৰ পৰিধান কৰায়। দেৱীৰ সন্মুখতে ৰক্তবস্ত্ৰ ৰাখি থোৱা হয়। ইয়াৰ কিছু কাপোৰ ভক্তসকলক দিয়া হয়। ইয়াক অতি শুভ আৰু পবিত্ৰ জ্ঞান কৰা হয়। অম্বুবাচী কেইদিনত কোনো ধৰনৰ পূজা-পাৰ্বণ, হালবোৱা, কোৰমৰা, মাটি খন্দা কাম নকৰে। এই অম্বুবাচী নিবৃত্তি দিনা ঘৰ-দুৱাৰ মচি, কাপোৰ কানি ধুই চাফ-চিকুন কৰা হয়। অম্বুবাচীৰ সময়ছোৱাত দূৰ দূৰণিৰ পৰা ভক্ত, সাধু-সন্যাসী সকলৰ কামাখ্যা মন্দিৰলৈ শুভ আগমন ঘটে।

**দুৰ্গাপূজা ঃ** শৰৎ কালত কামাখ্যা মন্দিৰত শাৰদীয় দুৰ্গা পূজা হয়। শুক্লা ষষ্ঠীৰ পৰা শুক্লা দশমীলৈ ষষ্ঠাদি কল্পাৰম্ভ বুলি জনাজাত। কামাখ্যাৰ অন্য এক ৰূপ দুৰ্গা বুলি জনা যায়। এই সপ্তমী, অষ্টমী, নৱমী পূজা উপলক্ষে বলি, হোম, চণ্ডীপাঠ আদি মহা আৰাম্ভৰেৰে পূজা পালন কৰা হয়। পূজাৰ অংগ ৰূপে হাঁহ,

পাৰ, ছাগলী, কোমোৰা আৰু এটাকৈ ম'হ বলি দিয়া হয়। অষ্টমী পূজাত জীৱিত ৰৌ-মাছ বলি দিয়াৰ নিয়ম। সন্ধিয়া সময়ত আৰতি কৰা হয়। বিজয়া দশমীৰ দিনাখন দেৱী মহাপীঠত দেৱীৰ পূজা, অপৰাজিতা পূজা কৰা হয়। তাৰ পিছত পক্ষীৰ মঙহ আৰু পইতা ভাতেৰে ভোগ দিয়া হয়। সেইদিনা হাতেৰে অঁকা দুৰ্গা দেৱীৰ মূৰ্তি মন্দিৰলৈ আনি পূজা কৰি সন্ধিয়া সময়ত ব্ৰহ্মপুত্ৰত বিসৰ্জন দিয়া হয়।

**দেওধ্বনি ঃ** বহু প্ৰচীন কালৰে পৰা কামাখ্যাত দেওধ্বনি চলি আহিছে। এই উৎসৱত দেৱতাৰ উদ্দেশ্যে ঢাক, ঢোল, কৰতাল, প্ৰভৃতি নানাবিধ বাদ্যযন্ত্ৰৰ সহযোগত উচ্চধ্বনি কৰা হয়। শাওন আৰু ভাদ মাহৰ সংক্ৰান্তিৰ আগদিনাখন ভগৱতীৰ সন্ধ্যা আৰতিৰ শেষত মন্দিৰৰ ভিতৰত নাগমাতা মনসা দেৱীৰ ঘট স্থাপন কৰি পূজা আৰম্ভ কৰা হয়। পিচদিনা সংক্ৰান্তিৰ শুভ দিনত বলি বিধানেৰে দেৱী মনসাৰ পূজা কৰা হয়। এই পূজাত বেউলা-লখিন্দৰৰ কাহিনীৰে দেওধা সকলে নৃত্য কৰে। দেৱ দেৱীৰ মাহাত্ম্যৰ প্ৰভাৱত কোনো কোনো দেওধায়ে তীক্ষ্ণতৰ খড়গৰ ওপৰত নৃত্য কৰে যদিও পদদ্বয়ত কোনো ধৰণৰ ক্ষতি নহয়। এই অৱস্থাত তেওঁলোকে ভৱিষ্যত বানীও কৰে। পূজাৰ দ্বিতীয় দিনাৰ শেষৰাতি সৌভাগ্য কুণ্ডত ঘট বিসৰ্জন দিয়ে। ইয়াৰ উপৰিও কামাখ্যা মন্দিৰত বাসন্তী পূজা, শ্ৰীকৃষ্ণৰ দৌলযাত্ৰা, পুহন বিয়া, কালীপূজা, শিৱৰাত্ৰি, শ্ৰীকৃষ্ণৰ জন্মষ্টমী, সৰস্বতী পূজা আদিও মহা আয়োজনেৰে সম্পন্ন কৰা হয়।

**কামাখ্যা মন্দিৰৰ স্থাপত্য ভাস্কৰ্য ঃ**

কামাখ্যা মন্দিৰ পুৰাতাত্ত্বিক সম্পদেৰে ভৰপুৰ। এই মন্দিৰৰ বেৰত বিষ্ণুৰ বিভিন্ন অৱতাৰ, নানা দেৱ দেৱীৰ মূৰ্তি খোদিত হৈ আছে। ইয়াত চতুৰ্ভূজা ৰূপৰ চামুণ্ডা মূৰ্তি, শ্ৰীদুৰ্গাৰ শিলত খোদিত ওঠৰখন হাত থকা মূৰ্তি, মনসা মূৰ্তি, বেণু গোপালৰ মুৰ্তি, গনেশৰ মূৰ্তি, অশ্বমুখ, গোমুখ আদি গন্ধৰ্বৰ মূৰ্তি আছে। ইয়াৰ উপৰিও চতুৰ্ভূজ বিষ্ণুমূৰ্তি, অষ্টভূজা কালী, অষ্টভূজা দুৰ্গামূৰ্তি, চক্ৰভৈৰৱীৰ মূৰ্তি, আদি আছে।

শেষত ক'ব পাৰি যে এই কামাখ্যা তীৰ্থস্থানক কেন্দ্ৰ কৰি প্ৰাচীন কামৰূপৰ সভ্যতা সংস্কৃতি, শিল্প-কলা, ভাস্কৰ্য, আদি বিদ্যাই বিশাল ভাৰতবৰ্ষৰ বাহিৰেও সুদূৰ দেশতো এক মহান উজ্জল আদৰ্শ দাঙি ধৰিবলৈ সক্ষম হৈছে।

◆◆◆

# বাইহাটা চাৰিআলিৰ দেৱালয়সমূহ ঃ এক অধ্যয়ন

সঞ্জীৱ বড়ো
*চতুৰ্থ ষাণ্মাসিক*
২০১৪ বৰ্ষ

**মদন কামদেৱ ঃ** কামৰূপ জিলাৰ অন্তৰ্গত বাইহাটা চাৰিআলিৰ পৰা প্ৰায় তিনি-চাৰি কিলোমিটাৰ দক্ষিণ পূৱত লোকালয় কোলাহলৰ পৰা আঁতৰত এক সুন্দৰ প্ৰাকৃতিক পৰিৱেশেৰে পৰিৱেশিত "দিৱানগিৰি বা মদন কামদেৱ" পাহাৰত প্ৰত্নতত্ত্বৰ ৰত্ন ভাণ্ডাৰ "মদন কামদেৱ" দেৱালয় অৱস্থিত। ১৯৭৭ চনৰ আবাস্তণিলৈকে দুই-এক ধৰ্মপ্ৰাণ লোকৰ বাহিৰে হাবিৰ গছ-বনৰ মাজত মদন কামদেৱ মন্দিৰটো সৰ্বসাধাৰণ ৰাইজৰ বাবে প্ৰায় অজ্ঞাত অৱস্থাত আছিল। দিৱান গিৰৰ দক্ষিণ-পশ্চিম প্ৰান্তত প্ৰতিষ্ঠিত ধ্বংসপ্ৰাপ্ত জৰাজীৰ্ণ টিনৰ চালিৰ এটা শৈল্য মন্দিৰ পোৱা গৈছিল। এই শৈল্য মন্দিৰতে এটা যুগল শিলামূৰ্ত্তিক মদন ৰতি ৰূপে অতীজৰে পৰা স্থানীয় ৰাইজে পূজা অৰ্চনা কৰি আহিছে। যোগিনী তন্ত্ৰৰ উত্তৰ খণ্ডৰ নৱম অধ্যায়ত বৰ্ণোৱা এয়াই মদনাচল আৰু মদন কুণ্ড।

এই মদন কামদেৱ দেৱালয়ত পৰম্পৰাগত ভাৱে বৰ্তমানো অসমীয়া মাহৰ চ'ত মাহত মদন ত্ৰয়োদশী উৎসৱ মহাসমাৰোহ হিচাপে উদযাপন কৰে।

মনিকুট পৰ্বতৰ পূৱে মৎস্যধ্বজ নামে এটা কুল পৰ্বত আছে, তাক দ্বিতীয় মদনাচল বুলিও কয়। যেতিয়া সতীয়ে দেহ ত্যাগ কৰিছিল তেতিয়া দেৱতাসকল শংকিত আৰু উপায়বিহীন হয়। শিৱই যদি ধ্যানত লীন হৈ থাকে বিশ্বত ধ্বংসৰ সৃষ্টি হ'ব। সেয়ে দেৱৰাজ ইন্দ্ৰই কামদেৱক শিৱৰ ধ্যান ভংগ কৰিবলৈ পঠিয়াইছিল আৰু তেতিয়া কামদেৱে গৈ তেওঁৰ পঞ্চম শৰ মাৰি পঠিয়াইছিল, তাৰ পিছতে মহাদেৱৰ ধ্যান ভংগ হ'ল। প্ৰচণ্ড খঙত তেওঁ তৃতীয় নয়নেৰে আগ্নি বৰষি কামদেৱক থিতাতে ভষ্ম কৰিছিল। তাৰ পিছত কামদেৱৰ পত্নীয়ে মহাদেৱক কাতৰ প্ৰাৰ্থনা জনোৱাত মহাদেৱৰ ক্ৰোধ কমিছিল, আৰু কামদেৱক জীৱন দান

দিলে। যি ঠাইত কামদেৱে জীৱন দান পাইছিল, তেতিয়াৰ পৰা কামদেৱৰ পৰা কামৰূপ নামৰ উৎপত্তি হৈছিল। শিৱৰ আশীৰ্বাদত কামদেৱে যি ঠাইত জীৱন দান পাইছিল সেই ঠাইত মৎস্যৰূপধাৰী বিষ্ণুৱে পৃথিৱীলৈ চাই অৱস্থান কৰিছে। তাতে শ্বাশ্বতী নামে নদী আৰু কাম সৰোবৰ আছে। শ্বাশ্বতীৰ জলত স্নান আৰু কাম সৰোবৰৰ জল পান কৰিলে সকলো কামৰ পৰা বিমুক্ত হৈ শিৱলোকত থাকিব পাৰি। কাম সৰোবৰক মদন কুণ্ড বুলিও কয়। এই তীৰ্থ কামৰূপ জিলাৰ মদাৰতলা মৌজাত অৱস্থিত।

এই মদন কামদেৱৰ ভগ্নাৱশেষ পশ্চিম প্ৰান্তত অৱস্থিত টিনৰ চালিৰ মদন কামদেৱ নামৰ শিল আৰু ইটাৰে সজা মন্দিৰটোত এতিয়াও পূজা পাতল কৰা হয়। ইয়াৰ ভূ-গৰ্ভৰ গৃহত থকা প্ৰায় ২ মিটাৰ ওখ আলিংগনোপৱিষ্ট উমা-মহেশ্বৰৰ যুগল মূৰ্ত্তি জনাই হল উপাস্য দেৱতা। উল্লেখযোগ্য যে মদন কামদেৱ নামৰ লগত ঐতিহাসিক সম্বন্ধ নাই। ইয়াত পোৱা মূৰ্ত্তিৰ বিশেষ লক্ষণৰ বাবে অতীজৰে পৰা সম্ভৱতঃ ইয়াক প্ৰেমৰ দেৱতা "মদন ৰতি" ৰূপে পূজা কৰিছিল। আচলতে ই উমা-মহেশ্বৰ বা উমা লিঙ্গন মূৰ্ত্তিহে। এই মূৰ্ত্তিটোৰ তলৰ অংশ ৰঙা কাপোৰেৰে ঢাকি থোৱা থাকে।

মন্দিৰৰ ভগ্নাৱশেষ উদ্ধাৰত ১৯৭৭ চনত পুৰাতত্ত্ব বিভাগ প্ৰথম খনন কাৰ্য আৰাম্ভ কৰি এক মাহ পিছত খনন কাৰ্যৰ কাম বন্ধ কৰি দি বহু বছৰ বিৰতিৰ পিছত ১৯৮২-৮৩ চনত মদন কামদেৱ পাহাৰৰ আৰু কিছু অংশত খনন কাৰ্য্য চলাইছিল। সমগ্ৰ মদন কামদেৱ অঞ্চলত চিনাক্ত কৰা প্ৰায় চাৰিশটা স্থাপত্যৰ অৱশেষৰ কেৱল এই পাহাৰতে বিশটা থকাৰ প্ৰমাণ পোৱা গৈছে। খনন কাৰ্য্যত উদ্ধাৰ হোৱা অসংখ্য শিলামূৰ্ত্তি, কাৰুকাৰ্য্য খোদিত শিলাখণ্ডৰ বাহিৰেও ১৫ টা শিৱ মন্দিৰৰ ভগ্নাৱশেষ দেখা গৈছে। খনন কাৰ্য্যৰ পৰা এই মন্দিৰ বোৰৰ ২০০ ৰো অধিক দেৱ-দেৱীৰ মূৰ্ত্তি পোৱা গৈছে। পুৰাতত্ব বিভাগে চিনাক্ত কৰিছে এই মূৰ্ত্তিবোৰ। এই মূৰ্ত্তিবোৰৰ ভিতৰত নটৰাজ, চতুৰ্ভুজ, শিৱ, গনেশ, বিষ্ণু, ভৈৰৱ, উমা, সূৰ্য আৰু অসংখ্য অপৰিচিত দেৱ-দেৱীৰ মূৰ্ত্তি উদ্ধাৰ কৰিছে। ইয়াৰোপৰি সিংহ, গজসিংহ, হস্তী, শিয়াল, কুকুৰ, শগুণ আদিৰ চিত্ৰ খোদিত অসংখ্য শিলাখণ্ড উদ্ধাৰ কৰা হৈছে। পুৰাতত্ব বিভাগে প্ৰথম খনন কাৰ্যত প্ৰথমে পীতলৰ বাৰো গোপালৰ মূৰ্ত্তি উদ্ধাৰ হৈছে। যিটো বৰ্তমান "অসম ৰাজ্যিক সংগ্ৰাহলয়"ত সংৰক্ষিত কৰি থোৱা আছে। এই মদন কামদেৱ পৰ্বতৰ প্ৰায় প্ৰতিডোখৰ ঠাইতেই

মন্দিৰৰ ধ্বংসাৱশেষ পোৱা গৈছে। দেৱালয়ৰ চৌপাশে সিঁচৰিত হৈ থকা শিলবোৰত শিল্পীৰ হাতৰ পৰশ পৰিছে। পিছে কোন শিল্পীয়ে কাৰ পৃষ্ঠপোষকতাত আৰু কোন কালত অৰণ্যৰ মাজত অপূৰ্ব ভাস্কৰ্যৰাজিৰ এই দেৱপুৰী নিৰ্মাণ কৰিছিল সেই বিষয়ে ইতিহাস পোৱা নাই। ইয়াত পোৱা প্ৰতিটো মন্দিৰৰ গঠন পদ্ধতি সুকীয়া। চাৰিওফালে সিচৰিত হৈ থকা ভেটি, জংঘা, অংগশিখৰ আৰু শিৰপটী সমূহ সুক্ষ্ম কাৰুকাৰ্যৰে অলংকৃত। কোনোধৰণৰ লিপি উদ্ধাৰ নোহোৱাত পুৰাতত্ত্ব বিভাগে ইয়াক একাদশ দ্বাদশ শতিকাৰ পালবংশীয় ৰজাসকলৰ দিনত সৃষ্টি বুলি অনুমান কৰিছে।

ধ্বংসপ্ৰাপ্ত মদন কামদেৱ দেৱালয়খন ওঠৰশ শতিকাত আহোম ৰজা স্বৰ্গদেৱ শিৱসিংহই মেৰামতি কৰে আৰু অসমৰ বাহিৰৰপৰা মিশ্ৰ নামৰ ব্ৰাহ্মণ আনি তামৰ ফলি, মাটিবাৰী দান কৰি মন্দিৰ পৰিচালনাৰ ভাৰ দিয়ে। উনৈশ শতিকাৰ শেষৰ ফালে মিশ্ৰ বংশৰ পৰবৰ্ত্তী বৰদেউৰী গণেশ্বৰ শৰ্মাৰ দিনত দেৱালয় পৰিচালনাৰ ক্ষেত্ৰত ডাঙৰ সমস্যাই দেখা দিয়ে। ৰজাদিনীয়া পাইক সকলে দেৱালয় খনৰ জৰিয়তে উৎপন্ন হোৱা শস্য সামগ্ৰী বৰ দেউৰীক দিবলৈ অসন্মতি প্ৰকাশ কৰিছিল। শেষত পাইক সকলে বৰদেউৰীক সামাজিক ভাবে বৰ্জন কৰিছিল। শেষত বৰদেউৰীয়ে তামৰ ফলি যাৱতীয় কাকত পত্ৰ 'ন' পুখুৰীত পেলাই দি দেৱালয়ৰ ফালে পিঠি দিছিল। এনেদৰে কিছুবছৰ চলাৰ পিছত ১৯০২ চনত তেতিয়াৰ স্থানীয় ৰাইজে এজন ধৰ্মপ্ৰাণ ব্যক্তিৰ সৈতে দেৱালয়খনৰ উন্নয়নৰ কাম আগবঢ়াইছিল। সেই ধৰ্ম প্ৰান ব্যক্তিজন হিন্দু ধৰ্মালম্বীও নাছিল। তেওঁ এজন ইছলাম ধৰ্মালম্বী। সেই ধৰ্মপ্ৰাণ ব্যক্তি হ'ল নিয়ামত আলি চৌধুৰী। ৰাইজে চৌধুৰী দেৱক চাৰিবছৰ দেৱালয় পৰিচালনাৰ ভাৰ অৰ্পণ কৰিছিল। এয়াই আছিল তেতিয়াৰ স্থানীয় ৰাইজৰ সাম্প্ৰদায়িক সম্প্ৰতিৰ এক নিদৰ্শন। এখেতৰ পিছত স্থানীয় ৰাইজে নতুন দলৈৰ হাতত পৰিচালনাৰ ভাৰ অৰ্পণ কৰে। ৰাইজে আশা কৰা অনুযায়ী নতুন দলৈয়ে দেৱালয়খনৰ উন্নয়ন ব্যৱস্থা কৰিবলৈ চেষ্টা নকৰাত দেৱালয়খনৰ অৱস্থা দিনক দিনে অধঃপতিত হৈ থকাৰ পিছত ১৯৭২ চনত চৰকাৰে এখন শক্তিশালী সমিতিৰ ওপৰত দেৱালয় পৰিচালনা সমিতিয়ে ১৯৭২ চনত ঐতিহাসিক দেৱালয়খনৰ বাৰৰ বাবে প্ৰত্নতাত্ত্বিক সঞ্চালকালয়ৰ দৃষ্টিগোচৰ কৰে। বহু আবেদন নিবেদন কৰাৰ পিছত প্ৰত্নতাত্ত্বিক সঞ্চালকালয়ে দেৱালয় খন নিজৰ তত্বাৱধানলৈ নিয়ে।

এই দেৱালয় খন অৱস্থিত দিৱানগিৰি পৰ্বতৰ ভু-গৰ্ভৰ পৰা খনন কৰি উলিওৱা মূৰ্ত্তি কিছু ভাল অৱস্থাত আৰু কিছুসংখ্যক ধ্বংসৱশেষ অৱস্থাত উদ্ধাৰ কৰিছিল। ভাল অৱস্থাত থকা মূৰ্ত্তি সমূহ সংগ্ৰাহলয়ত থোৱা হৈছে আৰু আন ধ্বংসাৱশেষ বোৰ দেৱালয় খনৰ ওচৰতে সজাই থোৱা হৈছে।

**গোপেশ্বৰ দেৱালয়**

৩১ নং ৰাষ্ট্ৰীয় ঘাই পথেদি বাইহাটা চাৰিআলিৰ পৰা গুৱাহাটীৰ ফালে যোৱা পথৰ কাষতে সকলো ভক্তই থমকি ৰয়। পথৰ কাষতে অৱস্থিত ভক্তি ভাবেৰে মন পবিত্ৰ কৰি নিয়া শিৱ দেৱালয়ৰ পাহাৰৰ গুহাত থকা শিৱ লিংগত পূজা আগবঢ়াবলৈ। দেৱদুৱাৰ (দেউদুৱাৰ) পথাৰৰ নামনিত সুন্দৰ প্ৰাকৃতিক পৰিবেশৰ মাজত অৱস্থিত দেৱালয়ৰ বিগ্ৰহটো পাহাৰৰ নিগৰি অহা পানীয়ে অনবৰত ধুই থাকে, গাওঁখন আৰু দেৱালয় খনৰ নাম দেৱ+দুৱাৰ = দেৱদুৱাৰ। দেউদুৱাৰ বা দেৱতাৰ প্ৰৱেশদ্বাৰ আৰু গুপ্ত+ঈশ্বৰ = গুপ্তেশ্বৰ বা গোপেশ্বৰ। গোপন ভাবে থকা ঈশ্বৰৰ পৰাই হোৱা বুলি ভবা হৈছে। গৰখীয়া সকলে এই ঠাইত গোপন হৈ থকা শিৱ লিংগ উদ্ধাৰ কৰি পূজা কৰিবলৈ যোৱা বাবেও গুপ্তেশ্বৰ হয়গৈ বুলিও কোনো কোনোৱে বিশ্বাস কৰে। পূৱা-পশ্চিমাকৈ থকা মন্দিৰটোৰ শিৱ লিংগত স্থানীয় ৰাইজে পূৰ্বৰ পৰাই সদায়ে পূজা কৰি আহিছে। স্বৰ্গদেৱ শিৱসিংহই ১৭২৫ খ্ৰীঃত মন্দিৰটো স্থাপন কৰি তাম্ৰফলি আৰু মাটি দান কৰে। দেৱালয়ৰ নিত্য পূজাৰ বাবে কনৌজৰ পৰা ব্ৰাহ্মণ আনি বসতিৰ ব্যৱস্থা কৰিছিল।

ঐতিহ্যমণ্ডিত এই দেৱালয় চৰকাৰে নিজৰ অধীনলৈ নিয়ে। মন্দিৰৰ পুৰণি নামঘৰটো ভাঙি চিঙি যাব ধৰাত ৰাইজৰ দান বৰঙণি, চৰকাৰী অনুদানেৰে নামঘৰটো ১৯৭৯ চনত নতুনকৈ সজোৱা হয়। এই ঐতিহাসিক দেৱালয় খনৰ দক্ষিণে পাৰ্বতী থান আৱস্থিত। ইয়ালৈ বিভিন্ন ঠাইৰ পৰা মহিলা সকল আহি মনৰ বাঞ্চা পুৰণ হ'বলৈ পূজা-পাতল দিয়ে। এই থানখনলৈ গোপেশ্বৰ দেৱালয়ৰ পৰা এটা সুৰংগৰ পথ আছে বুলি জনা যায় যদিও বৰ্তমান সুৰংগটো বন্ধ হৈ আছে।

বছৰৰ সকলো সময়তে দেৱালয় খনলৈ যথেষ্ট সংখ্যক ভক্ত আৰু তীৰ্থ যাত্ৰীৰ আগমন হয়। মন্দিৰত পালন কৰা মূল উৎসৱ কেইটা হ'ল শিৱৰাত্ৰী, দুৰ্গা পূজা, ফাকুৱা আৰু সংক্ৰান্তি। ইয়াৰ উপৰিও নিতো ভোগ দিয়া হয়।

জনশ্ৰুতি মতে বৰ্তমান দেৱালয়ৰ বিগ্ৰহ থকা ঠাইখিনি পূৰ্বতে অটব্য হাবিৰে ভৰা আছিল। ওচৰৰ গাঁৱৰ গৰখীয়াসকলে পথাৰত গৰু চৰাই থাকোতে এজনী কপিলী গাই গৰুৱে প্ৰায় হাবিৰ জাৰণি খিনিলৈ সোমাই গৈ কিছু সময়ৰ পাছত ওলাই অহা দেখিবলৈ পাইছিল। তেওঁলোকে কি কথা সন্দেহ কৰি চাবলৈ গৈ দেখে যে হাবিৰ এঠাইত গাইজনীয়ে নিজে নিজে গাখীৰ দি আছে। পিছত সেইখিনি খান্দোতে বৰ্তমানৰ শিৱলিংগটো উদ্ধাৰ হয়। গৰখীয়া সকলে জাৰণি কাটি সোমাইছিল বাবে তেওঁলোকক জাৰণি কটা পৰিয়ালৰ লোক বুলিছিল। এই শিৱলিংগটো গোপনে থকাৰ বাবেই 'গুপ্তেশ্বৰ' আৰু ই সময়ত গৈ গোপেশ্বৰ হয়গৈ বুলি বিশ্বাস। এই দেৱালয়টো যাত্ৰীৰ সমাগত বহু বেছি বুলি জনশ্ৰুতি আছে।

**ননৰা বৰ বকুলতল বুঢ়া ডাঙৰীয়াৰ থান**

কামৰূপ জিলাৰ অন্তৰ্গত বাইহাটা চাৰিআলিৰ পৰা উত্তৰে ৩-৪ কিলোমিটাৰ ভিতৰৰ কৰৰা মৌজাৰ অন্তৰ্গত ননৰা গাওঁ। জনবসতিৰ ফালৰ পৰা এই গাঁওখন এখন ডাঙৰ গাওঁ। সংস্কৃতি তথা আন আন দিশৰ ক্ষেত্ৰত গাঁওখনৰ ঐতিহ্য লেখত ল'বলগীয়া। ননৈ নামৰ এটা নদীৰে চৰ চাপৰিৰ সৃষ্টি কৰাত, ননৈয়ে এৰাৰ পৰাই গাওঁখনৰ নাম ননৰা হয় বুলি জনশ্ৰুতি আছে। বৰ্তমান ন-পুৰণি লগ লাগি আঠটা গোসাই ঘৰ আছে। আৰু ইয়াৰ ভিতৰত অন্যতম বৰবকুলতল বুঢ়া ডাঙৰীয়াৰ থান। এই থান খনৰ অধিষ্ঠাতা দেৱতা স্বয়ং আশুতোষ আৰু তেওঁকেই অতীতৰ পৰা 'বুঢ়া ডাঙৰীয়া' আখ্যাৰে ৰাইজে সেৱা অৰ্চনা, বন্দনা কৰি আহিছে। এই থানত প্ৰতিদিনে বিশেষকৈ শনিবাৰে আৰু মঙ্গলবাৰে অগনন যাত্ৰীৰ সমাগমত থান খন মুখৰিত হৈ পৰে। এই অঞ্চলৰ বাহিৰেও কামৰূপ, নলবাৰী,ধুবুৰী, শিৱসাগৰ, দৰং জিলাৰ পৰাও ভক্তসকল আহি থান খন দৰ্শন কৰি নৈবদ্য দান বৰঙণি আগবঢ়াই যায়। জনশ্ৰুতি মতে কৰুণাময় শিৱৰ আশীষ লাভ কৰি বিভিন্ন প্ৰকাৰে উপকৃত বা সুফল লাভ কৰা তথ্যভিত্তিক অনেক উদাহৰণ আছে। থানৰ পুৰণি প্ৰতিষ্ঠাপক ব্যক্তিসকলে কোনো লিখিত বিৱৰণি ভালদৰে সংৰক্ষিত কৰি নৰখাত বৰ্তমান চাম কৰ্মকৰ্তাই যাত্ৰীসকলক ইয়াৰ পুৰণি ইতিহাস তথা মাহাত্ম্যৰ কথা সঠিকভাবে জনাবলৈ সক্ষম হব পৰা নাই। এনে পৰিপেক্ষিতত প্ৰয়াত ব্যক্তি বালি ৰাম ডেকা, ৰামো ডেকা, তিথিৰাম কলিতা, বৰধলা ডেকা, জয়নাথ ডেকা, কৰ্মনাথ ডেকা, শান্তিৰাম কলিতা, নৰেন্দ্ৰ নাথ ডেকাৰ পৰা তেখেত সকলৰ মুখৰ পৰা বহু কথা ননৰা ৰাইজে লিখি ৰাখিছে।

অতীতত এই থানৰ কোনো স্থায়ী ঘৰ নাছিল। "প্ৰাপ্ত তথ্যমতে বৰ্তমান থান খন যিখন ঠাইত অৱস্থিত সেই ঠাইখন তিনিবাটৰ সংগমস্থল আছিল। তাত ওচৰা ওচৰিকৈ এডাল বকুল গছ আৰু এডাল বেলগছ আছিল। এই বেলগছ ডালৰ তলত প্ৰতি শনিবাৰ আৰু মঙ্গলবাৰে ৰাইজে ধুপ নৈবদ্য আগবঢ়াইছিল আৰু সেৱা জনাইছিল। এই বেলগছ জোপাৰ তলত প্ৰতি শনিবাৰে আৰু মঙ্গলবাৰে সন্ধিয়া সময়ত ধোঁৱা ওলোৱা দেখিছিল আৰু ভাঙৰ গোন্ধ পাইছিল। বুঢ়া-বুঢ়ীসকলে ঘটনাটো দেখি চিন্তান্বিত হৈছিল। এনেতে সপোনত দেখিবলৈ পালে যে এজন সুন্দৰ পুৰুষে বগা পাগুৰি মাৰি বেল গছ জোপাৰ তলত ভাং টানি আছে। আকৌ এদিন সপোনত দেখিলে যে তেওঁ "বুঢ়া ডাঙৰীয়া"। তেওঁ গাওঁবাসী তথা পোহনীয়া জীৱ-জন্তুৰ ৰক্ষণা বেক্ষণৰ বাবে কলা ঘোৰাত উঠি ঘুৰি ফুৰিছে। উপৰি উক্ত ব্যক্তিসকলৰ পৰা পোৱা তথ্য মতে প্ৰায় ৩০০ বছৰ আগৰ পৰাই এই থান খন "বুঢ়া ডাঙৰীয়াৰ থান" নামে জনাজাত।"

সভক্তিৰে নিজৰ কামনা বা ইচ্ছা পুৰণৰ বাবে আগবোঢ়োৱা নৈব্যদৰ মাজেৰে ভগবানে ভক্তৰ মনৰ কামনা পুৰণ কৰে বুলি যেনেকৈ বিশ্বাস আছে ঠিক তেনেকৈ অসন্তুষ্ট আৰু বেয়া মন লৈ পূজা অৰ্চনা কৰিলে কোনো ফল নধৰাৰ লগতে ভগৱান বা 'বুঢ়া ডাঙৰীয়াই' তেনেকুৱা ব্যক্তিৰ ওপৰত নিজৰ কু-দৃষ্টিৰে অমংগল জাপি দিয়ে বুলি জনবিশ্বাস আছে। তিনিশ বছৰ ধৰি জাগ্ৰত হৈ থকা এই থান খনলৈ দৈনিক যথেষ্ট ভক্তৰ সমাগম হয়। বিশেষকৈ প্ৰতি মঙ্গলবাৰ আৰু শনিবাৰে বহু দূৰ দূৰণিৰ পৰাই ভক্তই নিজৰ মনৰ ইচ্ছা পূৰণৰ অৰ্থে ভক্তিভাৱে নৈবদ্য আগবঢ়ায়।

অন্তৰৰ পবিত্ৰতা ভক্তিৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ দিশ। বৰবকুলতল থানৰ বুঢ়া ডাঙৰীয়াই গাওঁবাসীৰ উপাস্য দেৱতা হিচাপে ইয়াৰ আচৰণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। মানুহৰ মাজত ভাতৃত্ববোধ জাগ্ৰত কৰিবৰ বাবে সততে চেষ্টা কৰা এই গৰাকী বুঢ়া ডাঙৰীয়াই গাঁওখনৰ মংগলৰ বাবে আশীষ নিৰ্মালি প্ৰদান কৰে।

**দেৱালয়ত উদযাপিত উৎসৱ পাৰ্বণ ঃ**

**মদন কামদেৱ দেৱালয়**

বাইহাটা চাৰিআলিৰ পৰা তিনি চাৰি কিল'মিটাৰ দক্ষিণ পূৰে থকা দিৱান গিৰি পৰ্বতত অৱস্থিত। এই দেৱালয়ত শিৱ পূজাই গুৰুত্ব আৰোপ কৰে। ইয়াত শিৱ ৰাত্ৰী, গণেশ চতুৰ্থী, দুৰ্গা পূজা পালন কৰা হয়। এই সকলো উৎসৱৰ উপৰিও

অতি প্ৰাচীনতম উৎসৱ মদন এয়োদশী। অসমীয়া চ'ত মাহত স্থানীয় ৰাইজে মদন কামদেৱক নৈবদ্য আগবঢ়াই এই "মদন এয়োদশী উৎসৱ প্ৰত্যেক বছৰে পালন কৰি আহিছে। এই দেৱালয় "মদন এয়োদশী" উৎসৱত নাগাৰা নাম পাতি অতি আকৰ্ষণীয় কৰি তোলে। ইয়াত দিনত নিৰামিষ ভোগ দিয়ে। এই উৎসৱত বিভিন্ন প্ৰান্তৰ লোকৰ সমাগত ঘটে। শিৱপূজাই প্ৰথমে প্ৰাধান্য পায় বাবে শিৱৰাত্ৰী উৎসবো ডাঙৰকৈ উদ্‌যাপন কৰি আহিছে। মদন কামদেৱ প্ৰেমৰ দেৱতা বুলি জনশ্ৰুতি আছে। সেয়ে যাত্ৰী সকলে মনৰ কামনা পূৰণ হোৱাৰ বাবে নৈবদ্য আগবঢ়ায়।

**গোপেশ্বৰ দেৱালয়**

৬০০ বছৰ আগত শিৱ সিংহৰ দিনত এই দেৱালয় প্ৰতিষ্ঠা হৈছিল। এই দেৱালয়ত শিৱৰাত্ৰী দুৰ্গোৎসৱ উৎসৱ পালন কৰা লগতে যজ্ঞ কৰা হয়। শিৱৰাত্ৰী, দুৰ্গোৎসৱ এই দেৱালয়ত পালন কৰা হয়। এই উৎসৱৰ উপৰিও ফাকুৱা আৰু সংক্ৰান্তি আদি উৎসৱ পালন কৰা হয়। ভক্ত প্ৰাণ ৰাইজে এই উৎসৱসমূহ অতি ভক্তিভাৱে পালন কৰে।

এই উৎসৱ সমূহৰ দ্বাৰা ৰাইজৰ মাজত ভাতৃত্ববোধ ভক্তিভাব জাগ্ৰত হয়। এই দেৱালয় উৎসৱ পাৰ্বণত বহু যাত্ৰীৰ সমাগম ঘটে। এই দেৱালয়ত সদায় ভোগ দিয়া হয়।

**ননৱা বকুলতল বঢ়া ডাঙৰীয়াৰ থান ঃ**

ননৱা বৰবকুলতল বুঢ়া ডাঙৰীয়া থান শিৱ পূজাৰ প্ৰাধান্য আছে। সেয়ে শিৱৰাত্ৰী পালন কৰে। এই দেৱালয় উল্লেখযোগ্য উৎসৱ হ'ল— প্ৰতি বছৰৰ জেঠ মাহত পৰম্পৰাগতভাৱে এই থানখনত বুঢ়া ডাঙৰীয়াৰ দুহিতাৰূপে পৰিচিত শ্ৰীশ্ৰী দেৱীৰ পূজা উদ্‌যাপন কৰা হয়। এই পূজাত অসমৰ বিভিন্ন প্ৰান্তৰ ভক্তই অংশ লৈ নৈৰদ্য আগবঢ়োৱাৰ লগতে নিখুঁত কলা পাৰ, ছাগলী, কোমোৰা, মাগুৰ মাছ, কুঁহিয়াৰ ইত্যাদিৰে বলি বিধান আগবঢ়ায়। অত্যন্ত উলাহ মালহেৰে পাঁচদিনীয়া কাৰ্যসূচীৰে গাঁওবাসীৰ দ্বাৰা এই পূজা উৎসৱ সুন্দৰভাৱে পৰিচালনা কৰা হয়। ভক্তপ্ৰাণ ৰাইজে বন্তি জলাই পূজা কৰি নাম প্ৰসংগ কৰে। বাদ্যযন্ত্ৰ লৈ পুৰুষসকলে নাম প্ৰসংগ কৰে। এই উৎসৱত দেৱালয়খন স্থানীয় ৰাইজ আৰু বিভিন্ন প্ৰান্তৰ পৰা অহা পৰ্যতকেৰে ভৰি অতি শুৱনি কৰি তোলে।

◆◆◆

# বৰপেটা কীৰ্তন-ঘৰ ঃ এক অধ্যয়ন

সুমিত্রা ৰাভা
*চতুৰ্থ ষান্মাসিক*
*২০১৪ বৰ্ষ*

বৰপেটা কীৰ্তন-ঘৰ অসমৰ বিশেষভাবে প্ৰসিদ্ধ। মহাপুৰুষ মাধৱদেৱৰ দ্বাৰা প্ৰতিষ্ঠিত পবিত্ৰ বৰপেটা সত্ৰ অসমৰ মহাপুৰুষীয়া সত্ৰ সমূহৰ কেন্দ্ৰ স্বৰূপ। বৰপেটা এই কীৰ্তন-ঘৰ অসমৰ সকলো কীৰ্তন-ঘৰতকৈ ডাঙৰ। মহাপুৰুষ মাধৱদেৱে বৰপেটাত ৰঙিয়াল ঘৰ সজাইছিল। তেওঁ কোচবিহাৰলৈ যাবৰ সময়ত মথুৰা দাস আতাক অধিকাৰ পাতি থৈ যায়। পাছত এই ৰঙিয়াল ঘৰটো জুয়ে পোৰাত মথুৰা আতাই তাত সত্ৰ পাতি, কীৰ্তন-ঘৰ আৰু কেৰলীয়া হাটী স্থাপন কৰে। বৰ্তমান কীৰ্তন-ঘৰ নতুনকৈ সজা হৈছে। কীৰ্তন ঘৰৰ পূব মুধত ভাজঘৰ বা মণিকূট সংলগ্ন। ইয়াত এগছি অক্ষয় বন্তি আছে। কীৰ্তন-ঘৰৰ প্ৰতিষ্ঠা দিৱসত মাধৱদেৱে জ্বলোৱা বন্তিগছি আজিও অক্ষয় বন্তিৰূপে জ্বলি আছে। মণিকূটত শ্যামৰায়, ভগৱান বাসুদেৱ, কলীয়া ঠাকুৰ, শালগ্ৰাম গোঁসাই, দ'লগোবিন্দ মহাপ্ৰভু আৰু বালগোপালৰ বিগ্ৰহ আছে। ইয়াত পূজা কৰা হয়। সত্ৰৰ প্ৰৱেশ পথত থকা বাটচ'ৰাক 'দালান' বুলি কোৱা হয়। কীৰ্তন ঘৰৰ ভিতৰত গৰুড় আৰু হনুমানৰ কাঠৰ মূৰ্তি আছে। গুৰু আসনখন মাধৱদেৱৰ দিনতেই প্ৰতিষ্ঠিত। মণিকূটৰ এটা ৰন্ধ্ৰ থকা ভঁৰাল ঘৰত বৰ চাং সাজি ভাগৱত, কীৰ্তন, দশম, আদি অমূল্য গ্ৰন্থৰাজি সংৰক্ষণ কৰি ৰখা হৈছে।

**কীৰ্তন-ঘৰৰ ধৰ্মীয় ৰীতি-নীতি ঃ**

বৰপেটা সত্ৰৰ ইতিহাস আৰু ঐতিহ্যৰ বাস্তৱ কাহিনীবোৰ সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰি চালে ওলাই পৰে যে নিকা আৰু নিষ্ঠাবান ভকত মথুৰাদাস বুঢ়া আতাৰ কৰ্ম প্ৰেৰণাতে বৰপেটা সত্ৰ এখন সৰ্বাংগ সুন্দৰ ধৰ্মক্ষেত্ৰত পৰিণত হৈছিল। সত্ৰখনৰ মান-মৰ্যদা অটুট ৰখাৰ ক্ষেত্ৰটো বুঢ়া আতাৰ সহধৰ্মিনী আই সুমতিৰ

অৱদানো প্ৰশংসনীয়। উল্লেখ্য যে মহাপুৰুষ মাধৱদেৱে জ্বলোৱা অক্ষয় বন্তিগছি অনেক বাধা-বিঘিণিৰ অনিৰ্বাপিত হৈ বৰপেটা সত্ৰৰ কীৰ্ত্তনঘৰৰ ভিতৰত আজিও আলোকিত কৰি ৰাখিছে।

বৰপেটা সত্ৰৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিয়ে মথুৰাদাস বুঢ়া আতাই সত্ৰ আৰু সত্ৰীয়া সমাজখনৰ অগ্ৰগতিৰ কাৰণে মনোনিবেশ কৰিলে। অতি কম সময়ৰ ভিতৰতে অনেক উন্নয়নমূলক কাম সমাধা কৰিলে। গুৰুজনাৰ সৃষ্টি ঘোষা-কীৰ্ত্তন আৰু গায়ন-বায়নক ধৰ্ম প্ৰচাৰৰ কাৰণে বিভিন্ন স্থানলৈ পঠোৱাৰ লগতে বৰপেটা সত্ৰকেন্দ্ৰীক সমাজখনক শৃংখলাবদ্ধ ৰূপত গঢ়ি তুলিলে। সত্ৰৰ সকলো যাৱতীয় কাম-কাজ ভকতসকলৰ জৰিয়তে নিয়ম-নীতি প্ৰৱৰ্ত্তন কৰিলে। যিবোৰ নিয়ম-নীতি আজিও বৰপেটা সত্ৰত অম্লান হৈয়ে আছে।

সত্ৰখন পৰিপাটিকে পৰিচালিত কৰাৰ বাবে বুঢ়া আতাই কীৰ্ত্তন ঘৰৰ বাহিৰ আৰু অন্তৰভাগত কেইবাটাও কাৰ্যব্যৱস্থা গ্ৰহণ কৰে। এই ব্যৱস্থাই সমাজখনকো সু-সংগত আৰু শৃংখলাবদ্ধ ভাবে সজাই তুলিছিল। তেখেতে উপলব্ধি কৰিছিল সমাজৰ বাবেহে ধৰ্মৰ প্ৰয়োজন, ধৰ্মৰ বাবে সমাজ নহয়। সেয়েহে তেখেতে বৰপেটাৰ সমাজখনৰ মানসিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধনৰ বাবে গুৰুজনাৰ একশৰণ হৰি নাম ধৰ্মৰ আদৰ্শক মুখ্য বাহক হিচাপে গঢ় দিয়াত সৰ্বস্ব শক্তি প্ৰয়োগ কৰিছিল। ধৰ্মীয় অনীতি অবিচাৰৰ ওপৰত বিচাৰ আৰু ধৰ্ম সম্বন্ধীয় আলোচনা কৰিবলৈ এখন সভা গঠন কৰিছিল। য'ত ৰাইজৰ দায়-দোষ নিৰপেক্ষভাবে বিচাৰ-বিবেচনা কৰা হয়। সত্ৰৰ বুঢ়া-সত্ৰীয়াজন এই সভাৰ সভাপতি। সত্ৰীয়া ভাষাত ইয়াকেই "বৈঠকীসমূহৰ মেল" বুলিছিল। আজিও প্ৰয়োজন সাপেক্ষে সত্ৰৰ বাহিৰ-ভিতৰৰ দায়-দোষসমূহ মীমাংসাৰ কাৰণে মঠৰ চোতালত "বৈকঠীসমূহৰ মেলা বহা প্ৰথা" চলি আছে।

মহাপুৰুষ মাধৱদেৱে বৰপেটা সত্ৰ স্থাপন কৰি কেৱল তিনিপ্ৰসংগৰ প্ৰচলনহে বাহাল ৰাখিছিল। সেয়া আছিল— ৰাতিপুৱা, বেলা ভাটি বা আবেলিৰ আৰু ৰাতিৰ প্ৰসংগ। কিন্তু মথুৰাদাস বুঢ়া আতাই চৈধ্য নিত্য প্ৰৱৰ্ত্তন কৰিলে। ইয়াৰ বাবে এক প্ৰণালীবদ্ধ কাৰ্য্যক্ৰমণিকা প্ৰস্তুত কৰি উলিয়ালে। চৈধ্য প্ৰসংগ প্ৰতিদিনে নিয়মিতভাৱে ৰীতি-নীতি মাজেদি চলি থাকিবৰ বাবে গুণী-জ্ঞানী এচাম ব্যক্তিৰ ওপৰত নানধৰণৰ কামৰ দায়িত্ব অৰ্পণ কৰিলে। ইয়াৰ ভিতৰত আবেলিৰ প্ৰসংগ আৰু ৰাতিৰ পাঠ পঢ়াৰ দায়িত্ব সমূহ ভকতৰ ওপৰত ন্যস্ত কৰিলে। এনেদৰে

অনাগত দিনলৈ সত্ৰৰ দৈনন্দিন চৈধ্য প্ৰসংগ পৰম্পৰাগতভাৱে বিৰামহীনভাৱে চলি আছে।

বৰপেটাত জনসংখ্যা ক্ৰমান্বয়ে বৃদ্ধি পাই অহাত সমাজত শান্তি সম্প্ৰীতি বজাই ৰখাৰ বাবে বুঢ়া আতাই হাটী প্ৰথা প্ৰৱৰ্তন কৰিলে। বৰপেটাক বাইশখন হাটীত বিভক্ত কৰি তিনিখন থুলহাটীৰ তত্ত্বাৱধানত ৰাখিলে। যেনে— ন-হাটী, দক্ষিণ হাটী, উত্তৰ হাটী। এই ব্যৱস্থাই বৰপেটাৰ বৃহৎ জনজীৱনক একতাৰ ডোলেৰে বান্ধি এক অনুকূল পৰিৱেশ সৃষ্টি কৰিছিল। সমাজত সৃষ্টি হোৱা দায়-দোষ, সৰু-সুৰা বিচাৰসমূহ সত্ৰলৈ প্ৰেৰণ কৰাৰ পৰিৱৰ্তে হাটীৰ ৰাইজে হাটীয়া গৃহ বা বাটচ'ৰা গৃহত বিচাৰ কৰি মীমাংসা কৰিব পৰা গৈছিল। বৰপেটা সত্ৰৰ ইতিহাসত এই ঐতিহ্য আজিও আছে আৰু ভৱিষ্যতেও থাকিব।

অৰ্থনৈতিক দিশত মানুহক বিপদ-আপদত সকাহ দিয়াৰ লক্ষ্য আৰু উদ্দেশ্যৰে প্ৰতিখন হাটীত একোটাকৈ ধন ভঁৰাল স্থাপন কৰা হৈছিল। প্ৰত্যেক ঘৰ মানুহৰে হাটীত একোটাকৈ ভাগ ৰখা ব্যৱস্থা কৰা হৈছিল। ভাগ থকাসকলে ধনভঁৰালৰ অংশীদাৰ আছিল। তেওঁলোকে বিপদত পৰিলে ভঁৰালৰ পৰা টকা ঋণত লৈ সময়মতে পৰিশোধ কৰাটো বাধ্যতামূলক আছিল। ইয়াৰ পৰিচালনাৰ দায়িত্ব হাটীৰ ভঁৰালী আৰু মজুমদাৰসকলৰ হাতত ন্যস্ত আছিল। হাটীৰ হাটীয়া ঘৰত বহি সময় সাপেক্ষে এইবোৰৰ হিচাপ-নিকাচ কৰা হৈছিল। এই ধন ভঁৰালৰ পৰা বছৰেকৰ মূৰত সত্ৰলৈ কৰ মাননি স্বৰূপে আগবঢ়াব লাগিছিল। এই প্ৰথা প্ৰথমে মথুৰাদাসৰ পৃষ্ঠপোষতাত বৰপেটা সত্ৰত কাৰ্যকৰী হৈছিল। সেই সময়ত হোৱা এই প্ৰথা এতিয়ালৈকে বৰপেটাত চলি আছে।

সত্ৰৰ যাৱতীয় কামবোৰ পৰিপাটীকৈ চলাবৰ বাবে বুঢ়া আতাই সেই সময়তে বিষয়-বাব সৃষ্টি কৰিছিল। কামত নিয়োজিত ব্যক্তিসকলেও বিভাগীয় নিজৰ নিজৰ কৰ্তব্যসমূহ ধৰ্মীয় দৃষ্টিৰে গুৰু নিৰ্মালি ৰূপে জ্ঞান কৰি পালন কৰিছিল। এতিয়াও এই নিদৰ্শন বৰপেটা সত্ৰত বিৰাজমান। বৰপেটা সত্ৰৰ আন এক উল্লেখযোগ্য বিষয় হৈছে 'বৰা', বৰাই সত্ৰই পাবলগা টকা-পইচা, চাউল আদি বয়-বস্তু সংগ্ৰহ কৰি সত্ৰত জমা দিয়ে। তাৰোপৰি সত্ৰৰ ভকতসকলক বলন দিয়া, সত্ৰত ভাগ থকা মানুহক সত্ৰই আবঢ়োৱা চাউল, কল, নিমখ, প্ৰসাদ, নিৰ্মালী আদি বস্তু-বাহানি হাটীয়ে প্ৰতি শৃংখলাৱদ্ধ ভাৱে বিলাই দিব লাগে। বৰাসকলে এতিয়াও নিখুঁতভাৱে কৰি থকা নিদৰ্শণ বৰ আকৰ্ষণীয়।

বৰপেটা সত্ৰত ভকতৰ সংখ্যা বৃদ্ধি কৰাৰ বাবে সত্ৰত ভাগ লোৱা প্ৰথা উদ্ভাৱন কৰা হৈছিল। এই কাম বৰ উজু নাছিল। কিয়নো সামান্য এই পাইৰ মুদ্ৰাৰ বিনিময় সত্ৰত ভাগ ল'ব লগা হৈছিল। অৱশ্যে এতিয়া ইয়াৰ পৰিমাণ দহ টকালৈ বৃদ্ধি কৰা হৈছে। এই টকাই সত্ৰৰ ধনভঁৰাল টনকিয়াল কৰি সত্ৰ পৰিচালনাত খৰচৰ বাবে সহায়ক হয়। লগতে ভকতৰ সংখ্যাও বৃদ্ধি হয়।

উল্লেখযোগ্য যে বৰপেটা সত্ৰৰ কীৰ্তন ঘৰৰ ভিতৰত মহিলাৰ প্ৰৱেশ নিষেধ। কেৱল শৰণ ল'বৰ দিনা ঘাই দুৱাৰেদি সোমাই লাইখুটালৈকে যাব পাৰে। গুৰু আসন, গোঁসাই প্ৰভূ আৰু অক্ষয় বন্তিক বেৰৰ জলঙাইদি প্ৰণাম কৰিব লাগে।

বৰপেটা সত্ৰ গণতান্ত্ৰিক পদ্ধতিৰে পৰিচালিত হৈ আহিছে। ১৯৩৫ চনত প্ৰস্তুত কৰা এখন নিয়মাৱলী অনুযায়ী সত্ৰৰ নিৰ্বাচন আৰু অন্যান্য কাম-কাজ পৰিচালনা কৰা হয়। সত্ৰৰ বুঢ়া-সত্ৰীয়া আৰু ডেকা-সত্ৰীয়া নিৰ্বাচিত হয়। নিৰ্বাচনত সত্ৰত ভাগ থকা লোকসকলে ভাগ ল'ব পাৰে। এওঁলোক দুজনৰ কাৰ্যকাল যাৱজ্জীৱন। পৰিচালনা সমিতিৰ কাৰ্যকাল তিনিবছৰীয়া আৰু সদস্যৰ সংখ্যা ২৮ জন।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ মহোৎসৱত ভকতৰ সংখ্যা গণনা নিয়ম সত্ৰ প্ৰতিষ্ঠাৰ দিনৰে পৰা চলি আহিছে। এয়াই সত্ৰৰ ভকত লেখা বুলি কোৱা হয়। এই মহৎ উদ্দেশ্যৰ জৰিয়তে দূৰ-দূৰণিত থকা ভকতসকলক একগোট কৰি গুৰু কীৰ্ত্তনত সহযোগ কৰাৰ লগতে গুৰুকৰো আদায় কৰাৰ সুযোগ পোৱা গৈছিল। আন এটি উপভোগ্য অনুষ্ঠান হৈছে— 'ভকত লেখা', যিটো কীৰ্ত্তন পতাৰ আগদিনা অনুষ্ঠিত কৰা হয়। এই পৰ্ব আনুষ্ঠানিকভাৱে সম্পূৰ্ণ কৰা হয়।

**কীৰ্তন-ঘৰৰ ধৰ্মীয় উৎসৱ-পাৰ্বণ ঃ**

বৰপেটা সত্ৰত উদ্‌যাপিত উৎসৱসমূহৰ ভিতৰত গুৰু দুজনা আৰু প্ৰথমজন সত্ৰাধিকাৰ মথুৰাদাস আতাৰ তিথি মহোৎসৱ, দৌলোৎসৱ, ব'হাগ আৰু মাঘ বিহুৰ দোমাহী, গুৰু দুজনাৰ আবিৰ্ভাৱ মহোৎসৱ, জন্মষ্টমী, আইসকলৰ পচতি আদি উৎসৱেই প্ৰধান।

**মহাপুৰুষসকলৰ তিথি ঃ**

বৰপেটা সত্ৰত জগতগুৰু শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ আৰু বুঢ়া আতাৰ তিথি যিদৰে পালন কৰা হয় সেয়া মন কৰিবলগীয়া। অসমীয়া সমাজ তথা সমগ্ৰ

মানৱ-সমাজৰ কাৰণে সত্য পথ প্ৰদৰ্শক তেৰা সকলৰ তিথি মহোৎসৱ সমূহ বৰপেটা সত্ৰৰ বিশেষ মহোৎসৱ। এই তিথি মহোৎসৱবিলাকত সত্ৰত কৰভাৰ সধোৱা নিয়ম আজি প্ৰায় চাৰে চাৰিশ বছৰৰ আগৰে পৰা চলি আহিছে। এই তিথি মহোৎসৱকে 'কীৰ্ত্তন' বোলা হয়।

ভাদ মাহৰ শুক্লা দ্বিতীয়া তিথিত জগতগুৰু শ্ৰী শ্ৰী শংকৰদেৱৰ কীৰ্ত্তন। সেই একেই মাহৰ কৃষ্ণা পঞ্চমী তিথিত শ্ৰীশ্ৰী মাধৱদেৱৰ কীৰ্ত্তন আৰু আহিন মাহৰ কৃষ্ণা চতুৰ্থীত বুঢ়া আতাৰ 'কীৰ্ত্তন মহোৎসৱ' পতা হয়। অৱশ্যে তিথি নক্ষত্ৰ অনুযায়ী মাজে সময়ে দুজনা গুৰুৰ কীৰ্ত্তন অগা-পিচা হয়। অৰ্থাৎ জগতগুৰু শংকৰদেৱৰ কীৰ্ত্তন আগতে নাপাতি কেতিয়াবা মাধৱদেৱৰ কীৰ্ত্তন আগতে পতা হয়। সচৰাচৰ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ কীৰ্ত্তন মহোৎসৱহে আগতে পতা হয় আৰু এই কীৰ্ত্তন সাতদিন ধৰি পালন কৰা হয়।

কীৰ্ত্তন থাপনাৰ আগদিনা ৰাতি চৈধ্য প্ৰসংগৰ পিছত গায়নে-বায়নে আগতকৈ এটি অতিৰিক্ত গীত গায় আৰু প্ৰসংগও অলপ বেছি বঢ়াই দিয়া হয়। ইয়াৰ পিছত সত্ৰৰ সত্ৰীয়াই গুৰু আসনত প্ৰাৰ্থনা জনাই বাপুসকলক কীৰ্ত্তনৰ উদ্দেশ্য আৰু পালবোৰ বুজাই দিয়ে, লগতে কীৰ্ত্তনৰ সময়ছোৱাৰ ভিতৰত দায়-জগৰ আদিৰ বিচাৰ কৰা নহয়, কাকো আৰ্শীবাদ দিয়া নহয়। কীৰ্ত্তন মহোৎসৱ পতাৰ দিনৰ পৰা আৰম্ভ কৰি প্ৰসংগৰ উপৰিও ৰাতিপুৱা দুই বা ততোধিক পুৱাৰ গীত, আবেলি ঘোষা-কীৰ্ত্তন, ব্যাস কীৰ্ত্তন গোৱা হয়। কীৰ্ত্তনৰ বাহিৰে অইন সময়ক অতিৰিক্ত পুৱাৰ গীত, ঘোষা-কীৰ্ত্তন আৰু ব্যাস কীৰ্ত্তন কৰা নহয়। ৰাতিপুৱা পুৱাৰ গীত গোৱাৰ পৰা আবেলিৰ ঘোষা কীৰ্ত্তনলৈকে এই সময়খিনিৰ ভিতৰত খুটিতাল বজাই তাল ভংগ নকৰাকৈ থাকিব লাগিব। আবেলিৰ পিছত ৰাতি সময়ৰ ফাক নাৰাখি আকৌ গায়নে-বায়নে নিৰ্দিষ্ট ৰাসৰ গীত,ঘোষা আদি গোৱাৰ পিছত ৰাতিৰ প্ৰসংগ কৰা হয় আৰু আগৰ দৰে সময়ৰ ফাক নাৰাখি পিচদিনা ৰাতিপুৱা প্ৰসংগলৈকে খুটিতাল বজাই থকা হয়। কীৰ্ত্তনৰ গোটেই কেইদিন এইদৰে অবিৰাম গতিত গীত, ঘোষা, ব্যাস কীৰ্ত্তন আদিৰ কীৰ্ত্তন কৰা হয়। ঘোষাবিলাকৰ মাজেদি জগতগুৰু শ্ৰীমন্ত শংকৰদেৱে আদিৰ পৰা অন্তলৈকে যিবিলাক লীলা-খেলা কৰি লোক সমাজত পবিত্ৰ একশৰণ হৰি নাম ধৰ্ম প্ৰচাৰ কৰিছিল সেইবিলাকৰহে বৈশিষ্ট্যতা দাঙি ধৰা হয়।

মহাপুৰুষ মাধৱদেৱৰ কীৰ্ত্তনতো শ্ৰীমন্ত শংকৰদেৱৰ কীৰ্ত্তনৰ সদৃশ নিয়মবোৰ

পালন কৰা হয়। গীত, মাত, ঘোষা, চৈধ্য প্ৰসংগৰ ভিতৰত থকা গুণমালা, লীলামালা আদি গোৱাৰ উপৰিও প্ৰসংগৰ ভিতৰত শিশুলীলা, কংসবধৰ ঘোষা গোৱা হয়। গায়নে-বায়নে অংকীয়া নাটৰ দধিমথন, চোৰধৰা, পিম্পৰা গুচোৱা, উদ্ধৱ জ্ঞান আদিৰ গীত গায়। ঘোষাৰ ভিতৰত বিশেষকৈ নামঘোষাৰ ঘোষাকে গোৱা হয়। মাধৱদেৱৰ কীৰ্ত্তন বৰপেটা সত্ৰত দহদিনলৈকে পালন কৰা হয়। প্ৰত্যেক দিনতে ভকত আৰু সেৱক বাপুসকলৰ গীত, মাত, খোল, তালৰ ধ্বনিয়ে সমগ্ৰ বৰপেটাখনতে মুখৰিত কৰি তোলে।

শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ কীৰ্ত্তনৰ পাছতে শ্ৰীশ্ৰীমথুৰাদাস বুঢ়া আতাৰ কীৰ্ত্তনৰ দিন ওচৰ চাপে। আহিন মাহৰ কৃষ্ণা চতুৰ্থীত এইজনা আতাপুৰুষৰ তিথিৰ তাৰিখ পৰে। দুজনা গুৰুৰ কীৰ্ত্তনৰ নিয়মসমূহৰ দৰে এইজনা আতাপুৰুষৰ কীৰ্ত্তনতো একে নিয়মকে পালন কৰা হয়। পাঁচদিন ধৰি বুঢ়া আতাৰ কীৰ্ত্তন মহোৎসৱ পালন কৰে। শ্ৰীমন্ত শংকৰদেৱ-মাধৱদেৱৰ কীৰ্ত্তনত ভকতলেখা নিয়ম একেধৰণে থাকে, কিন্তু বুঢ়া আতাৰ কীৰ্ত্তন মহোৎসৱত কেৱল 'বৰা'হে লেখা হয়। কীৰ্ত্তনঘৰৰ চৌহদৰ ভিতৰে বাহিৰে চাকি জ্বলোৱা দৃশ্যটিয়ে অপূৰ্ব সৌন্দৰ্যৰ সৃষ্টি কৰে।

তিথি মহোৎসৱবিলাকত বৰপেটা মৰানদীত আৰু খটখটীৰ জানত অনুষ্ঠিত হোৱা নাওখেল চাবলৈ লোকে লোকাৰণ্য হৈ পৰে। বহু দূৰ-দূৰণিৰ পৰা লোকসকল আহি নাওখেল চাই আনন্দ উপভোগ কৰে। এই নাওখেলত 'অৰ্জ্জুন'ৰ ৰথৰ সাৰথি নাৰায়ণ', বাছা নন্দেৰ দুলাল, অত ৰাতি ধেনু চাৰে কাৰ ঘৰৰ ছৱাল', 'অ' মোৰ মলুৱাৰে মোৰ মলুৱাক কোনে মাৰিলা হায় মোৰ মলুৱাৰে" আদি গীতবোৰ গোৱা হয়। বৰ্তমান নদী, জান, জুৰিবোৰ মৰি যোৱাত বা পুতি পেলোৱাৰ কাৰণে আপুৰুগীয়া সেই নাওখেলৰ দৃশ্য আজি আৰু উপভোগ কৰিবলৈ পোৱা নাযায়।

**দৌল উৎসৱ ঃ**

বৰপেটা সত্ৰত অনুষ্ঠিত শ্ৰীকৃষ্ণৰ দৌল-উৎসৱ অসম তথা সমগ্ৰ পূৰ্বাঞ্চলৰ ভিতৰতে এটি উপভোগ কৰিবলগীয়া উৎসৱ, তথা আমাৰ গৱেষণাৰ বিষয়টোতে দৌল উৎসৱ এক উল্লেখযোগ্য উৎসৱৰূপে পৰিগণিত হৈছে। সেয়েহে ইয়াৰ বিস্তৃত আলোচনা তলত দাঙি ধৰা হ'ল—

সৰ্বভাৰতীয় ধৰ্মীয় উৎসৱবোৰৰ ভিতৰত দৌল উৎসৱৰ এক সাৰ্বজনীন

বৈশিষ্ট্য আছে। বিশেষকৈ শ্ৰীকৃষ্ণৰ ব্যক্তিত্বই ক্ৰমাগত বিকশিত হৈ সমগ্ৰ ভাৰতীয় ধৰ্মীয় পৰিৱেশ প্লাৱিত কৰাৰ আনুষঙ্গিক পৰিণতিতেই শ্ৰীকৃষ্ণৰ দৌল উৎসৱে ভাৰতীয় জন-মানসত সাৰ্বজনীন ৰূপলৈ বিস্তৃতি লাভ কৰিছে।

শ্ৰীমন্ত শংকৰদেৱ বৰ্ণিত ভাগৱতৰ দৌল-উৎসৱ আৰু মাধৱদেৱ বৰ্ণিত বৃন্দাবনৰ দৌল-উৎসৱ, বৈকুণ্ঠৰ দৌল উৎসৱ আৰু মাধৱদেৱ বৰ্ণিত বৃন্দাবনৰ দৌল-উৎসৱৰ উদ্দেশ্যে কৃষ্ণলীলাৰ মাজেৰে নিৰহ নিঃপানী অব্যভিচাৰিণী কেৱল ভক্তিৰ সংযুক্ত আনন্দ উপভোগ কৰা। এই আনন্দ উপভোগ কৰাৰ মূল আহিলা হৈছে নাম-কীৰ্ত্তন, গীত, নৃত্য- বাদ্য আৰু ফল্গু সিঞ্চৰণ।

মহামিলনৰ পীঠস্থান 'অসমৰ কাশীপুৰী দ্বাৰকা মথুৰাপুৰী' বৰপেটা দৌল উৎসৱৰ প্ৰথম দিনটোক 'গন্ধ' বোলে। সেইদিনা আগবেলা লোকসকলে পবিত্ৰ ভাৱে খাগৰি, ইকৰা আদি কাটি আনি মুঠি বান্ধি, কীৰ্ত্তনঘৰৰ সন্মুখৰ চোতালত এটি মেজি সজায়। আবেলি দৌল গোবিন্দক ভাঁজঘৰৰ পূৱ-দুৱাৰেদি খোল-তাল বজাই বাহিৰলৈ উলিয়াই আনি মঠৰ পকী চোতালত এখন বৰ শৰাইত কিছু সময় ৰখাৰ পিছত গায়নে-বায়নে দৌল গোবিন্দক মেজি পুওৱাবলৈ লৈ আহে। পিছে পিছে সহস্ৰলোকৰ হৰ্ষধ্বনি আতচবাজীৰ বাহাৰ, হোলীগীতৰ সুৰ। লোকসকলে ঢোল, মৃদংগ, তাল, খোল ধৰি পৰম আনন্দে জয় কৃষ্ণ বুলি আহি মেজিৰ কাষ পালে দৌল গোবিন্দক মেজিৰ চাৰিওফালে সাতপাক ঘূৰায়। ইয়াকে প্ৰভূৱে "পুওৱা" বা "মাঘ পুওনা" বুলি কোৱা হয়। ইয়াৰ লগে লগে বৰপেটা স্থানীয় লোকৰ দ্বাৰা গঢ় লোৱা উদ্যোগ প্ৰতিষ্ঠানৰ 'আতচ-বাজী' প্ৰদৰ্শন কৰা হয়। আতচ-বাজীয়ে আকাশৰ বুকুত সৃষ্টি কৰে মায়াময় আলোকৰ নয়নাভিৰাম দৃশ্য। দৃষ্টি নন্দন আলোকৰ এই খেলাৰ ইন্দ্ৰজাল ফালি দৰ্শক ওলাই আহিব নৌপাওঁতেই আকাশৰ বুকুলৈ উৰা মাৰে "ফানুচ"। চৌপাশে নিনাদিত হয় আনন্দৰ মহাৰোল, গোটেই পৰিৱেশটোৱে হৈ পৰে প্ৰাণৱন্তময়। মেজি পুওৱাৰ অন্তত গোঁসাইক গায়ন-বায়নে সমন্বিতে সমদল কৰি আনি 'জগমোহন' বা 'যোগ-মোহন গৃহ'ত এখন শৰাইত ৰখা হয়। ইয়াৰ পিছত সন্ধিয়া নক্ষত্ৰ গণনা অনুসৰি দৌল গোবিন্দ মহাপ্ৰভূ আৰু কলিয়া ঠাকুৰ গোঁসাইক দৌলত আৰোহণ কৰা হয়। বৰঢুলীয়া, গায়ন-বায়ন সমন্বিতে ভক্তবৃন্দৰ জয়ধ্বনিয়ে গোঁসাইক দৌলগৃহত প্ৰথম থাকৰ পৰা সপ্তম থাকলৈ প্ৰতিটো থাকত এপাককৈ মুঠ সাত পাক ঘূৰাই দৌলৰ ভিতৰত সু-সজ্জিত দোলাত স্থাপন কৰা হয়।

গন্ধৰ পিছদিনাখন ভৰদৌল। তিনিদিনীয়া দৌলোৎসৱ হ'লে ভৰদৌল এদিন, চাৰিদিনীয়া দৌল উৎসৱ হ'লে ভৰদৌল দুদিন আৰু পাঁচদিনীয়া হ'লে ভৰদৌল তিনিদিনীয়া হয়। গন্ধৰ দিনা গোঁসাইক দৌলত স্থাপন কৰাৰ পিছত প্ৰথম দৌলৰ পুৱা শুভক্ষণ চাই বুঢ়াসত্ৰীয়াই গোঁসাইক পোনতে ফাকুগুৰি দি সেৱা-অৰ্চনা কৰাৰ পিছতহে পুৰুষ-মহিলা নিৰ্বিচাৰে দৰ্শনাৰ্থী ভক্তসকলে গোঁসাইক দৰ্শন কৰি ফাকুগুৰি সিঁচি ভক্তিভাৱে সেৱা-অৰ্চনা কৰি আশীষ লয়। গোঁসাই দৌলত থকা কেইদিন সভাগৃহত নৈমিত্তিক প্ৰসংগসমূহ অনুষ্ঠিত হয়।

ভৰদৌলৰ পিছদিনাৰ পুৱাৰ পৰা হয় "ফাকুৱা" বা "হোলী" উৎসৱ। এই উৎসৱক কোৱা হয় "সুৱেৰী"বা "সৌৰী" বুলি। সিদিনা সত্ৰ নগৰী বৰপেটাৰ আকাশ-বতাহ হৈ পৰে ৰঙেৰে ৰাঙলী। ৰঙত যেন নাচি উঠে বৃন্দাবন। প্ৰৌঢ় যুৱক সকলোৱে হাতে হাতে আবিৰ লৈ ইজনে সিজনক আবিৰ সানি আনন্দত মতলীয়া হৈ ৰঙে ৰঙে হৈ পৰে একাকাৰ।

দুপৰীয়া সত্ৰৰ ভকতসকলে বৰঢুলীয়াসহ বুঢ়াসত্ৰীয়াৰ বাসগৃহলৈ গৈ তেওঁক শোভাযাত্ৰা কৰি সত্ৰৰ চৌহদলৈ আগবঢ়াই অনা হয়। একেদৰে ডেকাসত্ৰীয়াকো আগবঢ়াই অনা হয়। গোঁসাইক কীৰ্ত্তন ঘৰৰ পৰা মঠৰ চোতাললৈ আনি পূজা-অৰ্চনা কৰাৰ পিছত দুখন সুশোভিত দোলত তুলি গায়ন-বায়ন, ঢুলীয়া সহিতে হেজাৰ-বিজাৰ ভক্তই হোলী গীতেৰে চৌদিশে মুখৰিত কৰি হৰ্ষোল্লাসেৰে ফাকুগুৰি ছটিয়াই বৰপেটা সত্ৰৰ দক্ষিণে কলবাৰী সত্ৰলৈ গোঁসাইক "হেক্‌টা" খুৱাবলৈ নিয়ে। এনেদৰে হেক্‌টা খোৱা পৰ্ব সমাপ্ত হোৱাৰ পিছত গোঁসাইক বৰপেটা সত্ৰলৈ প্ৰত্যাৱৰ্ত্তন কৰা হয়।

গোঁসাই আহি সত্ৰৰ মুখ্য প্ৰৱেশদ্বাৰ (দালান) পোৱাৰ লগে লগে টুপৰ চোতালত বাঁহভঙা কাৰ্য অনুষ্ঠিত হয়। এই বাঁহ চাৰিডাল এডাল থুল নহাটী, এডাল থুল দক্ষিশহাটী, দুডাল থুল উত্তৰহাটীৰ বাপুসকলে যোগান ধৰে। বাঁহভঙা অনুষ্ঠান সমাপ্ত হোৱাৰ লগে লগে গোঁসাইৰ দোলা হুৰহুৰাই গতি কৰে সত্ৰ টুপৰ চোতাললৈ। ইয়াৰ পিছত কীৰ্ত্তন ঘৰৰ দিশেৰে মঠৰ চোতাল হৈ কীৰ্ত্তনঘৰৰ চাৰিওপিনে সাতপাক ঘূৰোৱাৰ প্ৰক্ৰিয়া আৰম্ভ কৰি যেতিয়া তিনি/চাৰিপাক সম্পূৰ্ণ কৰে তেতিয়াই মঠৰ চোতালত অনুষ্ঠিত হয় আন এক আকৰ্ষণীয় অৰ্ধ-নাটকীয় অনুষ্ঠান 'বোল্‌বোলনি'। গোঁসাইক কীৰ্ত্তনঘৰৰ চাৰিওফালে সাতপাক ঘূৰোৱাৰ পাছত গোঁসাই মণিকূট গৃহত প্ৰৱেশ কৰে। লগে লগে সামৰণি পৰে উলহ-

মালহেৰে উদ্‌যাপিত বৰপেটা সত্ৰৰ দৌলোৎসৱৰ।

**দোমাহী ঃ**

ব'হাগৰ দোমাহী ৩০ চ'তৰ পৰা ৬ ব'হাগলৈকে ৭ দিন বৰপেটা সত্ৰত দোমাহী পালন কৰা হয়। কীৰ্ত্তন ঘৰৰ চোতালতেই সত্ৰৰ নীতি অনুসৰি ধৰ্মীয় পৰম্পৰা আৰু মৰ্যদা ৰক্ষা কৰি ব'হাগৰ বিহু বৰপেটা সত্ৰত উদ্‌যাপিত হয়। আধুনিক কালৰ ঢোল-পেঁপাৰ বিহুৰ ইয়াত ঠাই নাই। শান্ত, সমাহিত আৰু গাম্ভীৰ্যপূৰ্ণ হৰি কীৰ্ত্তন কৰি বৰপেটা সত্ৰত পালন কৰা হয় ব'হাগৰ দোমাহী উৎসৱ।

নতুন বছৰৰ প্ৰথম দিনটোতে সত্ৰৰ গুৰু আসনত নতুন বস্ত্ৰ দিয়া হয়। ব্ৰহ্মপুৰাতে সত্ৰৰ ঘাই দেউৰীয়ে বন্তি জ্বলাই প্ৰসাদ নিৰ্মালি সজাব। পালি দেউৰীয়ে ঘাই দেউৰীৰ সহায়ক হয়। পাঠকে পুৰাৰ গীত গাই নাম প্ৰসংগ কৰে। দ্বিতীয় দোমাহীৰ ১ তাৰিখে দৈৱজ্ঞ পণ্ডিতৰ দ্বাৰা গোটেই বছৰৰ ফলাফল গণনা কৰা হয়। বৰপেটা ব'হাগৰ দোমাহী উৎসৱকে সমগ্ৰ অসমতে বিহু উৎসৱ বুলি জনা যায়। এই বিহু তিনি প্ৰকাৰৰ— পহিলে ব'হাগ বিহু, মাঘত ভোগালী আৰু কাতিত কঙালী। কাতি মাহৰ দোমাহী বৰপেটা সত্ৰত পালন কৰা নহয়। কিন্তু এই মাহটোকে পবিত্ৰ জ্ঞান কৰি ওৰে মাহে বৰপেটা সত্ৰবাসীয়ে নিশাৰ ভাগত নাম প্ৰসংগ আয়োজন কৰে। এই নামক চমুকৈ কাতিৰ নাম বুলি জনা যায়।

দিনৰ পিছত দিন মাহ অৱসানে মাঘ মাহৰ সংক্ৰান্তি আহি ওচৰ চাপে। ৩০ পুহৰ পৰা চাৰি মাঘলৈ বৰপেটা সত্ৰত পাঁচদিন মাঘৰ দোমাহী পালন কৰা হয়। ব'হাগৰ নিয়মে এই দোমাহীৰো নাম কীৰ্ত্তন কৰা হয়। মাঘৰ ১ তাৰিখৰ পৰা গীতা পাঠ কৰা নিয়ম। আবেলি ঘোষা কীৰ্ত্তন ব্যাহ কীৰ্ত্তন মঠৰ চোতালত কৰা হয়। এনেদৰেই বৰপেটা সত্ৰত উৎসৱসমূহৰ পালন আজিও হৈ আছে।

♦♦♦

# কাৰবিসকলৰ খাদ্য সম্ভাৰ ঃ এক অধ্যয়ন

অৰ্চনা তুমুং
*চতুৰ্থ ষান্মাসিক*
*২০১৫ বৰ্ষ*

ভাৰতবৰ্ষৰ পূব প্ৰান্তত অৱস্থিত অসম বিভিন্ন জনগোষ্ঠীৰ আবাসভূমি। প্ৰাচীন কালৰে পৰা অসমৰ জনগাথঁনিত কিৰাত বা মঙ্গোলীয়সকলে এক তাৎপৰ্যপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। কাৰবিসকল চীন-তিব্বতীয় ভাষা পৰিয়ালৰ কুকি শাখাৰ অন্তৰ্গত। অসম তথা উত্তৰ পূৰ্বাঞ্চলত সিঁচৰিত হৈ আছে নানা ধৰণৰ জনগোষ্ঠী আৰু বিবিধ ভাষা, উপ-ভাষা কোৱা লোকসকল।

বৰ্তমান কাৰবি জনগোষ্ঠীৰ প্ৰধান আবাসভূমি অসমৰ কাৰবি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলা দুখনত সংখ্যাগৰিষ্ঠ ভাবে বসবাস কৰা মঙ্গোলীয় নৃ-গোষ্ঠীৰ তিব্বতবৰ্মীয় ভাষা-ভাষী হিচাপে কাৰ্বি জনগোষ্ঠী অন্যতম। ইয়াৰোপৰি কামৰূপ, নগাঁও, দৰং, মেঘালয় আদি ঠাইতো কাৰবি জনগোষ্ঠীৰ লোক কিছু পৰিমাণে সিঁচৰতি হৈ বসবাস কৰি আছে। কাৰবিসকল অসমৰ এটা প্ৰাচীন জনগোষ্ঠী। বুৰঞ্জীয়ে ঢুকি নোপোৱা দিনৰ পৰাই এই জনগোষ্ঠীয়ে অসমত বাস কৰি আহিছে। কোনো কোনো পণ্ডিতে কাৰবিসকলৰ আদিম বাসস্থান দক্ষিণ পূব এছিয়া বুলি ঠাৱৰ কৰে।

সেউজীয়া পাহাৰত বসবাস কৰা কাৰবি জনগোষ্ঠীৰ লোকসকল আগৰে পৰা মিকিৰ বুলি জনাজাত আছিল আৰু তেওঁলোকে বাস কৰা পৰ্বতীয়া জিলাখন 'মিকিৰ পাহাৰ' নামেৰে জনা গৈছিল। কিন্তু বৰ্তমানে তেওঁলোকক 'কাৰবি' বুলিহে জনা যায় আৰু জিলাখনৰ নামো কাৰবি আংলং নামেৰে নামকৰণ কৰা হৈছে। 'আৰলেং' মানে পাহাৰৰ দাঁতি কাষৰীয়া এঢলীয়া ঠাই। পাহাৰৰ দাঁতি কাষৰীয়া সমান ঠাইবোৰত বাস কৰে। আন আন জনজাতিৰ নিচিনাই কাৰবিসকলে 'আৰলেং' অৰ্থাৎ পাহাৰত গাঁওপাতি জীৱন নিৰ্বাহ কৰে। ঘৰবিলাক সাধাৰণতে

দীঘল আৰু চাঙৰ ওপৰত সজোৱা হয়। ১০০ ৰ পৰা ১৪০ ফুট পৰ্যন্ত সাধাৰণতে ঘৰবিলাকৰ দৈৰ্ঘ্য। ঘৰবোৰ সাধাৰণতে মাটিত গাঁত খান্দি বাঁহেৰে খুটা পুতি তাত বাঁহৰ চাং সাজি তাৰে ওপৰত ঘৰ সাজে। ঘৰবোৰ বান্ধোতে বাঁহৰ খুটা, বেৰৰে সজা হয় আৰু চালবোৰ খেৰৰে বনোৱা হয়।

কাৰবিসকল প্ৰধানকৈ কৃষিজীৱি। কৃষিজীৱিকাৰে তেওঁলোক জীৱন নিৰ্বাহ কৰে। পাহাৰত বাস কৰা কাৰবিসকলৰ প্ৰধান খেতি হৈছে ঝুম খেতি। ঝুম খেতি সাধাৰণতে পাহাৰৰ এঢলীয়া ঠাইত কৰা হয়। ঝুম খেতি কৰোতে প্ৰথম অৱস্থাত হাবিৰ জংঘল কাটি শুকাই ৰখা হয় আৰু কেইদিনমান পাছত জুই লগাই দিয়া হয়। তাৰপিছত কোৰেৰে মাটি চহ কৰি সেই ঠাইত ঝুম কৰা হয়। ইয়াৰোপৰি আদা, জলকীয়া, মাটিমাহ, বাঙী, কচু আদিৰ খেতি কৰিছিল। পোহনীয়া কুকুৰা, গাহৰি, নানা ধৰণৰ জীৱ-জন্তু পুহি তেওঁলোকে জীৱন নিৰ্বাহ কৰিছিল।

কাৰবিসকলৰ প্ৰধান জীৱিকা হৈছে কৃষি। পাহাৰত বাস কৰা কাৰবিসকলে ঝুম খেতি আৰু ভৈয়ামত বা পাহাৰৰ নামনি অঞ্চলত বাস কৰা লোকসকলে নাঙল গৰুৰে মাটি চহ কৰি খেতি কৰিছিল। তাৰ লগতে অৰণ্যৰ পৰা সংগ্ৰহ কৰা বিভিন্ন জীৱ-জন্তু, চৰাই আদিৰ মাংস বা বনৰীয়া শাক-পাচলি, মাছ আদি খাদ্যৰূপে সংগ্ৰহ কৰিছিল। পোহনীয়া কুকুৰা, গাহৰি আদিৰ মাংস তেওঁলোকৰ খাদ্য তালিকাৰ প্ৰধান উপকৰণ। এইদৰে বিভিন্ন উৎসৰ পৰা সংগ্ৰহ কৰা কাৰবিসকলৰ খাদ্য সম্ভাৰবোৰ তলত উল্লেখ কৰা হ'ল—

(ক) ডিমৰু পাতেৰে ৰন্ধা গাহৰি মাংসৰ পিঠাগুৰি ঃ কাৰ্বিসকলৰ সকলো উৎসৱ-পাৰ্বণতে গাহৰিৰ মাংস ৰন্ধা হয়। শ্ৰাদ্ধ, দেহাল পূজা আদিত গাহৰি বলি দি তাৰ মাংস ৰান্ধি সামূহিক ভোজন কৰে।

খহতা ডিমৰুৰ পাতেৰে ৰন্ধা গাহৰি মাংসৰ পিঠাগুড়িৰ আঞ্জা সোৱাদযুক্ত। খহতা ডিমৰু পাতখিনি জোখমতে আনি ধুই কুটি লৈ উৰলত বা ঢেঁকীত মিহিকৈ খুন্দা হয়। আদা, নহৰু, কেঁচা জলকীয়াখিনি একেলগে খুন্দি লোৱা হয়। ডিমৰু পাতৰ লগত কলৰ খাৰ, আদা, নহৰু, নিমখ মিহলাই মিশ্ৰণটো গাহৰি মাংসৰ সৈতে মিহলাই দিয়া হয়। গাহৰি মাংস আৰু ডিমৰু পাতটো সিদ্ধ হৈ আহিলে পানী ঢালি দিয়া হয়। কিছুসময়ৰ পিছত আঞ্জাখিনি উতলি আহিলে গুড়ি কৰি থোৱা চাউল গুড়িখিনি অলপ অলপ কৰি ঢালি দিয়া হয়। গুড়িখিনি দিয়াৰ পাঁচ

মিনিটমানৰ পাছত্ নমাই দিয়া হয়। পিছত ভাতৰ সৈতে পৰিৱেশন কৰা হয়।

(খ) মাটি মাহৰ সৈতে শামুকৰ আঞ্জা ঃ সৰু জাতৰ পিছফালে জোঙ থকা 'নাৰা' শামুক আৰু গোলাকৃতিৰ ডাঙৰ 'ধন্ধলা' শামুক তেওঁলোকে খাদ্যৰূপে ব্যৱহাৰ কৰে। নাৰা শামুকৰ জিভা গুচাই দিয়াৰ লগতে খোলাটোৰ পিছৰ জোঙা অংশ কাটি দিয়া হয়। মাটিমাহ, পিঠাগুড়ি, অমিতা, ৰঙালাও, আদা, নহৰু, জলকীয়া, নিমখ, খাৰ আদি উপকৰণেৰে ৰান্ধি খায়। খোৱাৰ সময়ত শামুকৰ শাহ অংশ চুপি খাই খোলাটো পেলাই দিয়ে।

ধন্ধলা শামুকখিনি দুই মিনিটমান পানীত উতলোৱা হয়। তাৰ পিছত শামুকৰ জিভা আৰু পেটু পেলাই তেল, মছলা, আলুৰ সৈতে ভাজি খায়।

(গ) কল পচলাৰ সৈতে মুৰ্গী মাংস ঃ কাৰবিসকলৰ শিশুৰ নামকৰণ আৰু দেহাল পূজা আদিত মুৰ্গী মাংসৰ সৈতে কল পচলা ৰন্ধা হয়। শিশু নামকৰণ কৰোতে কল-পচলা, মুৰ্গী মাংস, নানা ধৰণৰ পাচলি যেনে ৰঙালাও, আলু, বীন আৰু নানা ধৰণৰ মছলা, তেল আদি মিশ্ৰণেৰে বনোৱা হয়।

দেহাল পূজাত অকল কল পচলা আৰু মুৰ্গী মাংস তেলৰ সৈতে বনোৱা হয়। অন্য কোনো পাচলি ব্যৱহাৰ কৰা নহয়।

(ঘ) বাঁহগাজ বা খৰিচাৰ সৈতে মাছৰ পিঠাগুড়ি ঃ বাঁহৰ কুমলীয়া গাজ মিহি মিহিকৈ কুটি মাটিৰ পাত্ৰত ভৰাই থৈ টেঙা কৰি মাছৰ সৈতে ৰান্ধি খোৱা হয়। বাঁহৰ খৰিচাখিনি তেল, হালধি, নিমখ, নহৰু আদিৰে মিশ্ৰণ কৰি ৰন্ধা হয়। কিছুসময়ৰ পিছত পানী ঢালি দিয়া হয় আৰু পানীখিনি উতলি আহিলে পিঠাগুড়িখিনি অলপ অলপ কৰি ঢালি দিয়া হয়। শেষত মাছকেইটা আঞ্জাত দি দিয়া হয়।

(ঙ) চুঙাত দিয়া মাছৰ আঞ্জা ঃ এনে পদ্ধতিৰে চুঙাত সৰু মাছ ভৰাই সিজোৱা আঞ্জাক অককাংথু বোলে। অক্‌কাংথু সাধাৰণতে 'অক্‌লাংছ' (চেঙেলি মাছ) আৰু শুই তেল (চহং আৰাক) দি ৰন্ধা আঞ্জা অতীজৰ কাৰবিসকলৰ প্ৰিয় খাদ্য।

(চ) শুকতি মাছ ঃ সৰু সৰু মাছ ৰ'দ বা জুইৰ তাপত শুকুৱাই দিয়া হয়। মাছখিনি শুকোৱাৰ পিছত কচুৰ ঠাৰি, জলকীয়াৰ পাত, ভেতেৰা গছৰ কুমলীয়া পাত আদি উপকৰণেৰে খুন্দি বাঁহৰ চুঙাত সঞ্চয় কৰি ৰখা হয়। এনেদৰে সাঁচি ৰখা শুকতি মাছক তেওঁলোকে 'তমান' বোলে। এনেধৰণৰ খাৰৰ আঞ্জাত

তেওঁলোকে শুকতি মাছ ব্যৱহাৰ কৰে।

(ছ) মাটিমাহৰ সৈতে মুৰ্গী মাংস ঃ তেওঁলোকে মুৰ্গী মাংস খাৰ আৰু তেলেৰে প্ৰস্তুত কৰে। তেলত ৰন্ধা সময়ত মাংসখিনি ভালদৰে সিদ্ধ কৰি লোৱা হয়। সিজাই থোৱা মাটি মাহখিনি তেলত ভাজি দিয়াৰ পিছত মাংসখিনি ঢালি সিজোৱা হয়।

(জ) উঁই পৰুৱা ঃ উঁই পৰুৱাৰ পাখি গজাৰ পাছত যেতিয়া উৰিবলৈ ধৰে তেতিয়া এটা চৰিয়াত পানী ভৰাই তাৰ বুকুত এটি চাকি জ্বলাই দিয়া হয়। ঘৰৰ আন পোহৰবোৰ নুমুৱাই দিলে পৰুৱাবোৰ পানীৰ চৰিয়াত থকা পোহৰৰ প্ৰতি আকৃষ্ট হয় আৰু এবাৰ পানীত পৰাৰ পাছত যেতিয়া উঁই পৰুৱাটোৰ পাখি তিতি যায় তেতিয়া আৰু তাৰপৰা সি উঠিব নোৱাৰা হয়। এইদৰে অলপ সময়ৰ ভিতৰতে বহুতো উৰণীয়া উঁই পৰুৱা চৰিয়াটোত জমা হয়। পাখিবোৰ গুচাই মঙহাল ভাজি খায়।

(ঝ) উঁইচিৰিঙা ঃ নৈৰ বালিত গাঁত খান্দি লুকাই থকা উঁইচিৰিঙা বিচাৰি আনি ভাজি খায়। সেইদৰে এৰি-মুগাৰ লেতাও ভাজি বা পিঠাগুড়িৰে ৰান্ধি খোৱা দেখা যায়। এইবোৰ পোক-পৰুৱা প্ৰ'টিনৰ উৎকৃষ্ট উৎস।

(ঞ) জৰ্‌লাং ঃ চাউলৰ পৰা প্ৰস্তুত কৰা আন এবিধ পানীয় বা সুৰা হৈছে জৰ্‌লাং। জৰ মানে নিচা, লাং মানে পানী অৰ্থাৎ নিচা লগা পানী। ইয়াৰ প্ৰস্তুত প্ৰণালীত বিভিন্ন প্ৰকাৰৰ ঔষধি উদ্ভিদৰ পাত ব্যৱহাৰ কৰা হয়।

মহানিমৰ পাত, বাহকা পাত, ভেঁকুৰি তিতাৰ পাত, কঁঠালৰ পাত, কুঁহিয়াৰ পাত, বিহঢেঁকীয়া আদি মিহিকৈ কাটি, তিয়াই কোমলাই থোৱা চাউলৰ সৈতে একেলগে ঢেঁকীত খুন্দি গুৰি কৰে। চালনীৰে চালিব পৰাকৈ মিহিকৈ খুন্দি একোটা লাডু তৈয়াৰ কৰে। লাডুকেইটা ধানখেৰৰ মাজত তিনিদিন ৰাখি তাৰ পৰা উলিয়াই এসপ্তাহমান ভালদৰে ৰ'দত শুকুৱাই লয়। এইদৰে সুৰা বা জৰ্‌লাং প্ৰস্তুত কৰিবলৈ সাজু হোৱা লাডুকেইটাৰ নাম হ'ল থিংকুৰ। তাৰ পাছত জৰ্‌লাঙৰ কাৰণে সিজাই থোৱা চাউলখিনি উলিয়াই ঠাণ্ডা কৰি বাখৰ বা থিংকুৰ ভালদৰে মিহলাই দিয়া হয়। কিমান পৰিমাণৰ থিংকুৰ মিহলাব লাগিব সেইকথা অভিজ্ঞ প্ৰস্তুতকৰ্তাই নিজেই ঠিক কৰি লয়। মিশ্ৰণখিনি কলপাত মাটিত পাৰি তাৰ ওপৰত ভালদৰে মেলি দিয়া হয়। আকৌ আন কলপাতেৰে সেইখিনি ঢাকি লৈ তাৰ ওপৰত এঙাৰ, জলকীয়া, নহৰু আদি ছতিয়াই দিয়ে যাতে ভূত-প্ৰেতৰ চকু নপৰে আৰু

অপকাৰী বেক্টেৰীয়া, ভাইৰাচ আদিৰ পৰা মিশ্ৰণখিনিক সুৰক্ষা দিয়ে।

মিশ্ৰণখিনিক এইবাৰ মাথি নামৰ এটি মাটিৰ পাত্ৰত দুদিন বা তিনিদিনৰ বাবে ভৰাই ৰখা হয় তাৰ পাছত এই সুৰা খোৱাৰ উপযোগী হয়। মিশ্ৰণটোত পানী মিহলাই হৰ নামৰ যতন এটিত ঢালি চেকি লোৱা হয়। এইদৰে ফিল্টাৰ হৈ অহা জৰলাংখিনিৰ নাম হয় আলং আহৰ। তাৰ পিছৰখিনিক জৰ্লাং বুলি কোৱা হয়।

বিবিধ শাক-পাচলিৰ পৰা প্ৰস্তুত কৰা পাহাৰীয়া শাক যেনে মেহেক, পঞ্জাৰী, বিহঢেঁকীয়া, কচু, গড়জিভা, খৰিছা, মেচেঙা টেঙা, টেঙেচি টেঙা, থেকেৰা টেঙা আদি কেইবিধমান বনৰীয়া শাকৰ পৰা প্ৰস্তুত কৰা খাদ্যৰ বিষয়ে আলোচনা কৰা হৈছে।

(ক) মেহেক ঃ কাৰবিসকলৰ বাবে বৰ প্ৰিয় খাদ্য মেহেক পাতৰ পিঠাগুড়িৰ আঞ্জা। মেহেকৰ পাত দীঘলীয়া, পিছফালটো বগা আৰু সমুখ ভাগটো সাধাৰণ সেউজীয়া। পিঠাগুড়িৰে ৰন্ধা গাহৰি মাংসত মেহেকৰ পাত কুটি মিহলাই দিয়া হয়। আন শাকৰ দৰে এই পাত সিদ্ধ হৈ গলি নাযায়।

(খ) পঞ্জাৰী ঃ চুকাৰ দৰে টেঙা সোৱাদযুক্ত এইবিধ শাকৰ কুমলীয়া অংশটো আনি মাছৰ সৈতে সিজাই অথবা ৰান্ধিও খায়।

(গ) সান্দেলেন বা গড়জিভা ঃ এইবিধ লতাৰ পাত মঙহাল, ঘন সেউজীয়া। পাণৰ আকৃতিৰ। ঘাইকৈ মাটিমাহৰ দাইলৰ সৈতে শুকান মাছ দি ইয়াৰ সুস্বাদু আঞ্জা ৰান্ধে।

(ঘ) শুকান মাছৰ সৈতে চুঙাত দিয়া কচুৰ আঞ্জা ঃ বনৰীয়া কিন্তু খোৱাৰ উপযোগী কচুৰ থোৰ আনি সৰু সৰুকৈ কাটি তাৰ সৈতে নিমখ, শুকান মাছ, জলকীয়া, আদা, নহৰু আদি খুন্দি লৈ মিহলোৱা হয় আৰু মিশ্ৰণটো বাঁহৰ চুঙাত ভৰাই সিজোৱা হয়। এইবোৰ খাদ্য তেওঁলোকৰ সুস্বাস্থ্যৰ উৎকৃষ্ট উৎস।

পৰম্পৰাগত খাদ্য সম্ভাৰে মানুহৰ শৰীৰ নিৰোগী কৰি ৰাখে। এনে খাদ্যই মানুহক স্বাস্থ্যবান কৰি ৰখাৰ উপৰিও দেহত অফুৰন্ত শক্তি দিয়ে। পৰম্পৰাগত এনে খাদ্যৰ প্ৰতি কাৰবি লোকসকলৰ যথেষ্ট দুৰ্বলতা আছে। আজি বিশ্বায়নৰ যুগত দেশ-বিদেশৰ খাদ্য সম্ভাৰে মানুহক আকৰ্ষণ কৰিলেও কাৰবিলোকসকলে আজিও নিজ পৰম্পৰাগত খাদ্যক জীয়াই ৰাখিবলৈ সক্ষম হৈছে। নিজ খাদ্য সম্ভাৰৰ প্ৰতি তেওঁলোকৰ যথেষ্ট আকৰ্ষণ আছে।

◆◆◆

# বঙালী সমাজৰ উৎসৱ অনুষ্ঠান

**দেৱযানী বিশ্বাস**
*চতুৰ্থ ষান্মাসিক*
*২০১৫ বৰ্ষ*

অসমীয়া শৰণীয়া কছাৰী, ৰাভা, গাৰো, মিচিং, তিৱা, নেপালী, বড়ো, চাওতাল, আদিবাসী, ধৰ্মীয় সংখ্যালঘু আদি জনগোষ্ঠীৰ সৈতে বঙালীভাষী লোকেও অসমৰ বিভিন্ন ঠাইত বসবাস কৰে। এওঁলোকৰ কোনো কোনোৱে চাকৰি কোনোৱে খেতিবাতিৰে জীৱন নিৰ্বাহ কৰে। অসমৰ বিভিন্ন ভাষা-ভাষী লোকৰ সৈতে সমিল মিলেৰে এই জনগোষ্ঠীৰ লোকসকলে কঠোৰ পৰিশ্ৰমেৰে জীৱন-জীৱিকা চলাই আহিছে। বিশেষভাৱে ব্যৱসায় বাণিজ্যত বঙালীলোকে পাকৈত বুলি এওঁলোকৰ সুনাম আছে। হিন্দু সম্প্ৰদায়ৰ বঙালী লোকে দুৰ্গা পূজা, শ্যামা পূজা উদ্‌যাপন কৰে। ৰাজহুৱা স্থানত সমূহীয়াভাৱে এই উৎসৱ পৰ্ব পালন কৰাৰ উপৰি ব্যক্তিগতভাৱে পৰিয়ালে পৰিয়ালে দুৰ্গা পূজা, কালী পূজা তেওঁলোকে উদ্‌যাপন কৰে।

আন আন উৎসৱ পৰ্বৰ ভিতৰত ভাইফোটা, জন্মাষ্টমী, নাগপঞ্চমী, দেৱালী, হোলী, বৈশালী, লক্ষ্মীপূজা আদি উৎসৱ পালন কৰা দেখা যায়। তেওঁলোকৰ কোনো কোনোৱে নাম সংকীৰ্তন কৰে। তেওঁলোকে তাল-খোল মৃদংগ বজাই ঘৰে ঘৰে নাম কীৰ্তন কৰে। তদুপৰি অষ্টম প্ৰহৰ নাম সংকীৰ্তন লগায়। পৰম্পৰাগতৰূপে চলি অহা এই পৰ্বসমূহে বঙালী লোকৰ একতা মজবুত কৰাৰ উপৰি তেওঁলোকৰ স্বকীয়তা অক্ষুন্ন হৈ ৰোৱাত সহায়ক হ'ব পাৰিছে।

বঙালীসকলৰ মাজত সকলো ধৰ্ম গ্ৰহণ কৰা লোক আছে। যেনে— খৃষ্টান ধৰ্ম, ইছলাম ধৰ্ম, সনাতন আৰু অনুকূল ধৰ্ম। তাৰে সনাতন আৰু অনুকূল ধৰ্মৰ লোকসকলক হিন্দু বুলি জনা যায়। সনাতন ধৰ্মৰ লোকসকলে শৰণ লয় ৮ বছৰৰ পৰা ১২ বছৰৰ ভিতৰত। প্ৰত্যেক পৰিয়ালৰে এজন ধৰাবন্ধা গুৰু থাকে

আৰু গুৰুত্বে শ্ৰৱণ দিয়ে।

বঙালী জনবসতি থকা অঞ্চলবোৰ বিশেষকৈ কলিকতা, নদিয়া, হুগলি, শিলচৰ, পশ্চিমবংগ আদিৰ নাম ল'ব পাৰি। তাৰে ভিতৰত কলিকতা বিশেষভাবে উল্লেখযোগ্য।

কলিকতাত বিশেষভাবে বঙালী লোকৰ বসতি দেখা যায়। তেওঁলোকৰ কিছুমান চাকৰি কৰে, কিছুমান অভিনেতা, কিছুমান মজদুৰ, কিছুমান ব্যৱসায়ী আদি সকলো ধৰণৰ লোক দেখা যায়।

কলিকতাত বিশেষভাৱে অনুষ্ঠিত বৃহৎ উৎসৱ হ'ল দুৰ্গাপূজা। ভাৰতৰ ভিতৰত আটাইতকৈ বৃহৎ দুৰ্গা পূজা হয় কলিকতাত। এই পূজা তেওঁলোকে ৰাজহুৱাভাৱে কৰাৰ উপৰিও ব্যক্তিগত ভাৱেও কৰা দেখা যায়। অতি আনন্দ উল্লাহেৰে বঙালীসকলে এই উৎসৱ পালন কৰে।

বঙালী সকলে তেওঁলোকৰ জীৱনৰ পদে পদে বহুতো উৎসৱ অনুষ্ঠান পালন কৰা দেখা যায়। বঙালী সকলৰ সংস্কাৰমূলক আৰু ঘৰুৱা উৎসৱ অনুষ্ঠান অথবা জীৱন বৃত্তৰ লগত জড়িত উৎসৱ অনুষ্ঠান সমূহ হ'ল— (ক) জাত কৰ্ম (খ) অন্নপ্ৰশন্ন (গ) ভাইফোঁটা বা ভ্ৰাতৃ দ্বিতীয়া (ঘ) বঙালী সমাজত বিবাহ পদ্ধতি (ঙ) মৃতকৰ শ্ৰদ্ধাদি কৰ্ম

**(ক) জাত কৰ্ম ঃ** বঙালী সমাজৰ স্ত্ৰীৰ আসন্ন প্ৰসৱৰ মাহটোৰ পূৰ্বে বিশেষ ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। এই ব্যৱস্থাৰ প্ৰথম কামটো হ'ল ঘৰৰ ভিতৰত উপযোগী স্থান নিৰ্বাচন কৰি লোৱাটো। এই ঘৰটোক সূচী ঘৰ বোলা হয়। সাধাৰণতে পুৰণি কালত ৰাইজৰ ঘৰত দুৱাৰ খিৰিকি বৰ কম। সেয়ে দুৱাৰ মুখেৰে সোমাই গৈয়েই প্ৰসূতি গৰাকীক দেখা নোপোৱাকৈ ৰাখিবৰ বাবে উপযোগী চুক এটি নিৰ্বাচন কৰে। প্ৰসৱৰ বেদনা আৰম্ভ হোৱাৰ লগে লগেই গৰ্ভিনীক সূচী ঘৰত প্ৰৱেশ কৰোৱা দেখা যায়। ঘৰটোৰ বাহিৰৰ চাৰিওফালে বেৰৰ ফুটাবোৰ আৰু দুৱাৰ মুখত বেতৰ শিঁহনি বৰুণৰ ডাল, বগৰীৰ কাইট, ফটা জাল আদি বান্ধে। অপশক্তি বা অনিষ্টকাৰী ভূত-প্ৰেত আদিৰ পৰা গৰ্ভিনীক ৰক্ষা কৰিবৰ বাবে এইবোৰৰ প্ৰয়োজন। ঘৰটোৰ ভিতৰত জুই, পানী, চাকি, ঝাৰু, লোৰ অস্ত্ৰ, সৰিয়হ আদি সযতনে ৰখা উচিত। কিয়নো প্ৰসুতিৰ ওচৰত এইবোৰ থাকিলে তেজপিয়া নামৰ ভয়ানক দৈত্যবিলাকে সদ্যজাত শিশুটিক অপকাৰ কৰিব নোৱাৰে। প্ৰসৱৰ সময়ত বেজেনীৰ বাহিৰে আন কোনো সেই

ঘৰটোৰ ভিতৰত থাকিব নোৱাৰে। প্ৰসৱ উজু হ'বৰ বাবে ঘৰৰ দুমুৰে দুটা খুটি পুতি মাজত সৰু বাঁহ এডাল সোমাই তাঁৰ দিয়ে। তাঁৰ বা জৰীত ধৰি এডাল বল দিলে অতি সহজে প্ৰসৱ হয়। মাতৃৰ গৰ্ভৰ পৰা সন্তানটি নিৰ্গত হৈ যাতে মাটিত নপৰে তাৰ উপায়স্বৰূপে এখন আগলতি কলপাত যথোপযুক্ত স্থাপন ৰখা হয়। ভূমিষ্ঠ সন্তানৰ ক্ৰন্দন ধ্বনি শুনাৰ লগে লগে বাহিৰত থকা মানুহে মাংগল্য সূচক ধ্বনি, শংখ, ঘন্টা বা অন্যান্য বাদ্য যন্ত্ৰ বজায়। বঙালী সমাজত পূৰ্বে এই নিয়মমতে চলিছিল।

**(খ) অন্নপ্ৰশন্ন ঃ** বঙালী পুৰুষৰ ৬ মাহ বা ৮ মাহত আৰু স্ত্ৰীলোকৰ ৫ মাহ বা ৭ মাহত শনি আৰু মংগল বাৰে, শুক্লপক্ষত, তৃতীয়া পঞ্চমী, দশমী আৰু ত্ৰয়োদশী তিথিত অন্নপ্ৰশন্ন শুভ বুলি কোৱা হয়। অন্নপ্ৰসন্নৰ আগলৈকে কেচুৱাক পনীয়া বা অৰ্ধপনীয়া আহাৰ খুওৱা হয়। অৱশ্যে লোক সমাজত কেচুৱাৰ দাঁত গজিবলৈ আৰম্ভ কৰাৰ লগে লগে আনুষ্ঠানিকভাৱে গোট আহাৰ খুৱাবলৈ আৰম্ভ কৰে। সেইবাবে দাঁত গজিবলৈ আৰম্ভ কৰাৰ আগতে অন্নপ্ৰসন্ন অনুষ্ঠান পতা হয়। অন্নপ্ৰসন্নৰ দিনা পায়স বনাই ভগৱানক পূজা দিয়া হয় আৰু এই পায়স প্ৰসাদ হিচাপে কেচুঁৱাৰ মামাই মুখত তুলি দিয়ে। তেতিয়াৰ পৰা কেচুৱাই ভাত খাবলৈ আৰাম্ভ কৰে। এনেদৰে বঙালী সমাজত অন্নপ্ৰসন্ন অনুষ্ঠান কৰা হয়।

**(গ) ভাইফোঁটা বা ভাতৃ দ্বিতীয়া ঃ** বঙালী সমাজত যিমান লোকাচাৰ আছে তাৰ ভিতৰত ভাইফোঁটা অন্যতম। কেতিয়াৰ পৰা এই প্ৰথা প্ৰচলিত হৈছে তাৰ সঠিক দিন-বাৰ জনা নাযায়। অনুমান কৰা হয় খ্ৰীষ্টপূৰ্ব ৫২৭ বছৰ আগতে এই প্ৰথা প্ৰচলন হয়। ত্ৰয়োদশ শতাব্দীৰ শেষৰ পিনে সৰ্বানন্দ সন্দৰীৰ নামত এখন তালপাতৰ পুথি পোৱা যায়। এই পুথিতে উপযুক্ত তথ্যৰ সন্ধান পোৱা যায়। মহাবীৰ প্ৰয়াণে ৰজা নন্দিত বধনৰ শোকাত্বৰ ভনীয়েকক সান্তনা দিয়ে। বুজাই বঢ়াই অন্নগ্ৰহণ কৰোৱায় তাৰ পৰা ভাতৃদ্বিতীয়া পালনৰ প্ৰথা প্ৰচলন হয় বুলি বিশ্বাস প্ৰচলিত। মাৰ্কেণ্ডেয় পুৰাণত উল্লেখ আছে ককায়েকৰ বাহিৰে অন্য পুৰুষক স্বামীৰূপে গ্ৰহণ কৰিব পাৰি। ককাই ভনীৰ ভিতৰত বিবাহ অনুচিত। কালক্ৰমে ভনীয়েকে ককায়েকৰ কল্যাণ আৰু মংগল কামনাৰে কপালত ফোট দিয়াৰ প্ৰথা প্ৰচলন হয়। কাতি মাহৰ শুক্ল পক্ষৰ দ্বিতীয়া তিথিত ককায়েকৰ দীৰ্ঘ আয়ুসৰ কামনা কৰি মৃত্য দূতক বাধা দি জেষ্ঠ ভাতৃৰ কপালত ফোঁট আঁকি দিয়ে। বাওঁহাতৰ কনিষ্ঠ আঙুলিৰে চন্দনৰ ফোট তিনিবাৰ কপালত আঁকি দিয়া আৰু এনেদৰে

ভনীয়েকে কয়—

> "ভাইয়ের কপালে দিলাম ফোঁটা
> যমের দুৱারে পরল কাটা
> যমুনা দেয় যমকে ফোঁটা
> আমি দেই আমার ভাইকে ফোঁটা।"

তাৰ পিছত ভায়েক ককায়েকে ভনীক উপহাৰৰ টোপোলা যাচি আশীৰ্বাদ দিয়ে।

**(ঘ) বঙালী সমাজৰ বিবাহ পদ্ধতি ঃ** অতীতত মানুহ বনবাসী হৈ থকা অৱস্থাতে নিজৰ পচন্দ অনুযায়ী সংগী বিচাৰি সংসাৰ পাতিছিল যদিও তেতিয়া মানুহে ঘৰ সাজি স্থায়ী ভাৱে বসবাস কৰিব জনা নাছিল। সভ্যতাৰ পোহৰ উদ্ভাষিত হোৱাৰ লগে লগে মানুহৰ দৃষ্টিভংগী সলনি হৈ নানা সামাজিক প্ৰথাৰ আৰম্ভ হ'ল। তাৰ মাজত বিবাহো হৈছে এটা প্ৰধান আৰু প্ৰাচীন সামাজিক প্ৰথা, যাৰ মাজতে স্ত্ৰী পুৰুষ সকলোৱে সমাজৰ সৰ্বজন স্বীকৃতি লাভ কৰি একেলগে বসবাস কৰিব পাৰে। এই ক্ষেত্ৰত বহুতো স্তৰৰ মাধ্যমেৰে অনুষ্ঠান সম্পন্ন কৰা হয়। বিভিন্ন জাতিৰ মাজত বিভিন্ন ধৰণৰ বিবাহ প্ৰথাৰ প্ৰচলন আছে। তাৰ মাজত বঙালী সমাজৰ বিবাহ প্ৰথাৰ প্ৰচলন আছে। তাৰ মাজত বঙালী সমাজৰ বিবাহ বিশেষভাৱে আনুষ্ঠানিক ৰীতি নীতি সমন্বিত।

আজিকালি বিয়া পাতিবলৈ হ'লে বিজ্ঞাপন বা ঘটকৰ মাধ্যমেৰে যোগাযোগ কৰা হয়। কেতিয়াবা পাত্ৰ পাত্ৰীয়ে নিজেই বিয়া ঠিক কৰে। পাত্ৰ-পাত্ৰী নিৰ্বাচিত হোৱাৰ পাছত বিবাহৰ অনুষ্ঠান আৰম্ভ হয়।

প্ৰথমতে বিয়াৰ বন্দৱস্ত। কিছুমান পৰিয়ালত ইয়াকে পাটি পত্ৰ বোলে। সেইদিনা আশীৰ্বাদৰ দিন আৰু বিয়াৰ দিন ঠিক কৰা হয়। এখন কাগজত দৰা আৰু কইনা উভয় পক্ষৰ নাম ঠিকনা সকলো লিখা হয় আৰু তাত সেন্দুৰৰ ছাপ আৰু টকাৰ ছাপ দিয়া হয়। উভয় পক্ষৰ উপস্থিত অভিভাৱকসকলে সেই পত্ৰত চহী কৰে। বহুত সময়ত দেখা যায় যে বিয়াৰ বিষয়ত কোনো গণ্ডগোল হ'লে এই কাগজখনৰ দ্বাৰা মোকৰ্দমা কৰা হয়। কাৰণ সেইখন এখন অংগীকাৰ পত্ৰ। পাটি পত্ৰৰ দিনা সাধ্যানুসাৰে অতিথিসকলক আপ্যায়িত কৰা হয়। সাধাৰণতে এই অনুষ্ঠান কইনাৰ ঘৰত অনুষ্ঠিত হয়।

'পাটি পত্ৰৰ' পাছত আশীৰ্বাদ বা মংগলাচৰণ নিৰ্দ্ধাৰিত দিনত দৰা পক্ষ

কইনাৰ ঘৰলৈ আশীৰ্বাদ বা মংগলাচৰণ নিৰ্দ্ধাৰিত দিনত দৰা পক্ষ কইনাৰ ঘৰলৈ আশীৰ্বাদ দিবলৈ যায়, লগত মাছ, দৈ, পাণ চুপাৰী, নানা ধৰণৰ মিঠাই, চুটকেচৰ ভিতৰত শাড়ী, গহণা, কইনা সজোৱা সকলো বস্তু লৈ গৈ দৰা পক্ষই কইনাক আশীৰ্বাদ দিয়ে। কিছুমান ঠাইত দৰাকো আশীৰ্বাদ দিয়াৰ নিয়ম আছে। একেই নিয়মেৰে কইনা পক্ষই দৰাৰ ঘৰলৈ সকলো বস্তু নি দৰাৰ আশীৰ্বাদ দিয়ে। সাধাৰণতে দৰাৰ আশীৰ্বাদ আগতে হয়। আশীৰ্বাদ কৰাৰ দিনাই বিয়াৰ দিন ঠিক কৰা হয় আৰু আশীৰ্বাদৰ স্থানতেই বিয়াৰ বিষয়ে সকলো ধৰণৰ আলোচনা সমাপ্ত হয়। এই অনুষ্ঠানৰ পাছতেই বিয়াৰ নিমন্ত্ৰণী পত্ৰ ছপা কৰি আত্মীয় স্বজন, বন্ধু-বান্ধৱক বিয়ালৈ নিমন্ত্ৰণ জনোৱাৰ দিহা কৰা হয়।

বিয়াৰ আগতে আৰু কিছুমান অনুষ্ঠান হয়, যেনে- হলদি কোটা, (হালদি পিহা) কোনো কোনো ঠাইত পাণ-খিলি (কেইবাজনীও আয়তীয়ে পাণ খিলি বনাই দেৱস্থানত দিয়া), কোনো কোনো ঠাইত 'ৰূপশ্ৰী ব্ৰত' (কইনাৰ মাকে ব্ৰতত থাকি গছৰ ওচৰত কৰা নিয়ম) আদি হৈ থাকে। পাঁচজনী আয়তী মিলি হালধি বটে আৰু উৰালত ধান খুন্দি চাউল উলিয়াই থৈ দিয়ে। সেই চাউল শ্ৰাদ্ধৰ কামত লগায় আৰু বিয়াৰ দিনা ৰাতি ক্ষীৰ ভোজন অনুষ্ঠানত এই চাউলেৰে ঘৰলৈ পায়স বনাই দৰাক খুওৱা হয়। হালধি গুড়ি দৰাৰ ঘৰৰ পৰা কইনাৰ ঘৰলৈ বিয়াৰ দিনা কইনাক গা-ধুৱাবৰ বাবে ব্যৱহাৰ কৰিবলৈ পঠোৱা হয়। প্ৰথমে দৰাৰ ঘৰত এই 'হলুদ কোটা' অনুষ্ঠান হয় আৰু সেই হালধি কইনাৰ ঘৰলৈ পঠোৱা হয়।

বিয়াৰ আগৰ দিনা অধিবাস। দৰাৰ ঘৰৰ পৰা ছোৱালী ঘৰলৈ অধিবাস 'তত্ব' হিচাপে সুন্দৰ মিঠাই, কাপোৰ আদি সজাই পঠোৱা হয় আৰু সকলো ওচৰ চুবুৰীয়াই তাক চাবলৈ আহে। কইনা আৰু দৰাৰ ঘৰত অধিবাসত দৰাৰ ঘৰত মহিলাসকলে গোৱা নামবোৰ এনে ধৰণৰ—

"আজ ৰামেৰ অধিবাস
কাল ৰামেৰ বিয়ে
কনে আনতে যাবে ৰাম
সংগী সাথী নিয়ে..."

অধিবাসৰ দিনা শুভ সময় চাই কইনাক শাখা (শংখ বগা খাৰু) আৰু গহনা পিন্ধোৱা হয়। সন্ধ্যা সময়ত 'গংগাক' নিমন্ত্ৰণ কৰি পানী তুলি আনি কইনাক গা

ধুওৱা হয়। কোনো কোনো ঠাইত বিয়াৰ আগৰ দিনা কইনাক সাতবাৰ নোওৱাৰ প্ৰথা আছে। অধিবাসৰ দিনা-কইনাৰ ঘৰত মহিলাসকলে গোৱা নামবোৰ এনেধৰণৰ—

"আজকে সীতার আধিবাস
স্বর্গ থেকে দেৱতারা করে আশীর্বাদ
মায়ের হাতের হলুদ দিয়ে করে অধিবাস..."

এনেধৰণৰ আৰু কিছুমান বিয়াৰ নাম পৰম্পৰাগতভাৱে আজিও চলি আছে।

"আজ কন্যার অধিবাস কাল কন্যার বিয়ে
বর আসবে নিতে কন্যা ছাদনাতলা দিয়ে
আমরা আল্পনা দিলাম চালের গুড়া দিয়ে
অধিবাসের বাজনা বাজে তালে তালে দিয়ে..."

বিয়াৰ দিনা ধল পুৱাতে ঘাটলৈ গৈ পানী তুলি অনা হয়। ইয়াকে 'চোৰা' (দৈয়ন) পানী বোলে। এই পানীৰে কইনাক বাহী বিয়াৰ দিনা গা-ধুওৱা হয়। পানী তোলাৰ প্ৰচলিত নাম সমূহ হৈছে—

"জলের ঘাটে বাশী বাজেগো কমলা
আমরা জলে যাই
সব সখী লইয়া রাধে চলছে জলের ঘাটে
কেহ হাটে ধাইয়া ধাইয়া কেহ হাটে রইয়্যা।
রাধিকা সন্দরী হাটে গারে ঝলই দিয়া...।"

বিয়াৰ দিনা ৰাতিপুৱাৰ পৰা কইনাৰ ঘৰত আনন্দ স্ফুৰ্তি আৰম্ভ হয়। বিবাহ কাৰ্য সম্পন্ন কৰিব খোজা হয় ঠাইখিনি সুন্দৰকৈ সজোৱা হয় আৰু আৰু চাৰিকোণত চাৰিটা কলগছ পুলি পুতি চাৰিটা কলহত ডাব আৰু আমৰ ডালি দি বহুৱা হয়, ইয়াকে 'ছাদনা' বোলে। কোনোৱে 'কুঞ্জ' (মড়ল) সজায়। মড়ল সজোৱাৰ প্ৰচলিত নাম আছে -

"কুঞ্জসাজাও গিয়া আসবো শ্যাম কালিয়া
কেনগো রাই কাদিতেছ পাগলিনী হইয়া
চুয়া ও চন্দন আন কটোরায় ভরিয়া
আইলে বন্ধু দিয়ো চন্দন ছিটাইয়া ছিটাইয়া
আইলে বন্ধু দিয়ো পুস্প যুগল চরণ চাইয়া...।"

বিয়াৰ দিনা দৰা কইনাৰ দুয়ো ঘৰতে ন-পুৰুষৰ শ্ৰাদ্ধ কৰা হয়। অৰ্থাৎ দৰা আৰু কইনাৰ পিতৃ স্থানীয় ব্যক্তি বা পূৰ্ব পুৰুষৰ শ্ৰাদ্ধ কৰা হয়। দুপৰীয়া তিনিঘৰ বা পাচঁঘৰৰ পৰা 'সোহাগ জল' অনা হয়। আবেলি বেলিকা কইনাৰ হালধি সানি নোৱাবলৈ বহুওৱা হয়। কইনা ব্ৰতত থাকে যদিও 'বৃদ্ধি' হৈ যোৱাৰ পাছত দৈ-মিঠাই খাব পাৰে। আবেলি বেলা কইনাক সজাই পৰাই বহুৱাই থোৱা হয়। নিমন্ত্ৰিত অতিথিসকল আহিবলৈ আৰম্ভ কৰে। কইনা সজোৱাৰো নাম আছে—

"সাজো-সাজো কৰে ক'ত পৰে গয়না
বেনৰসী না পৰিলে বিয়ে মনে হয়না...।"

বিয়াৰ নিৰ্দিষ্ট লগ্ন থাকে। তাৰ আগতে দৰাই বৰযাত্ৰী হৈ কইনা ঘৰত উপস্থিত হয়। কইনাৰ দৰে দৰায়ো নিজৰ ঘৰত হালধিৰে গা ধুই নতুন কাপোৰ পিন্ধি জেষ্ঠজনৰ আশীৰ্বাদ লৈ কইনাৰ ঘৰলৈ যাত্ৰা কৰে। আহাৰ সময়ত দৰাই মাকক কয় "মা তোমাৰ কাৰণে বোৱাৰী আনিবলৈ যাওঁ।" যেতিয়া দৰা আহি কইনাৰ পদুলিত উপস্থিত হয় তেতিয়া কইনাৰ মাক বা মাতৃ স্থানীয় লোকে আদৰি আনে। আদৰিবৰ বাবে দলাখন আগতেই বিভিন্ন উপাচাৰেৰে সজাই ৰাখে। কোনোৱাই এই কামত কুলা আৰু কোনোৱাই চালনী ব্যৱহাৰ কৰে। আদৰাৰ পাছত বৰযাত্ৰী সহ আহি দৰা ৰভাৰ তলত বহে আৰু কইনা ঘৰে বৰযাত্ৰীক অভ্যৰ্থনা জনায়। তাৰ পাছত লগ্ন অনুযায়ী দৰা কইনাৰ 'বেই'ৰ ওচৰলৈ যোৱা হয়। দৰা ঠিয় হৈ থাকে আৰু কইনাই দৰাৰ ফালে পিঠি দি দৰাৰ চাৰিওফালে সাতপাক ঘুৰে। এই সময়ত কইনাৰ মুখ, দুখন পাণ দি ঢাকি ৰখা হয়। সাতপাক হোৱাৰ পাছত দুয়োৰে মাজত পৰস্পৰৰ শুভ দৃষ্টি বিনিময় হোৱাৰ পাছত মালা সলোৱা হয়। ইয়াক 'মালাবদল' বুলি কোৱা হয়। তাৰ পাছত পুৰোহিতে দুয়োকে ওচৰা-ওচৰিকৈ বহুৱাই নাৰায়ণ আৰু অগ্নিক সাক্ষী কৰি বৈদিক মন্ত্ৰ উচ্চাৰণ কৰে। পিতা বা পিতৃ স্থানীয় ব্যক্তিয়ে কইনাক দৰাৰ হাতত দান কৰে। তাৰ পাছত দৰাৰ চাদৰ আৰু উৰ্নাৰ আগেৰে লগ্ন গাঠি বন্ধা হয়। পাছত দৰাই কইনাৰ মূৰত সেন্দুৰ দিয়ে। বহুত পৰিয়ালত চাৰি দিনৰ দিনাহে সেন্দুৰ পিন্ধায়।

বিয়া ভগাৰ পাছত দৰা কইনাক ৰভা তলিৰ পৰা ভিতৰলৈ নিয়া হয়। তাত চাউল খেলা নানা ধৰণৰ ৰং ৰহইচ আৰু ডেকা-ডেকেৰী বিলাকে নাচ-গান কৰে। এনেদৰে ৰাতিটো পাৰ কৰি পিছদিনা বাহী বিয়া হয়। ৰাতিপুৱা হোৱাৰ লগে লগে কইনাৰ ভাই-ভনীহতে শয্যাৰ বাবদ টকা দাবী কৰে আৰু সামৰ্থ

অনুযায়ী দৰাই টকা দিয়ে। অলপ দেৰিৰ পাছত দৰা-কইনাক গা-ধুওৱা হয়। তাৰ পাছত বাহী বিয়া হয়। এটা সৰু পুখুৰী সদৃশ গাত কৰি তাত পানী ভৰাই তাৰ চাৰিওফালে দৰা-কইনাক চৌধ্যপাকে ঘূৰোৱা হয়। পুখুৰীটোৰ চাৰিওফালে চৌধ্যতা পাণ চুপাৰি আৰু সেন্দুৰ থাকে। দৰাই সেন্দুৰ উঠাই কইনাৰ শিৰত দিয়ে আৰু কইনাই পাণ চুপাৰি ককাঁলত বান্ধি ৰাখে। দুপৰীয়া দৰাক বিভিন্ন ব্যঞ্জনেৰে খুওৱা হয়। আবেলি কইনাক লৈ দৰাই ঘৰলৈ যাত্ৰা কৰে। তাৰ আগতে জেষ্ঠজনৰ আশীৰ্বাদ গ্ৰহণ কৰে। কইনাৰ ভায়েকে বিদায় মূহুৰ্তত গোৱা প্ৰচলিত বিদায় নামবোৰ এনে ধৰণৰ—

"আসবে সীতার রামচন্দ্র বাজবেরে সানাই
আনন্দের নাই যে সীমা আমি সীতার ভাই
সংগী সাথী পাড়া পড়শী সবার মুখে হাসির
এতোদিনে বোঝা গেল ঘরে খুশির বাশী
বিয়ের পরে বোনকে আমার নিয়ে যাবে স্বামী
চোখেরি জলে তখন তাকে বিদায় দেব আমি..."

সন্ধ্যাৰ পাছত দৰাই কইনাক নিজৰ ঘৰলৈ লৈ ৰাওনা হয়। কাৰণ কইনাই দিনৰ পোহৰত শহুৰৰ ঘৰৰ চাল দেখিব নেপায়। নতুন কইনা শহুৰৰ ঘৰ পোৱাৰ পাছত নতুন কইনাক 'বৰণ ডালা'ৰে আদৰা হয়। তাৰ পাছত 'আল্টা' গুলি এটা পাত্ৰত থোৱা হয় আৰু তাত ভৰি সুমুৱাই কইনা ঘৰৰ ভিতৰত সোমোৱাৰ পাছত দাৰাৰ মাকে দৰা আৰু কইনাক দুয়োকে কোলাত লৈ বহে। তাৰ পাছত আত্মীয় স্বজন সকলোৱে আশীৰ্বাদ দিয়ে। ইয়াৰ পাছত নতুন কইনাক পাকঘৰলৈ নি উতলি থকা গাখীৰ দেখুওৱা হয়, ভৰা ভাতৰ পাত্ৰ দেখুওৱা হয়, আৰু অন্যান্য বস্তুৰে ভৰা পাত্ৰ দেখুৱা হয়। ইয়াৰ অৰ্থ হৈছে— নতুন কইনাৰ দ্বাৰা ঘৰখন যাতে সমৃদ্ধিশালী হৈ পূৰ্ণ প্ৰাপ্ত হয়।

বিয়াৰ পাছৰ দিনা 'কালৰাতি' বহুতে আকৌ তৃতীয় দিনাহে 'কালৰাতি' পালন কৰে। 'কালৰাতি'ৰ দিনা দৰা কইনাই উভয়ে মুখ চোৱা নিষেধ।

'কালৰাতি'ৰ পাছত 'বৌ ভাত' বা 'চতুৰ্থ মংগল' সেইদিনা দৰাৰ ঘৰত ৰাতিপুৱাৰ পৰাই উৎসৱ আৰম্ভ হয়। দুপৰীয়া নতুন কইনাক নানা উপচাৰেৰে আহাৰ খাবলৈ দিয়া হয়। বৌ-ভাতৰ উপলক্ষে যি খাদ্য ৰন্ধা হয় সেই খাদ্যৰ যিকোনো এটা উপচাৰ ন কইনাই ৰান্ধে নাইবা খাদ্য সামগ্ৰী সমূহত তেওঁ হাতেৰে

চুই দিয়ে। ঘৰৰ সকলোৰে দুপৰীয়া যেতিয়া আহাৰ খাবলৈ বহে তেতিয়া নতুন কইনাক সকলোৰে পাতত ঘি ভাত দিয়ে। আবেলি নতুন কইনাই সজাই বহুৱাই থোৱা হয়। বন্ধু-বান্ধৱ, আত্মীয় স্বজন আৰু নিমন্ত্ৰিত অতিথিসকল আহি আশিস উপহাৰ যাচে আৰু তেওঁলোকক খোৱাই বোৱাই অভ্যৰ্থনা কৰা হয়।

বিয়াৰ সকলোতকৈ মনোৰম অনুষ্ঠান হৈছে 'ফুল-শয্যা'। দৰা-কইনাক যিটো কোঠাত থাকিবলৈ দিয়া হয় সেই কোঠাটোৰ বিচনা আদি ফুলেৰে সুন্দৰকৈ সজোৱা হয়। কইনাৰ দেউতাকৰ ঘৰৰ পৰাই ফুলশয্যাৰ বাবে নানা ধৰণৰ কাপোৰ মিঠাই আদি সজাই পঠিয়ায়। ৰাতি নতুন কইনাই নাৰিকলৰ পানীৰে দৰাৰ ভৰি ধুৱাই নিজৰ চুলিৰে মচি দিয়ে। তাৰ পাছত মিঠাই খাবলৈ দিয়ে। তাৰ পাছত দৰা কইনাক নিবিড়ভাৱে পৰিচিত হ'বলৈ সুবিধা দিয়া হয়। এইদৰে বৌভাতৰ অনুষ্ঠান শেষ হয়। তাৰ পাছত 'অষ্ট মংগলা' বা 'দশমাংগলা' অনুষ্ঠান। কইনাৰ দেউতাকৰ ঘৰলৈ আঠদিন বা দহদিনৰ ভিতৰত গৈ বিয়াৰ দিনা দিয়া লগ্ন গাঁঠি খোলে। আঢ়ৈ দিন দৰা কইনা কইনাৰ দেউতাকৰ ঘৰত থাকি পুনৰ ঘৰলৈ ঘুৰি আহে। বঙালী সমাজত বিয়াত 'তত্ব'ৰ এটা প্ৰধান গুৰুত্ব আছে। ইয়াৰ বাহিৰেও 'প্ৰণালী প্ৰথা' (মানধৰা) 'ননদ পুটলী'। (ননদৰ কাৰণে সুকীয়াকৈ কাপোৰসহ প্ৰসাধনৰ সকলো সামগ্ৰী আদি কইনা ঘৰৰ পৰা দিয়া হয়। তাৰোপৰি শহুৰৰ জেষ্ঠসকলৰ কাৰণে পৰিয়ালৰ অন্যান্য সকলৰ কাৰণেও কাপোৰ দিয়াৰ প্ৰথা আছে। ঠিক সেইদৰে দৰাৰ ঘৰৰ পৰাও কইনাৰ ঘৰলৈ মানৰ বস্তু পঠোৱা হয়।

বঙালী সমাজত বিয়াত 'বেণ্ডপাৰ্টিৰ এটা বিশেষ স্থান আছে, ইয়াত 'চেহনাই' ব্যৱহাৰ কৰা হয়। বহুতৰ ঘৰত দৰ্জাৰ ওচৰত ওখকৈ ভেটি বনাই 'চেহনাই' বজোৱা সকলৰ বাবে ব্যৱস্থা কৰা হয়। বঙালী সমাজত বিয়াত মুকুটৰো বিশেষ গুৰুত্ব আছে। পৰম্পৰাগতভাৱে দৰা কইনা উভয়কে মুকুট পিন্ধোৱাৰ নিয়ম প্ৰচলিত হৈ আহিছে।

বৰ্তমান আধুনিক যুগত বিভিন্ন ধৰণৰ বিবাহ পদ্ধতিৰ আচাৰ অনুষ্ঠান সান মিহলি হৈ একাকাৰ হোৱাৰ পথত অগ্ৰসৰ হৈছে যদিও বিবাহৰ মূল তত্ত্ব সমূহ অপৰিৱৰ্তনীয় হৈ আছে।

**(ঙ) মৃতকৰ শ্ৰাদ্ধাদি কৰ্ম ঃ** মৃতকৰ শ্ৰাদ্ধাদি কৰ্ম অথবা অন্ত্যেষ্টিক্ৰিয়াই মানৱ জীৱনৰ শেষ  কৃত বা সংস্কাৰ। মৃত্যুৰ লগে লগে পৰিয়াল বা সমাজৰ লগত ব্যক্তি বিশেষৰ বিচ্ছেদ হয় আৰু অন্ত্যেষ্টি ক্ৰিয়াৰ সংযোগত তেওঁ উত্তৰী

হৈ অন্য জগতৰ লগত অন্তৰ্ভূক্ত হয় বুলি প্ৰচলিত থকা দেখা যায়। ১৩৪ হিন্দু দৰ্শনৰ মতে ব্যক্তিয়ে তেওঁৰ জীৱদ্দশাত বিভিন্ন সুকৰ্মৰ জৰিয়তে পূণ্য অৰ্জন কৰা উচিত আৰু তেওঁৰ মৃত্যুত তেওঁৰ উত্তৰাধিকাৰী সকলে মৃতকৰ সদগতিৰ অৰ্থে অন্ত্যেষ্টিক্ৰিয়া শ্ৰদ্ধাসহকাৰে সম্পাদন কৰা বিধেয়।

জন্ম, বিবাহ আৰু মৃত্যু এই তিনিটা অৱস্থাক কেন্দ্ৰ কৰিয়েই সংস্কাৰ তথা সাংস্কৃতিৰ উদ্ভৱ আৰু বিকাশ ঘটিছে। হিন্দু দৰ্শনৰ আধাৰত নিৰ্ভৰ কৰি ক'ব পাৰি যে ব্যক্তিয়ে তেওঁৰ জীৱদ্দশাত বিবিধ সুকৃতি বা সুকৰ্মৰ মাধ্যমত পুণ্য অৰ্জন কৰা উচিত আৰু তেওঁৰ মৃত্যুত উত্তৰাধিকাৰী সকলে মৃতকৰ সদ গতিৰ অৰ্থে অন্ত্যেষ্টিক্ৰিয়া শ্ৰাদ্ধৰ সৈতে সুসম্পন্ন কৰা উচিত। বঙালী হিন্দু সমাজত মৃতকৰ শটো অগ্নিদাহ কৰা হয়। বঙালীসকলে অন্ত্যেষ্টিক্ৰিয়া শৱদাহন, পিণ্ডদান, দহা, শুদ্ধি, সপিণ্ডন আৰু মৎসস্পৰ্শ এই কেইটা কৃত্যৰ সমষ্টি। মৃতকৰ দহা-শুদ্ধি সপিণ্ড নোযোৱালৈকে বংশধৰসকলে অশৌচ থাকিব লগা হয়। পুত্ৰাদি মৎসস্পৰ্শ দিনলৈকে উপবাসে অৰ্ধ উপবাসে থাকিব লগাটো বাধ্যতামূলক।

দহ দিনত দহা হয়। সেইদিনা পুত্ৰসকলক চুলি খুৰাই মুণ্ডণ কৰা হয়। তাৰ পিছত পুৰোহিতে 'পঞ্চগৰ্বী' বনাই দিয়ে আৰু এই পঞ্চগৰ্বী সকলোৱে গাত ছটিয়াই ঘৰত ছটিয়াই অশৌচ দূৰ কৰে।

এঘাৰ দিনত শ্ৰাদ্ধ হয়। সেইদিনা মৃতকৰ পিণ্ড দিয়া হয়। গাঁৱৰ সকলো লোকক নিমন্ত্ৰণ কৰা হয় আৰু দৈ চিৰা বা ভাত আদি ভোজন কৰোৱা হয়।

তেৰ দিনত 'বৈষ্ণৱ সেৱা' অনুষ্ঠান হয়। সেইদিনা কেইজনমান ভকত বা বৈষ্ণৱক আমন্ত্ৰণ কৰি আনি তেওঁলোকক সেৱা শুশ্ৰুষা কৰি তেওঁলোকক ভোজনৰ ব্যৱস্থা কৰা হয়। তাৰ পাছত তেওঁলোকক দান দক্ষিণা দি বিদায় দিয়া হয়।

'বৈষ্ণৱ সেৱা'ৰ পিছত শনি বা মঙলবাৰে মৎসস্পৰ্শ অনুষ্ঠান কৰা হয়। সেইদিনা নিৰামিষ ভংগ কৰি মৎস স্পৰ্শ কৰা হয় অৰ্থাৎ মাছভাত বনোৱা হয় আৰু গাঁৱৰ কেইজনমানক মাতি মাছভাত ভোজন কৰোৱা হয় আৰু ঘৰৰ বা বংশৰ সকলোৱে মাছভাত খায়। তেৰ দিনৰ পিছত যদি কাতি মাহ, বহাগ মাহ বা শাওন মাহ হয় তেনেহ'লে এই মাহটো শেষ হোৱাৰ পিছতহে মৎসস্পৰ্শ কৰা হয়।

এবছৰৰ পিছত আকৌ বছৰেকীয়া শ্ৰাদ্ধ পতা হয় আৰু কীৰ্তন গোৱা হয়।

**শ্ৰাদ্ধত ব্যৱহাৰ হোৱা দ্ৰব্য ঃ** আতপ-তণ্ডুল দহ সেৰ, কলৰ পাত, যজ্ঞেশ্বৰৰ বস্ত্ৰ, ভোজ্যৰ গামোছা, শ্ৰাদ্ধৰ বস্ত্ৰ, তিল, যব, শিলিখা, ঘি, মৌ, চেনি, ধুপ, দৈ, দীপ, পুস্প, দুৱৰি, তুলসী, মৎস, পাণ, তামোল, মালসা, পাকাটি, অগ্ৰদানীৰ দক্ষিণা, পুৰোহিত দক্ষিণা আদি দ্ৰব্যসমূহ ব্যৱহাৰ কৰা অনিবাৰ্য।

গংগাত মৃতকৰ অস্তি বিসৰ্জন দিওঁতে নীতি নিয়ম মানি এই কৰ্ম কৰা হয়। জনবিশ্বাস মতে গংগাত অস্থি বিসৰ্জন দিলে আত্মাৰ সদগতি হয় আৰু মুক্তি লাভ কৰে।

এনেদৰে বঙালী সমাজত জন্ম, মৃত্যু আৰু বিবাহ কাৰ্য সম্পন্ন কৰা হয়।

সকলো জাতিৰ তেওঁলোকৰ ধৰ্মীয় বিশ্বাস আছে আৰু তাৰবাবে তেওঁলোকে কিছুমান উৎসৱ বা পূজাপাতল কৰি আহিছে। বঙালী সকলো অত্যন্ত ধৰ্মীয় বিশ্বাসী আৰু সেইবাবে তেওঁলোকে কিছুমান পূজা পাতল কৰে। পূজা-পাতলৰ ক্ষেত্ৰত বঙালীসকলক অধিক আগ্ৰহী দেখা যায়। কথিত আছে যে বঙালী সকলে হেনো বাৰমাহে তেৰটা পূজা কৰে। পূজাৰ সময়ত তেওঁলোকে ৰঙাপাৰি থকা বগা শাৰী পৰিধান কৰা দেখা যায় আৰু যিকোনো আনন্দ উৎসৱত তেওঁলোকে শংখ বজোৱা লক্ষ্য কৰা যায়। তলত তেওঁলোকৰ কেইটামান পূজাৰ বিষয়ে উল্লেখ কৰা হ'ল—

**দুৰ্গা পূজা ঃ** বঙালীসকলৰ ধৰ্মীয় উৎসৱ সমূহৰ ভিতৰত প্ৰধান হ'ল দুৰ্গা পূজা। দুৰ্গা দেৱী শক্তিৰ অধিষ্ঠাত্ৰী দেৱীৰূপে যুগে যুগে একশ্ৰেণীৰ ভক্তৰদ্বাৰা পূজিত হৈ আহিছে। বৰ্তমান যুগত দুৰ্গা পূজা বংগদেশত জাতীয় উৎসৱৰূপে পৰিগণিত হৈছে। ৰামায়ণত শ্ৰীৰামে যুদ্ধ জয়ৰ মানসেৰে শক্তিৰূপা দুৰ্গাদেৱীৰ আৰাধনা কৰাৰ উল্লেখ পোৱা যায়। সেই শৰৎ কালত আয়োজন কৰা দুৰ্গাদেৱীৰ পূজাই আজিৰ মহোৎসৱৰ ৰূপলোৱাৰ কথা ঠাৱৰ কৰিব পাৰি। কোনো কোনো ঠাইত বসন্ত কালতো দেৱীক উপাসনা কৰা দেখা যায় আৰু বহুতৰ মতে সেয়াহে দুৰ্গাপূজাৰ প্ৰকৃত সময়। কিন্তু বৰ্তমান শৰৎ কালতহে দুৰ্গাপূজা পূৰ্ণদ্যমে অনুষ্ঠিত হয়। সেই বাবে এই উৎসৱক শাৰদীয় দুৰ্গাপূজা বোলা হয়। দুৰ্গাদেৱী দশভূজা। দশ হস্তে দহপাত, সিংহৰ পিঠিত আৰোহণ কৰি তেওঁ পৰম পৰাক্ৰমী মহিষাসুৰক নিধন কৰিবৰ কাৰণে উদ্যতা। তেওঁৰ সোঁ কাষত ঐশ্বৰ্য বিভুতিৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মী আৰু সিদ্ধিদাতা গনেশ, বাওঁ-কাষত বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী আৰু বীৰ্যৱান দেৱতাসকলৰ সেনাপতি, কাৰ্তিক। একেখন বেদীতে এইসকল

দেৱদেৱীৰ স্থাপনত এক বিশেষ অৰ্থ নিহিত হৈ আছে। জগতৰ আদ্যশক্তি দুৰ্গাই দহ হস্তে দহ অস্ত্ৰ লৈ অসুৰসকলক দমন কৰি বিশ্ববাসীৰ মাজত মহাশক্তি প্ৰতিষ্ঠা কৰিছে।

আহিন মাহৰ শুক্লা ষষ্ঠী তিথিত দেৱীৰ বোধন কাৰ্য আৰম্ভ কৰি আৱাহন আৰু অধিবাস সম্পন্ন কৰে। সপ্তমী, অষ্টমী আৰু নৱমী এই তিনিটা তিথিত দেৱীৰ ভক্তসকলে পুৰোহিতৰ পৰিচালনাত ষোড়শোপচাৰে দেৱীক পূজা কৰি ভক্তি অঞ্জলি প্ৰদান কৰে।

ষষ্ঠী তিথিৰ পৰাই দুৰ্গা পূজা আৰম্ভ হয়। ষষ্ঠী তিথিৰ দিনা পুৰোহিতে বেল গছৰ তলত বিধি পূৰ্বক পূজা কৰি এযুৰি বেল পূজাস্থলীলৈ বৰণ কৰি আনে। এই অনা কৃত্য 'বেলবৰণ' ৰূপে পৰিচিত। বেলবৰণৰ যোগেদি দেৱীৰ বোধন আৰু অধিবাস হয়। বেলবৰণৰ তাৎপৰ্য এয়ে যে বেল ফল, বেল গছ, বেল পাত শিৱ শিৱাণীৰ অতি প্ৰিয়। বেল শ্ৰীফল নামেৰে প্ৰসিদ্ধ। শ্ৰী শব্দৰ অৰ্থ লক্ষ্মী। লক্ষ্মী আৰু শ্ৰীফলৰ সম্পৰ্ক ঘনিষ্ঠ। ঘিউ আৰু শ্ৰীফলৰ দ্বাৰা হোম কৰিলে আয়ু আৰোগ্য আৰু ৰাজ্য লাভ হয়। বেল গছৰ অৰণিৰে যজ্ঞৰ অগ্নি সংগ্ৰহ কৰা হৈছিল। সেয়ে বেল গছৰ লগত দুৰ্গাৰ সম্পৰ্ক ওচৰ চপা।

সপ্তমী তিথিৰ দিনা কলগছ, মানকচু, হালধি, জয়ন্তী, বেল, ডালিম, অশোক, কচু আৰু ধান প্ৰভৃতি ন বিধ উদ্ভিদ মূলেৰে সৈতে আনি দুৰ্গামূৰ্তিৰ দক্ষিণ ফালে ওচৰতে থৈ ৰঙাপাৰি থকা শাৰী এখন মেৰিয়াই ন কইনাৰ দৰে সজোৱা হয়। ইয়াক 'নৱপত্ৰিকা' বোলে। কুমাৰী ছোৱালী বা বিবাহিতা স্ত্ৰীয়ে নৱদুৰ্গাৰ স্নানৰ বাবে নটা ঘটত পুখুৰী বা নৈৰ পৰা পানী তোলে। এনেদৰে সপ্তমী পূজা সমাপন কৰা হয়।

অষ্টমী আৰু নৱমী তিথিৰ সন্ধিক্ষণত যি বিশেষ পূজা অনুষ্ঠিত হয়, তাক সন্ধিপূজা বোলে। দশমী তিথিত দেৱী বন্দনা আৰু আৰাধনাৰ সকলো কাম সমাপ্ত হয়। দশমীৰ দিনা সকলোৱে অতি আনন্দমনে নাচগান কৰি তিৰোতাসকলে ইজনে সিজনক সেন্দুৰ লগাই দিয়ে আৰু মিঠাই খায়। সেন্দুৰ লগোৱা এই প্ৰথাক 'সিদুৰ খেলা' বুলি বঙালী সমাজত জনাজাত। তাৰ পিছত দেৱীক বিসৰ্জন দিয়া হয়। পূজাৰ এই পবিত্ৰ অনুষ্ঠানত ধূপ-ধুনা আৰু হোমৰ গন্ধই, ডবা, কাঁহ, শংখ, ঘন্টাৰ সন্মিলিত সমলয়ে মানুহৰ অন্তৰে অন্তৰে স্বৰ্গীয় পৱিত্ৰতা সানি দিয়েহি। বঙালীসকলে আত্মীয়স্বজনৰ সৈতে স্নেহ কৰি পৰস্পৰক শ্ৰদ্ধা ভক্তি আৰু

শুভেচ্ছা নিবেদন কৰে। এই অনুষ্ঠানটি বিজয়া নামে জনাজাত।

লক্ষ্মীপূজা ঃ সমৃদ্ধি, সৌভাগ্য আৰু ধন-সম্পত্তিৰ অধিকাৰী হিচাপে পুজিত দেৱীগৰাকী হ'ল লক্ষ্মী দেৱী। বঙালী সমাজত এই পূজাক বিশেষ স্থান দিয়া হয়। তেওঁলোকে লক্ষ্মীপূজাৰ দিনা পূজা কৰাৰ উপৰিও প্ৰত্যেক বৃহস্পতিবাৰে লক্ষ্মীক ঘট বহাই পূজা কৰে। শ্ৰীকমলা, গজলক্ষ্মী, মহালক্ষ্মী আদি নামেৰেও এই দেৱী গৰাকীক জনা যায়।

ৰামায়ণত লক্ষ্মী আৰু শ্ৰীদুৰ্গা দেৱী ৰূপে উল্লেখিত হৈছে। লক্ষ্মী বিষ্ণুৰ পত্নী। সমুদ্ৰ মন্থনত আবিৰ্ভূতা লক্ষ্মীয়ে বিষ্ণুত আশ্ৰয় লৈছে।

লক্ষ্মীৰ বাহন ফেচাঁ। আনহাতে হৰিণ ময়ুৰ, সিংহ গৰুড়, ঘোৰা, হাঁহ আৰু কাচঁকো লক্ষ্মীৰ বাহন হিচাপে সুচিত কৰা দেখা যায়। দুৰ্গাপূজা শেষ হোৱাৰ পাঁচ দিনৰ পিছত লক্ষ্মীপূজা কৰা হয়। লক্ষ্মীপূজাৰ দিনা বঙালীসকলোৰ ঘৰে ঘৰে পূজা কৰা হয়। কাতি মাহৰ পূৰ্ণিমা তিথিত এই পূজা কৰা হয়। লক্ষ্মী পূজা ৰাতি কৰা হয়। এই পূজাৰ দিনা বঙালীসকলে ঘৰত আৰু মন্দিৰত আল্পনা আঁকে আৰু বহুতো লাডু, পিঠা, পায়স, লুচি আদি তৈয়াৰ কৰি মাক উপচাৰ হিচাপে আগবঢ়ায়।

শিৱৰাত্ৰি ঃ শিৱৰাত্ৰি অসমৰ শৈৱ ভক্তসকলৰ এক প্ৰধান উৎসৱ। এই উৎসৱ সকলোবোৰ শিৱ মন্দিৰ, বাথৌ মন্দিৰ তথা পৰম্পৰাগতভাৱে শিৱালয়ৰ লগত জড়িত জনজাতিৰ মাজতো আদি দেৱতা। লৌকিক ৰূপত শিৱ ভোলানাথ বঙালী সমাজতো এই পূজাৰ বিশেষ প্ৰভাৱ পৰা দেখা যায়। তেওঁলোকে এই পূজা ঘৰে ঘৰে কৰাৰ উপৰিও বিভিন্ন মন্দিৰত ৰাজহুৱাভাৱে পূজা কৰে। চহাজীৱনৰ সকলো স্তৰতে সামান্য নৈবেদ্য প্ৰদানেৰে সকলো স্তৰতে পুজিত হয়। শিৱৰাত্ৰিৰ দিনা গোটেই দিন উপবাসে থাকি ৰাতি চতুৰ্দ্দশী লগাৰ পিছত পূজা কৰা হয়। এই পূজা বিশেষকৈ ছোৱালী আৰু আয়তীসকলে কৰা দেখা যায়। শিৱৰ এহাতে ত্ৰিশূল আন হাতত ডম্বৰু অৰ্থাৎ এফালে ধ্বংস আনহাতে এফালে সুন্দৰৰ সৃষ্টিৰ প্ৰতীক, ককাঁলত বাঘৰ ছাল, গাত ভস্ম, শিৰত জঁটা আৰু প্ৰধান সহচৰী হ'ল নন্দী আৰু ভৃংগী। লগত প্ৰধান বাহন হিচাপে বৃষভ। শিৱ অৰ্চনাৰ বাবে এটা দিন ধাৰ্য কৰা হৈছে। এই দিনটো ফাগুন মাহৰ কৃষ্ণ পক্ষৰ চতুৰ্দ্দশী তিথিৰ ৰাত্ৰি। এই ৰাত্ৰিকে শিৱৰাত্ৰি বোলে। এই পূজাৰ দুটা আনুষংগিক দিশ হ'ল বৃহৎমেলা আৰু শিৱ পূজাৰ নৈৱেদ্যৰ নামত নিচাযুক্ত দ্ৰব্য ভাং, ঘোটা

আদি সেৱন। এইজন দেৱতা জনসাধাৰণৰ ইমান ওচৰ চপা হোৱাৰ কাৰণ হ'ল শক্তি অনুসাৰে ভক্তি কৰিলেই তেওঁ সন্তুষ্ট হয়। গতিকে ভোলানাথ শিৱ সাধাৰণ ৰাইজৰ প্ৰধান উপাস্য দেৱতা।

**মনসা পূজা ঃ** বঙালী সমাজত মনসা পূজাৰ প্ৰচলন বহু প্ৰাচীন কালৰ পৰা দেখা যায়। মা মনসাৰ পৰা কৃপাধন্য হ'বলৈ এই পূজা সৰ্বাধিকভাৱে কৰা দেখা যায়।

মনসা পূজা অনেক আদৰেৰে কৰা হয়। কাৰণ প্ৰবাদ মতে পূজাত দোষ লাগিলে হেনো ঘৰখনৰ সাংঘাটিক বিপদ হয়। মনসা দেৱী হেনো খঙাল। দশম একাদশ শতিকাৰ আৰ্য অনাৰ্যসকলে ভাৰতত সাপ পূজা কৰিছিল বুলি বহু শাস্ত্ৰই কয়। এই পূজা বাৰিষা কালত ঘট বেদী স্থাপন কৰি পূজা কৰিব লাগে। শাওণ মাহৰ পঞ্চমী তিথিত এই পূজা কৰা হয়। সেইবাবে ইয়াক নাগ পঞ্চমী বুলিও কোৱা হয়। এই পূজা এদিনীয়া বা তিনিদিনীয়াকৈ অনুষ্ঠিত কৰা হয়। পূজা শেষ হোৱাৰ পিছৰ দিনা দেৱীক পানীত বিসৰ্জন দিয়ে। বিসৰ্জন দি আহোতে ঘটত এঘটী পানী তুলি অনা হয়।

**গনেশ পূজা ঃ** বঙালী সমাজত শুভ কৰ্ম বা পূজা উপাসনাদিৰ প্ৰাৰম্ভত গণেশক পূজা কৰাৰ পৰম্পৰা প্ৰচলিত হৈ আহিছে। গণেশ বা গণেশৰ ৰুদ্ৰগণৰ অধিপতি। মহাভাৰতত ৩৩ জন গণশ্বৰ নাম উল্লেখ পোৱা যায়।

গণেশৰ বাহন এন্দুৰ, মুণ্ড হস্তীৰ। এই দুবিধ জন্তুৰ লগত গণেশৰ সম্পৰ্কৰ পৰা অনুমান কৰিব পাৰি যে গণেশ মূলতঃ অনা আৰ্য দেৱতা।

বিঘিনি দুৰীকৰণ মহাজ্ঞান আৰোপ আৰু সিদ্ধিদাতা বাবে গণেশক সকলো কৰ্মৰ আৰম্ভতে বিশেষকৈ ব্যৱসায়ীসকলে পূজা কৰি আহিছে। মাঘ মাহৰ চতুৰ্থী তিথিত এই পূজা কৰা হয়।

**শ্যামা পূজা বা কালী পূজা ঃ** শাৰদীয় দুৰ্গাপূজাৰ পিছৰ অমাবস্যা তিথিত এই পূজা কৰা হয়। বঙালী সমাজত কালী পূজাৰ বিশেষ প্ৰচলন দেখা যায়। ৰাজহুৱাভাৱে ফাগুণৰ পৰা জেঠ মাহৰ ভিতৰত কালী পূজা অনুষ্ঠিত হয়। দুৰ্গাপূজাৰ দৰেই কালী পূজায়ো বিশেষ সমাদৰ লাভ কৰে।

কালী পূজা ল'ৰা, ডেকা, ছোৱালী, তিৰোতা আদি উভয়ে পালন কৰা দেখা যায়। কালী পূজাৰ আগদিনা নিৰামিষান্ন ভোজন কৰি পিছদিনা উপবাসে থকা হয়। তাৰপিছত অমাবস্যাৰ ৰাতি পূজা অৰ্চনা কৰা হয়। এই পূজা বছৰত উদযাপন

কৰাৰ উপৰিও প্ৰত্যেক মাহত অমাবস্যা তিথিত পালন কৰা দেখা যায়। কালী পূজাৰ দিনা সন্ধিয়া চাকি জ্বলাই ঘৰৰ চাৰিওফালে পোহৰ কৰা হয় আৰু ব'ম, ফটকা, আতজবাজী আদি ফুটোৱা হয়। বঙালী সমাজত কথিত আছে যে শ্ৰীৰামে হেনো সেই দিনা সীতাক উদ্ধাৰ কৰি অযোধ্যালৈ লৈ আহিছিল আৰু সেই আনন্দত অযোধ্যাবাসীসকলে আতজবাজী জ্বলাইছিল আৰু চাকি জ্বলাই চাৰিওফালে পোহৰ কৰি তুলিছিল। সেইবাবে এইদিনটোক 'দীপাৱলী' নামে জনা যায়।

এইদৰে সুদূৰ অতীতৰ পৰা বৰ্তমানলৈকে বঙালী সমাজে পৰম্পৰাগতভাৱে বিভিন্ন উৎসৱ-অনুষ্ঠান পালন কৰি আহিছে।

♦♦♦

# কাৰবি জনগোষ্ঠীৰ সাজ-পাৰ আৰু আ-অলংকাৰঃ এটি অধ্যয়ন

**বুদ্ধিমায়া দেৱী**
*চতুৰ্থ ষান্মাসিক*
*২০১৫ বৰ্ষ*

কাৰবিসকল অসমৰ অন্যতম জনগোষ্ঠী। মহাকাব্যিক যুগৰে পৰা খ্যাত প্ৰাগজ্যোতিষপুৰ, কামৰূপ, অসমৰ ভৌগলিক সীমা নানা কাৰণৰ ফলত ইফাল-সিফাল হোৱা দেখা যায়। অসমৰ কাৰবি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলা দুখনত সংখ্যাগৰিষ্ঠ ভাবে বসবাস কৰা মঙ্গোলীয় নৃগোষ্ঠীৰ তিব্বত বৰ্মীয় ভাষা-ভাষী হিচাবে কাৰবি জনগোষ্ঠী বিশেষভাবে উল্লেখযোগ্য। পাহাৰ আৰু ভৈয়ামত থকা কাৰবিসকলৰ মাজত ভৌগোলিক কাৰণত ভাষা-সংস্কৃতিৰ ক্ষেত্ৰত কিছু পাৰ্থক্য আছে যদিও সামগ্ৰিক ৰূপটো একেই দেখা যায়। বিভিন্ন জাতিৰ সমন্বয়ত অসমীয়া জাতি,অসমীয়া সংস্কৃতি গঢ় লৈ উঠিছে। কাৰবিসকলৰ প্ৰধান বাসভূমি কাৰবি আংলং বা কাৰবি পাহাৰ। ইয়াৰ উপৰিও কামৰূপ, নগাঁও, উত্তৰ কাছাৰ পাহাৰ, মেঘালয়, শোণিতপুৰ আদি পাহাৰীয়া অঞ্চলত বসবাস আছে বুলি জনা যায়।

প্ৰত্যেক জাতি আৰু জনজাতিৰে নিজৰ নিজৰ জাতিৰ চিনাকি দিবলৈ সুকীয়া সুকীয়া নাম দিয়ে আৰু সেই নামৰ সমাজ-সংস্কৃতি, চিন্তাধাৰা আদি গঢ় লোৱা দেখা যায়। অসমৰ বুৰঞ্জীসমূহত 'মিকিৰ' বুলি উল্লেখ থকা বৰ্তমান কাৰবিসকলে নিজকে বা জাতিটোক কাৰবি বা আৰলেং অৰ্থাৎ মানুহ বুলি পৰিচয় দিয়ে।

কাৰবিসকলৰ সুশৃংখল সমাজ পৰিয়ালৰ সমষ্টিৰে গঠিত গাঁও একোখনে কাৰবি সমাজৰ বৃহৎ ৰূপক দাঙি ধৰে। সেয়েহে প্ৰণালীবদ্ধ আলোচনাৰ গুৰুত্ব উপলব্ধি কৰিয়েই "কাৰবি জনগোষ্ঠীৰ সাজ-পাৰ আৰু আ-অলংকাৰ ঃ এটি

অধ্যয়ন” শীৰ্ষক বিষয়টো গৱেষণাৰ বাবে লোৱা হৈছে।

**কাৰবিসকলৰ সাজ-পাৰ**

আন জনগোষ্ঠীৰ দৰেই কাৰবিসকলৰো পৰম্পৰাগত সাজ-পোচাক আছে। কাৰবি সমাজত পুৰুষ জাতীৰ সাজ-পাৰ হ'ল— চ'ই (চোৱা), ছাতৰ (চুৰিয়া), ৰিকং (কৌপিন), 'প'হ' (পাগুৰি) আদি। এনে ধৰণৰ সাজ-পাৰ কাৰবি পুৰুষসকলে পৰিধান কৰে।

'চ'ই' হৈছে এবিধ চুটি হাতৰ চোলা। এই চোলাটো পিন্ধিলে কঁকাললৈকে পৰি থাকে। আৰু চোলাটোৰ তলফালে দীঘল দীঘল দহি ওলমি থাকে। এই চোলাটোৰ ৰং সাধাৰণতে ক'লা। ইয়াত ফুল বছা থাকে। জাম্বিলী আঠনৰ চানেকি তোলে। এই চোলাক বিভিন্ন ৰঙৰ সূতাৰে সজাই প্ৰত্যেকৰে বেলেগ বেলেগ নাম দিয়া হয়। প্ৰত্যেক ৰঙৰ চোলাকেই বেলেগ বেলেগ ব্যক্তিৰ বাবে বোৱা হয়। ক'লা সূতাৰে ডেকাসকলৰ বাবে বোৱা চোলাটোক 'চইক' বোলে। ৰঙা সূতাৰে বোৱা আদহীয়াসকলৰ চোলাটোক 'চইআ' আৰু বগা-ৰঙা সূতাৰে বোৱা বয়সস্থসকলৰ চোলাটোক 'চইমিৰি' বোলে।

'ৰিকং' (কৌপিন) হৈছে কঁকালত মৰা এখন দীঘল কাপোৰ। 'ৰিকং' নামৰ কাপোৰখনত ফুল তোলাও দেখা যায়। এই কাপোৰখনত কাৰবিসকলে বিভিন্ন ৰঙৰ ফুল তুলি তাৰ সৌন্দৰ্যতা গঢ়ি তোলে। এই ৰিকংডাল মূৰ-কঁকালৰ পৰা আঁঠুলৈকে ওলোমাই পিন্ধে।

'প'হ' (পাগুৰি) নামৰ সাজ এবিধ পুৰুষৰ বাবে বৰ প্ৰিয়। এই প'হখনেই কাৰবি পুৰুষৰ মনত অতি মৰম-ভালপোৱাৰ গঢ় দিয়ে। ইয়াৰ দুয়ো মূৰে নানা ধৰণৰ ফুল সুন্দৰকৈ বছা হয়। এই ফুলৰ চানেকি হিচাপে হিচাপে গছ, চৰাই, পখিলা, হাতী, হৰিণা আদি লোৱা হয়। ৰঙা সূতাৰে বোৱাখনক প'হ কেএৰ, বগা সূতাৰে বোৱাখনক প'হ কেলক বোলে।

'ছাতৰ' অসমীয়া সমাজৰ চুৰীয়াখনৰ দৰে। এই ছাতৰখন কাৰবি পুৰুষৰ অতি সন্মানীয় আৰু মৰমৰ কাপোৰ। কাৰবি সমাজৰ কোনো সন্মানীয় ব্যক্তিক সন্মানীয়ভাবে সম্বোধন জনাবলৈ হ'লে এই ছাতৰৰ দ্বাৰাই জনাব পৰা যায়। এই ছাতৰখন কাৰবি সমাজৰ ডেকা, বয়সস্থসকলোৰ বাবে প্ৰযোজ্য। বৰ্তমানে বিভিন্ন নৃত্য-গীতত এই 'ছাতৰ' পিন্ধা দেখা যায়। সাধাৰণতে ইয়াৰ ৰং বগা।

কাৰবি মহিলাসকলে পৰিধান কৰা কাপোৰবোৰ প্ৰায়েই উজ্জ্বল যদিও

দীঘলীয়া চটাবোৰ ঠেক ঠেক আৰু সোণ বৰণীয়া, গুলপীয়া, ৰঙা, হালধীয়া আদি ৰংবোৰ ব্যৱহাৰ কৰে। মহিলাসকলে সাধাৰণতে যিখন মেখেলা পিন্ধে সেইখনক 'পিনি কামফ্লাক' বোলে। ইয়াৰ ৰংবোৰ ক'লা আৰু পিনিখনৰ ঘেৰটোত কোনো চিলাই কৰা নাথাকে। পিনিখনৰ ফুলবোৰ পাজাংৰে আফিদপ, আছুন্তক কেজক, হলুকী, ৰালচম আদিৰ চানেকিৰে তোলা হয়। এইবোৰ ক'লা, বগা, নীলা আদি উজ্জ্বল সূতাৰ দীঘ আৰু বাণীৰে বোৱা হয়। এই বোৱা সূতা ঘৰত তৈয়াৰ কৰি বিভিন্ন ৰঙৰ ৰঙহে সনা হয়। বৰ্তমান তেওঁলোকে কঁকালৰ পৰা ভৰিৰ সৰু গাঁঠি ঢাক খোৱাকৈ দীঘল ক'লা ৰঙৰ মেখেলাও পিন্ধে। এইখনক 'পিনি লাংপাং' বোলা হয়।

কাৰবি মহিলাসকলৰ আন এবিধ পোছাক হ'ল আঁৰি লোৱা চাদৰ যিখনক 'পেকক' বোলা হয়। এই পেকক সাধাৰণতে সাতটা ভাগত ভগাব পাৰি। যেনে— পেছেলেং (যিখন বাওঁ কান্ধৰ ওপৰেদি নি ওলোমাই গাত মেৰিয়াই ল'ব পাৰি); 'পে-দুফিৰছ', 'পে-ফিলাই', 'পে-মজাই', 'পেপক পান', 'পেজাংফাং' আৰু 'পে-ছাৰপি' ইত্যাদি।

পেকক সাধাৰণতে কিছুমান পূজা-পাৰ্বণ, নানা উৎসৱ আদিত মহিলাসকলে গাত পিন্ধে লগতে পেকক মেৰিয়াই লয়। তেওঁলোকৰ এই পোছাক পৰম্পৰাগত হিচাপে পৰিগণিত কৰিছে। তেওঁলোকে পিনিখন ধৰি ৰাখিবলৈ এডাল ফুলাম কাপোৰৰ পেটি বান্ধি লয়, ইয়াক 'ৱামকক' বোলে। কাৰবি মহিলাসকলে বুকুত এখন মেঠনি মাৰি লয়। এই মেঠনিখনৰ আন এটা নাম 'জিচ'। বিশেষভাবে বিয়াৰ সময়ত মেঠনি কাপোৰখন ব্যৱহাৰ কৰা দেখা যায়। 'খনজৰি' কাপোৰখন মাংগলিক অনুষ্ঠান আদিত ব্যৱহাৰ কৰা হয়। আনহাতে 'পীবা' হৈছে কেঁচুৱা লোৱা কাপোৰ।

কাৰবি সমাজত আন এবিধ অতিকৈ প্ৰয়োজনীয় সম্পদ হৈছে 'কাৰবি মোনা' যাক 'জাৰং' বা জোলোঙা বোলা হয়। কাৰবি জনগোষ্ঠীৰ মহিলাসকলে ব্যৱহাৰ কৰা মোনাটোক 'চুই' বোলে য'ত তেওঁলোকে তামোল-পাণ, কটাৰী ৰাখে। এই 'চুই'ৰ উপৰি 'জাৰং মজাই', জাৰং মনজিন, জাৰং মিৰি, জামবিলি নামৰ মোনাৰ ব্যৱহাৰ কাৰবি সমাজত দেখা যায়।

সেইদৰে সকলোৰে উপযোগীকৈ তৈয়াৰ কৰা জাৰৰ দিনত গাত ল'বলৈ 'কাচেউম আপে' নামৰ পাঁচ প্ৰকাৰৰ চাদৰ আমি কাৰবি সমাজত দেখিবলৈ

পাওঁ। এই বিভিন্ন ধৰণৰ কাপোৰ বিভিন্ন ধৰণে বিভিন্ন আৰ্হিৰে বোৱা হয়। ইয়াৰ উপৰিও 'পেখনজৰি' নামৰ এবিধ কাপোৰ আছে, 'চমাংকান' অৰ্থাৎ দহা নাচত এইবোৰ কাপোৰ পৰিধান কৰা হয়। এই কাপোৰখনৰ দীঘটো ৰঙা সূতাৰ বানিটো বগা, ৰঙা, আৰু কলা সূতাৰে বোৱা দেখা যায়।

কাৰবি সমাজত মহিলা সকলে নিজ হাতেৰে বিছনাত পৰা কাপোৰ তৈয়াৰ কৰি লয়। এই কাপোৰবোৰৰ নাম 'পেলু', 'পেলুলাংছাং', 'পেলু আমাৰ', আৰু 'পেলুক' বুলি জনা যায়। কাৰবিসকলৰ বিয়াত দৰা কইনাক এই পেলুত বহুৱাৰ পৰম্পৰা আছে।

কাৰবি পুৰুষ-মহিলা উভয়ে নিজকে সজাই-পৰাই তুলিবৰ বাবে বিভিন্ন উৎসৱ-পাৰ্বণ আৰু বিয়াত বিভিন্ন ধৰণৰ সাজ-পাৰ পৰিধাণ কৰা দেখা যায়।

**কাৰবি সকলৰ আ-অলংকাৰ**

কাৰবিসকলৰ বিভিন্ন ধৰণৰ অলংকাৰ আছে। সিবোৰৰ প্ৰায়ভাগে তেওঁলোকে নিজ হাতেৰে তৈয়াৰ কৰা। এই অলংকাৰসমূহ তেওঁলোকে তেওঁলোকৰ বিভিন্ন ধৰণৰ পৰম্পৰাগত অনুষ্ঠানত পৰিধান কৰে।

আদিম অৱস্থাত পুৰুষসকলে কাণত শামুক, বাঁহৰ কেৰু, পইচা, মণি আদি অলংকাৰ হিচাপে পিন্ধিছিল। মহিলা সকলেও হাত, ডিঙি আৰু কাণত পিন্ধিবলৈ নানা ধৰণৰ মণি, খাৰু আৰু কেৰু ব্যৱহাৰ কৰে। বাঁহ, কাঠেৰে তৈয়াৰী অলংকাৰৰ উপৰি তেওঁলোকৰ প্ৰায়ভাগ অলংকাৰ ৰূপেৰে তৈয়াৰী। মহিলাসকল 'লেক' অৰ্থাৎ ডিঙিত পিন্ধা মণি বা ৰূপৰ মণিৰ লগত বজাৰত পোৱা ৰঙা মণি মিলাই সূতাৰে গথাঁ 'লেক পেংখাৰা' ৰঙা আৰু নীলা মণিৰ মাজে মাজে ৰূপৰ মণি মিলাই গঁথা 'লেক পেংমুই' ৰূপৰ 'লেক জেংজিৰি' ৰূপৰ সিকি পইচাৰে গঁথা 'লেক সিকি' আৰু দুই মূৰে সামান্য ৰূপৰ গোটামণি আৰু ৰঙা মণিৰে গঁথা 'লেক মান্দুলি' আদি অলংকাৰবোৰ কাৰবি মহিলাই পৰিধান কৰে।

কাৰবি মহিলাসকলে হাতত পিন্ধা খাৰুক 'ৰয়' বোলে। সেইবোৰ হৈছে 'ৰয় পেংখাৰা', 'ৰয় তাহু' আৰু 'ৰয় চেতুং'। ৰয়বোৰ ৰূপেৰে গঢ়োৱা আৰু তাত এৰীপলুৰ চকুৰ নক্সা আৰু কিছুমান কাইটৰ নিচিনা নক্সা দিয়া হয়।

কাৰবি মহিলাসকলে কাণত বাঁহেৰে তৈয়াৰ কৰা 'নলাংপং' নামৰ এবিধ বিশেষ অলংকাৰ পৰিধান কৰে। কাণত পিন্ধা অলংকাৰক 'জাংচাই' বোলা হয়। সোণ বা ৰূপেৰে গঢ়োৱা আৰু ৰঙা বাখৰ নঠেংপি নামৰ 'জাংচায়ো পিন্ধে।

বনৰীয়া গছৰ কাঁইটত ৰূপ খটায়ো কাণৰ গহনা সাজে। এইবোৰৰ উপৰি মহিলাসকলে হাতৰ আঙুলিত কেইবা প্ৰকাৰৰো আঙুঠি বা 'আৰণান' পিন্ধে। 'আৰণান কেএত', 'আৰনান কেলক', 'ৰূপ বন্দা', 'ছেৰ বন্দা' নামৰ আঙুঠিবোৰৰ ব্যৱহাৰ অতীজৰে পৰা হৈ আহিছে।

কাৰবি মহিলাই সকলো সময়তে লগত লৈ ফুৰা কটাৰীখনক 'নকেক' বোলে। এইখন হাতীৰ দাঁত বা ম'হৰ শিঙেৰে তৈয়াৰ কৰে।

এনেধৰণৰ আ-অলংকাৰ পৰিধাণ কৰি কাৰবি সমাজখন স্বভাৱত শিল্পীৰ কলা-কুশলতা আৰু সৌন্দৰ্যবোধৰ পৰিচয় পোৱা যায়।

◆◆◆

# টাই-আহোমসকলৰ বিবাহ, সাজপাৰ আৰু আ-অলংকাৰ ঃ এক অধ্যয়ন

লুকী হাতীবৰুৱা
*চতুৰ্থ ষান্মাসিক*
*২০১৫ বৰ্ষ*

এক মৰ্যদাপূৰ্ণ বিবাহ পদ্ধতিৰে গাম্ভীৰ্যপূৰ্ণ ৰীতি-নীতিৰে সামাজিকভাৱে স্বীকৃত বৈবাহিক সম্বন্ধ গঢ়ি তোলা চকলং হৈছে টাই আহোম সকলৰ অতি পুৰণি বিবাহ পদ্ধতি। চকলং মানে টাই ভাষাত বিয়া। আহোম সকলৰ এই বিবাহ পৰম্পৰাত সামাজিক আৰু সাংস্কৃতিক জীৱনৰ পূৰ্ণ প্ৰতিফলন দেখা যায়।

**মূল বিষয়বস্তু**

চীনা বুৰঞ্জীবিদ উলৰ্ফাম এবাৰহাৰ্ডেৰ মতে টাই সংস্কৃতি এক বিশাল আৰু চহকী সংস্কৃতি। বিশাল সংস্কৃতিৰ গৰাকী টাই সকলৰ এফালে পৌৰাণিক পৰম্পৰা আনফালে উদাৰীকৰণ, চামিলকৰণ নীতিৰে একত্ৰিকৰণ প্ৰক্ৰিয়াৰ গতিশীলতাৰ লগত লীন হৈ নিজস্ব ধৰ্ম ভাষা এৰিলেও চকলং প্ৰথাক আজিও জীয়াই ৰাখিছে। আজিও আহোম সকলৰ তিনি পণ্ডিত মুলুং, মপ্লং আৰু চাংবুন (মহন, দেওধাই আৰু বাইলুং) সকলে আজিও নিজস্ব ৰীতি-নীতি পৰম্পৰাৰে চলি আছে।

সাতামপুৰুষীয়া বিবাহ প্ৰথা চকলং আজিও আহোম সমাজত প্ৰচলিত হৈ আছে। আহোম সকলে সুকীয়া ৰীতি-নীতিৰে এক মৰ্যদাপূৰ্ণ আয়োজনৰ যোগেদি বিবাহ কাৰ্য সম্পন্ন কৰে। আহোম ৰজা সকলৰ পৰা সম্ভ্ৰান্ত আহোম আৰু সাধাৰণ প্ৰজাইয়ো চকলং কৰিছিল। টাই আহোমসকলে পৰাপক্ষত পলুৱাই নিয়া, বলেৰে নিয়া বা ব্যক্তিগত ভাৱে বাছনি কৰি বিয়া পতাতকৈ ছোৱালী খোজা ৰীতিতহে অধিক গুৰুত্ব দিছিল।

তেওঁলোকে যিকোনো বংশ পৰিয়াল, জাতি-জনজাতিৰ ছোৱালী বিয়া

কৰালেও বা ছোৱালী বিয়া দিবৰ সময়ত বংশ পৰিয়াল, খেল আদিৰ বিচাৰ কৰিছিল। আহোমসকলৰ মাজত একে ফৈদ বা একে খেলৰ ভিতৰত বিবাহ নিষিদ্ধ। তেওঁলোকৰ মাজত আজিও কাৰোবাৰ অবৈধ সম্পৰ্ক ঘটিলে সমাজচ্যুত কৰি এঘৰীয়া কৰা হয়। সাত ফৈদ বুঢ়াগোঁহাইয়ে বুঢ়াগোঁহাই আৰু দেওধাই বংশৰ মাজত চেতিয়াই চেতিয়াৰ মাজত আদি বংশৰ মাজত বৈবাহিক সম্বন্ধ স্থাপন কৰিব নোৱাৰে।

চকলংৰ পৰম্পৰা প্ৰাচীনতা বা তাৰ উৎপত্তি সম্পৰ্কে টাই পণ্ডিতসকলৰ হাতত থকা পুৰণি টাই পুথিত তথ্য আছে। তাহলিক নাং হুনকা নামৰ পুথি এখনত আহোম সকলৰ মাজত চকলং বিবাহ পদ্ধতি পোন প্ৰথমে ফা নুৰু, লেংডনে প্ৰচলন কৰে বুলি উল্লেখ আছে।

বিয়াৰ আগদিনাই টাই আহোম সকলৰ দেৱতা-লাংকুৰি, জান-চাই হুং, লাৰেং, লেংডন আৰু জাচিংফাক বিধিমতে পূজা কৰা হয়। ইয়াকে 'দেওৱান' কৰা বোলে।

**চকলঙৰ নিয়ম আৰু পণ্ডিতৰ বিধি**

চকলঙৰ কাৰ্য্য সুকলমে সমাধা কৰিবলৈ টাই পণ্ডিতৰ প্ৰয়োজন হয়। চকলং যিহেতু টাই আহোম সকলৰ বিশেষ বৈশিষ্ট্যপূৰ্ণ বিবাহ প্ৰথা সেয়ে পূৰ্বৰ পৰম্পৰা অনুযায়ী বংশৰ মলুং, মপ্লং, চাংবুন— এই তিনি বংশৰ তিনিজন পণ্ডিত উপস্থিত থকাটো বাধ্যতামূলক। বিশেষ অসুবিধা বশতঃ কোনোবা এজন উপস্থিত থাকিব নোৱাৰিলে অন্য এজনক বহুৱাই তিনিজন কৰি ল'ব লাগে। কাৰণ বিধি মতে এজন বা দুজন পণ্ডিতে চকলং কৰিব নোৱাৰে বুলি জনা যায়। এই অনুষ্ঠানত মলুং (পণ্ডিত) টাই জাতীয় সাজপাৰ চাপকণ, পট-লুঙ, টাই লুঙি নতুবা মুগাৰ ধূতি পৰিধান কৰি সদায় মৰলৰ উত্তৰ দিশত বহিব লাগে। মৰলৰ পূৱ দিশত পেএগ্ৰা কাকা (ধৰ্মশাস্ত্ৰ) স্থাপন কৰাৰ নিয়ম। পশ্চিম দিশত দৰা কইনা আৰু দক্ষিণ দিশত দৰা কইনা সমাজৰ মানুহে বহিব লাগে। মলুং সকলে সেই সময়ত এটা জাতিৰ ধ্বজা বাহক হিচাপে কাম কৰিব লাগে বাবে অত্যন্ত সংযত, সুৰুচি পূৰ্ণ মনোভাৱৰ হোৱা উচিত। চকলং কাৰ্য বা নীতি নিয়ম কৰোতে পণ্ডিতে লুকলাও (মদ) খাই কৰাটো উচিত নহয়।

**চকলংৰ প্ৰস্তুতি**

চকলং কৰিবলৈ বালিৰে সাতটা ৰঙ আৰু বালিছন্দা ব্যৱহাৰ কৰি এটা ফুলাম সৌৰচক্ৰ প্ৰস্তুত কৰে। সৌৰচক্ৰটোৰ আঠোটা কোণত বিধি অনুযায়ী আঠটা

কলপুলি পোতে। তাৰ পিছত কলপুলি আঠটা জুতি পাণ, তামোল আৰু আহত বা বৰ গছৰ পাত আৰ দিয়ে আৰু পৰাপক্ষত সৌন্দৰ্য্য বৃদ্ধিৰ জীৱন্ত ফুলৰ মালা গুঠি আৰি দিয়ে।

সৌৰচক্ৰটোত ১০১ টা ভাগ কৰি ১০১ গছী চাকি জ্বলোৱা হয় আৰু চাকিৰ তলত এখন সৰু পাত দিয়ে। প্ৰত্যেক গছী চাকিতে একোখনকৈ থুৰীয়া তামোল, এটকাকৈ মূল্য আৰু ছিঙকৰা ফুল দিয়ে। মূল চাকি গছ বিধিমতে তিনিমুখীয়া হয়। ইয়াৰ পাছত পণ্ডিতে কইনাৰ পিতৃৰ পৰা এখন শৰাইত তিনিযোৰ তামোল পাণ আৰু অৰিহণা গুৰুমাননি হিচাপে লয় আৰু নাম পুলুক জাৰে। শৰাইখনৰ কাষতে ধূপ আৰু চাকি জ্বলায়। এটা ঘটিত পানী, সোণ, ৰূপ, তাম আৰু ছিঙকৰা ফুল আৰু নাম পু-লুক কৰিবৰ বাবে চাট মাৰি লয় আৰু দৰা কইনাক বহুৱাই মন্ত্ৰ মাতে।

সৌৰচক্ৰৰ পূৱ দিশত এখন শৰাইত তিনিটা আগগুৰি কটা তামোল-পাণ, এখন গামোছা আৰু অৰিহণা সহ ধৰ্মশাস্ত্ৰ স্থাপন কৰি চাকি আৰু ধূপ জ্বলায় আৰু তিনিজন পণ্ডিতে গুৰু বন্দনা গায়। কইনা ঘৰৰ তিনিটা তামোল-পাণ, অৰিহণা আৰু এখন গামোছা মৰল মাননি শৰাই দিয়ে আৰু বহাৰ পিছত দৰাৰ ঘৰৰ পৰাও মৰল মাননি শৰাই দিয়ে।

মৰল মাননি, শৰাই দিয়াৰ উপৰিও মলুঙ তিনিজন মাননি শৰাই, অৰিহণা আৰু বস্ত্ৰ সহ আগবঢ়ায়। বস্ত্ৰ নিদিলেও অৰিহণা সহ তামোল-পাণ আগবঢ়ালেও হয়। এইখন শৰাই নিয়ম অনুসৰি দৰা পক্ষইহে দিয়ে। অৱশ্যে দুয়ো পক্ষই ইচ্ছা কৰিলে দিব পাৰে বুলি জানিব পাৰি। তাৰ পাছত নিয়ম অনুসৰি এখন শৰাইত এখন গামোছা, তিনিটা তামোল-পাণ, অৰিহণা আৰু মাননি সহ এখন হেংদাং সজাই থয়। দৰা-কইনা আৰু কইনাৰ পিতৃৰ বাবেও তিনিখন শৰাইত নানা ৰঙৰ ফুল, আখৈ, মাটি-মাহ আৰু তিল সজাই লয়। দৰা-কইনা বহাৰ দিশত আৰু সৌৰচক্ৰৰ পশ্চিম দিশত এই শৰাই কেইখন সজাই থয়।

দৰা আৰু কইনাৰ বাবে দুজনে মালা গাঁঠি লয়। পৰাপক্ষত মালা দুডাল ১০১ বিধ ফুলেৰে গাঁঠি লোৱা হয়। এই মালা দুডালে মূৰত দুপাহ ছিঙকৰা ফুল দিয়াটো বাধ্যতা মূলক। মাল্য প্ৰদানৰ সময়ত হাততে পাব পৰাকৈ এই মালা দুডাল দৰা-কইনা বহাৰ দিশত পুলি দুটাত শলামাৰি আৰি থয়।

মূল চাকিগছি কইনাৰ অভিভাৱকে বা পিতৃয়ে দৰা আহি পোৱাৰ আগতে

আঠুলৈ জ্বলাই দিয়ে আৰু মলুঙে জনমিঙ কৰে। ইয়াৰ পাছত আন চাকিবোৰ মলুঙে জ্বলাই দিয়ে। দৰা আহি পালে দৰাক আদৰি আনি চকলং স্থানত থকা আসনৰ ওচৰলৈ আনে আৰু দৰা ধৰাই চকলঙৰ বেদীলৈ নমস্কাৰ জনায়। টাই জাতিৰ পৰম্পৰাত উৰুলি নাই বাবে পণ্ডিতেই মঙ্গল ধ্বনি দিয়ে। দৰাঘৰীয়াই আসনত ফুল আৰু চাউল ছটিয়াই দিয়ে। দৰাক গায়ন বায়নেৰে আদৰি আনিব পাৰে বুলি জনা যায়। দৰাক নিৰ্দিষ্ট আসনত বহুৱাৰ পিছত দৰাঘৰে কইনা বিচাৰি এখন শৰাই মাননি দিয়ে। তাৰপাছত আগতে দিয়া সাজ-পোছাক কইনাক পৰিধান কৰোৱাই আৰু মহিলা সমাজে কইনাক চকলঙৰ আসনলৈ আগবঢ়াই দিয়ে। কইনা আহি চকলঙৰ স্থান পোৱাৰ লগে লগে দৰাপক্ষই থিয় হৈ সন্মান জনায়। কইনাৰ আসনটো ফুল ছটিয়ায়। ইয়াৰ পাছত দুয়ো পক্ষই বেদীলৈ চাই নমস্কাৰ জনায় আৰু মলুঙে জনমিঙ কৰে। প্ৰত্যেকে নিজৰ স্থানত বহাৰ পিছত মলুঙে নাম পুলুক জাংৰিও কৰি দৰা-কইনাক নাম পু-লুক ছটিয়ায়। এইখিনি কাম সম্পন্ন হোৱাৰ পিছত যিজন মূল মলুঙ তেখেত দুয়োপক্ষৰ শুভাকাংক্ষী ৰাইজৰ সহযোগ বিচাৰে আৰু বিয়াৰ মূল কাম আৰম্ভ কৰিবলৈ (আই-ছিঙ লাও) প্ৰাৰ্থনা গায়। আই-ছিঙ লাও শেষ হোৱাৰ পাছত দৰা-কইনাৰ চকলঙৰ মূল বেদী মহাজ্যোতি মণ্ডললৈ বহা ঠাইৰ পৰাই কৰযোৰ কৰোৱাই স্তুতি গোৱায়। মলুঙে গাই যায় আৰু দৰা-কইনাই লগে লগে আওৰাই যায়। শৰাইত সজাই থোৱা ফুল, তিল, মাটিমাহ শৰাইৰ পৰা লৈ ছটিয়ায়। চকলংৰ সকলো কাম-কাজ যিহেতু সম্পূৰ্ণ টাই পৰম্পৰা মতে হয় সেয়ে নীতি নিয়মবোৰ কৰোতে টাই ভাষাতে কৰাটো বিধি সন্মত।

পণ্ডিতে বা মলুঙে টাই ভাষাত কৈ যায় আৰু দৰা-কইনাই লগে লগে মাতি যায় 'হে পৰম, প্ৰকৃতি, মহাজ্যোতি পিতৃ, সৃষ্টিৰ গৰাকী আজি আমাৰ বিবাহ মঙ্গল কৰক'। পণ্ডিতে মঙ্গল ধ্বনি দিয়ে দৰা-কইনাই সৌৰচক্ৰলৈ ফুল ছটিয়ায়। এনেদৰে পুনৰ দশোদিশে কোনো অপায়-অমঙ্গল নোহোৱাকৈ ৰক্ষা কৰিবলৈ দিক্‌পাল দেৱতাক প্ৰাৰ্থনা জনায়। তাৰ পিছত দিন, বাৰ, ক্ষণত অশুভ থাকিলে সেই অশুভ ক্ষণ দূৰ কৰি মঙ্গলময় কৰিবলৈ প্ৰাৰ্থনা জনাই মলুঙে টাইভাষা কোৱাৰ লগে লগে কৈ সৌৰ বেদীলৈ ফুল ছটিয়াই আৰু মলুঙে মঙ্গল ধ্বনি দিয়ে। এনেদৰে প্ৰাৰ্থনা কৰাৰ পিছত কইনা দাতা পিতৃয়ে দৰাক বস্ত্ৰ আৰু অলংকাৰ প্ৰদান কৰে। লগে লগে মলুঙে মঙ্গল ধ্বনি দিয়ে। ইয়াৰ পিছত কইনা দাতা

পিতৃয়ে দৰাৰ সোঁহাতৰ বুঢ়া আঙুলিটোৰ ওপৰত কইনাৰ সোঁহাতৰ বুঢ়া আঙুলিটো ৰাখি দুয়োখন হাত মাজত থৈ ওপৰত নিজৰ সোঁহাত আৰু তলত নিজৰ বাওঁহাতখন দি সাৰটি মলুঙে টাই ভাষাত কোৱা কথাখিনি আওৰাই সৃষ্টিকৰ্তা পৰম পিতৃক স্মৰণ কৰে এইদৰে — "হে মোৰ সৃষ্টিৰ গৰাকী পৰম পিতৃ, দেৱতাক, সৃষ্টিৰ বাবে এখন সুখৰ সংসাৰ গঢ়িবৰ বাবে আজি দুয়োৰে হাততে দুয়োকে অৰ্পণ কৰি আপোনাৰ আশ্ৰয়ত গটালো। দুয়োৰে জীৱন সুখৰ আৰু মধুময় হওঁক।".

ইয়াৰ পিছত পণ্ডিতে টাই ভাষাত কৈ যায় আৰু দৰাই কইনাৰ পিতৃক কয়- 'মই আপোনাৰ (কইনা দান) সাদৰেৰে গ্ৰহণ কৰিলো। তেওঁক মৰম আৰু আদৰেৰে ৰাখিম।' দৰা-কইনা দুয়োজনে দেউতাকক সেৱা জনায় আৰু দেউতাকে দুয়োকে সাৱটি স্নেহৰ চুমাৰে আশীৰ্বাদ প্ৰদান কৰে। তাৰপিছত তিনিজন মলুঙে মঙ্গল ধ্বনি দিয়ে আৰু কইনাৰ পিতৃয়ে মৰললৈ ফুল ছটিয়ায়।

ইয়াৰ পিছত দৰা কইনা একেলগে থিয় হৈ মাল্যবৰণৰ বাবে সাজু হয়। প্ৰথমতে কইনাই দৰাক বৰণ কৰিবলৈ ফুলৰ মালা হাতত লৈ পণ্ডিতে টাই ভাষাত কৈ যোৱা কথাখিনি লগে লগে কৈ যায়- "হে বঙহৰ গৰাকী আজি এই পৱিত্ৰ ফুলৰ মালা পিন্ধাই সৃষ্টি ধৰ্ম পালন কৰিবলৈ আপোনাক পৰম পুৰুষ হিচাপে গ্ৰহণ কৰিলো। আপুনি মোক আশীৰ্বাদ কৰক। কইনাক ফুলৰ মালা পিন্ধাই দৰাক বৰণ কৰে আৰু মলুঙে মঙ্গল ধ্বনি দিয়ে। ঠিক সেইদৰে দৰাই কইনাক মালা পিন্ধাবলৈ হাতত ফুলৰ মালা লৈ পণ্ডিতে বা মলুঙে কৈ যোৱাৰ দৰে কৈ যায়- "হে সুন্দৰী, ময়ো এই পবিত্ৰ ফুলৰ মালা পিন্ধাই তোমাক অৰ্দ্ধাঙ্গিনী স্বৰূপে গ্ৰহণ কৰিলো।" লগে লগে মলুঙে ধ্বনি দিয়ে।

দৰা কইনাই পৰস্পৰে পৰস্পৰক ফুলৰ মালাৰে বৰণ কৰাৰ পিছত নিজ নিজ আসনত বহে আৰু সৌৰচক্ৰলৈ হাতযোৰ কৰি প্ৰণাম কৰে আৰু মলুঙে টাই ভাষাত কোৱাৰ লগে লগে আগুৱাই যায়- "হে পৰম পিতৃ লেংডন তুমি সবাতোকৈ শ্ৰেষ্ঠ, তুমি বৰ পৱিত্ৰ। তুমি সকলোৰে গৰাকী আৰু দাতা। হে পৰম পিতৃ, তুমি সকলোৰে প্ৰাণৰো প্ৰাণ। আমাৰ সকলো কৰ্মতে মঙ্গল কৰিবা। আমাক সত্য শুদ্ধ পথেৰে আগবাঢ়ি যাবলৈ সাহস, শক্তি আৰু ক্ষমতা প্ৰদান কৰিবা।" দৰা কইনাই বেদীলৈ ফুল ছটিয়ায়। মলুঙে জনমিঙ কৰে আৰু মঙ্গল ধ্বনি দিয়ে। এইখিনি কাম সম্পন্ন হোৱাৰ পিছত শৰাইত সজাই থোৱা হেংদাং কইনাই দুয়ো হাতেৰে লৈ মলুঙে কোৱাৰ দৰে কৈ দৰাক সেই হেংদাং লৈ স্বদেশ স্বজাতি,

স্বধন পুত্ৰ পৰিবাৰক ৰক্ষা কৰিবলৈ সমৰ্থবান হ'বলৈ প্ৰতিজ্ঞাবদ্ধ হ'বলৈ কয়। দৰাইয়ো কইনাই প্ৰদান কৰা হেংদাং হাতত লৈ স্বদেশ, স্ব-ধৰ্ম, স্ব-জাতি আৰু বংশ পৰিবাৰক ৰক্ষা কৰিবলৈ দুষ্টক দমন আৰু সন্তক পালন কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হ'লো বুলি কয়। কইনাই দৰাক এখন টঙালি বা গামোছা দি টাই ভাষাতে পণ্ডিতে কোৱাৰ দৰে কয়- "এই অক্ষয় ৰক্ষা কৱচ পিন্ধি তুমি অজেয় হোৱা আৰু দৰাইয়ো পৰিধান কৰি শত্ৰুক দমন কৰিবলৈ দৃঢ় প্ৰতিজ্ঞা কৰিলো বুলি কয়।" পূৰ্বৰ পৰম্পৰা ৰক্ষা কৰি মলুঙে দৰা-কইনাক উপদেশ মূলক কথাৰে বুজনি দিয়ে। কথা বুজনিত মলুঙে ফুৰালুঙ ধৰ্ম্মীয় সৃষ্টি তত্ত্ব দৰ্শনত উল্লেখ কৰা তাৎপৰ্যপূৰ্ণ কথা কয়। ইয়াৰ পাছত দৰা কইনা দুয়োঘৰে সমাজৰ আগত নিজৰ নিজৰ বংশৰ বুৰঞ্জী ক'ব লাগে। পূৰ্বৰ পৰম্পৰা ৰক্ষা কৰি মলুঙে দৰা-কইনাক উপদেশমূলক কথাৰে বুজনি দিয়ে। মলুঙে বুজনি দিওতে এখন পাটৰ ৰুমালত কড়ি এটোপোলা বান্ধি লৈ কাণৰ ওচৰত জোকাৰি জোকাৰি বুজনি দিয়ে। তাৰ পাছত মলুঙে কপাহ এজোপা লৈ মাজৰ চাকি গছিত পুৰি তাৰ ছাইৰে দৰা কইনাক ফোট দিয়ে। এই নিয়ম পালন কৰাৰ পিছত দৰা-কইনাই টেমি, কটাৰী আৰু তামোল সলায়। ইয়াৰ পিছতে দৰা কইনাৰ লগ্ন গাঠি খোলে আৰু দৰা কইনা সমন্বিতে সকলোৰে সৌৰচক্ৰলৈ চাই হাত যোৰ কৰি বহে।

**টাই আহোম সকলৰ সাজপাৰ আৰু আ-অলংকাৰ**

টাই আহোমসকলে উত্তৰ-পূৱ ভাৰতৰ অসম আৰু অৰুণাচলক ধৰি বিস্তৃত ভূ-খণ্ডত বসবাস কৰে। টাই সংস্কৃতি বিশ্বৰ অতি পুৰণি আৰু সু-সমৃদ্ধ সংস্কৃতি।

টাই আহোমসকলৰ এক উল্লেখযোগ্য সংস্কৃতি হৈছে বস্ত্ৰ সংস্কৃতি। তেওঁলোকে বস্ত্ৰ উৎপাদনৰ বাবে পলু পুহিছিল। আৰু সেই উদ্দেশ্যে চোম, মেজাংকৰী, সোঁৱালু, পানচপা, কেছেৰু, এৰা গছৰ খেতি কৰিছিল। আহোম স্বৰ্গদেউ সকলৰ দিনত অসমৰ মুগা শিল্পই বিশেষ ব্যাপকতা লাভ কৰিবলৈ সক্ষম হয়। স্বৰ্গদেউ সকলে প্ৰজাসকলক মুগা পুহিবলৈ আৰু তাৰ পৰা সুতা উৎপাদন কৰি কাপোৰ ববলৈয়ো বাধ্য কৰিছিল। ৰজা, বৰফুকনৰ দৰে ডাঙৰীয়া,বিষয়া সকলে মৰ্যদা অনুসৰি সাজ-পাৰ পৰিধান কৰিছিল। ঘাইকৈ মূৰত মৰা পাগ আৰু গাৰ চেলেং কাপোৰৰ মৰ্যদা অনুসৰি বেলেগ বেলেগ আছিল। পাট, মুগাৰ কাপোৰৰ ব্যৱহাৰ আছিল সৰ্বাধিক।

স্বৰ্গদেউ ৰুদ্ৰ সিংহই আকৌ বৈৰাগী কটকী হতুৱাই ভাৰতৰ বিভিন্ন ঠাইৰ

সাজ-পাৰ, পিন্ধন-উৰণৰ পদ্ধতি সংগ্ৰহ কৰাই সেইবোৰ ৰজাঘৰটো ব্যৱহাৰ কৰিছিল।

সাধাৰণতে আহোম লোকসকলৰ পাটৰ ৰিহা-মেখেলা, চেলেং, মুগাৰ চোলা-চুৰীয়া, এৰীয়া চেলেং চাদৰ আদি প্ৰচুৰ ভাবে ব্যৱহৃত হৈছিল।

আহোমসকলৰ ৰজাৰ পৰা আৰম্ভ কৰি সকলো পুৰুষে 'পটলুং' (সোলক-ঢোলক পাইজামা) আৰু 'পট নয়' (জাঙিয়া) আৰু গাত দীঘল 'ফাছু' বা 'ছু' (চোলা) পিন্ধিছিল। মূৰত 'ফ-টৌ' (পাগুৰি) মাৰিছিল। পিছলৈ পুৰুষ সকলে 'ফা-ৰেম' (চুৰিয়া) বা 'ফা-নয়' (লুঙি) পিন্ধিছিল। পূৰ্বতে তেওঁলোকে ক'লা ৰঙৰ কাপোৰহে ব্যৱহাৰ কৰিছিল।

ঠিক সেইদৰে ৰাণীৰ পৰা আৰম্ভ কৰি তলৰ সকলোবোৰ মহিলাই পাটৰ, এৰী, মুগাৰ ভিন ভিন কাপোৰ উৎপাদন কৰি নিজে ব্যৱহাৰ কৰাৰ উপৰিও বহিঃৰাজ্যলৈ ৰপ্তানি কৰি দেশৰ অৰ্থনীতিত অৰিহণা যোগাইছিল। মহিলাসকলে 'ফা-ছিন' বা 'ছি-ন' (মেখেলা), ফা-ডাই, ৰি-খাম (সোণৰ বুটা তোলা মেখেলা) আদি সাজ পৰিধান কৰিছিল।

টাই আহোমসকলৰ আ-অলংকাৰ আদিও লেখত ল'বলগীয়া। তেওঁলোকে সোণ, ৰূপ আৰু তাম— এই তিনিও বিধ ধাতুৰ অলংকাৰ ব্যৱহাৰ কৰিছিল। পুৰুষ সকলে হাতত আঙুঠি, ডিঙিত শিলিখামণি, কাণত কৰিয়া আৰু লোকপাৰ, বাহুত বাজু পিন্ধিছিল।

আনহাতে মহিলাসকলে সকলো অংগতে অলংকাৰ পিন্ধিছিল। সেইবোৰৰ ভিতৰত জোনবিৰি, ঢোলবিৰি, গামখাৰু, ডুগডুগি আদি উল্লেখযোগ্য। এনে লাগে আহোম যুগৰ এগৰাকী সম্ভ্ৰান্ত তিৰোতাই গাত বহু সোণৰ অলংকাৰ পৰিধান কৰিছিল। অলংকাৰো উকা, বাখৰুৱা, বাখৰ পতা, মিনাকৰা, হীৰা পতোৱা আদি ভাগত ভাগ কৰিব পাৰি।

♦♦♦

# পানীখাইতিৰ ৰাজাবাৰী অঞ্চলৰ উৎসৱ-পাৰ্বণ

চম্পা দাস
*চতুৰ্থ ষাণ্মাসিক*
*২০১৫ বৰ্ষ*

**পানীখাইতিৰ ৰাজাবাৰী অঞ্চলৰ পৰিচয় ঃ**

ৰাজাবাৰী গাঁওখন গুৱাহাটীৰ ৫২ নং সমষ্টিৰ পূৱ দিশত আৰু মূল পথৰ পৰা প্ৰায় ১কিলোমিটাৰমান দুৰত এই গাঁওখন অৱস্থিত। এই গাঁওখনৰ পথটো সম্পূৰ্ণ কেঁচা ৰাস্তা আৰু ফলত বাৰিষা কালত প্ৰায় ৬ মাহ ধৰি ৰাস্তাটো ডুব গৈ থাকে।

এই গাঁওখন কমেও ২০০ ঘৰ মানুহে বসবাস কৰি আছে । ইয়াৰে লোকসকলে বিশেষকৈ কৃষিৰ ওপৰত নিৰ্ভৰ কৰে। আৰু কিছুসংখ্যক লোকে দিন হাজিৰা কৰি জীৱন নিৰ্বাহ কৰে। এই গাঁওখনত অধিকসংখ্যক ইটা ভাটা দেখিবলৈ পোৱা যায়। খৰালি কালত ইয়াৰ লোকসকলে ইটা ভাটাত কাম কৰে আৰু বাৰিষা কালত নদীত মাছ ধৰে।

পানীখাইতি ৰাজাবাৰী অঞ্চলত বিশেষকৈ হাজং, বড়ো-কছাৰী আৰু বঙালী লোকৰ বসতি আছে। এওঁলোক তিব্বতবৰ্মী ভাষাগোষ্ঠীৰ মংগোলীয় লোক। তলত এওঁলোকৰ বিষয়ে আলোচনা কৰা হ'ল—

**হাজং ঃ—** হাজং অসমৰ এটা ক্ষুদ্ৰ জনজাতি। অসমৰ কাৰ্বি আংলং, উত্তৰ-কাছাৰ পাৰ্বত্য জিলা আৰু ভৈয়ামৰ লক্ষীপুৰ আৰু গোৱালপাৰা জিলাৰ দক্ষিণ শালমাৰাৰ মেঘালয়ৰ সমীপৱৰ্তী দক্ষিণ অঞ্চলত কিছু সংখ্যক হাজং লোক বাস কৰে। এই জনজাতিৰ বেছি সংখ্যক লোক মেঘালযৰ গাৰো পাহাৰত বাস কৰে যদিও গুৱাহাটীৰ বহুতো অঞ্চলত হাজংসকলৰ বসতি থকা দেখা যায়।

পানীখাইতিৰ ৰাজাবাৰী অঞ্চলতো হাজংসকলৰ বসতি আছে। তেওঁলোকৰ

নিজস্ব বিশ্বাস মতে তেওঁলোকে মূলতে বৰ্তমানৰ কামৰূপ জিলাৰ হাজো অঞ্চলত বাস কৰিছিল আৰু সেয়ে 'হজ' মানে মূলতঃ হাজোৰ বাসিন্দা বুলি জনা গৈছিল আৰু ইয়েই কালক্ৰমত গৈ 'হাজ' হয়গৈ। এওঁলোকৰ গাৰো আৰু কছাৰী জনগোষ্ঠীৰ লগত মিল আছে। কিন্তু গাৰো সমাজ মাতৃ-প্ৰধান; পিছে হাজংসকল পিতৃপ্ৰধান। হাজংসকল চাপৰ গোল মুখৰ আৰু আটিল দেহৰ হয়। পুৰুষতকৈ মহিলাসকলৰ গাৰ বৰণ বগা। তেওঁলোক হিন্দুধৰ্মী আৰু পিতৃপ্ৰধান সমাজ ব্যৱস্থাৰে পৰিচালিত। কোনো এক পৰিয়ালত পিতৃয়েই সৰ্বপ্ৰধান আৰু তেওঁৰ মৃত্যুৰ পিছত পুত্ৰসকলৰ মাজত সম্পত্তি ভাগ হয় আৰু একে কুল বা গোত্ৰৰ ল'ৰা-ছোৱালীৰ মাজত বিবাহ হোৱা নিষেধ। নিজ জাতিৰ বাহিৰত বিবাহ কৰিলে হাজং সমাজৰ পৰা বহিষ্কাৰ কৰা হয় আৰু বহু টকা জৰিমনাৰ লগতে গোটেই গাঁৱৰ ৰাইজক এক ভোজ-ভাত খুৱাইহে পুনৰ সমাজভুক্ত হ'ব পাৰে। বিধবা বিবাহত বাধা নাই আৰু বিবাহ বিচ্ছেদ খুব কম হয়। বাল্য বিবাহ আৰু বহু বিবাহৰ প্ৰচলন নাই। আনুষ্ঠানিকভাবে হোৱা বিবাহ 'শুভ বিবাহ', বিধবা বা বিবাহ বিচ্ছেদ হোৱাসকলৰ মাজত হোৱা বিবাহ 'হাংগ' আৰু পলুৱাই অনা বিবাহ 'দায়পৰা'— এই তিনি প্ৰকাৰে হাজংসকলৰ মাজত বিবাহ হয়। তেওঁলোকে পৰজন্মত বিশ্বাস কৰে আৰু মৃত্যুৰ পিছত সকলো বিধি- বিধান হিন্দু ধৰ্মৰ নিয়মমতে হয়। হাজং সমাজত মৃতদেহৰ সৎকাৰ কৰা হয় আৰু ১১ বা ১৩ দিনৰ পিছত শ্ৰাদ্ধ অনুষ্ঠান পতা হয়। এই গাঁৱৰ কিছু সংখ্যক হাজং কৃষিজীৱী আৰু কিছুসংখ্যক দিন হাজিৰা কৰি জীৱন নিৰ্বাহ কৰে। ধানেই তেওঁলোকৰ প্ৰধান খেতি। ভাতেই এওঁলোকৰ প্ৰধান আহাৰ। এওঁলোকে আগতে গাহৰিৰ মাংস খোৱা নাছিল, কিন্তু বৰ্তমানে এই মাংস চলে বা খোৱা আৰম্ভ কৰিছে আৰু ভাতৰ পৰা প্ৰস্তুত কৰা মদ খায়। অন্য জাতিৰ দৰে পূজা উৎসৱত মদৰ প্ৰচলন নাই। তেওঁলোকৰ বেছি সংখ্যকে শাক্তধৰ্মী। পৰম্পৰাগতভাৱে বছৰটোত বিভিন্ন দেৱ-দেৱী আৰু নিজস্ব ধ্যান-ধাৰণাৰ দেৱতাক পূজা কৰে। এইবোৰৰ ভিতৰত কাৰ্ত্তিক, মনসা বা পদ্মা পূজা, কালী, লক্ষ্মী, বাসন্তী আদিয়ে প্ৰধান। তেওঁলোকৰ সমাজত দেৱ-দেৱীৰ উপৰিও ভূত-প্ৰেতৰো বিশ্বাস আছে। যেনে— যখিনী, ডাইনী, মইলা ভূত ইত্যাদি। তেওঁলোকে সাপ আৰু দেৱী মনসাক শাওণ মাহৰ শেষৰ দিনা ছাগলী, হাঁহ, কাছ আদি বলি দি পূজা কৰে। আৰু কাতি মাহৰ শেষত মহিলাসকলে ৰাতি কাৰ্ত্তিক পূজা কৰে। হাজং মহিলাসকলে 'পাটিন'

নামৰ ৰঙা বৰণৰ পোছাক মেখেলাৰ দৰে বুকুৰ ওপৰত পিন্ধে আৰু ই ভৰিৰ তললৈকে আৱৰি থাকে। পুৰুষসকলে গামোছাৰ দৰেই কিন্তু তাতোকৈ ডাঙৰ 'নিংটি' পিন্ধে। ৰূপৰ আ-অংলকাৰ প্ৰচলন মহিলাসকলৰ মাজত বেছি। এই অংলকাৰসমূহৰ ভিতৰত 'কটা বাজু', হাৰচাৰা, বাঘ, কাইৰ (কাণ ফুল) আদি প্ৰধান। হাজংসকলৰ নিজস্ব এক ভাষা আছে। ই অসমীয়া আৰু বঙলা ভাষাৰ সংমিশ্ৰণৰ দৰে। তেওঁলোকে ঘৰত মাতৃভাষা ব্যৱহাৰ কৰে। হাট-বজাৰ, অফিচ আদিত অসমীয়া ভাষা ব্যৱহাৰ কৰে।

**বড়ো-কাছাৰী ঃ—** অসম তথা উত্তৰ পূৰ্বাঞ্চল বাৰেবৰণীয়া জনগোষ্ঠীৰ বাসভূমি। এই জনগোষ্ঠীসমূহৰ ভিতৰত বড়োসকল অন্যতম। অসম চৰকাৰৰ ভৈয়াম জনজাতিৰ তালিকাত এওঁলোকৰ স্থান প্ৰথম। নৃগোষ্ঠীৰ ফালৰ পৰা বড়োসকল ইণ্ডো মংগোলীয়। ভাষিক দিশৰ পৰা এওঁলোক পৃথিৱীৰ দ্বিতীয় বৃহৎ ভাষাগোষ্ঠী। এওঁলোক চীন-তিব্বতীয়ৰ অসম বৰ্মী শাখাৰ অন্তৰ্গত।

ৰাজাবাৰী গাঁৱত পাঁচ ঘৰমানহে বড়ো জনজাতিৰ লোক আছে। তেওঁলোকে নিজস্বভাৱে সমাজপাতি বসবাস কৰি আহিছে। সেইকাৰণে তেওঁলোক পানীখাইতি অঞ্চলত থকা বড়োসকলৰ লগতহে সমাজ পাতিছে, ৰাজাবাৰী গাঁৱত থকা অন্য জাতিৰ লগত সমাজ পতা নাই। বড়ো-কছাৰীসকলৰ নিজস্ব মাতৃভাষা আছে। তেওঁলোকে ঘৰত মাতৃভাষা ব্যৱহাৰ কৰে; হাট-বজাৰ, অফিচ আদিত অসমীয়া ভাষা ব্যৱহাৰ কৰে। এওঁলোকৰ বেছিভাগৰে নাক চেপেটা, কপাল বহল, চকু সৰু; মুখ গোলাকাৰ আৰু গোটেই মানুহজন দেখাত চুটি-চাপৰ। গাৰ বৰণ কেঁচা হালধীৰ দৰে। সামাজিক গাঁথনিৰ ফালৰ পৰা চাবলৈ গ'লে বড়ো সমাজখন মূলতঃ পিতৃপ্ৰধান। অৰ্থাৎ প্ৰতিটো বড়ো পৰিয়ালৰ মুৰব্বী ব্যক্তিজন হ'ল পিতৃ। পিতৃৰ মৃত্যুৰ পিছত বৰ পুত্ৰগৰাকীক পৰিয়ালৰ মুখ্য ব্যক্তিৰূপে গণ্য কৰা হয়। অন্যজাতিৰ সমাজৰ দৰে বড়ো সমাজতো পিতৃৰ অবৰ্তমানত পুত্ৰসকল বা বিশেষ পৰিস্থিতিত অবিবাহিত পুত্ৰীসকল পিতৃৰ সম্পত্তিৰ অধিকাৰী হয়। বিবাহিত পুত্ৰীসকল নহয়। বড়ো-কছাৰীসকলৰ সামাজিক জীৱনত নাৰী আৰু পুৰুষৰ স্থান সমান। কেৱল খেৰাই পূজাৰ বাহিৰে অন্যান্য বিয়া-উৎসৱ, পূজা-পাৰ্বণত নাৰীৰ স্থান আছে। বড়োসকল মূলতঃ শিৱ বা বাথৌভক্ত। তেওঁলোকে সিজুগছক পবিত্ৰ গছ হিচাপে গণ্য কৰে। ঘৰৰ চোতালত উত্তৰ-পূৱ দিশত সিজুগছ ৰুই তাৰ গুৰিত বেদী তৈয়াৰ কৰি বেদীৰ চাৰিওফালে বেৰা দি মাজত বাথৌ বুঢ়ীৰ

থাপনা প্ৰতিষ্ঠা কৰি সন্ধিয়া চাকি জ্বলায়। 'বাথৌ' আৰু 'মইনাওৰেই' বড়ো-কছাৰীসকলৰ প্ৰধান দেৱ-দেৱী হ'লেও 'বসুমতী', 'আলিবুঢ়া', ৰাজপুথুৰ' আদি আন দেৱ-দেৱতাৰো পূজা-অৰ্চনা কৰে। খেৰাই পূজা, গাৰজা পূজা এওঁলোকৰ প্ৰধান ধৰ্মীয় অনুষ্ঠান। ৰাজাবাৰী গাঁৱৰ বড়োসকল কৃষিৰ ওপৰত অধিক গুৰুত্ব নিদিয়ে, ব্যৱসায়ৰ ওপৰতহে অধিক গুৰুত্ব দিয়ে। ভাত তেওঁলোকৰ প্ৰধান খাদ্য। এওঁলোকে আমিষভোজী, জীৱ-জন্তুৰ মাংস এওঁলোকৰ বৰ প্ৰিয়। শুকান মাছ এওঁলোকে সাঁচি ৰাখি খায়। এওঁলোকে চাউল বা যৱধানেৰে তৈয়াৰ কৰা মদ খায়। পুৰুষ-মহিলা উভয়ে একেলগে মদ্যপান কৰে। বড়োসকলৰ সাংস্কৃতিক পোছাক হ'ল এওঁলোকৰ পুৰুষসকলে গাৰ ওপৰত চোলা আৰু হাতে বোৱা চুটি গামোছা লেংটি মাৰি পিন্ধে। মুৰৰ ওপৰ ভাগ উদং কৰি ৰাখি একোটা পাগুৰি মাৰে। ফালি আৰনাই আদি বয় লয়। বড়ো মহিলাসকলৰ মাজত কিছুমান আকৌ পাঁচহাত দীঘল চাদৰৰ দৰে 'দখনা' পিন্ধে। ৰঙা আৰু কমলা ৰং তেওঁলোকৰ বেছি পচন্দ। তেওঁলোকক বগা আৰু নীলা শ্বাল এখন লোৱা দেখিবলৈ পোৱা যায়। কঁকালৰ ওপৰত অংশত পুৰুষৰ দৰে এটি টপ পিন্ধে। বৰ্তমান শিক্ষা গ্ৰহণ কৰা এই অঞ্চলৰ মহিলাসকলে পিন্ধনত যথেষ্ট সাল-সলনি কৰিছে। বড়ো সমাজত কোনো পুৰুষ বা তিৰোতাৰ মৃত্যু হ'লে এটা পোৱালী কুকুৰা মৃতকৰ সোঁ বা বাঁও ভৰিৰ তলুৱাৰ আগভাগত বান্ধি এড়াল দি থয়। আৰু মৃত্যুৰ ১২ বা ১৩ দিনৰ ভিতৰত শ্ৰাদ্ধ-কৰ্ম সম্পাদন কৰে। বড়োসকলৰ মাজত পাঁচ প্ৰকাৰে বিবাহ সম্পন্ন হয়— সমাজৰ নিয়মমতে বিয়া হোৱা, ল'ৰাই ঘৰত জোঁৱাই থাকি বিয়া হোৱা, ছোৱালীয়ে বিয়াৰ আগতেই ল'ৰাৰ ঘৰত গৈ বিয়া হোৱা, ছোৱালী জোৰকৈ লৈ গৈ ল'ৰাৰ ঘৰত বিয়া কৰোৱা আৰু ল'ৰা-ছোৱালী দুয়ো পলাই গৈ গোপনে বিয়া হোৱা। বৰ্তমান বড়ো সমাজত ইয়াৰ প্ৰথম তিনি প্ৰকাৰৰ স্বীকৃতি আছে। ইয়াৰ বাহিৰেও বড়োসকলৰ মাজত বিধৱা বিবাহৰো প্ৰচলন আছে।

**বঙালী ঃ—** পানীখাইতি ৰাজাবাৰী অঞ্চলত বড়ো-কছাৰী, হাজং আদি জনগোষ্ঠীৰ সৈতে বঙালীভাষী লোকেও বসবাস কৰে। এওঁলোকৰ কিছুমানে ইটা ভাটাত কাম কৰি আৰু কিছুমানে খেতি-বাতি কৰি জীৱন নিৰ্বাহ কৰি আহিছে। এই গাঁৱৰ বঙালী লোকসকলে বিশেষকৈ দুৰ্গা পূজা, লক্ষ্মী পূজা, মনসা পূজা, দীপাৱলী আৰু শ্যামা পূজা উলহ-মালহেৰে উদ্‌যাপন কৰে। ৰাজহুৱা স্থানত সমূহীয়াভাৱে এই উৎসৱ পৰ্ব পালন কৰাৰ উপৰি ব্যক্তিগতভাৱেও দুৰ্গা পূজা,

কালী পূজা বঙালী পৰিয়ালৰ লোকে উদ্‌যাপন কৰে। এওঁলোকে উদ্‌যাপন কৰা আন এক উল্লেখনীয় উৎসৱ হ'ল ভাইফোটা। ভাইফোটা পালন কৰা হয় শ্যামা পূজাৰ ঠিক পিছৰ ভাতৃ দ্বিতীয়াৰ দিনা। বায়েক বা ভনীয়েকে ভাই-ককাইৰ কপালত তিলকৰ ফোটা পিন্ধা ভাইফোটা উৎসৱ উদ্‌যাপন কৰাৰ পৰম্পৰা চলি আহিছে। ভায়েক-ককায়েকে ভনীক উপহাৰ দি আশীৰ্বাদ দিয়ে। আন আন উৎসৱ-পৰ্বৰ ভিতৰত জন্মাষ্টমী, দেৱালী, হোলী, বৈশাখী, নাগ-পঞ্চমী আদি উৎসৱসমূহো এই জনগোষ্ঠীৰ ভিতৰত কম-বেছি পৰিমানে প্ৰচলিত। সাধাৰণতে বঙালী লোকে বসবাস কৰা ঠাইবোৰত নাম সংকীৰ্ত্তনৰ একোটা দল থাকে। ৰাজাবাৰী গাঁৱত এই নাম সংকীৰ্ত্তন দল আছে। তেওঁলোকে কাতি মাহত প্ৰতিদিনে তাল-খোল, মৃদংগ বজাই ঘৰে ঘৰে নাম কীৰ্ত্তন কৰে। লগতে অন্য ঠাইতো নাম কীৰ্ত্তন গাবলৈ যায়। তদুপৰি অষ্টম প্ৰহৰতো নাম সংকীৰ্ত্তন গায়। পৰম্পৰাগত ৰূপে চলি অহা এই পৰ্বসমূহে অঞ্চলটোত বঙালীলোকৰ একতা মজবুত কৰাৰ উপৰিও তেওঁলোকৰ স্বকীয়তা অক্ষুন্ন হৈ থকাত সহায় কৰে।

বঙালীসকলৰ মাজত সকলো ধৰ্ম লোৱা মানুহ আছে। যেনে— খৃষ্টান, ইছলাম, সনাতন, অনুকূল ধৰ্ম। সনাতন আৰু অনুকূল ধৰ্মলোৱা সকলক হিন্দু বুলি জনা যায়। সনাতন ধৰ্মৰ লোকসকলে শৰণ লয় ৮ বছৰৰ পৰা ১২ বছৰৰ ভিতৰত। প্ৰত্যেক পৰিয়ালৰে এজন ধৰা-বন্ধা গুৰু থাকে, তেওঁক এই গুৰুৱে শৰণ দিয়ে। বঙালী মহিলাসকলে উৎসৱ- পাৰ্বণত বিশেষকৈ দূৰ্গা পূজাত ৰঙা পাৰী থকা বগা শাৰী পিন্ধা দেখা যায় আৰু পুৰুষসকলে ধূতি-পাঞ্জাৱী পিন্ধে। তেওঁলোকে সোণৰ অলংকাৰ বেছি পৰিধান কৰে।

ভাতেই তেওঁলোকৰ প্ৰধান আহাৰ। এওঁলোকৰ মাজত কিছুসংখ্যক আমিষ আৰু কিছুসংখ্যক নিৰামিষ ভোজী। এওঁলোকে গাহৰিৰ মাংস নাখায়। তেওঁলোকে মাছ খাবলৈ বহুত ভাল পায়। বঙালীসকলৰ নিজস্ব মাতৃভাষা আছে। তেওঁলোকে মাতৃভাষা হ'ল বাংলা। এওঁলোকে ঘৰত মাতৃভাষা কয় আৰু হাট-বজাৰ, অফিচ আদিত অসমীয়া ভাষা ব্যৱহাৰ কৰে। ৰাজাবাৰী গাঁৱৰ বঙালীসকলে অসমীয়া পাঠ্যপুথি পঢ়ে। বঙালী ভাষাত বিভিন্ন গল্প, উপন্যাস, কবিতা আদি প্ৰকাশ হৈ আহিছে। ইয়াৰ উপৰিও গীতা, ভাগৱত, পুৰাণ আদি বাংলা ভাষাত ৰচিত হৈছে।

**পানীখাইতিৰ ৰাজাবাৰী অঞ্চলৰ লোকসকলৰ উৎসৱ-পাৰ্বণ**

পৃথিৱীৰ আন আন সমাজ বা দেশৰ দৰে কামৰূপ জিলাত অৱস্থিত ৰাজাবাৰী

অঞ্চলতো বাৰ মাহত তেৰটা উৎসৱ-অনুষ্ঠান পালন কৰি অহাৰ পৰম্পৰা চলি আহিছে। পূজা-পাৰ্বণবোৰৰ ঘাইকৈ ধৰ্মৰ লগত সম্বন্ধ । গতিকে ভিন ভিন ধৰ্ম-মতাৱলম্বীৰ মাজত ভিন ভিন ধৰ্মানুষ্ঠানৰ ব্যৱস্থা আছে। ধৰ্মানুযায়ী এইবোৰক শৈৱ, শাক্ত, বৈষ্ণৱ আদি ভাগত শ্ৰেণী বিভাগ কৰিব পাৰি। কিন্তু গাঁৱত সকলো ধৰ্মৰ মানুহে একেলগে বাস কৰে; তদুপৰি এই পূজা-পাৰ্বণবোৰৰ লগত লৌকিক আনন্দ-উৎসৱ সাঙোৰ খাই আছে। গতিকে বহু ক্ষেত্ৰত শাক্তৰ পূজা-পাৰ্বণত বৈষ্ণৱে যোগ দিয়ে আৰু কেতিয়াবা বৈষ্ণৱৰ উৎসৱত শাক্তসকলেও সহযোগ কৰে। শাক্তসকলৰ পূজাৰ ভিতৰত শাৰদীয় দূৰ্গা পূজা বৰ্তমান ব্যাপকভাবে পালন কৰা হয়। আৰু শৈৱ উৎসৱৰ ভিতৰত শিৱৰাত্ৰী বিশেষ জনপ্ৰিয়।

পানীখাইতি ৰাজাবাৰী অঞ্চলত বা গাঁৱত উদ্‌যাপিত হোৱা উৎসৱ-অনুষ্ঠানসমূহক তলত দিয়া ধৰণে শ্ৰেণী বিভাগ কৰি দেখুৱাব পাৰি। যেনে—

১। ঋতুকালীন উৎসৱ অনুষ্ঠান ঃ

ক। ব'হাগ বিহু

খ। কাতি বিহু

গ। মাঘ বিহু

২। হিন্দু পঞ্জিকা আশ্ৰয়ী উৎসৱ-অনুষ্ঠান ঃ

ক। দূৰ্গা পূজা

খ। লক্ষ্মী পূজা

গ। কালী পূজা

ঘ। সৰস্বতী পূজা

ঙ। মনসা পূজা

চ। শিৱ পূজা

ছ। বিশ্বকৰ্মা পূজা

জ। গণেশ পূজা

৩। সংস্কাৰমূলক আৰু ঘৰুৱা উৎসৱ-অনুষ্ঠান।

ক। জাতকৰ্ম

খ। অন্নপ্ৰাসন

গ। বিবাহ

ঘ। মৃতকৰ শ্ৰাদ্ধাদি কৰ্ম

৪। সীমিত অংশগ্ৰহণ কৰা উৎসৱ-অনুষ্ঠান—

ক। ভেকুলীৰ বিয়া।

১। ঋতুকালীন উৎসৱ অনুষ্ঠান ঃ

কিছুমান উৎসৱ-অনুষ্ঠান বছৰৰ এটা নিৰ্দিষ্ট সময়ত কৰা হয়। বিভিন্ন ঋতুত মানুহৰ মানসিক অৱস্থা আৰু আবেগ ভিন্ন ধৰণৰ হয়। অসমত ফাগুণ-চ'ত মাহত খৰাং হৈ গছবোৰৰ পাত সৰে আৰু কোনো ঠাইত গছবোৰ লেৰেলিও পৰে। পাহাৰবোৰ শুকাই যায়। কিন্তু ব'হাগ মাহত বৰষুণ পৰাৰ লগে লগে সেইবোৰ ঠন ধৰি উঠি সেউজীয়া পৰিবেশ সৃষ্টি কৰে। গছবোৰত কুঁহি-কোমল পাত, ফুল, ভিন্ন ৰঙী চৰাই-চিৰিকটিৰ আগমনত অসমৰ প্ৰকৃতি ভৰি পৰে। প্ৰকৃতিৰ লগতে সুৰ মিলাই মানৱ মনেও সেই সময়ছোৱাতেই নাচি-বাগি গীত-বাদ্যৰ যোগেদি মনৰ আবেগ প্ৰকাশ কৰে। ব'হাগ মাহত বিহুগীত-নৃত্যই প্ৰাণ চঞ্চল কৰা যিটো পৰিবেশৰ সৃষ্টি কৰিব পাৰে বছৰৰ আন সময়ত তেনে কৰিব নোৱাৰি। সেয়ে ব'হাগৰ বিহু, কাতি বিহু, মাঘ বিহু, ফাকুৱা আদি ঋতুকালীন উৎসৱ।

**ক) ব'হাগ বিহু ঃ—** জাতীয় উৎসৱৰ ভিতৰত বিহুৱেই প্ৰধান। চ'ত আৰু ব'হাগৰ মহাবিষুৱ সংক্ৰান্তিত ব'হাগ বিহু পালন কৰা হয়। ৰং আনন্দৰে পালন কৰা হয় বাবেই এই বিহুক ৰঙালী বিহু বুলিও কোৱা হয়। ই মুলতঃ কৃষিপ্ৰধান উৎসৱ। সেইদিনা ৰাতিপুৱা মানুহে গা-পা ধুই গোসাঁই ঘৰত চাকি-বন্তি জ্বলাই নাম-প্ৰসংগ কৰে। সৰুৱে ডাঙৰক সেৱা কৰে আৰু ডাঙৰে সৰুক আশীৰ্বাদ কৰে। দুপৰীয়া সকলোৱে মিলি জা-জলপান, পিঠা-পনা, সান্দহ, দৈ-চিৰা আদি খায়। আবেলি ল'ৰা-ছোৱালীবোৰে ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে পতা খেল-ধেমালী প্ৰতিযোগিতা সমূহতো যোগদান কৰে। প্ৰতিযোগিতাত পাৰদৰ্শিতা দেখুওৱা ল'ৰা-ছোৱালীবোৰক পুৰস্কাৰ দি উৎসাহিত কৰা হয়। সংক্ৰান্তিৰ দিনা গৰু বিহু পালন কৰা হয়। সেইদিনা গৰুক মাহ-হালধিৰে নোৱাই-ধৰাই গো-সেৱা কৰা হয় আৰু গৰুক নতুন পঘা দিয়া হয়। চোতালত গধূলি বিচনীৰে গোঁসাইক, গৰুক বিচি দিয়ে। তাৰ পিছৰ পৰাহে মানুহে বিচনী ব্যৱহাৰ কৰে। দ্বিতীয় দিনা মানুহ বিহু। ৰাতি হুঁচৰি গায়। ঢোপ খেলা, মালযুঁজ কৰা, তেল দিয়া, বিহুনাম, হুঁচৰি নাম আদি গোৱা আৰু কড়ি, পাশা খেলা এই বিহুৰ অঙ্গস্বৰূপ। তৃতীয় দিনা গোসাঁই বিহু, অৰ্থাৎ নামঘৰ হৰিমন্দিৰত নাম-কীৰ্ত্তন আদিৰে উৎসৱ পালন কৰা হয়। গোটেই ব'হাগ মাহ জুৰি আনন্দ-উৎসৱ চলি থাকে। এই বিহুত

কণ কণ ল'ৰা-ছোৱালীৰ পৰা ডেকা-গাভৰুলৈকে সকলোৱে মিলি মুকলি পথাৰত আৰু ঘৰে ঘৰে গৈ বিহু নাচ, হুঁচৰি আদি গায়। তিৰোতাসকলে বিহুৱান বয় আৰু পৰিয়ালৰ প্ৰত্যেকজনকে আৰু মিতিৰ-কুটুমকো একো সাজ দিয়ে। এই বিহুত সকলোৱে নতুন সাজ-পাৰ লয় বা নতুন কাপোৰ লয়।

**খ) কাতি বিহু ঃ—** আহিন-কাতিৰ সংক্ৰান্তিৰ দিনা কাতি বিহু বা আহিন আৰু কাতি মাহৰ দোমাহীৰ দিনা এই বিহু পালন কৰা হয়। এই বিহু অভাৱ-অনাটনৰ দিনত হোৱা বাবে এই বিহুক কঙালী বিহু বোলে। দোমাহীৰ দিনা চোতালৰ আগত তুলসী ৰুই তাত গধূলি চাকি দিয়া হয়। ইও কৃষি বা শস্য উৎসৱ আৰু খেতি-বাতিৰ মঙ্গলৰ কাৰণে এই বিহুত বিবিধ বিধি-বিধান পালন কৰা হয়। সেই দিনা আলু-কচু আৰু ভেঁট-শেলেকু খোৱাৰ নিয়ম। এই দিনত তুলসী তলত বন্তি লগাই নাম গায়, ভঁৰালৰ গুৰিত বন্তি জ্বলোৱা হয়।

**গ) মাঘ বিহু ঃ—** পুহ আৰু মাঘ মাহৰ দোমাহীৰ দিনাখন পালন কৰা বিহুক মাঘ বিহু বোলে। মাঘ বিহু খেতি চপোৱাৰ আনন্দ উৎসৱ; ই এক প্ৰকাৰ নৱান্ন বা পিঠা-উৎসৱ। মাঘ বিহুৰ আগে আগে খেতিয়কে খেতি চপাই ভঁৰালত থয়। এই বিহুৰ সময়ত ধনী-দুখীয়া প্ৰায় সকলোৰে ঘৰত খোৱা বস্তুৰ অভাৱ নহয়। ভোগৰ উভৈনদী হয়। সেয়েহে এই বিহুক ভোগালী বিহু বোলে। মাঘ বিহুৰ আগদিনাক উৰুকা বোলে। উৰুকাৰ দিনা বাঁহ, খেৰ, শুকান কলপাত, নৰাৰে মেজি সাজি সকলোৱে মিলি ৰংৰহইচৰে ভোজ-ভাত খায়। বিহুৰ দিনাখন দোকমোকালিতে বা ৰাতিপুৱাৰ আগে আগে গা পা ধুই মেজি জ্বলায়। বিহুৰ সময়ত ঠায়ে ঠায়ে ম'হযুঁজ, কণীযুঁজ, কুকুৰা যুঁজ আদিৰে আনন্দ উপভোগ কৰে যদিও এই গাঁৱত এইবোৰ যুঁজ পতা নহয়। পুৱা গা-পা ধুই গোসাঁই ঘৰত চাকি-বন্তি জ্বলাই মাহ-প্ৰসাদ দি সেৱা কৰে। তাৰ পাছত সৰুৱে ডাঙৰক সেৱা কৰে আৰু ডাঙৰে সৰুক আশীৰ্বাদ দিয়ে। ইয়াৰ পাছত সকলোৱে মিলি জা-জলপান, পিঠা, লাড়ু, মাহ-কৰাই, দৈ-ক্ৰীম, চিৰা আদি খায়।

মুঠতে বিহুৱে অসমীয়া জাতিৰ সংস্কৃতি আৰু সভ্যতা দখল কৰি আহিছে।

**২। হিন্দু পঞ্জিকা আশ্ৰয়ী উৎসৱ-অনুষ্ঠান ঃ**

পঞ্জিকাত বিভিন্ন দেৱ-দেৱীৰ পূজা অৰ্চনা, উৎসৱ-অনুষ্ঠান আৰু বছৰৰ পবিত্ৰ দিনসমূহৰ উল্লেখ আছে। গাঁৱলীয়া মানুহৰ ধৰ্মমূলক আৰু সামাজিক জীৱনৰ লগত এইবোৰ ওতঃপ্ৰোতভাৱে জড়িত। এইবোৰ পালনৰ আচাৰ-ব্যৱস্থা,

ক্ৰিয়া-কাণ্ড, উপবাস, স্নান, দান আৰু দক্ষিণাৰ নিয়মৰ বিষয়ে শাস্ত্ৰৰ বিধি আছে। ইয়াৰ বাহিৰেও ভালেমান আঞ্চলিক পূজা-পাৰ্বণ আৰু লৌকিক উৎসৱ-অনুষ্ঠান গাঁৱৰ মানুহে গোটেই বছৰ পালন কৰে।

ক) দুৰ্গা পূজা ঃ— সৰ্ব শক্তিমান সত্ত্বাৰ ওপৰত জনগণৰ বিশ্বাস অতিকে প্ৰাচীন। এই শক্তি বা সত্ত্বাই মানৱৰ কল্পনাত বিভিন্ন ৰূপে আত্মপ্ৰকাশ কৰিছে। অসমত দুৰ্গা পূজাৰ ইতিহাস প্ৰাচীন। অসমৰ বিভিন্ন ঠাইত পোৱা দুৰ্গা মূৰ্ত্তি আৰু কালিকা পুৰাণৰ বিৱৰণৰ পৰা অনুমান কৰি ক'ব পৰা যায় যে অন্ততঃ নৱম শতিকামানৰ পৰাই অসমত দুৰ্গা পূজা চলিছিল। বৰ্তমান যুগত দুৰ্গা পূজা বঙ্গদেশৰ জাতীয় উৎসৱৰূপে পৰিগণিত হৈছে। দূৰ্গাদেৱী দশভূজা। তেওঁৰ সোঁ-কাষত ঐশ্বৰ্য-বিভূতিৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মী আৰু সিদ্ধিদাতা গণেশ, বাঁও কাষত বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী আৰু বীৰ্যবান দেৱতাসকলৰ সেনাপতি কাৰ্ত্তিক। একেখন বেদীতে এইসকল দেৱ-দেৱীৰ স্থাপনত এক বিশেষ অৰ্থ নিহিত হৈ আছে। জগতৰ আদ্য শক্তি দুৰ্গাই দহহাতে দহ অস্ত্ৰ লৈ অসুৰসকলক দমন কৰি বিশ্ববাসীৰ মাজত মহাশক্তি প্ৰতিষ্ঠা কৰিছে। আহিন মাহৰ শুক্লা পঞ্চমী তিথিত দুৰ্গা পূজা হয়। পানীখাইতি ৰাজাবাৰী অঞ্চলটোত ষষ্ঠী তিথিৰ পৰাই দুৰ্গা পূজা কৰা হয়। ষষ্ঠী তিথিৰ দিনা পুৰোহিতে বেলগছৰ তলত বিধিপূৰ্বক পূজা কৰি এযুৰি বেল পূজা স্থলীলৈ বৰণ কৰি আনে। এই বেল অনা কৃত্য 'বেলবৰণ' ৰূপে পৰিচিত। বেলবৰণৰ যোগেদি দেৱীৰ বোধন আৰু অধিবাস হয়। সপ্তমী, অষ্টমী আৰু নৱমী এই তিনিটা তিথিত দেৱীৰ ভক্তসকলে পুৰোহিতৰ পৰিচালনাত ষোড়শোপচাৰে দেৱীক পূজা কৰি ভক্তি অঞ্জলী প্ৰদান কৰে। অষ্টমী আৰু নৱমী তিথিৰ সন্ধিক্ষণত যি বিশেষ পূজা অনুষ্ঠিত হয় তাক সন্ধি পূজা বোলে। দশমী তিথিত দেৱী বন্দনা আৰু আৰাধনাৰ সকলো কাম সমাপ্ত হয় আৰু দেৱীক বিসৰ্জন দিয়া হয়। পূজাৰ এই পবিত্ৰ অনুষ্ঠানত ধূপ-ধূণা আৰু হোমৰ গোন্ধ, ডবা, কাঁহ, শংখ-ঘণ্টাৰ সমলয়ে মানুহৰ অন্তৰে অন্তৰে অসীম পবিত্ৰতা আনি দিয়েহি। বঙালীসকলে আত্মীয়সকলৰ সৈতে স্নেহ কৰি পৰস্পৰক শ্ৰদ্ধা, ভক্তি আৰু শুভেচ্ছা নিবেদন কৰে। এই অনুষ্ঠানটি বিজয়া নামে জনাজাত। দুৰ্গা পূজাৰ লগতে পূজাৰ মেলা আদিও অনুষ্ঠিত হয়। আটক ধুনীয়াকৈ সজোৱা মণ্ডপত দেৱী দুৰ্গা আৰু অন্যান্য দেৱ-দেৱীৰ মূৰ্ত্তী স্থাপন কৰা হয়। পূজাস্থলীত নানান দোকান-পোহাৰ আৰু বৈদ্যুতিক সজ্জাই মেলাৰ সৃষ্টি কৰে। বৰ্তমান সময়ত এই

পূজাত সকলো শ্ৰেণীৰ মানুহেই সহযোগীতা কৰাৰ ফলত ই এক উদাৰ সামাজিক অনুষ্ঠানত পৰিণত হৈছে। দুৰ্গা পূজা বঙালীসকলৰ পাৰিবাৰিক জীৱনত মিলনৰো উৎসৱ বুলি ক'ব পাৰি। সুদীৰ্ঘ প্ৰবাসী বা বিদেশত জীৱন-যাপন কৰাৰ পাছতো পূজাৰ সময়ত ভাই-ককাই, আত্মীয়-স্বজন ঘৰলৈ আহে। সকলোৱে নিজৰ সাধ্যানুসাৰে নতুন কাপোৰ পিন্ধি এই উৎসৱত আগ-ভাগ লয়। এই উৎসৱে মানুহৰ মাজত সামাজিক, নৈতিক, আধ্যাত্মিক বন্ধন দৃঢ় হয়।

খ) লক্ষ্মী পূজা ঃ—

সমৃদ্ধি, সৌভাগ্য আৰু ধন-সম্পত্তিৰ অধিকাৰিণী হিচাপে পূজিত দেৱী গৰাকীৰ নাম লক্ষ্মী দেৱী। শ্ৰী, কমলা, গজলক্ষ্মী, মহালক্ষ্মী আদি নামেৰেও দেৱী গৰাকীক জনা যায়। লক্ষ্মী দেৱী বিষ্ণুৰ পত্নী। লক্ষ্মীৰ বাহন ফেঁচা। বিশ্ব পালনৰ অৰ্থে তেওঁ ভিন্ন ৰূপ ধাৰণ কৰে। তেৱেঁই দুৰ্গা, লক্ষ্মী, জগদ্ধাত্ৰী। বঙালী সমাজত এই পূজাক বিশেষ স্থান দিয়া হয়। তেওঁলোকে লক্ষ্মীপূজাৰ দিনা পূজা কৰাৰ উপৰিও প্ৰত্যেক বহস্পতিবাৰে লক্ষ্মীক ঘট বহাই পূজা কৰে। এই গাঁৱৰ বঙালী লোকসকলেও এই পূজা মানে সেইটো নহয়, ইয়াত বাস কৰা বড়ো, কছাৰী, হাজং আদি লোকসকলেও এই পূজা কৰে।

দূৰ্গা পূজা শেষ হোৱাৰ পাঁচদিনৰ পিছত লক্ষ্মীপূজা কৰা হয়। ৰাজাবাৰী গাঁৱত ৰাস পূজা কৰা ঠাইতে সকলো ডেকা ল'ৰা মিলি একেলগে লক্ষ্মী পূজা কৰে। লক্ষ্মী পূজাৰ দিনা এই গাঁওৰ বঙালীসকলে ঘৰে ঘৰে পূজা কৰে। কাতি মাহৰ পূৰ্ণিমা তিথিত এই পূজা কৰা হয়। লক্ষ্মী পূজা ৰাতি কৰা হয়। এই পূজাৰ দিনা বঙালীসকলে ঘৰৰ দুৱাৰত আৰু মন্দিৰত আল্পনা আঁকে আৰু বহুতো লাড়ু, ফল-মূল, পায়স আদি পূজাৰ সময়ত প্ৰসাদ হিচাপে দিয়া হয়।

গ) কালী পূজা ঃ— শাৰদীয় দুৰ্গা পূজাৰ পিছৰ অমাৱস্যা তিথিত কালী পূজা কৰা হয়। ৰাজাবাৰী গাঁৱৰ কোনো কোনো ঘৰৰ মন্দিৰত কালী পূজাৰ নিৰ্দিষ্ট তিথিৰ উপৰিও বছৰৰ যিকোনো উৎসৱ-অনুষ্ঠানৰ সময়ত অনুষ্ঠিত কৰে। ৰাজাবাৰী গাঁৱত ৰাস পূৰ্ণিমা হোৱা ঠাইতে ৰাজহুৱা ভাৱে ফাগুণৰ পৰা জেঠ মাহৰ ভিতৰত কালী পূজা অনুষ্ঠিত কৰা হয়। লগতে প্ৰতি বছৰে দীপাৱলীৰ সময়ত এই গাঁৱত কালী পূজা কৰা হয়। কালী মাৰ বিভিন্ন নাম যেনে— শ্যামা কালী, শ্মশান কালী, তাৰিণী, চামুণ্ডা আদি নামে পৰিচিত। এই গাঁৱত কেইঘৰমান ঘৰত ছোৱালী বিয়া দিয়া বা ল'ৰা বিয়া কৰোৱাৰ সময়তো কালী পূজা কৰা

দেখা যায়। কাৰণ তেওঁলোকৰ পূৰ্বপুৰুষৰ সময়ৰ পৰাই এই পূজা চলি আহিছে। এই পূজা কৰোতে ব্যৱহাৰ হোৱা কিছুমান উপকৰণ তলত উল্লেখ কৰা হ'ল— সিন্দুৰ, তিল, ধূপ-ধূনা, ফুল, বেলপাত, দুৱৰি, হৰতকী, ঘট, দৈ, মধু, তুলসী, পাণ, পূজাৰ বা দেৱীৰ বাবে শাৰী, পুৰোহিতৰ বাবে ধূতি লগতে দক্ষিণা দিয়া হয়। এই পূজাত কোনো কোনোৱে বলিও দিয়ে। বলিৰ বাবে ছাগলী, হাঁহ, পাৰ আদি দিয়া হয়।

**ঘ) সৰস্বতী পূজা** ঃ— সৰস্বতী দেৱীক ভাৰতীয় ছাত্ৰ-ছাত্ৰীসকলে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী বুলি জ্ঞান কৰে। সেয়ে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ই এটা ডাঙৰ পূজা বা উৎসৱ। এই উৎসৱ সকলো বিদ্যালয়তে অনুষ্ঠিত হয়।

মাঘ মাহৰ শুক্লা পঞ্চমী তিথিত সৰস্বতী পূজা কৰা হয়। প্ৰতি বছৰে এই তিথিতেই সৰস্বতী পূজা হয় বাবে এই তিথিটো 'শ্ৰী পঞ্চমী' তিথি বোলে। ৰাজাবাৰী গাঁৱৰ প্ৰাথমিক বিদ্যালয়ত এই পূজা কৰা হয়। পূজাৰ কেইদিনমান আগৰ পৰাই ছাত্ৰ-ছাত্ৰীবোৰৰ গাত তত্ নাইকিয়া হয়। ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়ৰ আচ্‌বাব-পত্ৰ, বিদ্যালয় ঘৰটো আৰু বিদ্যালয়খনৰ চাৰিওফাল চাফ্-চিকুণ কৰে। পুজাৰ আগদিনা মূৰ্ত্তি প্ৰতিষ্ঠা কৰে। কিছুমান বিদ্যালয়ত ঘট স্থাপন কৰি ঘট পূজাও কৰে। পূজাৰ দিনাখন ৰাতিপুৱাই ছাত্ৰ-ছাত্ৰীসকলে গা-পা ধুই নিজৰ নিজৰ কিতাপ কলম, ফলি আদি লৈ আহি দেৱীৰ মূৰ্ত্তীৰ আগত দিয়ে— এই বিশ্বাসত যাতে তেওঁলোকে পঢ়া-শুনা ভালদৰে কৰিব পাৰে। ৰাতিপুৱা পূজাৰী আহি পূজা আৰম্ভ কৰে। আৰু পূজা শেষ হ'লে সকলো ছাত্ৰ-ছাত্ৰীয়ে একেলগে পুষ্পাঞ্জলী লয়। পুষ্পাঞ্জলি দিয়াৰ পাছত প্ৰসাদ বিতৰণ কৰা হয়। প্ৰসাদ বিতৰণৰ পাছত ছাত্ৰ-ছাত্ৰীসকলে একেলগে মিলি-জুলি চাউল-দাইল মিহলি কৰি তৈয়াৰ কৰা খিচিৰি, তৰকাৰী, বিলাহীৰ টক, পায়স, মিঠাই আদি খায়। পূজাখন ভালদৰে চলাবৰ বাবে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এখন কমিটি গঠন কৰে। এই কমিটিখনত শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকল থাকে। তেওঁলোকে সকলোৱে মিলি পূজাখন সুচাৰুৰূপে চলায়। আবেলি আমন্ত্ৰিত অতিথিসকল আহিলে তেওঁলোকক আদৰ-অভ্যৰ্থনা জনায় আৰু প্ৰসাদ দিয়ে। পূজাৰ পিছদিনাখন সকলো ছাত্ৰ-ছাত্ৰী মিলি দেৱীক পূজা-অৰ্চনা কৰি দেৱী মূৰ্ত্তী লৈ সংকীৰ্ত্তন কৰি নদী বা বিলত বা পুখুৰীত দেৱীক বিসৰ্জ্জন দিয়ে।

**ঙ) মনসা পূজা** ঃ— অসমত মনসা পূজাৰ প্ৰচলন বহু প্ৰাচীন। মা-মনসা

দেৱীৰ পৰা কৃপাধন্য হ'বলৈ এই পূজা অসমত সৰ্বাধিকভাৱে কৰা দেখা যায়। পানীখাইতিত ৰাজাবাৰী অঞ্চলত ঘৰে ঘৰে এই পূজা কৰা দেখা যায়। এই পূজা কৰিবলৈ ভয় কৰে যদিও পূজাটো কৰে। কাৰণ প্ৰবাদ মতে পূজাত কিবা দোষ লাগিলে হেনো ঘৰখনৰ সাংঘাতিক বিপদ হয়। মনসা দেৱী হেনো খঙাল। সৰ্বধৰ্মীয় ঐশী গুণৰ এই মংগলময় পূজাক দেৱতাৰ শাৰীলৈ নিয়া হৈছে। তেওঁক আৰাধনা কৰিলে আনন্দ পায়। প্ৰাচীন বৈদিক সমাজে মহাভাৰত, পুৰাণত সৰ্প পূজাৰ ইংগিত দি থৈ গৈছে। দেৱীৰ আগত মাটিৰ ঘট এটা বেদীত থৈ ৰাইজৰ অপায়-অমঙ্গল দূৰ কৰাৰ বাবে পূজা কৰে। এই পূজাত বলি-বিধান হয় আৰু বলিৰ বস্তু এৰি দিয়াও হয়। মনকৰ, দুৰ্গাবৰ আদিয়ে দেৱী পূজাৰ গীত ৰচনা কৰি গৈছে। এওঁলোকৰ মতে এই পূজা বাৰিষা কালত হয়। " পদ্মপুৰাণৰ মতে বাৰিষা কালত ঘট বেদীত স্থাপন কৰি পূজা কৰিব লাগে। পূজাত সিজুগছ, তুলসী, ধূপ-ধূণা, পদুম, বেলপাত লাগে। উপাসনাৰ মাধ্যমেৰে এই পূজা একপুৰীয়া, তিনিপুৰীয়া, বহুপুৰীয়াকৈয়ো পাতে। মানে এদিনীয়া, তিনিদিনীয়া ইত্যাদি। পানীখাইতি ৰাজাবাৰী অঞ্চলত বাৰিষা শাওণ মাহত এমাহ জুৰি ৰাতি পদ্মপুৰাণ পঢ়া হয়, লগতে গানো গোৱা হয়। এমাহৰ পিছত ব্যক্তিগতভাৱে এই পূজা কৰা হয় আৰু কিছুমানে আকৌ ৰাজহুৱা ভাৱেও কৰে। সুখৰ বাহকৰূপী মা-দেৱীয়ে ৰাইজৰ মঙ্গলহে কৰে। এই পূজাক 'ডালা' পূজা বুলিও কোৱা হয়। ডলাত কুঁহিলাৰ মনসাৰ মূৰ্ত্তি সাজি তাত গোটে গোটে মাহ-প্ৰসাদ, কল, সিজুৰ পাত, কচুৰ ফুল, বাঁহৰ পাত, ভেঁট ফুল ৰাখে। ভেঁটফুলৰ মালা দেৱীক পিন্ধায়। গাখীৰৰ পানী ছটিয়াই ভক্তিৰে অষ্টনাগৰ প্ৰসাদসহ তুলসী, ফুলেৰে ডলাতে মনসাক আনি নদীত উটুৱাই দিয়ে। ইয়াৰ পূজাভাগ যিকোনো সুবিধাৰ দিনত পাতে। সন্তানৰ বিয়াৰ আগতো পূজা কৰে। দৰা-কইনা সোমাওতে মনসা মন্দিৰত সেৱা কৰি সোমাব লাগে।

**চ) শিৱ পূজা ঃ—** শিৱ পূজা বা শিৱৰাত্ৰি অসমৰ শৈৱ ভক্তসকলৰ এক প্ৰধান উৎসৱ। শাক্ত মঠ-মন্দিৰ, দেৱালয়তকৈ শৈৱ মঠ-মন্দিৰ দেৱালয়ৰ সংখ্যা বেছি। আনকি প্ৰাচীন হিন্দু ৰজা, আহোম ৰজা, কোচ ৰজাসকলো আছিল শিৱ উপাসক। শৈৱ-উপাসনাৰ অন্যতম স্থান পিংগলেশ্বৰ মন্দিৰ। ৰাজাবাৰী শিৱ মন্দিৰতো নিত্য শিৱৰ পূজা-অৰ্চনা চলে। পূজাৰ অন্তত পকা ভোগ আগবঢ়োৱা হয়। শিৱৰাত্ৰিত অৱশ্যে চাৰি প্ৰহৰত চাৰিটা পূজা কৰা দেখা যায়। শিৱৰ এহাতে

ত্ৰিশূল, আনটো হাতত ডম্বৰু অৰ্থাৎ এফালে ধ্বংস, আনহাতে সুন্দৰৰ সৃষ্টিৰ প্ৰতীক, কঁকালত বাঘৰ ছাল, গাত ভষ্ম, শিৰত জঁটা আৰু প্ৰধান সহচৰী হ'ল নন্দী আৰু ভৃংগী। লগত প্ৰধান বাহন হিচাপে বৃষভ। শিৱ অৰ্চনাৰ বাবে এটা দিন ধাৰ্য কৰা হৈছে। এই দিনটো ফাগুণ মাহৰ কৃষ্ণ পক্ষৰ চতুৰ্দ্দশী তিথিৰ ৰাত্ৰি। এই ৰাত্ৰিকে শিৱৰাত্ৰি বোলে। এই পূজাৰ দুটা আনুষঙ্গিক দিশ হ'ল বৃহৎ মেলা আৰু শিৱ পূজাৰ নৈৱেদ্যৰ নামত নিচাযুক্ত দ্ৰব্য ভাং, ঘোটা আদি। এইজন দেৱতা জনসাধাৰণৰ ইমান ওচৰ চপা হোৱাৰ কাৰণ হ'ল শক্তি অনুসাৰে ভক্তি কৰিলেই তেওঁ সন্তুষ্ট হয়। গতিকে ভোলানাথ শিৱ সাধাৰণ ৰাইজৰ প্ৰধান উপাস্য দেৱতা হৈ পৰাটো স্বাভাৱিক।

**ছ) বিশ্বকৰ্মা পূজা ঃ—** শিল্প কৰ্ম আৰু ব্যৱসায় প্ৰতিষ্ঠানৰ লগত জড়িত দেৱ-দেৱীসকলৰ মাজত বিশ্বকৰ্মা অন্যতম। প্ৰজাপতি ব্ৰহ্মাৰ নিচিনাকৈ বিশ্বকৰ্মা এই ব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তা। "ঋকবেদৰ মতে বিশ্বকৰ্মা জন্মৰহিত।" তেওঁৰ নাভিৰ পৰা বিশ্বব্ৰহ্মাণ্ডৰ উৎপত্তি হৈছে। স্কন্দপুৰাণৰ মতেও ব্ৰহ্মাই বিশ্বকৰ্মা।

পানীখাইতিত ৰাজাবাৰী অঞ্চলত বিশ্বকৰ্মা পূজাৰ পৰম্পৰা তুলনামূলকভাৱে অৰ্বাচীন। যন্ত্ৰ-পাতিৰ লগত জড়িত ব্যক্তিসকলেও তেওঁলোকৰ সামগ্ৰীবোৰে যাতে কৰ্মস্থলীত নিয়াৰিকৈ কৰ্ম সম্পাদন কৰে আৰু তাৰ বাবে ভাদ্ৰ আৰু আহিন মাহৰ সংক্ৰান্তিত দেৱতাগৰাকীক হোম যজ্ঞৰে পূজা-উপাসনা কৰে।

**জ) গণেশ পূজা ঃ—** শুভ কৰ্ম বা পূজা উপাসনাদিৰ প্ৰাৰম্ভত গণেশ পূজা আগবঢ়োৱাৰ পৰম্পৰা প্ৰচলিত হৈ আহিছে। গণেশ বা গণেশ্বৰ ৰুদ্ৰগণৰ অধিপতি। শিৱ পুৰাণ, স্কন্দপুৰাণ, বৃহদ্ধৰ্ম পুৰাণ, দেৱী পুৰাণ, মৎস্য পুৰাণ, বামণ পুৰাণ আৰু ব্ৰহ্মবৈৱৰ্ত পুৰাণত গণেশ শিৱ-পাৰ্বতীৰ সন্তান ৰূপে স্বীকৃত হৈছে।

গণেশৰ জন্মৰ লগত জড়িত আৰু লোকসমাজত প্ৰচলিত মিথ এটিত গণেশ আৰু ইন্দ্ৰৰ সম্পৰ্ক লক্ষ্য কৰা যায়। শিৱৰ ঔৰসত পাৰ্বতীৰ গৰ্ভজাত অপূৰ্ব ৰূপ-লাৱণ্য বিশিষ্ট সন্তানটিক চাবলৈ সকলো দেৱতা আহিল, কেৱল নাহিল শনি। নৱজাত ভাগিনীয়েকক উপহাৰ দিয়াৰ ভয়ত নহা বুলি ভাবি পাৰ্বতীয়ে শনিক ভৰ্ৎসনা কৰিবলৈ ধৰিলে। উপায়ানান্তৰ হৈ শনি কৈলাশলৈ আহিল আৰু কেৰাহিকৈ চোৱাৰ লগে লগে শিশুৰ মূৰটো চিঙি পৰিল। এনে অঘটন ঘটাত দেৱতাসকলৰ পৰামৰ্শ মতে শিৱৰ পালি-প্ৰহৰিয়ে উত্তৰাভিমুখে যাত্ৰা কৰি উত্তৰ দিশৰ ফালে মুখ কৰি শুই থকা ইন্দ্ৰৰ ঐৰাৱতৰ মূৰটো কাটি আনি শিশুৰ স্কন্দত

সংযোগ কৰিলে। হস্তী মুণ্ড বিশিষ্ট শিশুটি দেৱতাসকলে গণেশ মাতৃক আশ্বাস দি ক'লে যে শিশুটি দেৱতা আৰু মানৱৰ দ্বাৰা অগ্ৰপূজা হ'ব।

গণেশৰ বাহন এন্দুৰ, মুণ্ড হাতীৰ। এই দুবিধ জন্তুৰ লগত গণেশৰ সম্পৰ্কৰ পৰা অনুমান কৰিব পাৰি যে গণেশ মূলতঃ অনা-আৰ্য দেৱতা। বিঘিনি দূৰীকৰণ, মহাজ্ঞান আৰোপণ আৰু সিদ্ধিদাতা বাবে গণেশক সকলো কৰ্মৰ আৰম্ভতে বিশেষকৈ ব্যৱসায়ীসকলে পূজা কৰি আহিছে। আনবোৰ ঠাইত দুৰ্গা পূজাৰ প্ৰতিমাৰ লগত, সৰস্বতী পূজাৰ আগদিনা অৰ্থাৎ মাঘী চতুৰ্থী, নতুন বছৰৰ আৰম্ভণিত ব্যৱসায়ীসকলে পতা অনুষ্ঠান 'হালখাতা' আৰু নতুনকৈ ব্যৱসায় প্ৰতিষ্ঠান আৰম্ভ কৰাৰ প্ৰাক্‌মুহূৰ্তত গণেশ পূজা কৰা দেখা যায়। গণেশৰ মূৰ্তিত তৈল মিশ্ৰিত সেন্দুৰ প্ৰলেপন পূণ্য কৰ্ম। গণেশ মূৰ্তি অবিহনে জীৱন্ত হস্তীৰ কপালত তৈল মিশ্ৰিত সেন্দুৰৰ ফোঁট দিয়াৰ ফল লাভ হয় বুলি লোক সমাজত বিশ্বাস প্ৰচলিত আছে।

ৰাজাবাৰী ৰাইজে মিলি প্ৰতিবছৰে গণেশ মন্দিৰত পূজা-উপাসনা আগবঢ়োৱা দেখা যায়। গণেশৰ পূজা শাস্ত্ৰীয় আৰু লৌকিক উভয় পদ্ধতিত সম্পন্ন হ'ব পাৰে। ইয়াৰ উপৰিও এই গাঁওৰ লোক বিশ্বাসমতে গাই গৰুটোৱে পোৱালি দিলে এক মাহ পিছত গণেশ মন্দিৰত সেই গৰুৰ গাখীৰ, কল, সেন্দুৰ, ধূপ, ধুণা, ফুল আদিৰে পূজা দিয়া হয়। এই পূজা দিলে গৰু পোৱালীটো ভালে থাকে আৰু পূজা নিদিলে পোৱালিটোৰ কিবা ক্ষতি হ'ব বুলি লোকসকলে বিশ্বাস কৰে।

**৩) সংস্কাৰমূলক আৰু ঘৰুৱা উৎসৱ-অনুষ্ঠান অথবা জীৱনবৃত্তৰ লগত জড়িত উৎসৱ-অনুষ্ঠান ঃ**

এই শ্ৰেণীৰ অনুষ্ঠানসমূহৰ ভিতৰত তলত উল্লেখ কৰা অনুষ্ঠানকেইটাই পানীখাইতি ৰাজাবাৰী অঞ্চলৰ প্ৰধান অনুষ্ঠান। যেনে — ক) জাতকৰ্ম, খ) অন্ন প্ৰাসন্ন, গ) বিবাহ আৰু ঘ) মৃতকৰ শ্ৰাদ্ধাদি কৰ্ম ইত্যাদি।

**ক) জাতকৰ্ম ঃ —** স্ত্ৰীৰ আসন্ন প্ৰসৱৰ মাহটোৰ পূৰ্বে বিশেষ ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। এই ব্যৱস্থাৰ প্ৰথম কামটো হ'ল ঘৰৰ ভিতৰত উপযোগী স্থান নিৰ্বাচন কৰি লোৱাটো। এই ঘৰটোক সূতিকা ভৱন বা প্ৰসূতিগৃহ বোলে। প্ৰসৱ বেদনা আৰম্ভ হোৱাৰ লগে লগে গৰ্ভিনীক প্ৰসূতি গৃহত প্ৰৱেশ কৰোৱা দেখা যায়। ঘৰটোৰ বাহিৰৰ চাৰিওফালে বেৰৰ ফুটাবোৰ আৰু দুৱাৰমুখত বেতৰ শিহঁনি, বৰণৰ ডাল, বগৰীৰ কাঁইট, ফটা জাল আদি বান্ধে। অপশক্তি বা অনিষ্টকাৰী

ভূত-প্ৰেত আদিৰ পৰা গৰ্ভিনীক ৰক্ষা কৰিবৰ বাবে এইবোৰৰ প্ৰয়োজন। ঘৰটোৰ ভিতৰত জুই, পানী, টুকন, চাকি, লোৰ অস্ত্ৰ, সৰিয়হ আদি সযতনে ৰখা উচিত। কিয়নো প্ৰসূতিৰ ওচৰত এইবোৰ থাকিলে তেজপিয়া নামৰ ভয়ানক দৈত্যবিলাকে সদ্যোজাত শিশুটিক অপকাৰ কৰিব নোৱাৰে বুলি তেওঁলোকে বিশ্বাস কৰে। মাতৃ গৰ্ভৰ পৰা সন্তানটি নিৰ্গত হৈ যাতে মাটিত নপৰে তাৰ উপায় স্বৰূপে এখন আগলতি কলপাত যথোপযুক্ত স্থানত ৰখা হয়। ভূমিষ্ঠ সন্তানৰ ক্ৰন্দন ধ্বনি, শংখ ঘণ্টা বা অন্যান্য বাদ্য-যন্ত্ৰ বজোৱা হয়। বেজেনীয়ে কেঁচা বাঁহৰ চোঁচেৰে নৱ-জাতকৰ নাভী ছেদন কৰি কুহুমীয়া পানীৰে স্নান কৰায়। ইয়াক একপ্ৰকাৰ শুদ্ধিকৃত্য বুলিব পাৰি।

**অন্নপ্ৰাসন ঃ—** নৱজাতকৰ জন্মৰ ১৮০ দিন অৰ্থাৎ ছয় মাহত অন্নপ্ৰাসন অনুষ্ঠিত কৰা পৰম্পৰা অতি প্ৰাচীন কালৰে পৰা চলি আহিছে। বঙালী সমাজত পুৰুষৰ ৬ মাহ বা ৭ মাহত শুক্লপক্ষত তৃতীয়া, পঞ্চমী, দশমী আৰু ত্ৰয়োদশী তিথিত অন্নপ্ৰাসন শুভ বুলি কোৱা হয়। অন্নপ্ৰাসনৰ আগলৈকে কেঁচুৱাক পনীয়া বা অৰ্ধপনীয়া আহাৰহে খুওৱা হয়। অৱশ্যে লোকসমাজত কেঁচুৱাৰ দাঁত গজিবলৈ আৰম্ভ কৰাৰ লগে লগে আনুষ্ঠানিকভাৱে গোটা আহাৰ খুৱাবলৈ আৰম্ভ কৰে। সেইবাবে দাঁত গজিবলৈ আৰম্ভ কৰাৰ আগতে অন্নপ্ৰাসনৰ দিনা পায়স বনাই ভগৱানক ভোগ দিয়া হয় আৰু সেই পায়স প্ৰসাদ কেঁচুৱাৰ মামাই মুখত তুলি দিয়ে। তেতিয়াৰ পৰাই কেঁচুৱাই ভাত খাবলৈ আৰম্ভ কৰে। অন্নপ্ৰাসন শেষ হোৱাৰ পিছত কেঁচুৱাক লৈ মামাৰ ঘৰলৈ যাব লাগে। এইটো বঙালী সমাজৰ নিয়ম।

অন্নপ্ৰাসনৰ দিনা গাঁৱৰ ৰাইজক সাধ্যানুসাৰে লুচি-পুৰি আদি খুওৱা হয়। এনেদৰে বঙালী সমাজত অন্নপ্ৰাসন অনুষ্ঠান কৰা হয়।

**গ) মৃতকৰ শ্ৰাদ্ধাদি কৰ্ম ঃ—** মৃতকৰ শ্ৰাদ্ধাদি কৰ্ম মানৱ জীৱনৰ শেষ কৃত্য বা সংস্কাৰ। মৃত্যুৰ লগে লগে পৰিয়াল বা সমাজৰ লগত ব্যক্তি বিশেষৰ বিচ্ছেদ হয়। মৃতকৰ যাৱতীয় কৃত্যাদিত বিশেষভাবে প্ৰাধান্য দিয়া উচিত। মৃতকজন যিমানেই আপোন বা প্ৰিয়তম নহওঁক কিয়, তেওঁৰ মৃত শটো বা দেহটো ৰাখিব নোৱাৰে। অৱশেষত মৃতদেহটো দাহনৰ ব্যৱস্থা কৰা হয়। মানুহে বিশ্বাস কৰে যে মৃতকৰ প্ৰয়োজনীয় কৃত্যাদি সম্পাদন নকৰিলে তেওঁ পিতৃসকলে বাস কৰা স্থান লাভ কৰিব নোৱাৰে আৰু প্ৰেত হৈ নিজৰ বংশৰ অপকাৰ চিন্তা কৰে।

ৰাজাবাৰী গাঁৱত হিন্দুসকলৰ মাজত শৱ দাহন, মুছলমান আৰু খ্ৰীষ্টানসকলৰ মাজত কবৰ দিয়া ব্যৱস্থা প্ৰচলিত। সৰু ল'ৰা-ছোৱালীৰ মৃত্যু হ'লে সাধাৰণতে পুতি থোৱা দেখা যায়। মৃত্যুৰ আগমুহূৰ্তত ব্যক্তি বিশেষৰ গোটেই দেহটোত চন্দনেৰে ৰাম-কৃষ্ণ-হৰি, অথবা দশাৱতাৰ বৰ্ণনা দি লিখি দিয়ে। চোতালত আওহতীয়া ঠাইত তুলসী পুলি এটি ৰুই ঠাইখিনি মচি-লেপি চাকি-বন্তি, ধূপ-দীপ জ্বলাই এখন শোৱা ঢাৰী পাৰে। ঢাৰীখনৰ ওপৰত এখন নিখুঁত বগা কাপোৰ পাৰি দিয়ে। ইয়াৰ পিছতেই মুমুৰ্ষ ব্যক্তিজনক ডাং-দোলাকৈ আনি সেই শেতেলিখনত উত্তৰ মূৰে শুৱাই দিয়ে। পুত্ৰ-কন্যা, স্বামী-পত্নী, আপোন-স্বজন আদিয়ে তেওঁৰ মুখত গাখীৰ, মৌ, পানী দিয়ে আৰু ৰাম ৰাম বা কৃষ্ণ নাম উচ্চাৰণ কৰিবলৈ নিৰ্দেশ দিয়ে আৰু লগতে উপস্থিত লোকৰ কোনোৱে গীতাৰ কেইটিমান শ্লোক বা এটা অধ্যায় আবৃত্তি কৰে। শেষ নিঃশ্বাস এৰাৰ লগে লগে মৃতকৰ দেহটো বগা কাপোৰ এখনেৰে ঢাকি দিয়া হয়।

জাতি বাঁহেৰে এখন চাং সাজি তাত শৱটো তুলি বগা কাপোৰ এখনেৰে ঢাকি লয় আৰু শৱটো পৰি যাব নোৱাৰাকৈ বেতেৰে বান্ধে। পুতেক, ভায়েক বা স্বামীয়ে চাংখনৰ চাৰিও কোণেৰে দীঘলকৈ উলিয়াই ৰখা বাঁহত ধৰি লৈ যায়। শ্মশান যাত্ৰীসকলে হাতত দা-কটাৰী আদি লৈ যাব লাগে। চিতাৰ ৰাবে দীঘলে পাঁচহাত, বহলে এহাত মাটি জুখি লৈ তাত পইচা এটা বা কড়ি এটা দি মাটিখিনি কিনি লয়। জাতি বাঁহ অথবা কাঠ খৰিৰে চিতা নিৰ্মাণ কৰে আৰু আত্মীয় মানুহে শৱটোৰ দুয়োমূৰে ধৰি চিতাত তুলি দিয়ে। চিতাত তুলি দিয়াৰ সময়ত শৱত কোনো কানি-কাপোৰ, আ-অংলকাৰ থাকিব নোৱাৰে। পুৰুষ হ'লে শৱটো উবুৰিকৈ আৰু স্ত্ৰী হ'লে চিতকৈ চিতাত তুলি দিয়া হয়। মৃতকৰ জ্যেষ্ঠ পুত্ৰই মুখাগ্নি কৰে।

মৃত্যুৰ দিনৰে পৰা ১১ দিন, ১৩ দিন আৰু ৩০ দিন পৰ্য্যন্ত মৰা ঘৰীয়াৰ বংশৰ লোকসকলে অৰ্থাৎ ভাগীসকলে মৰা আহুজ অৰ্থাৎ মৃত অশৌচ পালন কৰিব লাগে। এই সময়ছোৱাত হাল বোৱা, মাছ-মাংসাদি ভক্ষণ, শুভ কৰ্ম সম্পাদন সম্পূৰ্ণ নিষেধ। কেৱল হৱিষ্যান্ন আৰু ফলাদিহে গ্ৰহণ কৰিব পাৰে। দহ দিনত 'দহা কৃত্য' সম্পন্ন কৰা হয় আৰু এক মাহত বা ৩০ দিনত শ্ৰাদ্ধ কৰা হয়। সেইদিনা মৃতকৰ পুত্ৰসকলে মুণ্ডনৰ পিছত তেওঁলোকে স্পৰ্শ শুদ্ধিৰ ক্ষমতা লাভ কৰে। আৰু এবছৰৰ পিছত আকৌ বছৰেকীয়া শ্ৰাদ্ধ পতা হয় আৰু কীৰ্ত্তন কৰা হয়।

৪) সীমিত অংশগ্ৰহণ কৰা উৎসৱ-অনুষ্ঠান ঃ

উৎসৱ-অনুষ্ঠান শ্ৰেণী বিভাজন প্ৰসংগত উল্লেখ কৰা কোনো বিশেষ ব্যৱসায়ৰ অন্তৰ্গত লোক অথবা বিশেষ সম্প্ৰদায়ে বিশেষ উদ্দেশ্যেৰে আয়োজন কৰা উৎসৱ-অনুষ্ঠানসমূহক সীমিত অংশগ্ৰহণ কৰা উৎসৱ-অনুষ্ঠানৰ পৰিসীমাত সামৰা হৈছে। যেনে— ভেকুলী বিয়া।

**ভেকুলী বিয়া ঃ—** ভেকুলী বিয়া অসমৰ জনসাধাৰণ বাবে অজ্ঞাত নহয়। বিশেষকৈ নামনি অঞ্চলত ইয়াৰ প্ৰভাৱ বেছি। কামৰূপ, নলবাৰী, বৰপেটা জিলাৰ ঠাইবিশেষে ইয়াক আয়তীসকলে, ছোৱালীসকলে ধুমধামেৰে পাতে। কামৰূপ জিলাত অৱস্থিত ৰাজাবাৰী গাঁৱতো এই উৎসৱ পালন কৰা হয়। ঘৰে ঘৰে চান্দা তুলি অৱশেষত দুটি পানী ভেকুলী ধৰি আনি দুই ঘৰত ৰাখে। তাৰে এটা দৰা, আনটো কইনা বুলি ধৰা হয়। মানুহৰ বিয়াৰ নিচিনা আগদিনা জোৰণ দিয়া, বিয়াৰ দিনা অতিথিক খোৱা-বোৱা কৰোৱা, দৰা-কইনা ধুওৱা, ব্ৰাহ্মণ মাতি বিবাহত হোম-যজ্ঞ কৰোৱা, দৰা কইনাৰ ঘৰলৈ অহা ইত্যাদি থাকে। দিনটো ৰং-ধেমালিৰে কটাই ৰাতি দৰাক ফুলৰ মালাৰে সজ্জিত এখন কল ধকনাৰ দোলা সাজি তাতে দৰাক তিৰোতাবিলাকে বহুৱাই কইনাৰ ঘৰলৈ আনে। দৰাক বাট আগুৰি ধৰাৰ শেষত দৰা কইনাৰ ঘৰত বহুৱাৰ পাছতে পুৰোহিতে মন্ত্ৰ পাঠ কৰি হোম-যজ্ঞৰ আয়োজন কৰিবলৈ লোৱা, কইনা আনি দৰাৰ কাষত বহুৱাই বিবাহ শেষ কৰে। এই বিয়া অনুষ্ঠানটো ধেমেলীয়া গীত-মাতেৰে অতিবাহিত কৰে। বিয়াৰ পিচদিনা দৰা কইনাক লৈ পানীত সেৰা কৰি এৰি দিয়া হয়। যাতে ভেকুলীৰ মাতে বৰষুণ কঢ়িয়াই আনে। বৰষুণৰ মাত আহিলেই পানী ভেকুলীৰ মাত শুনা যায়। লোক বিশ্বাসমতে ভেকুলী শিষ্য আৰু মেঘ গুৰু। গুৰু আহিলেও শিষ্যই মাতে আৰু শিষ্যৰ আহ্বানত বৰষুণ হয়। সেয়ে আয়তীসকলে এই উৎসৱত বৰষুণক নিমন্ত্ৰণ জনাইছিল। সেই মতেই খৰাং বতৰ হ'লেই ৰাইজৰ মংগলৰ বাবে এই বিবাহ অনুষ্ঠিত কৰা হয়। বৰষুণ হ'লে শস্য ৰুব পাৰিব, শস্য নদন-বদন হ'ব। ইন্দ্ৰ দেৱতাক দিয়াৰ বাবে এই বিবাহ সম্পন্ন কৰা ভেকুলী বিয়াৰ গীতবোৰ বৰ ৰসাল আৰু আদৰ্শনীয়।

এনেদৰেই পানীখাইতি ৰাজাবাৰী অঞ্চলত উৎসৱ-পাৰ্বণ অনুষ্ঠিত কৰা হয়।

♦♦♦

# তেজপুৰৰ নিকামুল সত্ৰ ঃ এক অধ্যয়ন

দীপিকা কোছ
*চতুৰ্থ ষান্মাসিক*
*২০১৫ বৰ্ষ*

## নিকামুল সত্ৰৰ বিৱৰণ

মহাপুৰুষ গুৰু দুজনা শ্ৰী শ্ৰী শংকৰদেৱ, মাধৱদেৱ আৰু 'আতা' সকলৰ ধাৰ্মীক, আধ্যাত্মিক আৰু সাংস্কৃতিক ভাৱ সমগ্ৰ পৃথিৱীতে অদ্বিতীয়। ইয়াৰ চাৰে তিনিশ বছৰ পুৰণি ইতিহাসৰ ওপৰত এক সূক্ষ্ম দৃষ্টি নিৱন্ধন কৰা হৈছে।

শংকৰদেৱৰ মৃত্যুৰ পিছৰে পৰা সংহতি বিভাজনৰ আৰম্ভ হয়। সংহতি বিভাজন মুঠতে চাৰি ধৰণৰ হৈছিল। সেই চাৰি সংহতি হ'ল পুৰুষ সংহতি, ব্ৰহ্মসংহতি, নিকা সংহতি আৰু কাল সংহতি। এই সংহতিসমূহ বিভিন্ন জন পুৰুষৰ পৰা আৰম্ভ হৈছিল। শংকৰদেৱৰ 'নাতি পুৰুষত্তম' পৰা পুৰুষ সংহতিৰ আৰম্ভ হৈছিল। 'ব্ৰহ্মসংহতি দামোদৰ দেৱৰ পৰা আৰম্ভ, নিকা সংহতিৰ আৰাম্ভ হয় মাধৱদেৱৰ পুৰুষৰ পৰা আৰু কাল সংহতি অনিৰুদ্ধ দেৱৰ পৰা আৰম্ভ হয়। এই চাৰি সংহতি অসমত চলি আছে।

এই সংহতি সমূহৰ পৰা জনা যায় যে নিকামুল সত্ৰ 'পুৰুষত্তম ঠাকুৰৰ আৰ্হিত চলা। পুৰুষ সংহতিৰ আচাৰ ব্যৱহাৰৰ পৰা সত্ৰ সমূহ লাহে লাহে বাঢ়ি আহিছে। শংকৰদেৱৰ শিষ্যসমূহৰ ভিতৰত প্ৰধান শিষ্য আছিল 'সদানন্দ দেৱ'। তেওঁ আছিল দেৱী উপাশক। নিকামুল সত্ৰ মাজুলীত আছিল। বাপুৰামদেৱৰ পুত্ৰ স্বৰূপানন্দ দেৱে ৰুদ্ৰ সিংহ ৰজাৰ দিনত মাজুলীৰ বৰ্তমান পোহদিয়া নামে ঠাইত নিকা নামে এজন ভকতৰ বাৰীত নিকামুল সত্ৰ স্থাপন কৰে। মাজুলীত ধৰ্ম প্ৰচাৰ কৰি থকা সময়ত মানৰ আক্ৰমণত থাকিব নোৱাৰি সেই সময়ৰ সত্ৰৰ গৰাকীৰ লগতে ভকত, শিষ্য প্ৰশিষ্য সকলো খেদা খাই খাই আহি সত্ৰখন তুলি আনি কলিয়াবৰৰ কেনকনিয়া চুকত সত্ৰ স্থাপন কৰে। তাত কিছুদিন থাকি কলঙেদি

ভটীয়াই নগাঁও চহৰৰ চাৰি মাইল পূৱে শিঙিয়াপোতনি মৌজাৰ উৰিয়া গাঁৱত পুনৰ নিয়মেৰে সত্ৰ পতা হয়। শেহত উত্তৰ পাৰলৈ আহি তেজপুৰ নগৰৰ দুইমাইল উত্তৰে বৰ্তমানৰ মাজগাঁওত পূৰ্বৰ আৰ্হিৰে সত্ৰ পতা হয়। কলিয়াবৰ আৰু নগাঁওৰ সত্ৰ দুখনি তেজপুৰৰ সত্ৰাধিকাৰৰ তলে ভকত বৈষ্ণৱ সকলে পৰিচালনা কৰে।

বৰ্তমান নিকামুল সত্ৰৰ কীৰ্তন ঘৰতো যিখিনি ঠাইত অৱস্থিত সেই পৱিত্ৰ ভূমিখণ্ডৰ চাৰিওফালে গছ-গছনিৰে ভৰা আছিল। বহু বছৰ আগতে নিকামুল সত্ৰৰ তুলসীৰ খুঁটা দুটা বানপানীত উটি গুচি যায়। বৰ্তমান সত্ৰখনত কীৰ্তন ঘৰ, গোসাঁই থাপনা আৰু সুন্দৰ বৃহৎ গছ-গছনিৰে সত্ৰখন নিৰ্মাণ কৰা হৈছে। নিকামুল সত্ৰৰ চাৰি সীমাৰ ভিতৰত আম, নাৰিকল, বকুল গছ আদি শাৰী পাতি ৰোৱা আছে। তাৰোপৰি সত্ৰৰ বিশেষ দুৱাৰৰ সমুখত এডাল তাল গছ আছে।

নিকামুল সত্ৰৰ বৰ্তমানৰ ডেকা অধিকাৰ পুন্যব্ৰত দেৱ গোস্বামীদেৱ সত্ৰৰ কিছু দূৰ আঁতৰত তেওঁৰ নিজ গৃহ। তেওঁ নিজ গৃহত থাকিয়েই সত্ৰৰ পৰিচালনা কৰি আহিছে। নিকামুল সত্ৰৰ স্বৰ্ণৰ কলিয়া গোসাই এবাৰ চুৰি হৈছিল, তাৰ পিছত আকৌ স্বৰ্ণৰ কলিয়া গোসাঁই নিয়ম কানুনেৰে পুনৰ প্ৰতিষ্ঠা কৰে। সত্ৰৰ অধিকাৰ জন পুৱা গধুলি সত্ৰৰ নাম প্ৰসঙ্গ কৰে, বন্তি জ্বলাই আৰু শিষ্য সকলক শিক্ষা দান কৰে। সত্ৰৰ প্ৰৱেশদ্বাৰৰ সমুখ ভাগত গৰুণ্ড পক্ষী স্থাপিত কৰা আছে। সত্ৰৰ ভিতৰত বহুত নিয়ম কানুনৰ দ্বাৰাহে প্ৰৱেশ কৰিব পাৰি। কোনো এজন ব্যক্তিয়ে ধূতি পৰিধান কৰি সত্ৰত প্ৰৱেশ কৰিলে তাৰ মান বেছি হয়। সত্ৰত পুৱা নাম প্ৰসঙ্গ হয় আৰু দুপৰীয়া গধুলিও নাম প্ৰসঙ্গ কৰা হয়। সত্ৰত ভাগৱত কৰা হয়, ভাওনা আদি হয়। ফাকুৱা সময়ত সত্ৰত পূৰ্ণ আয়োজনেৰে ফাকুৱা পতা হয়। সত্ৰত ৰাস, ভাওনা আদি আয়োজন কৰা হয়। সেই ভাওনাত সত্ৰৰ শিষ্য সকলে যোগদান কৰি ভাওনা পাতে। মনিকুটৰ ভিতৰত কলীয়া ঠাকুৰ আৰু দৌল গোবিন্দৰ প্ৰতিমা আছে।

সত্ৰত প্ৰৱেশ কৰোতে বাঁওপিনে দেখিবলৈ পোৱা ঠাই খিনিত সময়ে সময়ে তাত ভকত সকলৰ মাজত ভক্তিমূলক কথা আলোচনা কৰা হয়। সত্ৰৰ ভিতৰত উত্তৰপিনে থকা সৰু চালিযুক্ত ঘৰটোক যোগমোহন ঘৰ বুলি কোৱা হয়। বহাগ বিহু, কীৰ্ত্তন আৰু দৌল মহোৎসৱৰ সময়ত যোগমোহন ঘৰত ভকতৰ সমাগম বেছি হয়। দৌল, দোমাহী, তিথি মহোৎসৱত এতিয়াও ইয়াত যাত্ৰা হয়।

নিকামুল সত্ৰৰ ধৰ্মীয় ৰীতি-নীতি

নিকামুল সত্ৰৰ পুৱা, গধুলি নাম প্ৰসঙ্গ কৰা হয়। প্ৰতিগৰাকী মহিলা মেখেলা চাদৰ আৰু পুৰুষে ধূতি পৰিধান কৰি সত্ৰত প্ৰৱেশ কৰে। সত্ৰৰ ভিতৰত বৰ্তমান প্ৰচলিত লংপেন্ট আদি পৰিধান কৰি গ'লে তেওঁলোকক সকলোতকৈ পিছৰ শাৰীত বহুৱা হয়।

সত্ৰৰ সকলো যাৱতীয় কাম-কাজ ভকত সকলৰ জৰিয়তে নিয়ম-নীতিৰে কৰা হয়। ধৰ্মীয় অনীতি অবিচাৰৰ ওপৰত বিচাৰ আৰু ধৰ্ম সম্বন্ধীয় আলোচনা কৰিবলৈ এখন সভা গঠন কৰা হয়। য'ত ৰাইজৰ দায় দোষ নিৰপেক্ষ ভাবে বিচাৰ বিবেচনা কৰা হয়। সত্ৰৰ ডেকা অধিকাৰ এই সভাৰ সভাপতি। সত্ৰীয় ভাষাত ইয়াকে "বৈঠকী সমূহৰ মেলা" বুলিছিল।

মহাপুৰুষ মাধৱদেৱে সত্ৰ সমূহ স্থাপন কৰি কেৱল তিনি প্ৰসংগৰ প্ৰচলনহে বাহাল ৰাখিছিল। সেয়া আছিল ৰাতিপুৱা, বেলাভাটি বা আবেলিৰ আৰু ৰাতিৰ প্ৰসংগ।

১। পুৱাৰ প্ৰসংগ ঃ পুৱাৰ গীত, পুৱাৰ ভটিমা, ভাগৱত পাঠ

২। আবেলিৰ প্ৰসংগ ঃ পাঠ, প্ৰসংগ ভাগৱত পাঠ

৩। ৰাতিৰ প্ৰসংগ ঃ গুণমালা, লীলামালা, ভটিমা, বৰগীত

নিকামুল সত্ৰৰ পৰিচৰ্যা কৰিবলৈ চাৰি হাটীৰ প্ৰয়োজন হৈছিল। যেনে ঃ পূৱ হাটী, পশ্চিম হাটী, উত্তৰ হাটী আৰু দক্ষিণ হাটী। এই ব্যৱস্থাই তেজপুৰৰ বৃহৎ জনজীৱনক একতাৰ ডোলেৰে বান্ধি এক অনুকুল পৰিৱেশৰ সৃষ্টি কৰিলে। সত্ৰৰ যাবতীয় কামবোৰ পৰিপাটিকৈ চলাবৰ বাবে সেই সময়ত বিষয়বাব সৃষ্টি কৰিলে। কামত নিয়োজিত ব্যক্তিসকলেও বিভাগীয় নিজৰ কৰ্তব্য সমূহ দৃষ্টিৰে নিৰ্মালি ৰূপে পালন কৰিছিল।

অসমীয়া সমাজ তথা সভ্য মানৱ সমাজৰ কাৰণে সত্য পথ প্ৰদৰ্শক তেৰাসকলৰ তিথি মহাৎসৱসমূহ সত্ৰৰ বিশেষ মহোৎসৱ। এই তিথি মহোৎসৱবিলাকত সত্ৰত কৰভাৰ সজোৱা নিয়ম আজি প্ৰায় চাৰে চাৰিশ বছৰ আগৰে পৰা চলি আহিছে। এই তিথি মহোৎসৱকে 'কীৰ্ত্তন' বোলা হয়।

তিথি নক্ষত্ৰ অনুযায়ী মাজে সময়ে দুজনা গুৰুৰ কীৰ্ত্তন অগা পিচা হয়। অৰ্থাৎ জগত গুৰু শংকৰদেৱৰ কীৰ্ত্তন আগতে নাপাতি কেতিয়াবা মাধবদেৱৰ কীৰ্ত্তন আগতে পতা হয়। সচৰাচৰ শ্ৰীমন্ত শংকৰদেৱ গুৰু জনাৰ কীৰ্ত্তন মহোৎসৱ

আগতে পতা হয়।

কীৰ্ত্তন থাপনাৰ আগদিনা ৰাতি চৈধ্য প্ৰসংগৰ পিছত গায়ন বায়নে আগতকৈ এটি অতিৰিক্ত গীত গায় আৰু প্ৰসংগ কৰে। ইয়াৰ পিছত সত্ৰৰ সত্ৰীয়াই গুৰু আসনত প্ৰাৰ্থনা জনায়। বাপুসকলক কীৰ্ত্তনৰ উদ্দেশ্য আৰু পালবোৰ বুজাই দিয়ে। লগতে কীৰ্ত্তন যাতে খতি নহয় তাৰ বাবে নিৰ্দেশ দিয়া হয়। কীৰ্ত্তন মহোৎসৱ পতাৰ দিনৰ পৰা আৰম্ভ কৰি প্ৰসংগৰ উপৰিও ৰাতিপুৱা দুই বা তাতোধিক পুৱাৰ গীত, আবেলি ঘোষা কীৰ্ত্তন হয়।

সৰ্বভাৰতীয় ধৰ্মীয় উৎসৱবোৰৰ ভিতৰত দৌল উৎসৱত এক সাৰ্বজনীন বৈশিষ্ট্য আছে। বিশেষকৈ শ্ৰীকৃষ্ণৰ ব্যক্তিত্বই ক্ৰমাগত বিকশিত হৈ সমগ্ৰ ভাৰতীয় ধৰ্মীয় পৰিৱেশ প্লাবিত কৰাৰ আনুষঙ্গিক পৰিণতিতে শ্ৰী কৃষ্ণৰ দৌল উৎসৱে ভাৰতীয় জন মানসত সাৰ্বজনীন ৰূপলৈ বিস্তৃতি লাভ কৰিছে।

শ্ৰীমন্ত শংকৰদেৱৰ বৰ্ণিত ভাগৱতৰ দৌল উৎসৱ, বৈকুণ্ঠৰ দৌল উৎসৱৰ উদ্দেশ্য কৃষ্ণলীলাৰ মাজেৰে নিৰহ নিঃপানী অব্যভিচাৰিণী কেৱল ভক্তিৰ সংযুক্ত আনন্দ উপভোগ কৰা। এই আনন্দ উপভোগ কৰাৰ মূল আহিলা হৈছে নাম-কীৰ্ত্তন, গীত, নৃত্য, বাদ্য আৰু ফাল্গু সিঞ্চাৰণ।

দৌল উৎসৱত দুপৰীয়া সত্ৰৰ ভকতসকলে বৰঢুলীয়াসহ বুঢ়া সত্ৰীয়াৰ বাসগৃহলৈ গৈ তেওঁক শোভাযাত্ৰা কৰি সত্ৰৰ চৌহদলৈ আগবঢ়াই অনা হয়। একেদৰে ডেকা সত্ৰীয়াকো আগবঢ়াই অনা হয়। গোসাঁইক কীৰ্ত্তন ঘৰৰ পৰা মঠৰ চোতাললৈ আনি পূজা-অৰ্চনা কৰাৰ পিছত দুখন সুশোভিত দোলাত তুলি গায়ন বায়ন ঢুলীয়া সহিতে হেজাৰ বিজাৰ ভক্তই হোলী গীতেৰে চৌদিশে মুখৰিত কৰি হৰ্ষোল্লাশেৰে ফাকুগুৰি ছটিয়াই আনন্দ কৰে।

ব'হাগৰ দোমাহী ৩০ চ'তৰ পৰা ৬ ব'হাগলৈকে ৭ দিন সত্ৰত পালন কৰা হয়। কীৰ্ত্তন ঘৰৰ চোতালতেই সত্ৰৰ নীতি অনুসৰি ধৰ্মীয় পৰম্পৰা আৰু মৰ্যদা ৰক্ষা কৰি ব'হাগৰ বিহু সত্ৰত উদ্‌যাপিত হয়। ঢোল পেঁপাৰ বিহুৰ ইয়াত ঠাই নাই। শান্ত, সমাহিত আৰু গাম্ভীৰ্যপূৰ্ণ হৰি কীৰ্ত্তন কৰি নিকামুল সত্ৰত পালন কৰা হয় ব'হাগৰ দোমাহী উৎসৱ।

◆◆◆

# পাঁচোৰজীয়া অঞ্চলৰ তিৱা লোকগীত

প্ৰবীণ লালুং
*চতুৰ্থ ষাণ্মাসিক*
২০১৬ *বৰ্ষ*

তিৱা জনগোষ্ঠীয় লোকসকলক বৰ্তমান অসমৰ, নগাঁও, মৰিগাঁও, কাৰ্বি আংলং আৰু কামৰূপ জিলাৰ দক্ষিণ-পশ্চিম অঞ্চল (প্ৰাচীন ডিমৰীয়া ৰাজ্যৰ অন্তৰ্গত ভূ-খণ্ড), মেঘালয় ৰাজ্যৰ উত্তৰ-পূৰ্ব প্ৰান্ত, ধেমাজিৰ ১৮ খন বৃহৎ গাঁও আৰু যোৰহাট জিলাৰ তিতাবৰ প্ৰভৃতি অঞ্চলত বসবাস কৰি আছে। ইয়াৰে পাহাৰত বসবাস কৰা সকলক 'হাজোৱালী' আৰু ভৈয়ামত বসবাস কৰা লোকসকলক 'থলুৱালি' বোলে। মন কৰিবলগীয়া যে আবাসস্থল অনুযায়ী তিৱাসকলৰ সমাজ ব্যৱস্থা, লোকবিশ্বাস, লোকাচাৰ, লোক-উৎসৱ অনুষ্ঠান, গীত-মাত আদিত পাৰ্থক্য দেখা যায়। তদুপৰি তিৱাভাষা সম্প্ৰতি পাহাৰবাসী তিৱাসকলৰ মাজতহে বিশেষভাৱে প্ৰচলিত।

তলত পাঁচোৰজীয়া অঞ্চলৰ তিৱা জনগোষ্ঠীয় লোকসকলৰ চমু পৰিচয় দাঙি ধৰা হ'ল।

পাঁচোৰজা বুলিলে টোপাকুছি, বাৰপূজীয়া, সৰা, খাইগড় আৰু মিকিৰ এই পাঁচো পোৱালি ৰজাকে বুজায়। এই পাঁচোৰজীয়া অঞ্চলটো শেনচোৱাৰ পৰা বোকনি চাপৰিলৈকে বিস্তৃত আছিল। এই পাঁচোৰজা অঞ্চলৰ মানুহখিনি জয়ধ্বজ সিংহ আৰু ৰাজেশ্বৰ সিংহৰ দিনত জয়ন্তীয়া আৰু খৈৰামৰ পৰা আহি এই অঞ্চলত বসবাস কৰিছিল। এই পাঁচোৰজা অঞ্চলৰ লালুং জনগোষ্ঠীৰ মানুহখিনিয়ে আগতে জয়ন্তীয়া আৰু খৈৰামত পালি অহা নীতিৰ কিছু পাহৰি যোৱাত, পূৰ্বৰ নীতিৰ কিছু এৰা-ধৰা কৰি চুবুৰীয়াৰো কিছু নীতি গ্ৰহণ কৰি চলিবলৈ চেষ্টা কৰিছিল।

বৰ্তমান পাঁচোৰজা অঞ্চলৰ লালুং জনগোষ্ঠীৰ মানুহখিনিৰ সামাজিক স্তৰ তিনিটা। প্ৰথম স্তৰটিত ঘৰখন যিটো বংশৰ, সেই বংশৰ সকলো লোককে সামৰি

এটা বংশৰ গোট হয়। এই গোটৰ মুখিয়ালজন হ'ল ঘৰ বুঢ়া, তেখেতৰ সহকাৰী হ'ল সৰু বুঢ়া আৰু হাৰী কুঁৱৰী। দ্বিতীয় স্তৰটিত হ'ল খেল। কেইবাটাও বংশ লগ লাগি একোখন খেল হয়। খেলৰ ভিতৰুৱা বংশবিলাকৰ ঘৰৰ বুঢ়াবিলাকে এই খেলখন পৰিচালনা কৰে। তৃতীয় স্তৰটিত হ'ল বাৰখেল। এইখেলখন কেইবাখনো খেলৰ বংশৰ বুঢ়াসকলে লগ লাগি গঠিত হয়। বংশৰ কোনো সমস্যা বংশৰ লোকসকলে মীমাংসা কৰিব নোৱাৰিলে খেলৰ বুঢ়াসকলে লগ লাগি গঠিত হয়। বংশৰ কোনো সমস্যা বংশৰ লোকসকলে মীমাংসা কৰিব নোৱাৰিলে খেলৰ বুঢ়াসকলে মীমাংসা কৰি দিয়ে আৰু খেলে মীমাংসা কৰিব নোৱাৰিলে বাৰ খেলৰ মুখিয়ালসকলে মীমাংসা কৰি দিয়ে।

পাঁচোৰজা অঞ্চলৰ তিৱাসকলৰ জন্ম-মৃত্যু-বিবাহ আদি সম্পৰ্কীয় লোকবিশ্বাসসমূহ মন কৰিবলগীয়া। তিৱা সমাজত একে গোত্ৰ বা কুলৰ মাজত বিবাহ নিষিদ্ধ। লগতে অন্তঃসম্পৰ্ক থকা কিছুমান বিশেষ কুলৰ মাজতো বিবাহ নিষিদ্ধ বুলি তেওঁলোকে পূৰ্বৰে পৰা মানি আহিছে। এই নিয়ম ভংগ হ'লে দোষীক কঠোৰ শাস্তি প্ৰদান কৰা হয়। তেওঁলোকৰ মাজত ধুম বিয়া বা হঠাতে পতা বিয়া, পলুৱাই নি পতা বিয়া, ধৰি ৰখা বিয়া, গভীয়া ৰখা বিয়া, জোৰোণ বিয়া আৰু বৰ বিয়া আদি পদ্ধতিৰে বৈবাহিক সম্পৰ্ক পতা হয়। ইয়াৰ ভিতৰত পলোৱাই নি পতা বিয়া বিশেষভাৱে জনপ্ৰিয়।

তিৱা সমাজত সন্তানসম্ভৱা মহিলাক কষ্টকৰ কাম কৰিবলৈ দিয়া নহয়, যদিও অংগ সঞ্চালনৰ বাবে ঢেঁকী দিবলৈ দিয়া হয়। অমংগল আৰু অপদেৱতাৰ নাশৰ বাবে বেজ-কবিৰাজৰ দ্বাৰা তাবিজ, ডোলা ফুঁহুতি আদি পিন্ধোৱা হয়। সেই সময়ত অপদেৱতাৰ কু-দৃষ্টিত নপৰিবৰ বাবে তুহঁ-জুই জ্বলোৱা হয় আৰু তাত সৰিয়হ চতিয়াই দিয়া হয়। কেচুৱা জন্মৰ পিছতে যথাৰীতি মতে অশৌচ শুদ্ধি কৰা হয়। নাড়ী সৰাৰ পিছতে কেঁচুৱাৰ অশৌচ খেদা হয়। অশৌচৰ দিনা পুৱা বেলা গা-পা ধোৱাই মাকে কেঁচুৱাটোক দুৱাৰডলিৰ বাহিৰলৈ আনে আৰু পূৱলৈ মূৰটো থকাকৈ ধৰে। তেতিয়া তিৰোতা পুৰোহিতে ল'ৰা হ'লে কেঁচুৱাটোৰ হাতত ধৰাই দেউতাকে সাজি দিয়া ধেনুৰে চাৰিওদিশে চাৰিপাত আৰু ওপৰলৈ এপাত কাড় মৰায়। কাড় মৰাৰ লগে লগে পাঁচজন দেৱতাৰ উদ্দেশ্যে মন্ত্ৰ মাতে। দেৱতা পাচজন হ'ল ক্ৰমে— মহেশ্বৰ, গৰেশ্বৰ, হেমেশ্বৰ, ধৰ্মেশ্বৰ আৰু বৰুণ দেৱতা। ছোৱালীৰ বেলিকা হাতত তুলা-ধূনা ছাটনি আৰু কাঁচি দি তেনে মন্ত্ৰ মাতে। এই

অনুষ্ঠানতে নৰজাতকৰ মঙ্গল কামনা কৰি ঘৰদেউ, পিতৃ-মাতৃলৈ পূজাভাগ আগবঢ়োৱা হয়। ইয়াৰ লগতে ল'ৰা সন্তানক উদ্দেশ্যি কোৱা হয়— 'বোপা, তোৰ ৰণ সদায় বাহিৰত' আৰু ছোৱালীক কোৱা হয়, 'তোৰ ৰণ ঘৰতেই' এই অনুষ্ঠানৰ আচাৰ-নীতিয়ে তিৱাসকলে যে সংগ্ৰামী জাতি তাকে সূচায়।

পাঁচোৰজীয়া অঞ্চলৰ তিৱাসকলৰ মৃতকৰ শেষকৃত্য সম্পাদন কৰাৰ বাবে নৈৰ পাৰত জুৰিৰ কাষত মৰিশালি স্থাপন কৰে। য'ত নদী বা জুৰি নাই তেনে ঠাইত মৰিশালিৰ ওচৰত, শ দাহত ভাগ লোৱা মানুহে ভৰি-হাত ধুৱৰ বাবে, শ দাহৰ পিছত এই জুই নুমাবৰ বাবে এটি পুখুৰী খান্দি লয়। প্ৰতিটো বংশ বা গোত্ৰৰ নিজস্ব একো ডোখৰ স্থানত নিজা নিজা শিল পুতি ভেঁটি স্থাপন কৰি লয়। খেলৰ বুঢ়াসকলে শ শৎকাৰ পৰিচালনা কৰাবৰ বাবে পুৰুষ-মহিলা দুগৰাকী গিয়াতি বাচি দিয়ে লগতে খেলৰ অন্তৰ্ভুক্ত প্ৰতিটো বংশকে শ-সৎকাৰত বাঁহ, কাঠ যোগান ধৰি অংশগ্ৰহণ কৰিবলৈ আদেশ দিয়ে। আত্মীয় এজনে চিতাৰ মুখাগ্নি কৰে। মৃতকৰ গহস্থই তিনি দিনলৈ উপবাসে থাকে। চতুৰ্থ দিনা টেঙা আৰু সাৰেৰে পৃথকে পৃথকে মাছ ৰান্ধি এভাগ মৃতকলৈ আগবঢ়াই গৃহস্থই উপবাস ভংগ কৰে। সাধাৰণতে মৃতকৰ শ্ৰাদ্ধ ১১, ১৩, ২০ দিন বা এবছৰতো পাতিব পাৰে। তাৰ বাবে পাঁচোৰজীয়া অঞ্চলৰ লালুং সমাজত 'তুলি লোৱা' প্ৰথা আছে। মন কৰিবলগীয়া যে এই অঞ্চলৰ তিৱা সমাজত একে কুল বা বংশৰ কেইবাজনো মৃতকৰ শ্ৰাদ্ধ বা কৰম সমূহীয়াকৈ কৰা হয়। তেওঁলোকে শ্ৰাদ্ধৰ ভোজ ভাতত সাধাৰণতে মাছ আৰু গাহৰি মাংসৰ লগতে ঘৰুৱা মদ (জু)ৰো ব্যৱস্থা কৰে। শ্ৰাদ্ধৰ দিনা গিয়াতীসকলক মৃতকৰ পৰিয়ালে বিশেষ সন্মান জনোৱাৰ লগতে খেল-সমাজক ৰাজহুৱাকৈ সাধ্যানুসৰি আপ্যায়ন কৰে।

আন অঞ্চলৰ তিৱা জনগোষ্ঠীয় লোকসকলৰ দৰেই পাঁচোৰজীয়া অঞ্চলৰ তিৱাসকলৰো ধৰ্মীয় জীৱনত বৰঘৰৰ বিশেষ গুৰুত্ব আছে। ই তেওঁলোকৰ সমূহীয়া উপাসনা গৃহ। বৰঘৰটো উত্তৰা-দক্ষিণা বা পূৱা-পশ্চিমাকৈ সাজে। বৰ ঘৰটোৰ বেৰ দিওঁতে মূধচৰ তলেদি ওলোৱা সোমোৱা বাট ৰাখি মাজত এখন বেৰ দি কোঠা দুটি কৰে। প্ৰথম কোঠালিৰ বেদীত বৰদেই, মহাদেউ, ঘৰজ্যোতি, ঘৰ-গোঁসানী, কালিখা-কামাখ্যা দেৱীক পূজা কৰে। দ্বিতীয় কোঠালিৰ বেদীত মৰি যোৱা পিতৃ-পুৰুষসকলক সোঁৱৰণ কৰি পূজা কৰে। ন'বাচৰক কেন্দ্ৰ কৰিয়ে বিভিন্ন পূজা-পাৰ্বন উৎসৱ আদি উদ্‌যাপন কৰা হয়। ইয়াৰ ভিতৰত ৰাতি সেৱা

বা ভকতসেৱা উল্লেখযোগ্য। তিৱাসকলৰ ঘৰুৱা জীৱনৰ বিভিন্ন মাংগলিক কামত বৰঘৰৰ গৃহ-দেৱতাক পূজা অৰ্চনা কৰা হয়।

পাঁচোৰজীয়া অঞ্চলৰ তিৱাসকলে বছৰৰ ভিন ভিন ঋতুত নানাধৰণৰ উৎসৱ পাৰ্বণ পালন কৰে। তিৱাসকলৰ সৰহভাগ উৎসৱ-পাৰ্বণ কৃষি কাৰ্যৰ সৈতে জড়িত। এই উৎসৱ পাৰ্বণৰ যোগেদি তেওঁলোকে স্বকীয় দেৱ-দেৱতাক আৰধনা কৰে তথা পৰিয়ালৰ মংগল কামনা কৰে। তিৱা জনবিশ্বাস মতে, তেওঁলোকৰ প্ৰধান উপাস্য দেৱতা হৈছে ফা মহাদেউ। তেঁৱেই সৃষ্টি কৰিব পাৰে, সংহাৰো কৰিব পাৰে। উপাস্য দেৱতাক কেন্দ্ৰ কৰি তিৱাসকলে ভূত-প্ৰেত, প্ৰকৃতি আদকি পূজা কৰে। পূজাক কেন্দ্ৰ কৰি কৰিয়ে নাচ-গান আদিৰ সমন্বয়েৰে নানাধৰণৰ উৎসৱ পালন কৰে। উল্লেখনীয় যে পূজা-পাতল আৰু গীত-নৃত্য-বাদ্যৰ ব্যৱহাৰ নোহোৱাকৈ সাধাৰণতে তিৱাসকলে কোনো উৎসৱ-পাৰ্বণ পালন কৰা দেখা নাযায়। পাঁচোৰজীয়া অঞ্চলৰ তিৱা সমাজত প্ৰচলিত উৎসৱ পাৰ্বণসমূহ হ'ল— গোঁসাই উলিওৱা উৎসৱ, ৰাতি সেৱা বা ভকত সেৱা, পিছু বা বিহু, মড়ল উৎসৱ, আই সকাম, মালদেই পূজা ইত্যাদি।

ইয়াৰ পৰা দেখা গ'ল যে, পাঁচোৰজীয়া অঞ্চলৰ তিৱাসকলৰ সমাজ আৰু সংস্কৃতি স্বকীয় বৈশিষ্ট্যপূৰ্ণ। এই বৈশিষ্ট্যসমূহেই পাঁচোৰজীয়া অঞ্চলৰ তিৱাসকলৰ সুকীয়া পৰিচয় বহন কৰিছে।

মানৱ সংস্কৃতিৰ এৰাব নোৱাৰা অংগ হিচাপে গীত-মাত, নৃত্য, বাদ্য আদিৰ প্ৰচলন হৈ আহিছে। মানৱ সমাজৰ বিভিন্ন উৎসৱ পাৰ্বণ তথা অন্যান্য অনুষ্ঠান আদিত গীত-মাতৰ প্ৰচলন হৈ অহাটো এক চিৰাচৰিত প্ৰথা। এই গীত-মাতবোৰৰ মাজতে এটা জাতিৰ-সমাজ সংস্কৃতিৰ পৰিচয় ফুটি উঠে।

তিৱাসকলৰ মাজত প্ৰচলিত লোকগীতবোৰ প্ৰধানকৈ কৃষি কৰ্মৰ সৈতে সম্পৰ্কিত। তদুপৰি বিভিন্ন উৎসৱ-অনুষ্ঠান অথবা আজৰি সময়ত আনন্দ বিনোদনৰ বাবে এই লোকগীতবোৰ গোৱা হয়। এই গীতবোৰৰ মাজেৰেই সৰল মনৰ কৃষিজীৱী তিৱাসকলে নিজৰ মনৰ আনন্দ উল্লাস, হা-হুমুনিয়াহ প্ৰকাশ কৰে। পাহাৰ আৰু ভৈয়ামত বসবাস কৰা তিৱাসকলৰ গীত-মাতৰ ওপৰত আলোচনা কৰিলে দেখা যায় যে দুয়োখন ক্ষেত্ৰৰে গীত-মাতবোৰ বেলেগ বেলেগ।

পাঁচোৰজীয়া অঞ্চলৰ লালুং (তিৱা) সকলেও তেওঁলোকৰ নিজস্ব ভাষা ভৈয়ামলৈ নামি অহাৰ লগে লগে কিছু কিছু হেৰুৱাবলৈ ধৰিছিল। এইদৰে নিজৰ

ভাষা হেৰুৱাই আহি আহি পাঁচোৰজীয়া অঞ্চলৰ লালুং মানুহখিনিয়ে কুৰি শতিকাৰ আগভাগত তেওঁলোকৰ নিজা ভাষা সম্পূৰ্ণৰূপে হেৰুৱাই পেলাইছিল। তেওঁলোকৰ মাজত প্ৰচলিত থকা 'ঘৰদেউৱে এৰিলে বনদেউৱে খাবলৈ কি চকু লাগিছে' এই প্ৰবচনটিৰ ওপৰত বিশ্বাস থকাসকলে তেওঁলোকৰ ধৰ্মীয় সংস্কৃতি একেবাৰে এৰিব পৰা নাছিল। তেওঁলোকৰ গীত মাতবোৰ লালুঙৰ নিজা ভাষাত, তাৰ পিছত আধা অসমীয়া আধা লালুঙৰ নিজা ভাষাত, তাৰ পিছত সম্পূৰ্ণ অসমীয়া ভাষাত গোৱা হ'ল। বৰ্তমান পাঁচোৰজা অঞ্চলৰ লালুং (তিৱা) মানুহখিনিয়ে তেওঁলোকৰ গীত-মাতসমূহ সম্পূৰ্ণ অসমীয়া ভাষাত গায়।

পাঁচোৰজীয়া অঞ্চলত প্ৰচলিত কেতবোৰ গীত-মাত হ'ল— গদালবৰীয়া গীত, বিহুগীত, লালি হিলালী গীত, বনগীত, নখাচাঙা গীত, দেহবিচাৰ গীত, আইনাম, বাৰকুলীয়া গীত ইত্যাদি।

**১। গদালবৰীয়া গীত**

পাঁচোৰজীয়া অঞ্চলৰ তিৱাসকলৰ মাজত প্ৰচলিত গীত-পদসমূহৰ ভিতৰত 'গদালবৰীয়া গীত' অন্যতম। তিৱা ভাষাত 'কদাল' (কদাল-গদাল) মানে নতুন, ৱাৰি মানে বাৰী। প্ৰসংগতঃ উল্লেখযোগ্য যে, পুৰণি অসমীয়া শব্দ 'ওৱাৰি'ৰ অৰ্থ ঘৰ-বাৰী, দৌল, ৰাজধানী, অট্টালিকা। তিৱা ভাষাত গীতক 'কীত' বুলি কোৱা হয়। অৰ্থাৎ গদালবৰীয়া গীত মানে 'নতুন ঠাইৰ গীত'। কিয়নো সপ্তদশ শতিকাত জয়ন্তীয়া পাহাৰৰ পৰা আহি ভৈয়ামত বসবাস কৰা তিৱাসকলৰ কাৰণে সেই সময়ত ভৈয়ামৰ ঠাইবোৰ নতুন আছিল।

গদালবৰীয়া গীতসমূহৰ দুটা ভাগ আছে। কিছুমান গীত খেতি পথাৰত ব্যস্ত হৈ থাকোঁতে ডেকা-গাভৰুহঁতে তথা গোৱালসকলে ম'হ চৰাওতে গায়। এই গীতসমূহক কৰ্ম বিষয়ক গদালবৰীয়া গীত বুলিব পাৰি। আনবিধ গদালবৰীয়া গীত অৱসৰ বিনোদনৰ সময়ত পৰিৱেশন কৰে। গদালবৰীয়া গীতসমূহ কেইবাটিও ভিন্ন সুৰত গোৱা হয়। প্ৰেম-প্ৰীতি, ভালপোৱা এইবিধ গীতৰ মূল ভাৱ।

**(ক) কৰ্ম বিষয়ক গদালবৰীয়া গীত**

কিছুমান গদালবৰীয়া গীত পথাৰৰ মাজত ধান দাই থকা গাভৰুৱে গায়, ম'হৰ পিঠিত উঠি গোৱালসকলে গায়। এই গীতসমূহ প্ৰধানকৈ প্ৰণয়মূলক। পথাৰত গোৱা প্ৰেম-প্ৰীতি বিজড়িত এই গীতসমূহক অন্যসকলে বনগীত বুলি কৈছে, কিন্তু মধ্য অসমৰ তিৱা জনজাতীয় লোকসকলে পথাৰত গোৱা প্ৰেম-

প্ৰীতি বিজড়িত এনেবোৰ গীতক গদালবৰীয়া গীতহে বুলিছে। অন্যান্যসকলৰ বনগীত বিহুগীত আৰু তিৱাসকলৰ গদালবৰীয়া গীতৰ ভাৱ-ভাষা একেই, মাথো সুৰ বেলেগে বেলেগে।

তলত কৃষি কৰ্মৰ সময়ত গাভৰুহঁতে গোৱা গদালবৰীয়া গীতৰ নিদৰ্শণ দাঙি ধৰা হ'ল—

১। যাম যাম তোমাকে যামে ঐ লাহৰি অ
সইতে তোমালৈ অ' যাম।
হাতত খচৰুৱা ডিঙিত বাখৰুৱা
তেহে ঘৰে ধৰি খাম।।

২। ঔৱে কোমলীয়া খাব মই নোৱাৰো অ'
দাতে কোমলীয়া ভাগে।
মন কোমলীয়া বুজাব নোৱাৰো
শহুৰৰ পুতেকক লাগে।।

৩। গাখীৰৰ লোভীয়া মহ'ৰে পোৱালি অ'
টেকেলি লুভীয়া অ দৈ।
গাঁৱৰে ঢলাইতা তিৰোতা লুভীয়া
থাকে যোৰা বাটত বৈ।।

গোৱালসকলে মহ'ৰ পিঠিত উঠি শিঙা, পেঁপা বজাই ভিন্ন সুৰীয়া গদালবৰীয়া গীত জুৰে। এই গীতবোৰৰ জৰিয়তে গোৱালসকলে মনৰ আৱেগ অনুভূতি প্ৰকাশ কৰে।

তলত গোৱালসকলে গোৱা গদালবৰীয়া গীতৰ নিদৰ্শণ দাঙি ধৰা হ'ল—

১। হাঁহে হৈ চৰিমগৈ তোমাৰে পুখুৰীত
পাৰ হৈ পৰিমগৈ চালত।
ঘামে হৈ সোমামগৈ তোমাৰে হৃদয়ত
মাখি হৈ চুমা দিম গালত।

২। হাললৈ লিখিলে তোকে ঐ লাহৰি অ'
পাললৈ লিখিলে অ তোক।
চাৰি আঙুল কপালত বিধাতাই লিখিলে
তোমালৈ নিলিখিলে মোক।।

৩। ট্ৰেইনখন আহিলে উকিয়াই উকিয়াই অ'
গ'হাটী ইচটিচনত (ষ্টেচন) অ' ৰ'ল।
টুপীতো মাৰংতে টুপীতো হেৰালে
ৰে'লৈগে নেদেখা হ'ল।।

তদুপৰি ধাননি পথাৰ মাজত কেতিয়াবা দুটি দলৰ মাজত গদালবৰীয়া যোৰা নামৰ অঘোষিত প্ৰতিযোগিতা অনুষ্ঠিত হয়। এদলৰ মাজৰ এজনে গোৱা গীত আনটো দলৰ এজনে লগে লগে ৰচনা কৰি ফিৰাই দিয়ে। এই যোৰা নামৰ গীত প্ৰায়ে দুজনৰ ভিতৰত লাগে, লগৰীয়াসকলে লগত থাকি গীত-ৰচনা কৰাত যোৰা নাম লগাজনক সহায় কৰে। যোৰা নামত জিকি আহিব পৰাটো প্ৰত্যেকে গৌৰৱৰ কথা বুলি ভাবে। যোৰা নামত জিকি ছোৱালীয়ে ল'ৰাক গোভীয়া (ঘৰ জোঁৱাই) আনে আৰু ল'ৰাই ছোৱালীক বোৱাৰী অনাৰ উদাহৰণো পাঁচোৰজীয়া অঞ্চলৰ লালুং সমাজত পোৱা যায়।

এই গীতৰ দুটি নমুনা দিয়া হ'ল—

(ক) কেঁচা তামোলটোৰ কিমান টান বাকলি অ'
লেচেৰাই কাটিব পাৰো।
ক'ৰ পৰা আহিছ দন্দুৰী নামতি
ফেঁচা যেন কৰিব পাৰো।

প্ৰত্যুত্তৰত,

এখুজি দুখুজি দিওঁতে তিনি খুজি
লৰিল কলাফুলৰ মঙহ।
কেটেৰানো মাৰি জোকাইনো নলবি
আমি কেঁচা খোৱা বঙহ।।

(খ) ক'কাইটি ক'কাইটি ম'হ গোৱালে ক'কাইটি
ম'হৰ কিহে কিহে নাম।
বোধন দুলনিত মহে চ'ৰাইছিল
ক'ত বান্ধিছিল ম'হ।।

প্ৰত্যুত্তৰত,

কলঙৰ পাৰতে মহে বান্ধি থ'লো
গোহালিত বান্ধিলো গৰু।

তোমাৰে নিচিনা মইনাক বান্ধিলো
বান্ধিলো ভাতৰে চৰু।

**(খ) অৱসৰ বিনোদনৰ সময়ত গোৱা গদালবৰীয়া গীত**

কিছুমান গদালবৰীয়া গীত আছে, যিবোৰ আজৰি সময়ত, মুকলি আকাশৰ তলত, পথাৰৰ মাজৰ গছৰ তলত ছয়-সাতজনী ছোৱালীয়ে ঘূৰণীয়াকৈ ঠিয় হৈ মাজত নাচনীক লৈ গাই চাপৰি বজায়। নাচনীয়ে গীত আৰু চাপৰিৰ চন্দে চন্দে পখিলাৰ দৰে চেও ধৰি নাচে। এই গীতসমূহৰ জৰিয়তে তিৱা গাভৰুহঁতৰ আন্তৰিক মনোভাৱৰ সুপ্ৰকাশ ঘটে।

তলত অবসৰ বিনোদনৰ সময়ত গোৱা গাদলবৰীয়া গীতৰ নিদৰ্শন দাঙি ধৰা হ'ল—

১। বকুল বৰা ধানৰ অ' চিৰা খুন্দি থৈছো অ'
ছ-পোৱা গাখীৰৰ দৈ।
তইয়ে নহ'লে অ' খামে কেনে কৰি অ'
চাই থাকো আগতে
লৈয়ে অ হৰি হৰি
কিয়নো ল'লি মায়াজৰী
এৰিব নোৱাৰা ঐ হ'লি।

২। চৰকাৰী কামলৈ নেলাগে যাবলৈ অ'
নেলাগে চৰকাৰী অ' ধন।
ঘৰতে বহি থাক দহোবন কৰি থাক
চাই থাকিবৰে
মনে ৰৈয়া পতি দৈয়া
তামোল কাটো কটাৰী দিয়া
ৰেপত চোলা জেপত
মাছ মাৰো হাৰিয়াৰ টুপত।

**২। বিহু গীত**

অসমৰ অন্যান্য জাতি জনগোষ্ঠীৰ দৰে তিৱা সকলৰ মাজতো বিহু উৎসৱৰ প্ৰচলন দেখা যায়। অনুমান মতে তিৱা সকলে বিহু উৎসৱটো ভৈয়ামলৈ নামি অহাৰ পিছৰ পৰাহে পালন কৰিবলৈ ল'লে। কাৰণ পাহাৰৰ তিৱাসকলৰ মাজত

বিহু উৎসৱ পালন কৰা দেখা নাযায়।

পাঁচোৰজীয়া অঞ্চলৰ তিৱা সমাজত বিহু আৰু বিহুগীতৰ প্ৰচলন পৰিলক্ষিত হয়। বিহুত তেওঁলোকে ভিন্ন সুৰীয়া গীত পৰিৱেশন কৰে। বিহুত গোৱা গীতবোৰ কি গীত বুলি কওঁতে এই অঞ্চলৰ পুৰণিচাম লোকে বিহুগীত বুলিও কয় গদালবৰীয়া গীত বুলিও কয়। বিহুৰ উপলক্ষে গোৱাৰ কাৰণে এই গীতবোৰক 'বিহুগীত' বুলিব পাৰি আৰু নতুন ঠাইৰ গীত কাৰণে গদালবৰীয়া গীত বুলিব পাৰি। গদালবৰীয়া গীত আৰু বিহুগীতৰ ভাৱ-ভাষা একেই মাথো সুৰ বেলেগ বেলেগ। এই বিহুগীতসমূহ সাধাৰণতে মাঘ বিহুৰ সৈতে জড়িত। বিহুত গোৱা এই গীতসমূহো দুবিধ। এবিধ হ'ল বিহুতলীৰ ঝুনা আৰু আনবিধ গাভৰুসকলে গোৱা বিহুগীত।

**(ক) বিহুতলীৰ ঝুনা**

মাঘৰ বিহুৰ উৰুকাৰ দিনা সকলো ঢুলীয়া আৰু গৰখীয়া ডেকা ল'ৰাহঁতে বৰ আঁহতৰ তলত সজা কাঠ মেজিৰ ওচৰত গোট খায়। গোট খোৱা ঢুলীয়াসকলে ঢোল কান্ধত লৈ মুখা মুখিকৈ থিয় হৈ ভিন্ন শ্লীল-অশ্লীল গীত জুৰে। এই গীতসমূহক বিহুৰ ঝুনা বা বিহুতলীৰ ঝুনা বোলে। গীত গোৱা শেষ হোৱাৰ লগে লগে ঢোল কেইটিত একেলগে 'শান্তি চেৱ' বাজি উঠে।

এইবিধ গীতৰ ভাৱ তীব্ৰ যৌনগোন্ধী আৰু অশ্লীল। ব্ৰহ্মাইয়ো-এখন মুখেৰে হেনো অশ্লীল গীত গাইছিল বুলি গাওঁতাসকলে কয়।

নিদৰ্শন—

১। বিহুৰে বিৰিণা পাতে অ' বহনা
বিহুৰে বিৰিণা পাতে অ'।
ঐ বিহু থাকে মানে বিহুকে বিনাবি
বিহু গ'লে বিনাবি অ' কাকে।।

২। হে কলি নকলি সূত কপাহ অ' নধৰি
গোন্ধে তেল ঘহিলি অ' গাতে।
অই এতোলা সেন্দুৰৰ মোৰ ফুট অ' মৰি
বিহু ধ্বনি লাগিছে অ' গাতে।।

৩। উৰি যোৱা বগলী লেখো হেৰা লাহৰী
উৰি যোৱা বগলী লেখো।

মইনাৰ লগৰ মানুহ  ক'তে থৈ আহিলা
আলানি আথানি দেখো।।

এইদৰে মেজি পুৰি শেষ নোহোৱালৈকে ঝুনা আৰু শান্তিৰ চেৰ চলি থাকে। পিছদিনা পথাৰত সজা মেজি পুৰি আহি বৰ গৰখীয়াৰ ঘৰত ঢোল বজাই ৰং-ধেমালি কৰে।

উল্লেখযোগ্য যে বিহুৰ ঝুনাসমূহ কেৱল পুৰুষ সকলেহে পৰিৱেশন কৰে। এই ঝুনা সমূহ মাঘ বিহুৰ উৰুকাত মেজিৰ কাষত পৰিৱেশন কৰাৰ লগতে উক্ত দিনাৰ সমূহীয়াভাৱে মাছ মৰা অনুষ্ঠানতো পৰিৱেশন কৰা দেখা যায়। ডিমৰীয়াৰ লালিলাং গীতৰ সৈতে ইয়াৰ সাদৃশ্য আছে। এই গীতসমূহ মূলত প্ৰণয়মূলক তথা অশ্লীল।

**(খ) গাভৰু বিহুগীত**

বিহুৰ দিনটো পাৰ হ'লে পিছদিনা ছোৱালীহঁতে পথাৰত, ৰাস্তাত ধোপখেলে। পথাৰৰ মাজত গছৰ ছাঁত জুম বান্ধি বিহুগীত গাই গাই চাপৰি বজায় আৰু নাচে। গাভৰুহঁতে গোৱা এই বিহু গীতবোৰৰ সুৰ নৃত্যৰ চন্দযুক্ত। তিৱা বিহুগীতবোৰৰ স্বৰ গায়নশোধিত সুকীয়া বৈশিষ্ট্য পৰিলক্ষিত হয়। অসমীয়া বিহুগীতবোৰত মাত্ৰাই প্ৰতি দুটি চাপৰি ব্যৱহাৰ কৰা বিপৰীতে তিৱাসকলে গোৱা বিহুগীতত প্ৰতি মাত্ৰাত এটাকৈহে চাপৰি পৰে। প্ৰেম, ভালপোৱা এই গীতবোৰৰ মূলভাৱ।

নিদৰ্শন—

১।  ঔৰে কুমলীয়া অ সোনাই অ'
খাব মই নোৱাৰো অ' সোনাই অ'
দাতে কোমলীয়া ভাগে।
যৌবন কুমলীয়া অ সোনাই অ'
দিবলৈ নোৱাৰো অ' সোনাই অ'
জানো চিঙি ভাঙি
পৰে অ' চেনাই ঘোপ জবৰাই ধৰিম তোক
শুধা নেদেখিবি মোক।।

২।  বেনু মন মন অ'  হাতীয়ো হেৰালে
বেনু মন মন অ'  লিহিৰি বনতে
বেনু মন মন অ'  ঘোৰাও হেৰালে ৰনত।

বেনু মন মন অ' গাঁৱৰে ঢলাইতা
বেনু মন মন অ' হেৰাব লাগিছে
বেনু মন মন অ' চোতালৰ দুবৰি
বনত মন মন অ' তোৰে যে মৰমত
মৰো মন মন অ' বঙালী ভাওনা চাওঁ।।

৩। ধুম্ গুৰু নুগুৰো গধুলি গধুলি
ধুম্ গুৰু নুগুৰো মই ফুৰো পদুলি
ধুম্ গুৰু নুগুৰো বাঘে খাই ঘুঙে খাই খাপ।
ধুম্ গুৰু নুগুৰো তোৰ লগতে মৰি যাওঁ
ধুম্ গুৰু নুগুৰো মৰমৰ লাহৰী
ধুম্ গুৰু নুগুৰো দেহা যাই যদি
মাকে ধুমেগিৰি ধুমুনিয়াং এনিযাযাং
বৈ বৈ ৰহঢলাৰ ভাওনা চাং।।

এইদৰে তিনি চাৰিদিন ভিন্নসুৰীয়া গীত গাই নাচিং ৰং-ধেমালি কৰাৰ পাছত গাভৰুহঁতে মাঘ বিহুটিক বিদায় দিয়ে। উল্লেখযোগ্য যে, এই গাভৰু বিহু নাচ ডেকাহঁতে দূৰৈৰ পৰা চাব পাৰে, কিন্তু ওচৰলৈ যাব নোৱাৰে। গাভৰু বিহুগীত-নৃত্যত ঢোল-পেঁপাৰ কোনো সংযোগ নাই। মাথোঁ হাতৰ চাপৰিৰে গাভৰুহঁতে গীতৰ ছন্দ ধৰে।

৩। লালী-হিলালী গীত

পাঁচোৰজীয়া অঞ্চলৰ তিৱা সমাজত প্ৰচলিত আন এটি লোকগীত হ'ল লালি-হিলালী গীত। এই লালি-হিলালী গীতো দুবিধ। এইবিধ মনশ্ব কৰোতে অৰ্থাৎ অশৌচ খেদা অনুষ্ঠানত গায় আৰু আনবিধ খেতি পথাৰত ধান কাটোতে দাৱনীসকলে গায়।

(ক) অশৌচিয়া অনুষ্ঠানত গোৱা লালি-হিলালী গীত

পাঁচোৰজীয়া অঞ্চলৰ তিৱাসকলে সন্তানৰ অশৌচিয়া কৰ্মত লালি-হিলালী গাত পৰিৱেশন কৰে। এই অঞ্চলৰ তিৱা জনগোষ্ঠীয় সমাজত একেটা কুলৰে বহু সংখ্যক সন্তানৰ একেলগে অশৌচিয়া কৰা নিয়ম। সমাজৰ বুঢ়াসকলৰ হাতত ল'ৰা সন্তান আৰু বৰঘৰৰ আইসকলৰ হাতত ছোৱালী সন্তানবোৰ শুদ্ধৰাই দিয়াৰ আগতে বুঢ়া-বুঢ়ীসকলে মুখা-মুখিকৈ ইদলে-সিদলক উদ্দেশ্যি লালী-হিলালী গীত

গাই থাকে। এই গীতবোৰৰ ভাৱ এক প্ৰকাৰৰ যোৰা নামৰ দৰে, কিন্তু গীতৰ সুৰ যোৰা নামৰ সুৰৰ দৰে নহয়। গীতবোৰ প্ৰয়োজন সাপেক্ষে ৰচনা কৰি লয়। গীতৰ সুৰবিলাক প্ৰথমৰ পৰা শেষলৈকে একেই থাকে।

তলত এইবিধ গীতৰ সুৰ চানেকীসহ নিদৰ্শন দাঙি ধৰা হ'ল—

লালি-হিলালী বাপা লাইয়ে মোৰ পিতাদেউ
হে এ এ এ হে এ এ এ হেত্ৰই
লালি হিলালী অ' লাই।
লালিলাং ঘৰতে বাপা বিড়ালী সোমালে
হে এএএ হেএএএ হেএএই
চাংতল সৰকি অ' যায়।।
লালুংৰ লালিতং বাপা লালি-হিলালী
হে এএএ হে এএএ হে এএই
দেহানৰ লালিতং পুঠি।
আঁউসী নেজানো বাপা মৰহি নেজানো
হে এএএ হে এএএ হে এএই
হামেকো নকৰো খতি।।

ইয়াৰ পিছত বুঢ়াসকলে ল'ৰাসকলক কোলাত লৈ ৰাইজৰ মাজলৈ আগুৰাই ঘূৰণীয়াকৈ ঘূৰি ঘূৰি জোকাৰি জোকাৰি নচুৱায়। এজনে গাই আৰু বাকীসকলে গীতৰ শেষৰ ফাঁকি গীতৰ লগে লগে চাপৰি ধৰে।

নিদৰ্শন—

এজনে গায়—

ললে লাহ ললে বাহ লালা হেলয়া লাই

বাকীসকলে গায়—

বাহ লালা হেলয়া লাই
হেই লালিলাং লাহে ল বাই লালিলাং লাহে ল বাই
বাহ লালা হেলয়া লাই
হেই... লালিলাং লাহে ল বাই লালিলাং লাহে ল বাই
লাল হেলয়া লাই।

মদৰ নাম ইলাই অ' মদৰ নাম বিলাই অ'

পানী দিলে ভৰে ভৰে ওলায়
বাই অ' লালা হেলয়া লাই?
হেই লালিলাং লহে ল বাই লালিলাং লহে ল বাই লালা হেলয়া লাই।
ধৰা বুলি মদকে চাকে নু তিনি বেলি
মদে লাগিবকে ডৰাই
বাই অ' লালা হেলয়া লাই।।
হেই লালিলাং লহে ল বাই লালি লাং লহে ল বাই
লাল হেলয়া লাই।

**(খ) কৃষি কৰ্মৰ সময়ত গোৱা লালি-হিলালী গীত**

ঘৰতে কাম কৰি খেতি কাম শেষ কৰিবলৈ গৃহস্থ যেতিয়া অপৰাগ হয়, তেতিয়া সহায়ৰ বাবে গঞা ৰাইজক মাতে। ইয়াকে খাঁতৰি মতা বুলি কয়। এই খাঁতৰি মাতোতে গঞা ৰাইজে গৃহস্থক সহায় কৰিবলৈ এটা নিৰ্দিষ্ট দিনত আগবাঢ়ি আহে। সিদিনা কাম কৰিবলৈ যোৱা গঞা ৰাইজক ডাৰণৰ সহায়ত থলাত মদ বাকি দি খাবলৈ দিয়ে। ৰাইজে মদ অলপ খাই লালি-হিলালী গীত গাই গাই ৰং ৰহস্যৰ মাজেদি কাম কৰি যায়।

খেতিৰ বতৰ অনুসৰি সুৰবিলাক বেলেগ বেলেগ। আহুৰ বতৰত খেতিৰ লালি-হিলালী গীতৰ সুৰৰ লগত বাওধানৰ খেতিৰ লালি-হিলালী গীতৰ সুৰ নিমিলে। সেইদৰে আহু বাওধানৰ খেতিৰ বতৰত সুৰৰ লগত ৰূপহী ধানৰ বতৰৰ সুৰ নিমিলে।

তলত খেতিৰ বতৰ ভেদে গোৱা লালি-হিলালী গীতৰ সুৰৰ নমুনা দিয়া হ'ল—

ৰূপহীধান কাটোতে গোৱা লালি-হীলালী গীতৰ সুৰ—
ল-হে-এ-এ-অ.... হে-ল-য়া-অ... হে এ এ এ ল
হে এ এ এ এ হে এ এ এ হে এ এ এ
ললা হেলয়া লাই
ও ৰাম গোঁসাই অ' হে এ এ এ
ললা হেলয়া লাই...

**বাওধান কাটোতে গোৱা লালি-হিলালী গীতৰ সুৰ—**
ল-লেন হেলয়া অ... ল হে...

অ ললা হেলয়া লাই
অ লাইয়ে বাই এ ধনে অ হে এএএ
ধেমালি বতৰে যায়...

এই সুৰে সুৰে বিভিন্ন পদবোৰ যোৰা লগাই সমূহীয়াভাৱে গাই গাই ধানবোৰ কাটে। লালি-হিলালী গীতসমূহ তিৱা জাতিৰ জন্ম কাহিনীৰ লগত জড়িত। এইবিধ গীতত তিৱা সকলক পূৰ্বতে লুইতৰ উত্তৰ পাৰৰ শদিয়া অঞ্চলৰ 'হালালী' ৰাজ্যৰ লোক বুলি কোৱা হৈছে। তিৱাসকলে পূৰ্বৰ হালালী ৰাজ্যৰ পৰা বিতাড়িত হোৱা কাহিনী আৰু তাত কটোৱা সুসময় দিনৰ সোঁৱৰণীয়ে "লালি-হিলালী" গীতবোৰৰ সুৰ দীঘলীয়া বিননি সদৃশ। এই গীতবোৰ তিৱা সকলে 'হালালী' ৰাজ্য ত্যাগ কৰি অহাৰ পিছত ৰচিত বুলি অনুমান কৰা হৈছে। ইয়াৰ নিদৰ্শন—

লালি-হিলালী লাই মোৰ গুৰু ঐ
লালি-হিলালী লাই;
সাতখন পথাৰত ঘুৰাই লৈ ফুৰালে
অজলা লালুঙক পায়।
লালুঙে গাইয়ে গ'ল লালি-হিলালী
দেহানে গাই গ'ল পদ;
পদবে মূৰতে বাপা কিৰিলি মৰিলে
চাক অই লালুঙনী মদ।

**বনগীত ঃ** পাঁচোৰজীয়া অঞ্চলত প্ৰচলিত গীত পদসমূহৰ ভিতৰত বনগীতো অন্যতম। পথাৰত বা হাবি বননিত গোৱা হেতুকে এই গীত সমূহক বনগীত বোলে। এই অঞ্চলটিৰ ডেকা-গাভৰু, আদহীয়া সকলো খেতিৰ বতৰত সংগবদ্ধ হৈ কাম কৰে। এইদৰে সংগবদ্ধ হৈ কাম কৰোঁতে তেওঁলোকে বনগীত গাই ৰং ৰহস্যৰ মাজেদি কামবোৰ আগুৱাই নিয়ে। প্ৰেম-প্ৰীতি ভালপোৱা এইবিধ গীতৰ মূলভাৱ। পথাৰৰ মাজত আপোন মনে ধান দাই থাকোঁতে ডেকা গাভৰুহঁতে এই গীত গায়। ম'হৰ পিঠিত উঠি গোৱাল ককাইটিয়ে এই গীত গায়। ওচৰত ধান দাই থকা পিলিঙা ডেকাহঁতেও এই গীত গায়। এই গীতত তেওঁলোকে মনৰ আবেগ প্ৰকাশ কৰে।

এই গীতবোৰৰ শব্দ গাঁথনি অতি কোমল চন্দযুক্ত। সুৰ অতি মিঠা আৰু বিননি সদৃশ। এই সুৰ প্ৰথমৰ পৰা শেষলৈকে একেই থাকে।

তলত বনগীতৰ নিদৰ্শন দাঙি ধৰা হ'ল—

আই সৰস্বতী মাগো পাৰেৰতী অ'
তোমালৈ বান্ধিলো অ' বেল।
পাহৰা গতিকে সোঁৰৰাই এ দিবা
যেনে মাথাত লোৱা তেল।।
আই সৰস্বতী মাগো পাৰেৰতী অ'
তোমালৈ বান্ধি যাওঁ অ কলা।
পাহৰা সুৰকে সোঁৰৰাই এ দিবা
যেনে পাজি কটা শলা।।
ক'কাইটি ক'কাইটি ম'হ গোৱাল ক'কাইটি অ'
কিহ লৈ মৰিলি অই উকি।
ম'হ গোৱাল ক'কাইটিৰ সাতজনী তিৰোতা
শুবলৈ নুজুৰে পাতি।।

৫। **বনলগা গীত ঃ** পাঁচোৰজীয়া অঞ্চল তিৱাসকলৰ মাজত প্ৰচলিত আন এটি গীত হ'ল বনলগা গীত। তিৱা সমাজত বিয়া, মৃতকৰ কৰম আদি অনুষ্ঠানত ৰাইজক শুশ্ৰূষা কৰিবলৈ অনেক ভাত খোৱা, পানী খোৱা, মদ খোৱা পাত্ৰৰ প্ৰয়োজন হয়। এই বিলাক সামগ্ৰী বৰঘৰৰ পৰা কিছু মুকলি ঠাইত দহ-বাৰজনে লগ-লাগি কলৰ বৌখাৰে খাজে। তালৈ বৰঘৰৰ পৰা মদৰ যোগান ধৰে। মদ খাই উঠি কাম কৰি কৰি সেইখিনি সময়তে তেওঁলোকে বনলগা গীত গায়। এই গীতৰ সুৰ গদালবৰীয়া গীতৰ সুৰৰ দৰেই। মাথো ঘৰৰ ওচৰত গোৱাৰ কাৰণে পথাৰত গোৱা গীততকৈ ইয়াৰ ভাষা কিছু মাৰ্জিত।

লালুং হ'ব জান তই মদো খাব জান তই
সাজিব নাজান ঠলা
দৰ্জাৰ বটীয়া মাৰিব জান তই
নিচিন বেজীৰে জলা
মদকে চাকিলং মদকে বাকিলং
ডাৰণক কৰিলং কাতি,
কাটি কুটা কৰি খাবলৈ নেপালেং
মজিয়াত মেহেলা পাতি।

৬। নখা ছাঙা গীত ঃ নখা ছাঙা গীত বা বৰষুণ মতা গীত পাঁচোৰজীয়া অঞ্চলৰ লালুং সমাজত প্ৰচলিত অন্যতম গীত। তিৱাসকল প্ৰধানত কৃষিজীৱি। আহাৰ-শাওণ মাহত খেতি কৰাৰ সময়ত যথেষ্ট পৰিমাণৰ বৰষুণৰ প্ৰয়োজন হয়। সেই সময়চোৱাত তিৱা ডেকাসকলে বৰষুণৰ দেৱতালৈ সেৱা জনাই এক বিশেষ অনুষ্ঠান পাতে আৰু দলবান্ধি গীত গায়। এইবোৰ গীতকে বৰষুণ মতা গীত বা নখা ছাঙা গীত বোলে। তিৱা ডেকাসকলে হাতে হাতে থৰ্কা, চিপৰাং, কোৰ আদি লৈ গাঁৱৰ ঘৰে ঘৰে গৈ এই গীত গায়। গীত গোৱাৰ আগে আগে মানুহ এজনে উৰল এটাৰ ওপৰত উঠি এডাল বেত টানি থাকে আৰু এজনে বেতডালত পানী ঢালি থাকে। বাকীসকলে উৰলটোক কেন্দ্ৰ কৰি ঘূৰে। এজনে গীত জুৰে আৰু বাকী সকলেও গায়। গীত গোৱা শেষ হোৱাৰ পিছত সমূহ ৰাইজে গৃহস্থক আশীৰ্বাদ দিয়ে আৰু গৃহস্থই এবাটি চাউল দি তেওঁলোকক বিদায় দিয়ে। এই নখাচাঙা অনুষ্ঠান পালন কৰিলে প্ৰচুৰ পৰিমাণে বৰষুণ হয় বুলি এই অঞ্চলটিৰ তিৱাসকলে বিশ্বাস কৰে।

নখা ছাঙা গীতৰ নমুনা তলত দিয়া হ'ল—

১। অ' হৰি নখা মানে থা।
আজি ৰাতি বতাহ-বৰষুণ শৰাই দৰাই আন।।

২। উৰল ধৰাটো উৰং উৰং কৰে।
উৰিব নোৱাৰিলে আচলতে পৰে।।
সাগৰি হেং হেং বতা হেং হেং।
দুৱাৰ মুখত বহি আছে দাত জেং জেং।।

৩। হাঁহ চনা লুটুৰ-পুটুৰ চোতালত পানী।
অবৰতলী বোৱাৰী গ'ল ডিঙিত ফটা কানি।।
কি কাপোৰ লগাইছা পানী গামোচা।
মোকে এখন দিব পাৰিলে তোমাৰ যশইচা।।

৪। উলুহনিৰ নৰা দলনিত পৰে
নেগুৰত লাগিলে পে-পুত কৰে।
উলুৱনিৰ নৰা দীঘলে দীঘল পাত
কাটিব নেজানে বাচিব নেজানে
তাৰহে বৰ বৰ মাত।।

৭ । ৰাতি সেৱা বা ভকতসেৱাত গোৱা গীত বা বিচাৰ ঃ

পাঁচোৰজীয়া অঞ্চলৰ লালুংসকলৰ মাজত ৰাতি সেৱা বা ভকত সেৱা বুলি এবিধ সেৱা ভাগৰ প্ৰচলন আছে। এই সেৱা ভাগত মদ (সাজ), গাহৰি (পহু), কুকুৰা (পখী) পূৰ্ণ শংকৰলৈ অৰ্পণ কৰা হয়। গোটেই ৰাতিটো বিভিন্ন দেহ বিচাৰৰ গীত বিভিন্ন সুৰেৰে টোকাৰীৰ সংযোগত বা এনেয়ে গাই ভকতসকলে পূৰ্ণ শংকৰৰ পূজা অৰ্চনা কৰে। এই সেৱা ভাগত অসমৰ বিভিন্ন জনগোষ্ঠীৰ লোক গোপনে জড়িত আছে। আনকি বহুতো মুছলমান মানুহো এই সেৱা ভাগৰ লগত জড়িত আছে বুলি শুনা যায়। এই ৰাতি সেৱাত ভাগ লোৱা লোকসকলৰ সেৱা ঘৰৰ ভিতৰত জাতৰ বিচাৰ নাই। এই সেৱাভাগত গোৱা গীতসমূহ ভক্তিমূলক।

ইয়াৰ নিদৰ্শন —

দেৱৰ কি দেৱতা তুমি মোৰ ঈশ্বৰে ঐ
দেৱৰ কি দেৱতা তুমি,
সূৰ্য নোলাওতে পৰিতুত কৰে
বিধৱা নকৰা বুলি।
গৰখীয়া ছৱালে ধৰি লৈয়ে যাব
শালিকীক জগাব টোপ,
জীৱতে এ জীৱ লুকাই মোৰ ঈশ্বৰ ঐ
জীৱতে এ জীৱ লুকাই।
সেয়েহে হৈছে দিনৰে এগতি
জীৱক মাৰি যাতনা ভূঞ্জায়,
ভাগৰ জীৱ ভাগে যাই স্থানৰ জীৱ স্থানে যাই
মুঠিৰ জীৱ মুঠিতে লুকায়।
কোন পুৰুষতে খৰিকে লুৰিলে
কোন পুৰুষতে বান্ধে,
গুৰুৱে ভকতে প্ৰাৰ্থনা জনাইছে
অগনি জ্বলিব লাগে।

জাৰি-জিকিৰ গোৱা মুছলমানখিনি এই ধৰ্মত লিপ্ত আছিল বুলি ভাবিবৰ থল আছে। কাৰণ বহু যুগৰ আগৰে পৰাই অৰ্থাৎ জাৰি-জিকিৰ গীত সংগ্ৰহ

নোহোৱাৰ আগৰে পৰা এই গীতবোৰ ৰাতি সেৱাত বা ভকত সেৱাত গাই আহিছে। সেৱাৰ লগত নগাৰ নৰোত্তম আৰু মুছলমানৰ চান্দ সাইৰ গীত জড়িত থকাৰ্লৈ চাই তেওঁলোক ৰাতি সেৱা বা ভকত সেৱাত জড়িত আছিল বুলি ধৰিব পাৰি। ৰাতি সেৱাৰ ঘৰৰ ভিতৰত গোৱা ৰামদেউ ভকতে নগাৰ নৰোত্তমক ধৰ্ম দিয়া আৰু জাৰি-জিকিৰৰ সংগত ঠাই পোৱা গীত সুৰ চানেকিসহ দিয়া হ'ল। এই গীতবোৰত 'স্বামী' শব্দটো বিভিন্ন ঠাইত ব্যৱহাৰ কৰে।

আহে হালি জালি ডালৰ নগা মিৰি
চৈৰাঙৰ বালিত ৰয়।
চৈৰাঙৰ বালিতে নগাই ক্ৰন্দন কৰে
বালিৰে মৃত্তিকা লই।।
বালিৰে মৃত্তিকা পেলা দলি মাৰি
ইয়াত গুৰু গোঁসাই নাই।
নগাৰ কান্ধে বাৰি দিহিঙে উটালে
গোঁসাই বিচাৰি যায়।
ছমাহ ছবছৰ গোঁসাই বিচাৰি
গোঁসাই পালেগৈ লগ।।
ক'লৈ আহিছা জলৰ নগা মিৰি
আমাক বুজত্ৰ কথা কোৱা।
আজিৰ বয়সত সচং নাপাও যদি
মৰিম গদাবিলত পৰি।।

**৮। আইৰ নাম ঃ**

পাঁচোৰজীয়া অঞ্চলৰ লালুং মানুহে ঘৰত কাৰোবাৰ অসুখ অশান্তি, জ্বৰ নৰিয়া হ'লে প্ৰথমতে আই সকাম পাতে, তাৰ পিছতহে বেজ কবিৰাজৰ ঔষধ ব্যৱহাৰ কৰে। এই আই সকামত আইসকলে বাৰ অধ্যায় নাম দি আইক নৰিয়াৰ পৰা উপক্ষণ ঘটাবলৈ তুতি ধৰে। কেতিয়াবা কোনোজনৰ গাত আই লম্ভিলে এই আইৰ নাম গায়। জেঠ মাহৰ শেষত সমূহীয়াভাৱে গোটেই গাঁওখনে মিলি সকাম পাতি, আইৰ নাম গাই, কলৰ বৌখাৰে ভুৰ সাজি, তাত ফুল আদি দি, বগা পাৰ এযোৰ সেন্দুৰ সানি দি উৰুৱাই আৰু ভুৰখন পানীত উটুৱাই দিয়ে। এই গীতবোৰৰ কোনো কোনোটিৰ সুৰ বৰ্তমান অসমৰ ৰাসৰ সুৰৰ লগত মিল

দেখা যায়। যিহেতু এই আই সকামটি পুৰণি কামৰূপত প্ৰাক্ শংকৰী যুগৰ পৰা চলিত আছিল বুলি গম পোৱা গৈছে, সেয়ে শংকৰদেৱৰ যুগৰ পৰা প্ৰবচিত ৰাসৰ সুৰবোৰৰ কিছু আই সকামৰ আইৰ নামৰ সুৰৰ পৰা লোৱা হৈছিল বুলি ধৰিব পাৰি।

আইৰ নামৰ দুটি নিদৰ্শন দাঙি ধৰা হ'ল—

আই ঠাই খানি মচিয়া
আই নিবত বঢ়ায়া
ৰূপে বিনন্দীয়া অ' আই কৰফুল গুৱা পান দিয়া।
আই গংগাতে জলে মাগি
আই দিছো ঠাইয়ে মুচি
ৰূপে বিনন্দীয়া অ' নধৰিবা দাই।।
আই বাৰীৰ পত্ৰ কাটি
আই দিছো আসন পাতি
ৰূপে বিনন্দীয়া অ আই ভকতক জুৰাইলা ফুল।
আই গোকুলৰ গোপিনী
আই বহিছো আপুনি
ৰূপে বিনন্দীয়া অ' আই মুখে হৰি নামে লোৱা।।

**৯। বাৰকুলীয়া গীত ঃ**

তিৱা সকলৰ সাতো ৰজা আৰু পাঁচোৰজাক সমূহীয়াভাৱে বাৰকুল বুলি জনা যায়। এই বাৰকুলৰ মাজত বাৰকুলীয়া গীত বা ভূঞা গীতৰ প্ৰচলন আছে। এই গীতবোৰত ভূঞাসকলৰ অতীত ৰোমন্থন ৰ বতৰা পোৱা যায়।

তিৱা সমাজৰ বিশ্বাসমতে মৃতকৰ সৎকাৰ কৰোঁতে কুট্‌বুধীয়া, মিছলীয়া, পৰশ্ৰীকাতৰ, অমঙ্গলীয়া আৰু পাপ কাৰ্যত লিপ্ত হোৱাৰ লোকৰ মুখ সহজে পোৱা নাযায়। আন এক বিশ্বাসমতে বাৰভূঞা বা বাৰকুলীয়া গীত জনা লোকৰো মুখ সহজে অগ্নিয়ে দগ্ধ কৰিব নোৱাৰে। তেতিয়া শৱদাহ কৰা লোকসকলৰ কোনোৱা এজনে এই গীত গায়। বাৰকুলীয়া গীত জনা আৰু গোৱা লোকসকলক তিৱাসকলে অংগলীয় বা পাপী বুলি গণ্য কৰাৰ ভয়ত বা লোক অপবাদৰ ভয়ত ইয়াৰ প্ৰচলন সীমিত।

লুখুতি মুৰৰে অ'ই হৈ ভূমি মোৰ বন্ধুদেত

অ’ লাখুটি মুৰৰে ভূমি অই
দেশৰে দেচী (দেশী);
অ’ ক’তে হেহুৱালি অ’ই
সোমেশ ভূঞাকে ঐ
বিচাৰি আনাগৈ তুমি হে
দেশৰে দেচী।
চ’ত মহীয়া ৰ’দে মোৰ বোপাদেও
চ’তে মহীয়া ৰ’দ
অ’ দেশৰে দেচী;
লগত লৈ ফুৰিলি সোলশ ভূঞাকে ঐ
তাকে বা এৰিলি ক’ত,
অ’ দেশৰে দেচী।
অ’ বাপ্নি সৰু সৰু ৰমণী গাভৰু
ঝাপিলো এৰিলি ক’তে
অ’ দেশৰে দেচী;
অ’ লাহৰী ঝাপিকে পাহৰি আছিলো
ষোলষ ভূঞাৰে অ’তে
অ’ দেশৰে দেচী।

এনেদৰে পাঁচোৰজীয়া অঞ্চলৰ লোকগীত সমূহে অঞ্চলটোৰ লগতে অসমীয়া সংস্কৃতি লৈয়ো অতীতৰে পৰা বৰ্তমানলৈকে স্বাক্ষৰ বহন কৰি আহিছে। সেয়েহে লোকগীতৰ ক্ষেত্ৰখনত পাঁচোৰজীয়া অঞ্চলৰ লোকগীত সমূহ উল্লেখযোগ্য তথা একক বুলিব পাৰি।

♦♦♦

# তিৱা জনগোষ্ঠীৰ জোনবিল মেলা

অঞ্জুমণি হালৈ
*চতুৰ্থ যাণ্মাসিক*
*২০১৭ বৰ্ষ*

মৰিগাঁও জিলাৰ জাগীৰোডৰ দুই কিলোমিটাৰ নিলগত জাগীৰোড মৰিগাঁও পথৰ সংযোগীৰ দুই পাৰে অৱস্থিত সেউজীয়া পথাৰ। গোভা মৌজাৰ জোনবিল ৰাজহ কিচামতৰ এখনি ডাঙৰ-বহল মুকলি খেতি পথাৰত এখন মেলা বহে, সেই মেলাখনৰ নাম হ'ল জোনবিল মেলা।

জোনবিল মেলাৰ আৰম্ভণি কোনে কেতিয়া কৰিছিল তাৰ সঠিক তথ্য পোৱা নাযায় যদিও তাহানিৰ গোভাৰাজ্য প্রতিষ্ঠাৰ দিনৰে পৰা এই মেলাৰ আৰম্ভণি হোৱা বুলি পণ্ডিত গৱেষক সকলে মত পোষণ কৰিছে। সেই হিচাপে গোভাৰজা হৈছে ইয়াৰ জন্মদাতা। তথ্য আদিৰ পৰা জনা যায় গোভাৰজা ৰায় সিংহৰ দিনত প্রতি বছৰে দেওশালত পূজা আগবঢ়াই মেলা পালন কৰা হৈছিল। জোনবিল মেলা প্রধানত গোভা ৰজাৰ পৃষ্ঠপোষকতাত প্রাচীন কালৰে পৰা অনুষ্ঠিত হৈ অহা পাহাৰ ভৈয়ামৰ তিৱা সকলৰ সম্প্রীতিৰ মহামেলা। এই জোনবিলৰ পৰা তিৱা সকলৰ গোভা ৰজাৰ বিহু উৎসৱ পালন কৰা হয়। আনহাতে তিৱা সকলৰ গোভাৰজাৰ বিহুৰ দুদিনৰ আগৰ পৰা এই মেলা বহে আৰু বিহু উৰুকাৰ সন্ধ্যাৰ দিনাখন মেলা শেষ হয়। জোনবিল মেলা মাঘৰ বিহুৰ পিছৰ সপ্তাহত আৰম্ভ হয়। এই মেলালৈ সপ্তাহটোৰ মঙ্গলবাৰ বা বুধবাৰৰ পৰাই মানুহৰ আগমন হয়। জোনবিল মেলা মাঘবিহুৰ পিছৰ শুক্রবাৰ আৰু শনিবাৰে আৰম্ভ হয়। এই মেলা প্রকৃতাৰ্থত পাহাৰ-ভৈয়ামৰ তিৱা সকলৰ সম্প্রীতিৰ মহামেলা। আনহাতে জোনবিল মেলা আৰম্ভ হোৱাৰ আগতে পূৰ্বৰে পৰা এই জোনবিলত ৰজাৰ পৰিষদ বৰ্গ তথা তাৰে বিভিন্ন গাঁৱৰ নিৰ্দিষ্ট ব্যক্তি বিশেষে মিলিত হৈ এই বিলখনত মাছ মাৰে। ইয়াক ৰজা মাছ মৰা বুলি কোৱা হয়। সেইবোৰ মাছেৰে

জোনবিলৰ পাৰত গোভা ৰজাৰ সহিতে সকলোৱে মিলিজুলি ভোজ ভাত খায়। সেই ভোজ ভাত খোৱাৰ পিছদিনাখন সকলো ৰাইজলৈ এই বিলখন মাছ মৰাৰ বাবে সমূহীয়াকৈ মুকলি কৰি দিয়া হয়। আজিও এই মাছ মৰা প্ৰথা প্ৰচলিত হৈ আছে। জোনবিল মেলাৰ এটি ডাঙৰ বৈশিষ্ট্য হৈছে বিনিময় প্ৰথা। পাহাৰৰ ভিতৰুৱা এলেকাৰ পৰা জাকে জাকে এই মেলাখনলৈ ঢাপলি মেলি আহে মামা-মামীসকল। জোনবিল মেলা পাহাৰৰ তিৱাসকল মেঘালয় জিলা, কাৰ্বিআংলং, পাহাৰীয়া জিলাৰ তিৱা, খাচি, গাৰো, কাৰ্বি আৰু জয়ন্তীয়া জনগোষ্ঠীৰ লোকসকলে মেলাখনত উপস্থিত হৈ একাকাৰ হৈ পৰে। জোনবিল মেলা নীলা মুকলি আকাশৰ তলত বহে আৰু এই মেলা প্ৰচণ্ড শীতকালত আৰম্ভ হয়। জোনবিল মেলাত পাহাৰীয়া আৰু ভৈয়ামৰ মানুহবোৰৰ মাজত বিনিময় প্ৰথা আৰম্ভ হয়। যেনেদৰে পাহাৰীয়া মামা-মামীহঁতে আদা, হালধি, জলকীয়া, জহাকোমোৰা, বাঁহৰ গাজ, শিলকোমোৰা, তিল, ৰঙালাও আৰু পাহাৰৰ বিভিন্ন ধৰণৰ শাক-পাচলি ইত্যাদি লয় আনে। আনহাতে ভৈয়ামৰ তিৱা আৰু অন্য সম্প্ৰদায়ৰ লোকসকলে ঘৰতে প্ৰস্তুত কৰা তিলপিঠা, তেলপিঠা, ভাপত দিয়া পিঠা, সান্দহৰ গুৰি, পাতত দিয়া পিঠা, শুকান মাছ, কেঁচা মাছ আৰু বিভিন্ন ধৰণৰ বস্তু আদিৰ লগত পাহাৰৰ মামা-মামী আৰু ভৈয়ামৰ লোকসকলৰ লগত বস্তুবোৰ সলনা-সলনি কৰে, এনেদৰে মুকুলি আকাশৰ তলত বহি বিনিময় প্ৰথা আৰম্ভ কৰে। এই মেলাত বিনিময় প্ৰথা কাহিলী পুৱাতে আৰম্ভ হৈ পৰে। এই মেলা অতীতৰ প্ৰথা বৰ্তমানো প্ৰচলিত হৈ আছে। কাৰ্বি আংলঙৰ তিৱা সমাজে এই জোনবিল মেলাত সাল-সলনি কৰি নিয়া পিঠা-পনা দি দেৱ-দেৱীক পূজা পাতল কৰিহে বিহু পতাৰ নিয়ম। মেলাখনত কেউটা দিশ বিশেষকৈ মেলাৰ স্থলীত কুকুৰা যুঁজ হয়। কুকুৰা যুঁজত যিটো কুকুৰা ৰণত হাৰে সেই কুকুৰাটো জিকা কুকুৰাৰ গৃহস্থই লাভ কৰে। এই কুকুৰা যুঁজ জোনবিল মেলাৰ এক বৈশিষ্ট্যপূৰ্ণ অংগ।

এই মেলাত গতানুগতিকভাৱে জয়ন্তীয়া ৰজাই অংশ গ্ৰহণ কৰে। বৰ্তমান অতি বহল ভিত্তিত হোৱা জোনবিল মেলাখনত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা বহু লাখ টকাৰ কাঠৰ সামগ্ৰী, বাঁহ-বেতৰ সামগ্ৰী, কাঁহ-পিতলৰ বাচন-বৰ্ত্তন, কাপোৰৰ দোকান আৰু মণিহাৰী সামগ্ৰী পোৱা যায়। অসমৰ তিৱা জনগোষ্ঠীৰ গোভা ৰজাৰ এই জোনবিল মেলাত ৰাজ্যখনৰ অগনন লোকৰ উপস্থিতত তিৱাসকলৰ কৃষ্টি বাহক আৰু জনজাতি অ-জনজাতি লোক সমন্বয়ৰ বাহক ৰূপে খ্যাতি লভিছে।

## জোনবিল মেলাৰ ৰীতি-নীতি

জোনবিল মেলা হৈছে গোভা ৰজাই মাঘবিহুৰ পিছৰ সপ্তাহত অনুষ্ঠিত কৰা এখন মেলা। এই মেলাখনত পাহাৰত থকা তিৱালোক সকলে পাহাৰত উৎপাদিত খোৱা-বস্তুৰ সৈতে ভৈয়ামৰ লোক সকলৰ লগত বিনিময় প্ৰথা আৰম্ভ কৰে। আনহাতে মেলা আৰম্ভ হোৱাৰ আগতে জোনবিলত সমূহীয়াকৈ মাছমৰা প্ৰথা আৰম্ভ কৰে। এই মেলা হৈছে পাহাৰ আৰু ভৈয়ামৰ সম্প্ৰীতিৰ মেলা।

জোনবিল মেলা প্ৰধানত ঃ গোভা ৰজাৰ পৃষ্ঠপোষকতাত প্ৰাচীন কালতে অনুষ্ঠিত হৈ অহা জোনবিল মেলা প্ৰকৃতাৰ্থে পাহাৰ ভৈয়ামৰ তিৱাসকলৰ সম্প্ৰীতিৰ মহামেলা। ইয়াত পৰম্পৰাগত বিনিময়ৰ প্ৰথাৰে বিভিন্ন সামগ্ৰীৰ বিনিময় কৰা হয়। এই উৎসৱত কেৱল তিৱাসকলেই নহয় তেওঁলোকৰ ওচৰ চুবুৰীয়া খাচী, জয়ন্তীয়া, কাৰ্বি আদি লোকেও পাহাৰৰ নানা কৃষিজাত আৰু শিল্পজাত দ্ৰব্য মেলালৈ আনি ভৈয়ামৰ সান্দহ, পিঠাগুৰি, পিঠা-পনা, শুকান মাছ আদিৰ লগত বিনিময় কৰে। পাহাৰ ভৈয়ামৰ এই সম্প্ৰীতিৰ মেলা প্ৰতি বছৰৰ মাঘ বিহুৰ পিছৰ শুক্ৰবাৰ শনিবাৰে উদ্‌যাপিত কৰা হয়। এই উৎসৱৰ এক বৈশিষ্টপূৰ্ণ অংগ হৈছে ‘জোনবিলত’ পাহাৰ ভৈয়ামৰ মানুহখিনি একে লগে লগ লাগি সমূহীয়াভাৱে মাছ মাৰে আৰু জোনবিল মেলাৰথলীত অনুষ্ঠিত কৰা কুকুৰা যুঁজ। মাঘ বিহুৰ বতৰত অনুষ্ঠিত এই উৎসৱ অসমৰ জনজাতীয় সংস্কৃতিৰ এক বিৰল দৃষ্টান্ত। স্মৰ্তব্য যে মাঘবিহুৰ লগত ৰজিতা খুৱাই ভৈয়ামৰ তিৱাসকলে জোনবিলৰ উপৰি অন্যান্য বিল জলাশয় আদিতো সমূহীয়াকৈ মাছ মাৰে, কুকুৰা যুঁজ, আদিও অনুষ্ঠিত কৰা হয়।

তিৱাসকলৰ এই জোনবিল মেলা বহুকেইটা দিশৰ পৰা অদ্বিতীয়। পূৰ্বৰ পৰা চলি অহা ৰীতি-নীতিৰ মতে গোভা ৰজাই এই জোনবিল মেলাৰ সময়ত ৰাজ পোছাক পিন্ধি হাতীৰ পিঠিত উঠি আহি মেলাস্থলীতে ডা-ডাঙৰীয়া আৰু বিষয়া সমন্বিতে ৰাজ দৰবাৰ পাতি মেলালৈ অহা লোকসকলৰ পৰা কৰ ভাৰ গ্ৰহণ কৰে। এই ৰীতি-নীতি এতিয়াও প্ৰচলিত হৈ আছে। জোনবিলৰ পাৰত বহা এই বৃহৎ মেলাখনলৈ পাহাৰ আৰু ভৈয়ামৰ জনগোষ্ঠীয়ে আহি যোগদান কৰে আৰু তেওঁলোকৰ মাজত বিভিন্ন উৎপাদিত দ্ৰব্য আদিৰ লগত বিনিময় কৰা হয়। মেলাস্থলীত তেওঁলোকে ধানৰ নৰাৰে প্ৰতি গৰাকীয়ে একোটাকৈ পঁজাঘৰ সাজি লৈ তাত থাকে।

**সমূহীয়া মাছ মৰা পদ্ধতি**

তিৱা জনগোষ্ঠীৰ মাঘবিহুৰ পিছৰ সপ্তাহত জোনবিল মেলাৰ আৰম্ভ হয়। এই মেলা আৰম্ভ হোৱাৰ পূৰ্বে জোনবিলত ৰজাৰ পাৰিষদবৰ্গ তথা বিভিন্ন গাঁৱৰ নিৰ্দিষ্ট ব্যক্তিসকলে মাছ মাৰে, ইয়াকে ৰজা মাছ মৰা প্ৰথা বুলি কয়। দূৰ-দূৰণিৰ পৰা অহা বিভিন্ন জনগোষ্ঠীৰ লোকে জাকৈ, খালৈ, প'ল, জুলুকি আদি মাছ ধৰা সা-সঁজুলি লৈ সকলোৱে দল বান্ধি ফূৰ্তি-তামছা কৰি সমূহীয়া কৈ জোনবিলত মাছ মাৰে। গোভা ৰজাই মাঘ বিহুৰ উৰুকাৰ আগদিনাখন সমূহীয়াভাৱে জোনবিলত মাছ মাৰি সেই মাছেৰে জোনবিলৰ পাৰত গোভাৰজাৰ স'তে সকলোৱে মিলিজুলি ভোজ-ভাত খায় আৰু ইয়াৰ পিছদিনা সকলো ৰাইজলৈ এই বিলখন মাছমৰাৰ বাবে মুকলি কৰি দিয়া হয়। যিসকলে মাছ বেছিকৈ পায় তেওঁলোকে ৰজাক কৰ হিচাপে একোটি মাছ ৰজালৈ প্ৰদান কৰিব লাগে। কাৰণ সেই মাছেৰে গোভা ৰজাই 'নোৱান পূজা' কৰে। বৰ্তমান এই কৰ ব্যৱস্থা লাহেকৈ নাইকিয়া হৈছে। সিদিনাখনৰ পৰাই জোনবিল মেলাৰ শুভাৰম্ভ হয় এই জোনবিল মেলাৰ শুভাৰম্ভ হয়। বিনিময় প্ৰথাৰ মাধ্যমেৰে যাৰ বাবে জোনবিল মেলা ইতিহাস প্ৰসিদ্ধ।

**বিনিময় প্ৰথা**

তাহানি দিনৰ পৰা চলি অহা পাহাৰ আৰু ভৈয়ামৰ মাজৰ এই বিনিময় প্ৰথা জোনবিল মেলাৰ এক প্ৰধান বৈশিষ্ট্য। জোনবিল মেলাৰ এই পৰম্পৰা বহু পুৰণি। পূৰ্বৰে পৰা জোনবিল মেলাই পাহাৰ আৰু ভৈয়ামৰ লোকৰ মাজত সমন্বয় ৰক্ষা কৰি আহিছে। বৰ্তমান যুগত টকা-পইচাৰে ক্ৰয়-বিক্ৰয় কৰা সময়তে এই মেলাত খলুৱা খাদ্য বস্তুৰে অদান প্ৰদান কৰি থকা প্ৰথাটোৰ বিশেষ মনকৰিবলগীয়া কথা। পাহাৰত বসবাস কৰা তিৱা জনগোষ্ঠীসকলে উৎপাদিত কৰা খাদ্য শস্য, কৃষিজাত সা-সামগ্ৰীবোৰ ভৈয়ামৰ তিৱা জনগোষ্ঠীসকলৰ সৈতে বিনিময় প্ৰথা আৰম্ভ কৰে। পাহাৰৰ পৰা কচু, আদা, হালধি, জলকীয়া, জহা কোমোৰা, ৰঙালাও, বেঙেনা, বাঁহগাজ, লা, ধুনা, নেলীকঠ, দালচেনী, দাৰণ, পাঁটি, বাঁহকা তিতা, থেকৰ, তিল, শিলকোমোৰা, ডাইনীপাত আৰু কিছুমান ঔষধি দ্ৰব্য ইত্যাদিৰ সৈতে ভৈয়ামৰ লোকসকলে অনা সান্দহ, পিঠা-পনা, কেঁচা মাছ, শুকানমাছ, শুকুতি, ভাপত দিয়া পিঠা, পাতত দিয়া পিঠা আদি নানান দ্ৰব্যৰ সৈতে আদান-প্ৰদান কৰে। আনহাতে তাতে অকল তিৱাসকলে এই মেলা স্থলীত অংশ গ্ৰহণ

নকৰে, ইয়াত সকলো জনগোষ্ঠীয় লোকে দ্ৰব্য বস্তুটো বিনিময় কৰা দেখা যায়। এই সকলোবোৰ খাদ্য বস্তু সাল-সলনি কৰে। তেনেদৰে বিনিময় প্ৰথা আৰম্ভ হৈ পৰে। এই বিনিময় কাৰ্য্যত মুদ্ৰাৰ প্ৰচলন নহয়, কাৰণ মুদ্ৰাৰ ব্যৱহাৰত বাধা আৰোপ আছে। সেয়েহে আনুমানিক হিচাপ এটাৰেহে সামগ্ৰীবোৰ সাল-সলনি কৰা হয়। এই জোনবিল মেলাত খাচিয়া, জয়ন্তীয়া, কাৰ্বি, পাহাৰৰ কাৰ্বি ভাই-ভনী সকলেও অংশ গ্ৰহণ কৰে। মেলাৰ দুদিনমান আগতেই তেওঁলোকে নিজৰ নিজৰ দ্ৰব্য বস্তু আদি হোৰাত ভৰাই লয় লগতে তাত গৈ থাকিবলৈ আৰু খাবৰ বাবেও বিভিন্ন ধৰণৰ সা-সঁজুলি দ্ৰব্য বস্তুবোৰ পিঠিত বোকোচা বান্ধি লৈ আহে। সেই মেলাস্থলীত তেওঁলোকে একোটা সৰু সৰু পঁজাঘৰ খেৰ-নৰাৰে সাজি থাকে। আকৌ আন কিছুমানে ওচৰ-চুবুৰীয়া গাঁওবোৰত ৰাতি কটাই পুৱা সোনকালে মেলত উপস্থিত হয়। পাহাৰীয়া ভাই-ভনীসকলৰ কোনো ধৰণৰ যেন অসুবিধাৰ সৃষ্টি নহয় তাৰ বাবে ৰাজ বিষয়ববীয়া তথা মেলা উদ্‌যাপন সমিতিয়ে যাৱতীয় সা-সুবিধাবোৰৰ ব্যৱস্থা কৰি দিয়ে। মেলাস্থলীত এখন অস্থায়ী মঞ্চ থাকে য'ত ৰজা আৰু অন্যান্য অতিথি তথা পাৰিষদ বৰ্গই তাৰপৰা মেলা পৰিচালনা কৰে। ৰজাই আহি তাৰ পৰাই মেলা উপভোগ কৰে আৰু পাৰিষদ বৰ্গৰ খবৰ-খাতি লয়। ৰজা বা পাৰিষদ বৰ্গই অনুমতি প্ৰদান নকৰালৈ এই বিনিময় প্ৰথা আৰম্ভ নহয়। পাৰিষদ বৰ্গই আহি ঘোষণা কৰি দিয়ে যে এতিয়া বিনিময় প্ৰথা আৰম্ভ কৰিব পাৰিব, তেতিয়াহে শাৰী পাতি বহি থকা ভৈয়ামৰ লোকসকলৰ সৈতে পাহাৰৰ ভাই ভনী লোকসকলে নিজৰ পছন্দৰ বস্তু দ্ৰব্যৰ সৈতে বিনিময় কৰে। জোনবিল মেলা এক প্ৰধান উদ্দেশ্যটো হ'ল বিনিময় অৰ্থাৎ দ্ৰব্য বস্তু আদি বিনিময়ৰ জৰিয়তে পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ এনাজৰীডাল কটকীয়া কৰি ৰখা। সেয়ে ইয়াত ডেকা ডেকেৰীৰ চাৰি চকুৰ মিলন হোৱাও দেখিবলৈ পোৱা যায়। শুক্ৰবাৰে পুৱাৰ ভাগত দ্ৰব্য বস্তু বিনিময় কৰি আবেলি পৰত মেলা উপভোগ কৰি পাহাৰীয়া ভাই-ভনীসকলে পিছদিনা নিজ নিজ গৃহলৈ ৰাওনা কৰে। আন এটা আকৰ্ষণীয় কথা হ'ল পাহাৰীয়া তিৰা সকলক পাহাৰৰ মামা-মামী বুলিও সম্বোধন কৰা হয়। পাহাৰৰ তিৰা সকলে মেলাৰ পৰা বিনিময় কৰি নিয়া সান্দহ, পিঠা, লাডু সৈতে বিহুৰ দিনা পূজা অৰ্চনা কৰি পাহাৰত বিহু পাত বুলি কোৱা হয়। বিনিময়ৰ দ্বাৰা নিয়া সামগ্ৰীৰে পূজা-অৰ্চনা কৰিলেহে তেওঁলোকৰ তুষ্ট দেৱতা সন্তুষ্ট হ'ব বুলি তিৱাই বিশ্বাস কৰি আহিছে। ভৈয়ামৰ ৰজাসকলে

'মুখে পতা' বিহু উদ্‌যাপন কৰে। নেলী আৰু গোভা ৰজাই শনিবাৰে উৰুকা আৰু ৰবিবাৰে বিহু উদ্‌যাপন কৰে। কিন্তু খলা আৰু চহৰী ৰজাই মঙ্গলবাৰে উৰুকা আৰু বুধবাৰে বিহু উদ্‌যাপন কৰে। এই চাৰিওখন ৰাজ্যৰ তিৱাসকলে আজিও এই পৰম্পৰা মানি চলিছে। অসমৰ নগাঁও আৰু মৰিগাঁও জিলাৰ দাঁতিকাষৰ তিৱাসকলে পূৰ্বৰ পৰা এই পৰম্পৰা অনুযায়ী ৰজাৰ কথামতে সংক্ৰান্তিৰ পিছৰ নিৰ্দ্ধাৰিত দিনত মাঘ বিহু আৰু ব'হাগ বিহু পাতে।

**কুকুৰা যুঁজ**

তিৱাসকলৰ জোনবিল মেলাৰ এটা বিশিষ্ট ৰীতি-নীতি হ'ল কুকুৰা যুঁজ। বিনিময় প্ৰথা আৰম্ভ হোৱা সমান্তৰালভাৱে সেই ঠাইৰ ওচৰতে আন এক অনুষ্ঠানৰ আয়োজন কৰা হয়। সেই অনুষ্ঠানটো হ'ল কুকুৰা যুঁজ। সুন্দৰকৈ কোৰেৰে চুৰুকি এখন চোতাল সাজে। সেই চোতালতে ৰাজ বিষয়া আৰু কুকুৰা যুঁজ পৰিচলনা সমিতি লগতে কুকুৰাৰ ঠেঙত চুৰি পিন্ধাই দিয়া গৰাকী সকলো উপস্থিত থাকে। বিভিন্ন অঞ্চলৰ পৰা বিভিন্ন জনগোষ্ঠীৰ মানুহ আহি ইয়াত কুকুৰা যুজায়। ইজনে সিজনৰ কুকুৰাৰ সৈতে যুঁজাবৰ সন্মতি প্ৰকাশ কৰিলে দুয়োটাকে চুৰি বান্ধি যুজিবলৈ দিয়ে আৰু যিটো চৰাই হাৰে সেইটো জিকা চৰাইটোৰ গৰাকীয়ে লাভ কৰে। ইয়াতে এনেদৰে কুকুৰা যুঁজ অনুষ্ঠিত কৰা হয়।

**পৰম্পৰাৰ কৰ সংগ্ৰহ**

তাহানি দিনৰ পৰাই গোভা ৰজাই শাসন কৰা ৰাজ্যখনৰ অঞ্চল সমূহৰ পৰা কৰ সংগ্ৰহ কৰি তেওঁ ৰাজকাৰ্য্য পৰিচালনা কৰিছিল। আনুমানিক ১৮৩৫ খৃষ্টাব্দত গোভা ৰাজ্য ব্ৰিটিছৰ হাতলৈ যায় আৰু তেতিয়াৰে পৰা কৰ সংগ্ৰহ প্ৰথাৰ বিলুপ্তি ঘটে। সেই সময়ৰ পৰা গোভা ৰজাই জোনবিল মেলাৰ পৰা কৰ সংগ্ৰহ কৰি পৰম্পৰাগত প্ৰথা বৰ্তমানো জীয়াই ৰাখিছে। জোনবিল মেলাৰ প্ৰতি ভৈয়ামৰ তিৱাসকলতকৈ পাহাৰীয়া তিৱাসকলৰহে আগ্ৰহ বেছি। দূৰ-দূৰণিৰ পাহাৰৰ দুৰ্গম অঞ্চলৰ পৰা পাহাৰীয়া জনজাতি সকলে থপা বা হোৱাত সামগ্ৰী ভৰাই লৈ পৰুৱাৰ লানিৰ দৰে খোজাকাঢ়ি পাহাৰ বগাই মেলালৈ আহে। বৰ্তমান যাতায়ত কৰা বাট-পথৰ অৱস্থা কিছু ভাল হোৱাত ভৈয়ামৰ লোকসকলে বাছ গাড়ী ভাড়া কৰি জাকে জাকে মেলালৈ আহে। পাহাৰীয়াসকলে গোভা ৰজাৰ জোনবিল মেলাৰ প্ৰতি থকা এৰাব নোৱাৰা সম্পৰ্কৰ কথা আজিও তেওঁলোকে কয়। পাহাৰীয়া লোকসকলে নিজৰ ৰজাৰ প্ৰতি আনুগত্য প্ৰকাশ কৰাৰ কাৰণে মেলাত

বিনিময় কৰাৰ বাবে হোৰাত ভৰাই লৈ  অহা সামগ্ৰীৰ এটা অংশ কৰ-কাটল হিচাপে দি গোভা ৰজাক পৰিশোধ কৰে আৰু মেলাত থকা অন্যান্য তিৱা প্ৰজাসকলে উৎপাদিত কৃষি শস্যৰ সামান্য এটি অংশ কৰ-কাটল হিচাপে দি ৰজাক পৰিশোধ কৰি ৰাজানুগত্য প্ৰকাশ কৰে। মেলাৰ দিনা গোভা ৰজাই বিষয় বৰ্গৰ সৈতে মেলাত উপস্থিত থাকে আৰু নিৰ্দিষ্ট স্থানত আসন গ্ৰহণ কৰে। তেতিয়া এচাম বিষয়াই মেলাত বহা বিভিন্ন দোকান পোহাৰৰ দান বৰঙণি তথা কৰ সংগ্ৰহ কৰে। বিনিময় পৰ্ব শেষ হোৱাৰ পিছত মেলাৰ অন্তত তেওঁলোকে সাজি লোৱা সৰু সৰু পঁজা ঘৰবোৰ জুই লগাই দিয়ে আৰু পিছলৈ নোচোৱাকৈ বেগাই খোজ দি যায় গৈ। ইয়াৰ পিছত জোনবিল মেলাৰ পৰা বিনিময় কৰি লৈ যোৱা সান্দহ, পিঠা, কেঁচা মাছ তথা অন্যান্য খাদ্য সামগ্ৰীৰে  পাহাৰীয়া জনগোষ্ঠীৰ লোকসকলে ভোগালী বিহু উদ্‌যাপন কৰে। সম্প্ৰতি গোভাৰজা আৰু পশ্চিম নগাঁও ৰজাৰ উমৈহতীয়া প্ৰচেষ্টাত এই মেলা অনুষ্ঠিত কৰা হয়। জোনবিল মেলা পাহাৰ আৰু ভৈয়ামৰ বিভিন্ন জনগোষ্ঠীৰ সম্প্ৰীতি আৰু মিলনৰ এক অপূৰ্ব নিদৰ্শন।

◆◆◆




নামঘৰ






অসমীয়া বিভাগ






বিদায় সভা
ষষ্ঠ ষাণ্মাসিক অসমীয়া বিভাগ
তাৰিখ : ৭-৪-২০১৮